● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

আমি যি লাভ কৰো তাৰ দ্বাৰা মন সমৃদ্ধ হয় আৰু আমি যি প্ৰদান কৰো তাৰ দ্বাৰা হৃদয় সমৃদ্ধ হয়।

ভিক্টৰ হুগো
*ফৰাচী সাহিত্যিক*



www.dainikagradoot.in

৭ কাশ্মীৰত হিন্দু শিক্ষয়িত্ৰীক গুলিয়াই হত্যা
১৫ এছিয়া হকীৰ ফাইনেলত প্ৰৱেশত ব্যৰ্থ ভাৰত
৪ ধৰ্মান্ধ ৰাজনীতিয়ে মাতি আনিছে সামাজিক সংকট

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২৩১তম সংখ্যা ● গুৱাহাটী ● বুধবাৰ ১৭ জেঠ ১৪২৯ ভাস্কৰাব্দ ১ জুন ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Wednesday 1 June 2022 মূল্য ঃ ৯.০০ টকা

■ অধিক সংখ্যক ছহিদৰ তালিকাৰ পুনৰীক্ষণ ■ বড়ো আন্দোলনত সৰ্বস্বান্ত হোৱা আদিবাসী লোকৰ বাবে বিশেষ পুঁজি আবণ্টন ■ শান্তিৰ কাৰণে তেওঁলোক ছহিদ হৈছিল ঃ মুখ্যমন্ত্ৰী শৰ্মা

# বড়োভূমিৰ ১৮ অবড়ো ছহিদক পাঁচ লাখকৈ



■ সকলো খিলঞ্জীয়াই নিজৰ পৰিচয় লৈ বিটিআৰত জীয়াই থাকিব পাৰিব ঃ প্ৰমোদ

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ৩১ মে' ঃ** দীঘলীয়া বড়ো আন্দোলনৰ সময়ত অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত প্ৰাণাহুতি দিয়া অবড়ো লোকক আৰ্থিক সাহায্য প্ৰদানৰ প্ৰক্ৰিয়া আজিৰ পৰা আৰম্ভ কৰিলে অসম চৰকাৰে। প্ৰথম পৰ্যায়ত অবড়ো সুৰক্ষা সমিতিয়ে ছহিদ ঘোষণা কৰা ১৮ জনৰ নিকটাত্মীয়ক আজি মুখ্যমন্ত্ৰীয়ে পাঁচ লাখ টকাকৈ প্ৰদান কৰে। জনতা ভৱনত এই উপলক্ষে আয়োজিত এক অনুষ্ঠানত বিটিআৰত বাস কৰা প্ৰতিটো জাতি-জনগোষ্ঠীৰ লোকে যাতে সমমৰ্যাদা-সমঅধিকাৰ ভোগ কৰিব পাৰে তথা অঞ্চলটোত বিৰাজ কৰা শান্তি-সম্প্ৰীতিক অধিক শক্তিশালী কৰাত অৱদান আগবঢ়াব পাৰে, সেই লক্ষ্যৰে এই সাহায্য প্ৰদান কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। তেওঁ লগতে কয়, '১৯৬৭ৰ পৰা উদয়াচল, পৃথক বড়ো ৰাজ্য আদি গঠনৰ নামত বিটিআৰত আন্দোলন চলি আহিছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহৰ নেতৃত্বত ২০২০ত সম্পন্ন চুক্তিৰে অঞ্চলটোলৈ স্থায়ী শান্তি ঘূৰাই অনাৰ প্ৰয়াস কৰা হৈছে। লক্ষ্যণীয় যে অঞ্চলটোৰ সৰু-বৰ সকলো জনগোষ্ঠীয়ে নিজৰ অস্তিত্ব ৰক্ষাৰ বাবে হাতত বন্দুক তুলি লৈছিল। বড়ো আৰু অবড়োৰ মাজৰ এই যুঁজখন শান্তি প্ৰক্ৰিয়াৰে শেষ কৰিবলৈ তৃতীয় পক্ষ *১০ পৃষ্ঠাত চাওক*

■ গড়গাঁও মহাবিদ্যালয়ৰ খেলপথাৰত গৰীৱ কল্যাণ সন্মিলনত মুখ্যমন্ত্ৰী ■ শিক্ষক নিযুক্তিৰ কেলেংকাৰিত জড়িতসকলে শাস্তি পাব ■ কিস্তিৰ ধন অপব্যৱহাৰ নকৰিবলৈ সকীয়নি শৰ্মাৰ

## দালালে এই চৰকাৰত আঁচনি দিব নোৱাৰে

অগ্ৰদূত বাৰ্তা

**নাজিৰা, ৩১ মে' ঃ** 'কোনো দালালক এক টকাও নিদিব। আমাৰ চৰকাৰৰ দিনত দালালে আঁচনি দিব নোৱাৰে।' এইদৰেই আজি পুনৰ দালালৰাজৰ বিৰুদ্ধে সৰৱ হ'ল মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। শিৱসাগৰ জিলাৰ নাজিৰাৰ গড়গাঁও মহাবিদ্যালয়ৰ খেলপথাৰত ৰাজ্যিক পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ উদ্যোগত অনুষ্ঠিত গৰীৱ কল্যাণ সন্মিলনত অংশ লৈ মুখ্যমন্ত্ৰীয়ে আজি ৰাজ্যৰ বিভিন্ন চৰকাৰী আঁচনিৰ নামত দালালৰাজ চলাই অহাসকলৰ বিৰুদ্ধে সৰৱ হৈ প্ৰধানমন্ত্ৰী আবাস যোজনাৰ গৃহ প্ৰদানৰ নামত কমিছনৰ ধন সৰকোৱাৰ চলনা কৰা কোনো অসাধু চক্ৰৰ চিকাৰ নহ'বলৈ আহ্বান জনায়। মুখ্যমন্ত্ৰী ড° শৰ্মাই প্ৰধানমন্ত্ৰী আবাস যোজনাৰ হিতাধিকাৰীসকলক অনুমোদন পত্ৰ বিতৰণ কৰি এক জনসভা সম্বোধন কৰে। *১০ পৃষ্ঠাত চাওক*



আমগুৰিত সৌৰশক্তি প্ৰকল্প উদ্বোধন শৰ্মাৰ

## বিদ্যুতৰ চাহিদা পূৰণৰ নিৰন্তৰ প্ৰয়াস অব্যাহত

অগ্ৰদূত বাৰ্তা

**আমগুৰি, ৩১ মে' ঃ** 'প্ৰাকৃতিক সম্পদ আৰু মানৱ সম্পদত চহকী হোৱা সত্ত্বেও উপযুক্ত পৰিকল্পনাৰ অভাৱত নবীকৰণযোগ্য শক্তি আহৰণত অসম বহু দূৰ পিছুৱাই থাকিবলগীয়া হৈছিল।' এই মন্তব্য মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। মুখ্যমন্ত্ৰীয়ে আজি নবীকৰণযোগ্য শক্তিৰে ৰাজ্যৰ শক্তিখণ্ডৰ বিকাশ সাধনৰ উদ্দেশ্যে শিৱসাগৰ জিলাৰ আমগুৰিত ৭০ মেগাৱাট শক্তিসম্পন্ন এখন সৌৰ উদ্যান উদ্বোধন কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই লগতে কয়, *১০ পৃষ্ঠাত চাওক*

## আলফাৰ ওচৰত ক্ষমা ভিক্ষা মাগি সাংঘাতিক ভুল কৰিছে সঞ্জয় কিষাণে

আপোনাৰ জীৱনতকৈও ৰাইজৰ জীৱনৰ মূল্য অধিক ঃ মন্ত্ৰীক সকীয়নি মুখ্যমন্ত্ৰীৰ



ষ্টাফ ৰিপ'ৰ্টাৰ


**গুৱাহাটী, ৩১ মে' ঃ** সংবিধানৰ প্ৰতি দায়বদ্ধ থকাৰ শপত লৈ অসম চৰকাৰৰ মন্ত্ৰী হোৱা সঞ্জয় কিষাণে আলফা (স্বাধীন)ৰ মুৰব্বী পৰেশ বৰুৱাক ক্ষমা ভিক্ষা কৰা কাৰ্যক লৈ মুখ্যমন্ত্ৰীৰো সকীয়নি লাভ কৰিলে। এজন আলফা সদস্যৰ মৃত্যুক লৈ পৰেশ বৰুৱাক মিছলীয়া আখ্যা *১০ পৃষ্ঠাত চাওক*

■ চোৰাং ব্যৱসায়ীৰ নতুন পথৰ সন্ধান লাভ কৰিলে কেন্দ্ৰীয় সংস্থাই

কলকাতাত ধৃত মহিলাৰ জৰিয়তে তথ্য উদ্ধাৰ ঃ ১৫ বাৰ একেগৰাকী মহিলাই বাংলাদেশৰ মাজেদি সোণ কঢ়িয়াই আনি ভাৰতৰ বিভিন্ন চহৰত যোগান ধৰিছিল

## অসম হৈ ভাৰতৰ বজাৰত প্ৰৱেশ কৰিছে মধ্যপ্ৰাচ্যৰ চোৰাং সোণ

ষ্টাফ ৰিপ'ৰ্টাৰ



**গুৱাহাটী, ৩১ মে' ঃ** সাধাৰণতে দক্ষিণ পূব এছিয়াৰ দেশসমূহৰ পৰাই অসমলৈ সোণসহ বিভিন্ন সামগ্ৰীৰ চোৰাং ব্যৱসায় চলি আহিছে; কিন্তু শেহতীয়াভাৱে পোহৰলৈ আহিছে যে সম্পূৰ্ণ বিপৰীত দিশৰ মধ্যপ্ৰাচ্যৰ সংযুক্ত আৰব আমিৰশ্বাহী (ইউ এ ই) তথা ডুবাইৰ পৰাও অসম হৈ ভাৰতত সোণৰ চোৰাং ব্যৱসায় চলিছে। যোৱা ফেব্ৰুৱাৰীত কলকাতাত এগৰাকী মহিলাৰ পৰা চোৰাং সোণ জব্দ কৰা এক ঘটনাৰ অনুসন্ধানত পোহৰলৈ অহা এই তথ্যত তদন্তকাৰী দলো সচকিত হৈছে। ইখনৰ পাছত সিখন দেশ অতিক্ৰম কৰি ডুবাইৰ পৰা অসমলৈ চোৰাং সোণৰ সৰবৰাহ হয় আৰু সেই মূল্যবান ধাতু ভাৰতৰ বজাৰত বিয়পি পৰে। দেশে দেশে *১০ পৃষ্ঠাত চাওক*

## কস্তুৰবা গান্ধী বালিকা আৱাসিক বিদ্যালয় খাদ্যত বিষক্ৰিয়া ঘটি অসুস্থ হ'ল ১৪ ছাত্ৰীসহ অধীক্ষক

অগ্ৰদূত বাৰ্তা

**তামুলপুৰ, ৩১ মে' ঃ** তামুলপুৰ জিলাৰ অন্তৰ্গত নাগ্ৰিজুলী কস্তুৰবা গান্ধী বালিকা আবাসিক বিদ্যালয়ত আজি পুৱা খাদ্যত বিষক্ৰিয়াৰ ঘটনা সংঘটিত হয়। আজি পুৱাৰ আহাৰ গ্ৰহণৰ পাছতে ১৪ গৰাকী ছাত্ৰীৰ লগতে আবাসিক অধীক্ষক অনিতা নায়ক শৌচ, বমি আৰু পেটৰ বিষত আক্ৰান্ত হৈ *১০ পৃষ্ঠাত চাওক*

## হাজেলাৰ বিৰুদ্ধে তদন্তৰ বাবে অনুমতি বিচাৰি পত্ৰ চিআইডিৰ

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ৩১ মে' ঃ** বহুচৰ্চিত ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণ প্ৰক্ৰিয়াত তদানীন্তন ৰাজ্যিক সমন্বয়ক প্ৰতীক হাজেলাই উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশনা অমান্য কৰাৰ অভিযোগ তুলি যোৱা ১৯ মে'ত বৰ্তমানৰ ৰাজ্যিক সমন্বয়ক হিতেশ দেৱশৰ্মাই অসম *১০ পৃষ্ঠাত চাওক*

## মুখ্যমন্ত্ৰীয়ে উদ্বোধন কৰা ৰঙাপৰাৰ আদৰ্শ বিদ্যালয়ত পাঠদান স্থগিত

ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ৩১ মে' ঃ** যোৱা ২৫ মে'ত ৰাজ্যৰ মুঠ ৯৬খন চাহ বাগিচা আদৰ্শ বিদ্যালয় মুকলি কৰা হৈছিল। ইয়াৰে ভিতৰত শোণিতপুৰৰ ৰঙাপৰাত এনে পাঁচখন আদৰ্শ বিদ্যালয় উদ্বোধন কৰিছিল মুখ্যমন্ত্ৰী *১০ পৃষ্ঠাত চাওক*

## মনোকষ্ট দিছে! ভূপেন বৰাৰ কবিতাক লৈ পুনৰ বটদ্ৰৱাত প্ৰতিক্ৰিয়া সৃষ্টি

বিশেষ সংবাদদাতা

**নগাঁও, ৩১ মে' ঃ** একাংশ দুৰ্বৃত্তই যোৱা ২১ মে'ত বটদ্ৰৱা আৰক্ষী থানা জ্বলাই দিয়াৰ ঘটনাৰ প্ৰতিক্ৰিয়া অব্যাহত থকাৰ সময়তে এই বটদ্ৰৱা কাণ্ডক লৈ প্ৰদেশ কংগ্ৰেছৰ সভাপতি *১০ পৃষ্ঠাত চাওক*

■ কম ছাত্ৰ-ছাত্ৰী থকা বিদ্যালয়ৰ পৰা হ'ব বদলি ঃ ক'লে নলবাৰীত শিক্ষামন্ত্ৰীয়ে

## এইবাৰ ব্ৰহ্মা-বিষ্ণু-মহেশ্বৰ আহিলেও শিক্ষকৰ বদলি ৰখাব নোৱাৰিব ঃ ডাঃ পেগু

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ৩১ মে' ঃ** 'ৰাজ্যৰ যিবোৰ শিক্ষানুষ্ঠানত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কম, সেই বিদ্যালয়ৰ পৰা শিক্ষকসকলক অনলাইন পদ্ধতিৰে এটা প'ৰ্টেলৰ জৰিয়তে বদলি কৰা হ'ব।' এই মন্তব্য শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ। ৰাজ্যত অন্তিম পৰ্যায়ৰ গুণোৎসৱৰ প্ৰাক্ক্ষণত আজি নলবাৰীত এক চৰকাৰী কাৰ্যসূচীত অংশগ্ৰহণ কৰে শিক্ষামন্ত্ৰীয়ে। অসমৰ প্ৰথমখন ইংৰাজী আৰু অসমীয়া মাধ্যমৰ আদৰ্শ বিদ্যালয় নলবাৰীৰ গৰ্ডন উচ্চতৰ মাধ্যমিক বিদ্যালয়ত উপস্থিত হৈ শিক্ষামন্ত্ৰী ডাঃ পেগুৱে সংবাদ মাধ্যমৰ আগত কয়, 'নতুন শিক্ষানীতি আৰু শিক্ষক বদলিৰ নতুন পদ্ধতিৰ *১০ পৃষ্ঠাত চাওক*

## কাৰ্বি আংলঙত নিৰ্বাচনী প্ৰচাৰত কংগ্ৰেছ সভাপতি বৰা

কবিতাৰেও চৰকাৰক কৰিছে সমালোচনা

অগ্ৰদূত বাৰ্তা

**হাওৰাঘাট, ৩১ মে' ঃ** কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে মাজত এটা সপ্তাহ বাকী থকা অৱস্থাত সকলো ৰাজনৈতিক দলেই প্ৰচাৰ অভিযানৰ তীব্ৰতা বৃদ্ধি কৰা পৰিলক্ষিত হৈছে। শাসকীয় দল বিজেপিৰ হৈ কালি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই *১০ পৃষ্ঠাত চাওক*

■ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশত স্থগিতাদেশ বিচাৰি ১৩ জনীয়া পক্ষই দাখিল কৰিলে আবেদন ■ ধাৰ্য হোৱা নাই শুনানিৰ দিন

## মাদ্ৰাছা শিক্ষানুষ্ঠান বন্ধৰ সিদ্ধান্তৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ত আবেদন

■ নিউজ ব্যুৰ'



**নতুন দিল্লী, ৩১ মে' ঃ** অসম চৰকাৰৰ মাদ্ৰাছা শিক্ষানুষ্ঠানবোৰক সাধাৰণ শিক্ষানুষ্ঠানলৈ পৰিৱৰ্তনৰ সিদ্ধান্তৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ত গোচৰ ৰুজু হ'ল। চৰকাৰৰ মাদ্ৰাছা শিক্ষানুষ্ঠান বন্ধৰ সিদ্ধান্তক গুৱাহাটী উচ্চ ন্যায়ালয়েও মান্যতা দি ৰায় প্ৰদান কৰিছিল। সেই ৰায়ত স্থগিতাদেশ বিচাৰি উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হ'ল ৰাজ্যৰ কে'বাটাও সংগঠনৰ প্ৰতিনিধি আৰু ব্যক্তি মিলি ১৩ জনীয়া পক্ষ। আজি এই সংক্ৰান্তীয় এখন আবেদন উচ্চতম ন্যায়ালয়ত দাখিল কৰা হয়। উল্লেখ্য যে চৰকাৰৰ সিদ্ধান্তৰ বিৰোধিতা কৰি মাদ্ৰাছা শিক্ষানুষ্ঠানৰ ১৩ জনীয়া এটা দল প্ৰথমে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হৈছিল। যোৱা চাৰি ফেব্ৰুৱাৰীত *১০ পৃষ্ঠাত চাওক*

সংখ্যালঘুক প্ৰমাণপত্ৰ প্ৰদানৰ সিদ্ধান্তৰ বিৰোধিতা জাতীয় পৰিষদৰ
■ ধৰ্মীয় সংখ্যালঘু বুলি কোৱা মুছলমানৰ লগত নাথাকে

## গৰিয়া-মৰিয়া-দেশীসকল সংখ্যালঘু নহয়, জনগোষ্ঠীয় প্ৰমাণপত্ৰ দিয়ক

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ৩১ মে' ঃ** যোৱা ২৯ মে'ত অনুষ্ঠিত ৰাজ্যিক কেবিনেট বৈঠকে গ্ৰহণ কৰা সংখ্যালঘুৰ অন্তৰ্গত ছটা সম্প্ৰদায়ৰ লোকক পৰিচয়পত্ৰ প্ৰদানৰ যি সিদ্ধান্ত, ইয়াত ইছলাম ধৰ্মাৱলম্বী মুছলমান শব্দটোৰে কোনখিনি মুছলমানৰ কথা কোৱা হৈছে চৰকাৰক স্পষ্ট কৰিবলৈ দাবী জনাইছে সদৌ অসম গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদে। আজি এক সংবাদমেলত পৰিষদে চৰকাৰৰ ধৰ্মীয় সংখ্যালঘুসকলক পৰিচয়পত্ৰ প্ৰদানৰ সিদ্ধান্ত বাতিলৰ দাবী জনাই থলুৱা মুছলমান আৰু বহিৰাগত প্ৰব্ৰজনকাৰী ভিন্ন প্ৰকাৰৰ মুছলমানৰ মাজত এই ব্যৱস্থাৰে একাকাৰ কৰিব বিচৰাটো কোনোপধ্যে মানি লোৱা নহ'ব বুলি কয়। সংগঠনটোৰ কাৰ্যকৰী সভাপতি নুৰুল হকে এই সন্দৰ্ভত কয় যে ৰাজ্যৰ খিলঞ্জীয়া মুছলমানসকলৰ এক ইতিহাস আছে। কেবিনেটৰ সিদ্ধান্ত আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই বিষয়ত দাঙি ধৰা মন্তব্যৰ মাজত অমিল দেখা গৈছে। চৰকাৰী পক্ষই প্ৰকৃততে এই *১০ পৃষ্ঠাত চাওক*

## মূল্যবৃদ্ধি ৰোধ, বানপীড়িতক সাহায্যৰ দাবীত বাওঁদলৰ প্ৰতিবাদী ধৰ্ণা

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ৩১ মে' ঃ** দেশত সৃষ্টি হোৱা অভাৱনীয় মূল্যবৃদ্ধি ৰোধ আৰু বানপীড়িতক সাহায্য প্ৰদানৰ দাবীত আজি চাৰি বাওঁ দলে মহানগৰীত প্ৰতিবাদ সাব্যস্ত কৰে। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰক সমালোচনা কৰি প্ৰতিবাদকাৰীয়ে শীঘ্ৰে মূল্যবৃদ্ধি ৰোধৰ দাবী জনায়। প্ৰতিবাদকাৰী দলসমূহৰ নেতৃত্বই ক্ষোভ প্ৰকাশ কৰি কয় যে বিগত কে'বামাহ ধৰি *১০ পৃষ্ঠাত চাওক*

■ মৃত্যুদণ্ড দি হত্যা কৰিবলৈ দল প্ৰেৰণ কৰিছিল পৰেশ বৰুৱাই
■ স্বাধীন অসম বিচাৰি গৈ কষ্ট পোৱাৰ বাবেই পলায়নৰ সিদ্ধান্ত

## আলফা (স্বা)ৰ শিবিৰৰ পৰা পলায়ন কৰা দুই সদস্য আৰক্ষীৰ জিম্মাত

অগ্ৰদূত বাৰ্তা

**তিনিচুকীয়া, ৩১ মে' ঃ** প্ৰায় দুই-তিনি দিনৰ উৎকণ্ঠাৰ অন্তত অৱশেষত সুকলমে উদ্ধাৰ হ'ল আলফা (স্বাঃ)ৰ শিবিৰৰ পৰা পলায়ন কৰা দুজন যুৱক। কালি যুৱকদ্বয়ক ম্যানমাৰ সীমান্তৰ দুৰ্গম স্থানৰ পৰা আছাম ৰাইফলছৰ দল এটাই উদ্ধাৰ কৰিবলৈ সক্ষম হয়। এই বাতৰি সদৰী হোৱাৰ লগে লগে দুয়োৰে পৰিয়ালত আনন্দৰ বন্যা সৃষ্টি হৈছে। সম্প্ৰতি পলায়ন কৰা আলফা (স্বাঃ)ৰ দুই সদস্য ক্ৰমে পেঙেৰীৰ দুই নম্বৰ নলনীৰ সুৰজিৎ গগৈ ওৰফে খেপৌ অসম আৰু মামৰণীৰ শ্যামল বৰুৱা ওৰফে নিয়ৰ অসম অৰুণাচল আৰক্ষীৰ জিম্মাত আছে। উল্লেখ্য যে ২৫ মে'ত সুৰজিৎ আৰু শ্যামলে *১০ পৃষ্ঠাত চাওক*



## ড্ৰাগছ সৰবৰাহকাৰী মহানগৰীৰ হলী চাইল্ড স্কুলৰ বাছচালক ধৃত


ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ৩১ মে' ঃ** মহানগৰীৰ হ'লী চাইল্ড স্কুলৰ বাছ চালকৰূপী এজন ড্ৰাগছ সৰবৰাহকাৰীক অভিভাৱকে কৰায়ত্ত কৰি আৰক্ষীক গতাই দিয়ে। ধৃত ড্ৰাগছ সৰবৰাহকাৰীজন বিদ্যালয়খনৰ বাছচালক নিতু কলিতা (২৭) বুলি আৰক্ষীয়ে সদৰী কৰিছে। উল্লেখ্য যে কালি চান্দমাৰি আৰক্ষী থানাৰ অন্তৰ্গত কৃষ্ণনগৰত ধৃত স্কুলবাছ চালকজনক *ছয় পৃষ্ঠাত চাওক*

গোৱালপাৰাত আবকাৰী কাৰ্যালয়ত অগ্নিকাণ্ড

## নিৰ্বাচনী শাখাৰ দুটাকৈ গুদাম ভস্মীভূত, কথমপি ৰক্ষা কে'বাটাও কাৰ্যালয়

অগ্ৰদূত বাৰ্তা



**মাটিয়া, ৩১ মে' ঃ** যোৱা নিশা সংঘটিত হোৱা এক ভয়ংকৰ অগ্নিকাণ্ডৰ ফলত গোৱালপাৰা জিলা আবকাৰী অধীক্ষকৰ কাৰ্যালয়ৰ লগতে জিলা নিৰ্বাচনী শাখাৰ দুটা গুদাম জ্বলি ভস্মীভূত হয়। যোৱা নিশা প্ৰায় ১১-৩০ বজাত জিলা প্ৰশাসনৰ নিৰ্বাচন শাখাৰ গুদামত দাউদাউ কৈ জুই জ্বলি উঠে। কোঠাৰ ভিতৰৰ পৰা হঠাতে জুই জ্বলি উঠা প্ৰত্যক্ষ কৰি আবকাৰী বিভাগৰ নৈশ চকীদাৰে চিঞৰ-বাখৰ কৰাত ঘটনাস্থলীত আৰক্ষী *১০ পৃষ্ঠাত চাওক*

## বিলাসী বাহনত আহি ঘাইপথত ডকাইতিত লিপ্ত বিজেপি নেতা জালত পৰিল

অগ্ৰদূত ব্যুৰ'


**বঙাইগাঁও, ৩১ মে' ঃ** চিৰাঙৰ বিজনীত এজন স্থানীয় বিজেপি নেতা ডকাইতিত জড়িত হোৱা ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। যোৱা নিশা এটা ডকাইতিৰ ঘটনাত জড়িত থকাৰ অভিযোগত উক্ত বিজেপি নেতাসহ দুজন ডকাইত গ্ৰেপ্তাৰ হয়। বিজনীৰ নিকটৱৰ্তী ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ডাঙাইগাঁৱত এখন ট্ৰাকৰ পৰা বৈধ বিলাতী *ছয় পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩২° | ২৬° |
| ডিব্ৰুগড় | ৩২° | ২৫° |
| দিল্লী | ৪০° | ২৮° |
| কলকাতা | ৩৪° | ২৮° |
| মুম্বাই | ৩৩° | ২৯° |
| চেন্নাই | ৩৭° | ২৮° |
| বাংগালুৰু | ৩০° | ২০° |
| শ্বিলং | ২২° | ১৮° |

৩১ মে', ২০২২

**চেঙা তেল**



*গেছৰ চিলিণ্ডাৰৰ দাম বঢ়া বুলি অজুহাত লৈ খৰি আনিলেও কিন্তু মই ৰান্ধি খুৱাব নোৱাৰো!*

দৈনিক অগ্ৰদূত



# ক'ভিডত অভিভাৱক হেৰুওৱা পাঁচ শিশু চিনাক্ত

অগ্ৰদূত বাৰ্তা

**হোজাই, ৩১ মে' ঃ** প্ৰধানমন্ত্ৰী শিশু কেয়াৰ আঁচনিৰ বাবে হোজাইৰ উপায়ুক্ত অনুপম চৌধুৰীৰ উদ্যোগত বিগত ক'ভিড মহামাৰীৰ সময়ত পিতৃ-মাতৃ দুয়োকে হেৰুওৱা হোজাইৰ পাঁচটা শিশু চিনাক্ত কৰিছে। এই শিশুসকলৰৰ কল্যাণৰ বাবে উপায়ুক্তৰ উদ্যোগত হোজাইৰ শিশু কল্যাণ সমিতিৰ জৰিয়তে পি এম কেয়াৰ্ছ পৰ্টেলত শিশুসকলৰ বিৱৰণ ইতিমধ্যে আপলোড কৰা হৈছে। কালি সমগ্ৰ দেশতে প্ৰধানমন্ত্ৰীয়ে পিএম কেয়াৰ্ছ ফৰ চিলড্ৰেনৰ এক অনুষ্ঠান আয়োজন কৰে আৰু ভাৰ্চুৱেল পদ্ধতিৰ জৰিয়তে মহামাৰীৰ সময়ত পিতৃ-মাতৃক হেৰুওৱা শিশুসকলক অনুপ্ৰাণিত কৰিবলৈ প্ৰধানমন্ত্ৰীয়ে ভাষণ প্ৰদান কৰে।

বৈঠকৰ প্ৰাৰম্ভিক ভাষণ ডব্লিউ চি ডি মন্ত্ৰী স্মৃতি জুবিন ইৰাণীয়ে ভাষণ দিয়ে। হোজাই জিলা সদৰ শংকৰদেৱ নগৰৰ উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত এই ভাৰ্চুৱেল সভাত উপায়ুক্ত অনুপম চৌধুৰী, জিলা আইনী সেৱা প্ৰাধিকৰণৰ সচিব, হোজাই সমষ্টিৰ বিধায়ক ৰামকৃষ্ণ ঘোষ, অতিৰিক্ত উপায়ুক্ত ৰক্তিম বৰুৱা, উৰ্মি মেধি, ডি আই পি আৰ অ'ৰ ভাৰপ্ৰাপ্ত বিষয়া, যমুনামুখৰ শিশু কল্যাণ সমিতিৰ প্ৰতিনিধি, শিশু সুৰক্ষা গোট, হোজাইৰ এছএএছ শিশু গাঁও আদিৰ বিষয়াসকল উপস্থিত থাকে। হোজাইৰ নিৰ্বাচিত পাঁচ শিশুয়ে তেওঁলোকৰ ২৩ বছৰ বয়সত ১০ লাখ কৰাৰ লগতে প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ (পিএমজেএৱাই) স্বাস্থ্য কাৰ্ডৰ জৰিয়তে শিশুসকলে বছৰি পাঁচ লাখ টকাৰ স্বাস্থ্য বীমা, দুৰ্যোগ ব্যৱস্থাপনাৰ তৰফৰ পৰা ৫০ হেজাৰ টকাৰ লগতে ৰাজ্যিক শিশু সুৰক্ষা সমিতিয়ে দুই লাখ ৪০ হেজাৰ টকাৰ সাহায্য প্ৰদান কৰিব বুলি জিলা তথ্য আৰু জনসংযোগ বিভাগৰ তৰফৰ পৰা জনোৱা হৈছে।

# আলিপুৰত কামতাপুৰ প্ৰগ্ৰেছিভ পাৰ্টিৰ মহামিছিল অনুষ্ঠিত

অগ্ৰদূত বাৰ্তা

**দোতমা, ৩১ মে' ঃ** আলিপুৰত কমতাপুৰ প্ৰগ্ৰেছিভ পাৰ্টিৰ এক মহামিছিল অনুষ্ঠিত হয়। অনুষ্ঠানত কে পি পিৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক উত্তম কুমাৰ ৰায়ে কয় যে পৃথক কামতাপুৰ ৰাজ্য, কামতাপুৰী ভাষাৰ ৰাষ্ট্ৰীয় স্বীকৃতি, প্ৰস্তাৱিত কামতাপুৰত এইমছ হাস্পতাল নিৰ্মাণ, বিশ্ব মহাবীৰ চিলাৰায়ৰ নামত কেন্দ্ৰীয় বিশ্ববিদ্যালয়, আই আই টি বা সমপৰ্যায়ৰ শিক্ষা প্ৰতিষ্ঠান নিৰ্মাণসহ মুঠ ১৪ দফীয়া দাবীৰ সমৰ্থনত কে পি পিৰ আলিপুৰ জিলা কমিটীৰ উদ্যোগত উক্ত মহামিছিলৰ আয়োজন কৰা হয়। মহামিছিলত কে পি পিৰ সহস্ৰাধিক কৰ্মী-সমৰ্থকে অংশগ্ৰহণ কৰে। এই মহামিছিলৰ শেষত আলিপুৰ দুৱাৰ জিলা উপায়ুক্তৰ জৰিয়তে প্ৰধানমন্ত্ৰীলৈ এক স্মাৰকপত্ৰ প্ৰেৰণ কৰা হয় বুলি সাধাৰণ সম্পাদক ৰায়ে জনায়। আজিৰ মহামিছিলত উপস্থিত থাকে কে পি পিৰ কেন্দ্ৰীয় সভাপতি অধীৰ চন্দ্ৰ ৰায়, সাধাৰণ সম্পাদক উত্তম কুমাৰ ৰায়, কেন্দ্ৰীয় কমিটীৰ সদস্য সন্তোষ কুমাৰ বৰ্মন, পুলিন ৰায়, মনোৰঞ্জন ৰায়সহ বিভিন্ন নেতা-কৰ্মী।

# অৱসৰপ্ৰাপ্ত শিক্ষক ছিদ্দিক আলীৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**কলাইগাঁও, ৩১ মে' ঃ** কলাইগাঁৰৰ প্ৰাক্তন ছাত্ৰনেতা, সমাজকৰ্মী তথা অৱসৰপ্ৰাপ্ত শিক্ষক ছিদ্দিক আলীৰ কালি পুৱা নিজ বাসভৱনত মৃত্যু হয়। কলাইগাঁও আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি, মঙলদৈ জিলা আছুৰ কাৰ্যকৰী সভাপতিৰ পদ অলংকৃত কৰি অসম আন্দোলনৰ গুৰি ধৰোতা প্ৰাক্তন নেতাজনৰ মৃত্যুত দৰং আৰু ওদালগুৰি জিলাত শোকৰ ছাঁ পৰে। এসময়ৰ অবিভক্ত দৰং জিলাৰ বলিষ্ঠ কণ্ঠৰ ছাত্ৰনেতা আলীয়ে সমাজৰ সৰ্বাংগীণ উন্নয়নৰ বাবে আহোপুৰুষাৰ্থ কৰিছিল। দীৰ্ঘদিন ধৰি উচ্চৰক্ত চাপ ৰোগত আক্ৰান্ত হৈ থকা লোকজনে কলাইগাঁও মধ্য ইংৰাজী মাদ্ৰাছাত শিক্ষকতা কৰি অৱসৰ গ্ৰহণ কৰে। তেওঁৰ মৃত্যুৰ খবৰ পোৱা মাত্ৰকে অনেক গুণমুগ্ধই বাসভৱনত উপস্থিত হৈ শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। আনহাতে, সমাজকৰ্মী, প্ৰাক্তন ছাত্ৰনেতা তথা অৱসৰপ্ৰাপ্ত শিক্ষকজনৰ মৃত্যুত কলাইগাঁও আছু, যুৱ-ছাত্ৰ পৰিষদ, দৰং ওদালগুৰি জিলা আছু, ভেৰগাঁও-ওদালগুৰি জিলা এবিএমছু, জিলা আমছু, নেমছু, গৰিয়া-মৰিয়া-দেশী ছাত্ৰ সন্থা, কলাইগাঁও প্ৰেছ ক্লাব, অগপ, কলাইগাঁৰৰ বিধায়ক দুৰ্গা দাস বড়ো, বিটিআৰৰ ইএম দিগন্ত বৰুৱা, কলাইগাঁৰৰ প্ৰাক্তন বিধায়ক মহেশ্বৰ বড়ো আৰু মুকুন্দৰাম চৌধুৰী, ৰাইজৰ দলৰ মুখ্য আহ্বায়ক পংকজ অসমীয়া, বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ কেন্দ্ৰীয় শিক্ষা সচিব পূৰ্বজ্যোতি মেধিৰ লগতে বিভিন্ন দল-সংগঠন আৰু অনুষ্ঠান-প্ৰতিষ্ঠানে পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

# গামাৰিমূৰীৰ বিশিষ্ট ব্যৱসায়ী, আদৰ্শ কৃষক, সমাজকৰ্মী দণ্ডীৰাম বৰ্মনৰ বিয়োগত শোক

অগ্ৰদূত বাৰ্তা

**চামতা, ৩১ মে' ঃ** পশ্চিম নলবাৰী অঞ্চলৰ গামাৰিমূৰীৰ সাহপুৰ নিৱাসী বিশিষ্ট ব্যৱসায়ী, আদৰ্শ কৃষক তথা সমাজহিতৈষী দণ্ডীৰাম বৰ্মন (৯৫)ৰ যোৱা ২৯ মে'ৰ নিশা বাৰ্ধক্যজনিত কাৰণত নিজ ঘৰতে বিয়োগ ঘটাত বৃহত্তৰ অঞ্চলটোত শোকৰ ছাঁ পৰিছে। উল্লেখ্য যে পশ্চিম নলবাৰীৰ ঐতিহ্যমণ্ডিত নদলা বজাৰৰ বিশিষ্ট ব্যৱসায়ী, সমাজকৰ্মী বৰ্মন সাহপুৰ ৰাজঘাটৰ বৃহৎ গেলামাল দোকানৰ লগতে সুলভ মূল্যৰ দোকানৰ স্বত্বাধিকাৰী আছিল। নদলা বজাৰ পৰিচালনা সমিতিৰ প্ৰাক্তন উপ-সভাপতি, কৰ্মৰত উপদেষ্টা বৰ্মন ধৰ্মপুৰ জ্ঞানদায়িনী নাট্য সমাজ, ধৰ্মপুৰ জ্ঞানদায়িনী সভা (দুৰ্গা পূজা), সাহপুৰ ৰাজঘাট বজাৰ পৰিচালনা সমিতি, কুলবিলঘাট ৰাজহুৱা শিৱালয় প্ৰমুখ্যে অঞ্চলটোৰ ভালেসংখ্যক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত নিবিড়ভাৱে জড়িত আছিল। ডেকা বয়সত কঠোৰ পৰিশ্ৰম কৰি ৬০ৰ দশতে সাহপুৰ ৰাজঘাটত এখন গেলামালৰ দোকান আৰম্ভ কৰি নিষ্ঠা আৰু সততাৰে ব্যৱসায় চলাই পিছলৈ তেওঁ এই ক্ষেত্ৰত বিশেষ সফলতা অৰ্জন কৰে। পিছলৈ ব্যৱসায়ৰ পৰিসৰ বৃদ্ধি কৰি দোকানৰ লগতে এটি ধানবনা কল স্থাপন কৰা বৰ্মন অঞ্চলবাসীৰ মাজত 'দণ্ডী মাহাজন' হিচাপে খ্যাতি লাভ কৰিছিল। চাৰি ভাই-ককাইৰ তাহানিৰ দুকুৰি ততোধিক সদস্যৰ বৃহৎ যৌথ পৰিয়ালটোক জ্যেষ্ঠ ভ্ৰাতৃ হিচাপে বৰ্মনে সঠিক নেতৃত্ব দি সফল পিতৃত্ব আৰু অভিভাৱকৰ পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছিল। এই যৌথ পৰিয়ালৰ তাহানিৰ 'দৈৱ্যলতা' আৰু 'পুষ্পলতা' যাত্ৰীবাহী বাছ দুখন আছিল বৃহত্তৰ গ্ৰাম্য অঞ্চলৰ যাত্ৰীসকলৰ দুৰ্গম যাতায়াতৰ একমাত্ৰ আশ্ৰয় স্বৰূপ। ইফালে, বৰ্মনৰ বিয়োগত নদলা বজাৰ পৰিচালনা সমিতি, সাহপুৰ ৰাজঘাট বজাৰ পৰিচালনা সমিতি, ধৰ্মপুৰ জ্ঞানদায়িনী নাট্য সমাজ, সাহপুৰ ৰাজঘাট দুৰ্গা পূজা সমিতি, কুলবিলঘাট ৰাজহুৱা শিৱালয় পৰিচালনা সমিতি, নদলা বজাৰ লক্ষ্মী মন্দিৰ পৰিচালনা সমিতি আদি অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত বৰ্মনে তিনি পুত্ৰ আৰু চাৰি বোৱাৰী, দুই বিবাহিতা কন্যাসহ বহু আত্মীয়-স্বজনক ইহসংসাৰত এৰি গৈছে।


## হেৰাইছে

মোৰ দুখন দলিল ৰছিদ হেৰাইছে। দলিল নং ক্ৰমে ১৩৭৯/০৭, তাৰিখ- ২৯-৬-২০০৭ দলিল নং- ২৪৩/০৭, তাৰিখ- ২৩-৩-২০০৭।

**নাজিম উদ্দিন আহমেদ**
**পিতা- স্বৰ্গীয় মহৰত আলী**
**বৰফুলহাটি, থানা- নলবাৰী**
**জিলা- নলবাৰী, অসম**

## ASTROLOGY/ জ্যোতিষী

**ত্ৰিকাল মহাভৈৰৱ তন্ত্ৰ কেন্দ্ৰ ও আচল ৰত্নৰ ৰাজভাণ্ডাৰ ৰত্নসাগৰ অসমত সৰ্বপ্ৰথম একমাত্ৰ ১৮টা বিদ্যাৰ দ্বাৰা একেলগে, একে ঠাইত সংমিশ্ৰিত, বিশ্লেষিত সকলো সমস্যাৰ গেৰাণ্টীযুক্ত সমাধান। সৰ্বমনোকামনা পূৰণকাৰী মহাকাল ভৈৰৱ কৰচত সকলো সমস্যা তিনি ঘণ্টাৰ পৰা সমাধান। জ্যোতিষ, বাস্তু, তান্ত্ৰিক সম্ৰাট.... ত্ৰিকাল ৰাজগুৰু, কুঁৱৰীটোল, কলিয়াবৰ, নগাঁও- 9954021556, 9947066469.**



## NOTICE

Application in prescribed from to be obtained from the office of the undersigned on payment of Rs. 200.00 in the form of IPO and affixing Court fee stump for Rs. 8.25 (Rupees eight and paisa twenty five) only are hereby invited for Renewal of Contractors in Class-III catagory under (PHE) Mangaladai Division for the year 2021-22 and will be received from 10.30 A.M. to 3.00 P.M. from **01/06/2022 to 30/06/2022.**

The application for renewal should accompany with the following documents without which the application will not be considered.

1) Up to date I.T. clearance certificate, PAN.
2) GST Registration certificate.
3) Up to date Labour License from respective Labour office.
4) Financial soundness certificate from competent authority.
5) S.B.I. A/c's No.

Sd/-
Executive Engineer (PHE)
Mangaldai Division
Mangaldai

Janasanyog/D/4500/22



## NAME CORRECTION

I, hereby declared vide affidavit No : 52 dtd : 25/05/2022 that the correct name and Surname of my daughter, husband and me are Jenifer Akhtar, Abdul Jalil and Jahida Khatun, respectively.

**Jahida Khatun**
**Naitor, Kamrup,**
**Asssam**

I do hereby declare vide affidavit No: 89 dtd: 25/04/2022 that the correct name is Banajeeta Sharma instead of Banajeeta S. Goswami.

**Banajeeta Sharma**
**Birubari, Guwahati-16**


# বিদ্যালয়ৰ পানীৰ টেংকী বিক্ৰী প্ৰধান শিক্ষকৰ

**কলগাছিয়া, ৩১ মে' ঃ** ৰূপসী শিক্ষাখণ্ডৰ অন্তৰ্গত ৫৮৩ দেউকুৰা ছোৱালী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষকে বিদ্যালয়ৰ পানীৰ টেংকী বিক্ৰী কৰাৰ অভিযোগ উত্থাপন হৈছে। বিদ্যালয়খনত দুটা টেংকী আছিল। তাৰে এটা ওচৰৰে মছজিদত দান কৰাৰ বিপৰীতে আনটো পাঁচ হেজাৰ টকাত বিক্ৰী কৰাৰ অভিযোগ উত্থাপিত হৈছে। বিদ্যালয়খনত প্ৰাতঃসভা অনুষ্ঠিত কৰিবলৈ ঠাইৰ অভাৱ হোৱাৰ কাৰণে পোনীৰ টেংকীটো বিক্ৰী কৰা বুলি সদৰী কৰিছে বিদ্যালয়খনৰ প্ৰধান শিক্ষক আৰু পৰিচালনা সমিতিৰ সভাপতিয়ে। অৱশ্যে এই ক্ষেত্ৰত কোনো প্ৰস্তাৱ লোৱা নাই বুলি স্বীকাৰ কৰে দুয়োজনে। এই ক্ষেত্ৰত দুৰ্নীতি সংঘটিত হোৱা বুলি একাংশ ৰাইজে ৰূপসী প্ৰাথমিক খণ্ড শিক্ষা বিষয়াৰ ওচৰত লিখিত অভিযোগ দাখিল কৰিছে।

# ওদালগুৰিতো গৰীৱ কল্যাণ সন্মিলন

বিশেষ সংবাদদাতা

**ওদালগুৰি, ৩১ মে' ঃ** ভাৰত চৰকাৰৰ গ্ৰামোন্নয়ন বিভাগৰ অধীনস্থ গৰীৱ কল্যাণ সন্মিলনখনে আজি ওদালগুৰি জিলা প্ৰশাসনৰ উদ্যোগত ওদালগুৰি মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে হিমাচলৰ চিমলাত অনুষ্ঠিত গৰীৱ কল্যাণ সন্মিলনত দেশবাসীক কৰা সম্বোধন ওদালগুৰিৰ অনুষ্ঠানৰ মাজতে পোনপটীয়াকৈ সম্প্ৰচাৰ কৰাৰ লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গ্ৰহণ কৰা জনকল্যাণ আঁচনিসমূহৰ হিতাধিকাৰীসকলৰ স'তে জিলা প্ৰশাসনে মত বিনিময় কৰে। এই অনুষ্ঠানতে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ হিতাধিকাৰীক অনুমোদন পত্ৰও বিতৰণ কৰা হয়। অনুষ্ঠানতে ওদালগুৰি জিলাত ৰূপায়ণ হোৱা কেন্দ্ৰীয় চৰকাৰৰ আঁচনিসমূহৰ ওপৰত আলোকপাত কৰাৰ লগতে আঁচনিসমূহৰ হিতাধিকাৰীসকলে মনৰ ভাব প্ৰকাশ কৰে। ওদালগুৰিত অনুষ্ঠিত অনুষ্ঠানত বিটিচিৰ উপ-মুখ্য কাৰ্যবাহী সদস্য তথা ওদালগুৰিৰ বিধায়ক গোবিন্দ চন্দ্ৰ বসুমতাৰী, ওদালগুৰিৰ উপায়ুক্ত ডাঃ পি উদয় প্ৰবীণ, বিটিচিৰ কাৰ্যবাহী সদ্যস দিগন্ত বৰুৱা প্ৰমুখ্যে জিলাখনৰ বহু কে'বাগৰাকী শীৰ্ষ বিষয়া আৰু বিশিষ্ট ব্যক্তি তথা বিভিন্ন আঁচনিৰ হিতাধিকাৰীসকল উপস্থিত থাকে।

## আজিৰ দিনটো



**কিৰো ইয়ং,** ৰত্ন কুবেৰ জেমছ এণ্ড জুয়েলাৰী
জি. এছ. ৰোড, মণিপুৰী বস্তী, গুৱাহাটী-৭
☎ ঃ ২৫১২১০২, ৯৯৫৭১-১১১৭১

### ১৭ জেঠ বুধবাৰ ১ জুন'

**সূৰ্যোদয় ঃ** ঘঃ ৪।৩৫।৪৬, **সূৰ্যাস্ত ঃ** ঘঃ ৬।৫।১১। **তিথি ঃ** শুক্লা দ্বিতীয়া, দং ৩৬।৩৩।২২ ৰাঘঃ ৭।১৩।৭। **নক্ষত্ৰ ঃ** মৃগশিৰা, দং ১৬।৩০।১ ঘঃ ১১।১১।৪৬। **যোগ ঃ** শূল, দং ৪৮।৫১।৪৩ ৰাঘঃ ১২।০৮।২৭। **কৰণ ঃ** বালৱ। **জন্মত ঃ** মিথুনৰাশি, বৈশ্যবৰ্ণ মতান্তৰে শূদ্ৰবৰ্ণ, দেৱগণ, কুকুৰৰ অস্থি, মাহেন্দ্ৰযোগ, অষ্টোত্তৰী ৰবি বিংশোত্তৰী মঙলৰ দশা, ঘঃ১১।১১।৪৬ যোৱাত মনুষ্যগণ, সাপৰ অস্থি, অষ্টোত্তৰী চন্দ্ৰ, বিংশোত্তৰী ৰাহুৰ দশা। **আদ্যঋতু হ'লে ঃ** সাতদিনীয়া পতিহিতা যোগ, মতান্তৰে সাতদিনীয়া কান্তা যোগ, ঘঃ১১।১১।৪৬ যোৱাত সাতদিনীয়া কান্তা যোগ, মতান্তৰে ১৫ দিনীয়া বেশ্যা যোগ। **মৰণত দোষ ঃ** এপদ, ৰাঘঃ ৭।১৩।৭। যোৱাত নাই। **যোগিনীঃ** উত্তৰত,ৰাঘঃ ৭।১৩।৭ যোৱাত অগ্নিকোনত। **যাত্ৰা ঃ** শুভ সিদ্ধযোগ, উত্তত নাই ৰাঘঃ ৭।১৩।৭ যোৱাতনাই পাপযোগ দোষ। **শুভকৰ্ম ঃ** দ্বিৰাগমন, পুংসৱন, সীমন্তোনয়ন, পঞ্চামৃত, সাধভক্ষণ, জাতকৰ্ম, নামকৰণ, মুখ্যানন্নপ্ৰশান, চূড়াকৰণ, বিদ্যাৰম্ভ উপনয়ন, জলাওয়াৰম্ভ, আৰোগ্যস্নান গ্ৰহপূজা শান্তিস্বস্ত্যয়ন, হালযাত্ৰা, গুটিসিঁচা, গছৰোৱা। **ভক্ষাভক্ষ্য-** তিতাভেকুৰী ৰাঘঃ ৭।১৩।৭ যোৱাত পটল খোৱা নিষেধ।

*দিনটোৰ ৰাশিফল*

**মেষ ঃ** ঘৰুৱা উন্নতিৰ চেষ্টাত বাধা কম। সৰু-সুৱা বিৰোধী কথাত বেছি মন নিদিলে কৰ্মক্ষেত্ৰতো শুভ ফল। বহুদিন ভাবি থকা সুযোগৰ আশা সমাগত যেন লাগিব। দাম্পত্যত শুভ। শুভ ৰং ক্ৰীম, শুভ সংখ্যা ২।

**বৃষ ঃ** আৰ্থিক উন্নতিৰ ক্ষেত্ৰত যিকোনো চেষ্টাত কিবা নহয় কিবা বাধা অনুভৱ কৰিব। ঘৰুৱা দিশত অৱশ্যে সিমান দুশ্চিন্তা। বাটে-পথে ফুৰোতে সতৰ্ক হওক। বিদ্যাত মধ্যম। শৰীৰৰ দুৰ্বলতা। শুভ ৰং বগা, শুভ সংখ্যা ৪।

**মিথুন ঃ** কৰ্তব্যত আপোনাৰ যোগ্যতা থান্সিব। কোনোৱে বাস্তৱ খোজ পেলাই উপকৃত হ'ব। সৰু-সুৱা কথাত মানসিক কিছু প্ৰভাৱ পেলাব। বন্ধুৰ সহায়। আৰ্থিক প্ৰাপ্তিৰ আশা। শুভ ৰং কমলা, শুভ সংখ্যা ৩।

**কৰ্কট ঃ** পূৰ্বদিনৰ তুলনাত আজি বহুলাংশে যোগাযোগাদিত উন্নত। শৰীৰো ভালে যোৱাৰ কাৰক। অৱশ্যে আপোনাৰ হুৰমুৰীয়া স্বভাৱৰ দোষত শাৰীৰিকত কিছু আহুকালৰ কাৰক বিদ্যাত মধ্যম। শুভ ৰং পাতল নীলা, শুভ সংখ্যা ৫।

**সিংহ ঃ** কোনো আকস্মিক বাধা বা ক্লেশে লগ ধৰিব পাৰে। সহজতে যি কৰো বুলি থিৰাং কৰিছিল তাক সম্পূৰ্ণ কৰাত বাধা পাব। বাকী দিশত মজলীয়া ফল দাম্পত্যত নতুন চিন্তা। শুভ ৰং হালধীয়া, শুভ সংখ্যা ৮।

**কন্যা ঃ** কৰ্মক্ষেত্ৰত আপোনাৰ ভাবমূৰ্তি প্ৰায় ঠিক থাকিব যদিও কোনো কাৰণে চিন্তা কাৰণ হ'ব। জাতকৰ কোনো উন্নত যোগাযোগৰ পৰা লাভ। বিদ্যাত বেয়া নহ'ব। ভ্ৰমণাদিত মধ্যম। শুভ ৰং গেৰুৱা, শুভ সংখ্যা ৭।

**তুলা ঃ** কোনোৱে প্ৰৱঞ্চকৰ কবলত পৰাৰ কাৰক। সাৱধান হ'লে ভয় কম বিদ্যাত যত্নৰ ফল লাভ। সাধাৰণ শৰীৰৰ আহুকাল অলপ। দাম্পত্যত ভালেই। ভ্ৰমণাদিত অমনোযোগী নহ'ব। শুভ ৰং ক'লা, শুভ সংখ্যা ৬।

**বৃশ্চিক ঃ**ক্ৰমে দিনটো বাঢ়ি অহাৰ লগে লগে মনটো গধুৰ হ'ব পাৰে। হ'বলগীয়া কামত অনগ্ৰসৰ হোৱাৰ যোগ। মুঠতে কিছু অসুবিধাৰ কাৰক। জাতক জাতিকাই সাৱধান থাকিলে ভাল। শুভ ৰং নীলা, শুভ সংখ্যা ১১।


**ধনু ঃ** উন্নত দিনৰ অনুমান। যোগাযোগৰ খুব বেয়া নহ'ব। ভবা কথাৰ লগত সাদৃশ্য কম যদিও প্ৰতিকূলো নহ'ব। বিশেষকৈ অনুৰাধা নক্ষত্ৰৰ মানসিক শান্তি। বিদ্যাত বাধা কম। শুভ ৰং ক্ৰীম, শুভ সংখ্যা ৯।

**মকৰ ঃ** ভগা পতা কৰি ভাল পাব পুৰণি পৰিৱেশৰ সলনিৰ প্ৰতি মন কৰিব পাৰে ভ্ৰমণত সন্তম হওক। কিন্তু কোনোৰ প্ৰিয় বন্ধু-বান্ধৱীৰ সংগত সুখ লাভ যিসকল যোগ্যবান।
শুভ ৰং বগা, শুভ সংখ্যা ৮।

**কুম্ভ ঃ** ৰুক্ষ চিন্তা অত্যাধিক খৰচ হ'লেও আয়ত্ত থাকিব। পঢ়া-শুনাত মনোযোগ লাগিব। দুষ্টৰ সংগই বিপদ আনিব পাৰে। লোহ, লক্ষ ইস্পাত কাঠ, কয়লাত লাভ। পদমৰ্যাদা লাভ। শুভ ৰং হালধীয়া, শুভ সংখ্যা ২।

**মীন ঃ** আৰ্থিক যোগাযোগত কিছুদিন উপকৃত তথা খৰচ। মতান্তৰ হ'ব লগা কথাত মন নিদিব। শৰীৰ মধ্যম। সুৰ-সুৱা সংবাদকে গুৰুতৰ বুলি নল'ব। ভ্ৰমণত সাৱধান। নতুন সম্পদক ক্ৰয়। শুভ ৰং ক'লা, শুভ সংখ্যা ১।

## শব্দ-ৰেহ ঃ ১ জুন ২০২২




ASSAM ELECTRICITY GRID CORPORATION LIMITED
NOTICE INVITING TENDER
Sd/- Deputy General Manager

ASSAM ELECTRICITY GRID CORPORATION LIMITED
NOTICE INVITING TENDER
Sd/- Deputy General Manager

ASSAM ELECTRICITY GRID CORPORATION LIMITED
NOTICE INVITING TENDER
Sd/- Deputy General Manager



No. FG.16/Aranya Bhawan/AMC (AC)/2019

**NOTICE INVITING QUOTATION**

Sealed quotation affixing Court fee of Rs. 8.25 (Rupees Eight and twenty five paisa) only in two bid system i.e. Technical Bid and Financial Bid are invited from local and experienced Firms for **Annual Maintenance Contract (AMC) for total of 118 Nos. Air Conditioner Maintenance (including 8 Nos. Central AC) installed at Aranya Bhawan, Panjabari, Guwahati-37.** The firm should have a valid trade license & valid GST No. issued by the competent authority.

The quotation must reach the undersigned by **1.00 PM of 20th June, 2022.** Quotation received thereafter will not be accepted. All quotations received after the due time and date shall be returned to the respective bidder without opening the same. Intending bidder(s) shall submit quotations in the quotation box kept in Aranya Bhawan, Panjabari, Guwahati-37.

The quotation box will be opened on the same day i.e. **20th June, 2022 at 2.00 PM** in presence of bidders or their authorized representatives present at that time only for **Technical Bid.** The opening date and time of the **Financial Bid** will be intimated later to the technically qualified bidders.

Intending bidder(s) may collect Quotation Papers/ Documents by providing a written application preferably with letter head with seal, signature and address of the concerned reputed firm on any working day during office hours till 18-06-2022. Quotation papers/ Documents are non transferable.

Sd/-
Deputy Conservator of Forests (IT)
O/o the Principal Chief Conservator of Forests & Head of Forest Force, Assam

Janasanyog/C/3491/22



245/227-229

NOTICE INVITING QUOTATION

EXECUTIVE ENGINEER
INDUSTRIES & COMMERCE DEPTT.
ASSAM :: GUWAHATI-21

247/230-232

NOTICE INVITING QUOTATION

EXECUTIVE ENGINEER
INDUSTRIES & COMMERCE DEPTT.
ASSAM :: GUWAHATI-21

Janasanyog/C/3486/22



CORRIGENDUM

দৈনিক অগ্ৰদূত

গুৱাহাটী, ১ জুন, ২০২২ বুধবাৰ পৃষ্ঠা তিনি


## বানপানীয়ে ছিঙি নিয়া কামপুৰ-কঠিয়াতলি পথত তিনিদিনত উপ-পথ নিৰ্মাণৰ সিদ্ধান্ত

**বিশেষ সংবাদদাতা**

**নগাঁও, ৩১ মে' ঃ** কামপুৰৰ মনোহৰগাঁৱত কামপুৰ কঠিয়াতলি পথটোৰ বাঢ়নী পানীয়ে খহাই নিয়া অংশৰে গধুৰ যান-বাহন পাৰ কৰিব পৰাকৈ পথটো নিৰ্মাণ কৰি যাতায়াত ব্যৱস্থা সুচল কৰাৰ দাবীত আজি একাংশ লোকে অৱস্থান ধৰ্মঘটৰ কাৰ্যসূচী হাতত লয়। পাছত বিয়লি এই পথটোৰ ছিঙি নিয়া অংশত তিনিদিনৰ ভিতৰত এটা উপপথ নিৰ্মাণ কৰিব বুলি জানিব দিয়ে গড়কাপ্টানী সহ কাৰ্যবাহী অভিযন্তা মনোজ কুমাৰ শইকীয়াই। উল্লেখ্য যে কপিলী আৰু নিশাৰী নদীৰ বানে কামপুৰ কঠিয়াতলি গড়কাপ্টানী পথটোৰ মনোহৰ গাঁৱত এক

ছয় পৃষ্ঠাত চাওক

## গোৱালপাৰাৰ টুকুৰা বজাৰত বিধ্বংসী অগ্নিকাণ্ড

■ মাজনিশা জ্বলি ভস্মীভূত হ'ল সাতখনকৈ দোকান



**অগ্ৰদূত বাৰ্তা**


**কৃষ্ণাই, ৩১ মে' ঃ** গোৱালপাৰা জিলাৰ আগিয়া আৰক্ষী থানাৰ অন্তৰ্গত টুকুৰা বজাৰত যোৱা নিশা সংঘটিত হয় এক অগ্নিকাণ্ডৰ ঘটনা। বিদ্যুতৰ ছাৰ্কিটৰ ফলতে সংঘটিত হয় এই অগ্নিকাণ্ড। তথ্য

ছয় পৃষ্ঠাত চাওক

## গোৱালপাৰাত বন্যহস্তীৰ সন্ত্ৰাস অব্যাহত

ধনুভাঙাত বন্যহস্তীৰ আক্ৰমণত এজন নিহত

**অগ্ৰদূত বাৰ্তা**



**দুধনৈ, ৩১ মে' ঃ** গোৱালপাৰা জিলাৰ বিভিন্ন প্ৰান্তত অব্যাহত আছে বন্যহস্তীৰ সন্ত্ৰাস। যোৱা নিশা পুনৰ বন্যহস্তীৰ আক্ৰমণত নিহত হয় এজন। ৰংজুলি বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত ধনুভাঙা গাঁৱত নিশা সাত বজাত এটা প্ৰকাণ্ড বন্যহস্তীয়ে খাদ্যৰ সন্ধানত প্ৰৱেশ কৰে। গাঁওখনত সোমায়ে ললিত কছাৰী নামৰ লোকজনৰ ঘৰৰ খিৰিকী ভাঙি খাদ্য সামগ্ৰীৰ সন্ধান কৰে। হাতীটোৱে ঘৰৰ

ছয় পৃষ্ঠাত চাওক

■ মৰাভৰলী নৈৰ পাৰত উৎকট গৰমৰ অচিলা লৈ মদ-ভাং-জুৱা- ড্ৰাগছৰ আড্ডা

# তেজপুৰত ড্ৰাগছৰ বিৰুদ্ধে ওলাই আহিল ৰাইজ

**ষ্টাফ ৰিপৰ্টাৰ**

**তেজপুৰ, ৩১ মেʼঃ** আৰক্ষীয়ে তেজপুৰ তথা শোণিতপুৰতো ড্ৰাগছ বিৰোধী অভিযান অব্যাহত ৰখাৰ সময়তে তেজপুৰত এইবাৰ ড্ৰাগছ সেৱনকাৰীৰ বিৰুদ্ধে ওলাই আহিল ৰাইজ। তেজপুৰত আজি ড্ৰাগছ সেৱন কৰাৰ মুহূৰ্ততে হাতে-লোটে কৰায়ত্ত কৰি দুই ড্ৰাগছ সেৱনকাৰীক ৰাইজে আৰক্ষীক গতাই দিয়ে। উল্লেখ্য যে তেজপুৰৰ মৰাভৰলী নৈৰ পাৰত উৎকট গৰমৰ অচিলা লৈ একাংশ যুৱকে মদ-ভাং-জুৱাৰ আড্ডা পতাৰ সমান্তৰালকৈ একাংশ যুৱকে শেহতীয়াকৈ ড্ৰাগছৰ সেৱন কৰা বুলিও অভিযোগ উঠি আহিছিল। আজি বিয়লি এই স্থানতে একাংশই ড্ৰাগছ সেৱন কৰাৰ কথা জানিব পাৰি স্থানীয় লোক ওলাই আহে। অঞ্চলটোত এনে কাণ্ডৰে পৰিৱেশ বিনষ্ট কৰা তথা স্থানীয় যুৱক কিশোৰসকলকো বিপথে নিয়াৰ আশংকাত মাৰবান্ধি ওলাই অহা ৰাইজে তেজপুৰ গাৰোৱানপট্টিৰ কুনাল দাস আৰু ধনোৱানগৰৰ মিন্টু পাল নামৰ দুই যুৱকক হাতে-লোটে কৰায়ত্ত কৰি লপা-থপা দি স্থানীয় মহাভৈৰৱ আৰক্ষীক গতাই দিয়ে। তদুপৰি ৰাইজে পৰোৱাৰ পৰা ধনোৱানগৰলৈকে মৰাভৰালী নৈ পাৰৰ অঞ্চলটোত চোকা দৃষ্টি ৰাখিবলৈ আৰক্ষীক আহ্বান জনাইছে। সম্প্ৰতি শিক্ষানুষ্ঠানৰ ছুটিৰ পাছতে মহাভৈৰৱ আৰক্ষী চকীৰ অন্তৰ্গত বিভিন্ন অঞ্চলৰ অলিয়ে-গলিয়ে একাংশ কিশোৰ-কিশোৰীয়ে

ছয় পৃষ্ঠাত চাওক




*মূল্যবৃদ্ধি ৰোধকে ধৰি বিভিন্ন দাবীৰ সমৰ্থনত গুৱাহাটী মহানগৰীত বাঁও দলসমূহৰ যৌথ বিক্ষোভ, মঙলবাৰে।*

## কঠিয়াতলিত বন্যহস্তী পোৱালিৰ মৃতদেহ উদ্ধাৰ

**কঠিয়াতলি, ৩১ মে' ঃ** নগাঁও জিলাৰ কঠিয়াতলি বন বিভাগৰ অন্তৰ্গত নগাঁও-কাৰ্বি আংলং জিলাৰ সীমান্তৱৰ্তী হাতীখেলি শালবাৰীত আজি বন্যহস্তীৰ এটা মৃত পোৱালি উদ্ধাৰ হয়। মানৱসৃষ্ট এটা জলাশয়ত মৃত হাতী পোৱালিটো কেইজনমান স্থানীয় লোক প্ৰত্যক্ষ কৰি বন বিভাগৰ খবৰ দিয়ে। বন বিভাগৰ লোকে সেই স্থানত উপস্থিত হৈ পশু চিকিৎসা কেন্দ্ৰৰ লোকৰ দ্বাৰা হাতীটোৰ মৰণোত্তৰ পৰীক্ষা কৰে যদিও বৰ্তমানলৈকে হাতীটোৰ মৃত্যুৰ কাৰণ উদ্ধাৰ কৰিবলৈ সক্ষম হোৱা নাই। ঘটনাস্থলীৰ পৰা হাতীখলি বন বিভাগৰ কাৰ্যালয়ৰ দূৰত্ব প্ৰায় এক কিলোমিটাৰ হোৱাৰ পাছতো

ছয় পৃষ্ঠাত চাওক

## জোৰশিমুলীত স্বামীয়ে ডিঙি চেপি হত্যা কৰিলে ন-বোৱাৰীক

স্বামীসহ তিনিজনক আটক

**অগ্ৰদূত বাৰ্তা**

**সোণতলী, ৩১ মে' ঃ** কামৰূপ জিলাৰ জোৰশিমুলীত যোৱা নিশা এক হত্যাকাণ্ডৰ ঘটনা সংঘটিত হয়। স্বামীয়ে এগৰাকী ন-বোৱাৰীক ডিঙি চেপি হত্যা কৰাৰ অভিযোগ উঠিছে। উল্লেখ্য যে পুৰাণ গাঁৱৰ আজিজুল হকৰ কন্যা জোৰশিমুলী গাঁৱৰ ছামচুল হকৰ পুত্ৰ হাবিজুল হকৰ লগত নমাহ পূৰ্বে বিবাহ হৈছিল। কিন্তু বিয়াৰ পাছৰে পৰা ন-বোৱাৰীগৰাকীক যৌতুক বিচাৰি মানসিক, শাৰীৰিক অত্যাচাৰ কৰি আছিল। মাজনিশা বোৱাৰীগৰাকীক হত্যা কৰি পলায়ন কৰে পাষণ্ড স্বামী হাবিজুৰে।

ছয় পৃষ্ঠাত চাওক

## নদুৱাৰৰ ইটাখোলা ব্যৱসায়িক কেন্দ্ৰত চলিল প্ৰশাসনৰ বুলড'জাৰ

৫০খনতকৈ অধিক অবৈধ পকীৰ দোকান ঘৰ এক্সকেভেটৰেৰে ভাঙি চলালে উচ্ছেদ অভিযান



**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ৩১ মে' ঃ** চতিয়া সমষ্টিৰ অন্তৰ্গত নদুৱাৰ অঞ্চলৰ ইটাখোলা ব্যৱসায়িক কেন্দ্ৰত আজি পুৱাই প্ৰশাসনৰ চলিল

ছয় পৃষ্ঠাত চাওক

## ধিঙত নিশা চাঞ্চল্যকৰ ডকাইতি কাণ্ড

■ ঘৰৰ সকলোকে স্প্ৰে কৰি লুটি নিলে নগদ ধনসহ সোণ-ৰূপৰ আ-অলংকাৰ

**অগ্ৰদূত বাৰ্তা**

**ধিং, ৩১ মে' ঃ** ধিঙৰ জাৰামাৰীত যোৱা নিশা সংঘটিত হয় এক চাঞ্চল্যকৰ ডকাইতি কাণ্ড। ঘৰৰ সকলো সদস্যকে স্প্ৰে মাৰি অচেতন কৰি সংঘটিত কৰে এই ডকাইতি কাণ্ড। এই ঘটনাক কেন্দ্ৰ কৰি বৰ্তমানে সমগ্ৰ অঞ্চলটোতে প্ৰতিক্ৰিয়া অব্যাহত আছে। তথ্য মতে, নিশা জাৰামাৰীৰ ব্যৱসায়ীক ফজলুল হকৰ ঘৰত সংঘটিত হয় এই ঘটনা।

ছয় পৃষ্ঠাত চাওক

## মুছলপুৰত মন্ত্ৰী ব্ৰহ্মই দাঙি ধৰিলে সমষ্টিৰ উন্নয়নমূলক কাম-কাজৰ খতিয়ান

**অগ্ৰদূত বাৰ্তা**



**মুছলপুৰ, ৩১ মে' ঃ** ২০২১ৰ দুই মে'ত ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন ৰাজ্য চৰকাৰৰ ভূমি সংৰক্ষণ, হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম বিভাগৰ মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই বাগ্‌সা জিলাৰ অন্তৰ্গত ৬৩ নম্বৰ চাপাগুৰি বিধানসভা সমষ্টিৰ পৰা বিধায়কৰূপে নিৰ্বাচিত হৈছিল। বিধায়কৰূপে ব্ৰহ্মই তেওঁৰ বিগত এবছৰীয়া কাৰ্যকালত নিজৰ সমষ্টিত কৰা বিভিন্ন উন্নয়নমূলক কাম-কাজৰ খতিয়ান সম্পৰ্কে আজি মুছলপুৰত এক সংবাদমেল সম্বোধন কৰে। সংবাদমেলত স্বাস্থ্য, শিক্ষা আৰু যাতায়াতৰ ক্ষেত্ৰত বিধায়ক ব্ৰহ্মই বিশেষ গুৰুত্ব আৰোপ কৰিছে বুলি উল্লেখ কৰে। স্বাস্থ্যখণ্ডৰ ক্ষেত্ৰত তেওঁ লোৱা পদক্ষেপসমূহৰ ভিতৰত জিলা সদৰ মুছলপুৰস্থ ডাঃ ৰবি বড়ো অসামৰিক চিকিৎসালয়ত ৰোগীৰ সুবিধাৰ্থে ৩০ খন বিছনাযুক্ত অতিৰিক্ত গৃহ নিৰ্মাণ, বেতবাৰী উপ-স্বাস্থ্য কেন্দ্ৰক প্ৰায় ডেৰ কোটি টকা ব্যয় সাপেক্ষে বুনিয়াদী স্বাস্থ্য কেন্দ্ৰৰূপে নিৰ্মাণৰ কথা ব্যক্ত কৰে। সেইদৰে শিক্ষাৰ ক্ষেত্ৰত সমষ্টিটোৰ মুঠ ২৫ খন শিক্ষানুষ্ঠানক ৫০ লাখকৈ টকাৰ অনুদান দিয়াৰ লগতে জালাহৰ বি বি কিষাণ মহাবিদ্যালয়ত

ছয় পৃষ্ঠাত চাওক




দৈনিক অগ্ৰদূত

গুৱাহাটী বুধবাৰ ১৭ জেঠ ১৪২৯ ভাস্কৰাব্দ ১ জুন ২০২২

# নাগা চুক্তিৰ ভৱিষ্যৎ

২০১৫ৰ আগষ্টত কেন্দ্ৰীয় চৰকাৰে নাগালেণ্ডৰ সশস্ত্ৰ সংগঠন এন এছ চি এন (ঈশ্বাক-মুইভা)ৰ স'তে ফ্ৰেমৱৰ্ক চুক্তি সম্পাদন কৰিছিল নাগা সমস্যাটোৰ চূড়ান্ত সমাধানৰ বাবে। পিছে যোৱা সাতটা বছৰে তাৰ সমাধান নোলাল। ইয়াৰ আগেয়েও তদানীন্তন ইউ পি এ চৰকাৰে নাগালেণ্ডৰ এই সংগঠনটোৰ স'তে সুদীৰ্ঘকাল যুদ্ধবিৰতিৰ চুক্তি সম্পাদন কৰিছিল, কিন্তু সমস্যাটোৰ সমাধান নোলাল।

মোদী চৰকাৰে এন এছ চি এন (আই-এম)ৰ স'তে কৰা ফ্ৰেমৱৰ্ক চুক্তিৰ ভিতৰত কি আছে সেয়া চৰকাৰে এতিয়াও ৰাজহুৱা কৰা নাই। অৱশ্যে বৰ্তমান নাগাসকলৰ বাবে এখন সুকীয়া পতাকা আৰু সংবিধানৰ দাবীত সংগঠনটো অটল হৈ থকাৰ পাছত ফ্ৰেমৱৰ্ক চুক্তি এতিয়া অনৰ্থক পৰিশ্ৰমত পৰিণত হ'বলৈ গৈছে। সুদীৰ্ঘ কাল নাগাসকলৰ জাতীয় পতাকাৰ দাবীত খামুচি থকাৰ পাছত কেন্দ্ৰীয় চৰকাৰে সংগঠনটোক এই প্ৰস্তাৱ দিছিল যে নাগাসকলৰ বাবে সুকীয়া পতাকাৰ দাবী চৰকাৰে মানি ল'ব, কিন্তু সি নাগাসকলৰ জাতীয় ৰাজনৈতিক পতাকা নহ'ব, সেয়া হ'ব নাগাসকলৰ সাংস্কৃতিক পতাকা। পিছে কেন্দ্ৰীয় চৰকাৰৰ এই প্ৰস্তাৱত সংগঠনটো সৈমান নহ'ল। ইফালে নাগা পতাকাৰ সমান্তৰালভাৱে এন এছ চি এন (আই-এম)-এ নাগাসকলৰ বাবে এখনি সুকীয়া 'ৰেহজাৰো' বা সংবিধানো বিচাৰিছে। কেন্দ্ৰীয় চৰকাৰে নাগাসকলে প্ৰণয়ন কৰিব বিচৰা সংবিধানৰ উভয় পক্ষই সন্মত হোৱা অনুচ্ছেদ তথা অধ্যায়বোৰ দেশৰ সংবিধানত অন্তৰ্ভুক্ত কৰাৰ বাবেও সন্মতি দিছিল। পিছে নাগা সংগঠনটোৱে কেন্দ্ৰৰ এই প্ৰস্তাৱো প্ৰত্যাখ্যান কৰিছে বুলি কোৱা হৈছে।

এন এছ চি এন (আই-এম) নিউজ বুলেটিন 'নাগালিম ভয়েছ'ৰ সম্পাদকীয়ত সংগঠনটোৱে লিখিছে যে নাগাসকলৰ পতাকা জাতিটোৰ ৰাজনৈতিক পৰিচয় আৰু এই ক্ষেত্ৰত কোনো ধৰণৰ এৰা-ধৰা সম্ভৱ নহয়। সম্পাদকীয়টোত উল্লেখ কৰা হৈছে যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এন এছ চি এনৰ স'তে ফ্ৰেমৱৰ্ক চুক্তি সম্পাদনৰ পাছত দাবী কৰিছিল যে দক্ষিণ-পূব এছিয়াৰ সশস্ত্ৰ বিচ্ছিন্নতাবাদী সমস্যাটো তেওঁ সমাধান কৰিবলৈ সক্ষম হৈছে। সেই কথা মনত পেলাই দি সম্পাদকীয়ত কোৱা হৈছে যে এই চুক্তিখনক লৈ গৰ্ব কৰা প্ৰধানমন্ত্ৰীয়ে এতিয়া কেনেদৰে সমস্যাটো সমাধান কৰে তাক নাগাসকলে অধীৰ আগ্ৰহেৰে লক্ষ্য কৰি আছে। আনকি এন এছ চি এন-এ নাগাসকলৰ দাবী আওকাণ কৰা কাৰ্যক চৰকাৰৰ ৰাজনৈতিক ব্লেকমেইলিং বুলি কৈছে।

যোৱা কেইদিনমান ধৰি নাগা সংগঠনটোৰ নেতাসকলৰ স'তে বিজেপিৰ শীৰ্ষ নেতাসকলৰ কে'বালানি বৈঠক অনুষ্ঠিত হৈছিল। নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নেইফু ৰিঅ' আৰু ভূতপূৰ্ব মুখ্যমন্ত্ৰী এছ চি জমিৰো এনে আলোচনাত মিলিত হৈছিল; কিন্তু ফলাফল একো নোলাল। নাগালেণ্ডৰ উপ-মুখ্যমন্ত্ৰী ৱান থুংগো পেটনে কৈছে যে কেইগৰাকীমান জ্যেষ্ঠ নেতাই নাগা বিদ্ৰোহী সমস্যাটো সমাধান হোৱাটো নিবিচাৰে যাতে তেওঁলোকে জনসাধাৰণৰ মূল্যৰ বিনিময়ত সুখ-স্বাচ্ছন্দ্যৰ জীৱন অতিবাহিত কৰিব পাৰে। নতুন দিল্লীৰ পৰা উভতি আহি এছ চি জমিৰে কৈছে যে অচিৰেই নাগালেণ্ডত এক ভূমিকম্প হ'ব পাৰে, যাৰ কেন্দ্ৰবিন্দু হ'ব দিল্লী। এগৰাকী বিধায়কে কৈছে যে এন এছ চি এন (আই-এম) এ এতিয়া হয় চৰকাৰৰ স'তে একমত হৈ আগবাঢ়িব লাগিব, নহ'লে আলোচনা ত্যাগ কৰি ওলাই যাব লাগিব।

যোৱা ১৯৯৭ৰে পৰা এন এছ চি এন (আই-এম) কেন্দ্ৰীয় চৰকাৰৰ স'তে যুদ্ধবিৰতি চুক্তি কৰি আহিছে। এন এছ চি এনৰ খাপলাং গোটেও ২০০১ত কেন্দ্ৰৰ স'তে যুদ্ধবিৰতি চুক্তি কৰিছিল। অৱশ্যে ২০১৫ত খাপলাং গোটে যুদ্ধবিৰতি চুক্তি ভংগ কৰি ওলাই যায়। নাগাসকলৰ বিভিন্ন সংগঠনক একত্ৰিত কৰি কেন্দ্ৰই ২০১৭ত নাগা নেছনেল পলিটিকেল গ্ৰুপ গঠন কৰি ফ্ৰেমৱৰ্ক চুক্তিৰ সমৰ্থনৰ বাবে তেওঁলোকক জড়িত কৰিছিল। এই গোটটোৰ সৰহভাগেই নাগাসকলৰ বাবে সুকীয়া পতাকা বা সংবিধানৰ দাবীক সমৰ্থন কৰা নাই। এনে পৰিপ্ৰেক্ষিতত ২০১৫ত ঢোল-খোল বজাই সম্পাদন কৰা নাগা ফ্ৰেমৱৰ্ক চুক্তিৰ ভৱিষ্যৎ এতিয়া অনিশ্চিত হৈ পৰিছে।

## খো লা ম ঞ্চ

# এইবেলি বিহু মঞ্চৰ ঐতিহ্য ৰক্ষা কৰা হৈছেনে?



**কৰ্ষণৰ** পৰাই কৃষ্টিৰ উৎপত্তি হৈছে। কৃষ্টিৰ সংস্কাৰ হৈ সংস্কৃতি হৈছে। প্ৰৱাহমান সময়ৰ গতিত সংস্কৃতি পৰিৱৰ্তনশীল। প্ৰকৃততে মানুহৰ দ্বাৰা সৃষ্টি হোৱা সামাজিক আচৰণবোৰেই সংস্কৃতি। সামাজিক ক্ষেত্ৰত বিভিন্ন উৎসৱ-পাৰ্বণ, গীত-নৃত্য, পৰিৱেশ্য কলা আদি অন্তৰ্ভুক্ত। সংস্কৃতিৰ অঞ্চলভেদে সামান্য পাৰ্থক্য থাকিলেও ইয়াৰ পৰিসৰৰ ব্যাপকতা আছে। সাধাৰণ লোকৰ জ্ঞান-বুদ্ধি বা বিদ্যা প্ৰকাশ কৰিবলৈ লোক-সংস্কৃতি শব্দটোৰ অৱতাৰণা কৰা হৈছে।

অসমীয়া কৃষ্টি-সংস্কৃতি কৃষিক কেন্দ্ৰ কৰিয়ে স্বকীয় শৈলীৰে বছৰৰ পাছত বছৰ বৰ লুইতৰ দুইপাৰে প্ৰৱাহমান হৈ আছে। অসমীয়া সংস্কৃতিৰ অন্যতম প্ৰতীক হ'ল বিহু। বিহু অসমৰ জাতীয় উৎসৱ। বিশেষতঃ অসমীয়া সংস্কৃতিৰ প্ৰতীক হিচাপে ব'হাগ বিহুকে পালন কৰা হয়। অতিকৈ চেনেহৰ ব'হাগৰ বিহুটো অসমীয়াৰ জাতীয় উৎসৱেই নহয়, ব'হাগ বিহু অসমীয়া সংস্কৃতিৰ অন্যতম প্ৰতীক, প্ৰতিজন অসমীয়াৰ আনন্দৰ, হেঁপাহৰ।

**পংকজ পল্লৱ শৰ্মা,** *লেখক*

ব'হাগ বিহু মূলতঃ ঋতু উৎসৱ। কৃষিজীৱী অসমীয়াই পৃথিৱীক মাতৃজ্ঞান কৰি পূজা-অৰ্চনা কৰি আহিছে। কৃষিজীৱী অসমীয়াই চ'ত-ব'হাগত আঁহত গছৰ তলত ঢোল-পেঁপা, টকা, গগনা, জুৰি, তাল লৈ নাচি-বাগি আনন্দ-উৎসৱ পালন কৰি আহিছে। লৌহ পুৰুষ ৰাধাগোবিন্দ বৰুৱাই গছৰ তলৰ বিহু মঞ্চলৈ আনিলে। পৰিৱৰ্তনৰ বতাহত বিহুৰ সৌন্দৰ্যই নতুন ৰূপ ল'লে। আধুনিকতাৰ নাগপাশত অসমীয়াৰ বাপতি সাহোন ৰঙালী বিহু আজি শক্তিশেলত।

ৰঙালী বিহু আজি সাংস্কৃতিক সন্ধিয়াসৰ্বস্ব হ'ল। অতি সম্প্ৰতি ৰঙালী বিহুক সাংস্কৃতিক সন্ধিয়া হিচাপেহে প্ৰায়ভাগ সমিতিয়ে পালন কৰি আহিছে। সাংস্কৃতিক সন্ধিয়াৰ নামত আমাৰ বাপতি সাহোন ৰঙালী বিহুক এতিয়া নতুন ৰূপত উদ্‌যাপন কৰা হয়।

অতি পৰিতাপৰ কথা যে এনে ধৰণৰ সাংস্কৃতিক অনুষ্ঠানৰ নামত প্ৰায়ে কিছু কিছু অনুষ্ঠানত সংঘাত হোৱা দেখা যায়। সাংস্কৃতিক অনুষ্ঠানত কিছুমান শিল্পীৰ বহুৱালি, অদ্ভুত আচৰণ, কোৰ্হাল আদিয়ে এনে অনুষ্ঠানক বহু তললৈ নমাই লৈ গৈছে।

চলিত বৰ্ষত আৱিষ্কাৰ হৈছে আন এক নৃত্য সংস্কৃতি 'বোকা ডাঞ্চ'। ফাকুৱাৰ লগত এনে নৃত্যৰ প্ৰভাৱ নাই যদিও ঠাই বিশেষে প্ৰচলন দেখা যায়; কিন্তু বিহুৰ লগত এই নৃত্যৰ প্ৰয়োগ আচৰিত যেন লাগে। বহু সাংস্কৃতিক অনুষ্ঠানত সমাজৰ এক বিশেষ শ্ৰেণীৰ উপস্থিতি সঘনে দেখা যায়। সমাজৰ প্ৰতিটো শ্ৰেণীৰ লোককে একেলগে সাংস্কৃতিক অনুষ্ঠানে আকৰ্ষণ কৰিব নোৱৰাটো দুৰ্ভাগ্যজনক। সেয়ে হয়তো সাংস্কৃতিক অনুষ্ঠানবোৰৰ কিছুমানত নিশালৈ মাৰপিট বা কাজিয়া লাগে। এনে ধৰণৰ সাংস্কৃতিক অনুষ্ঠানবোৰত এচাম উদণ্ড লোকৰ আৱিৰ্ভাৱ দেখা যায়; যিয়ে অদ্ভুত আচৰণত ভাগ লয়। এই ক্ষেত্ৰত কিছুমান তথাকথিত শিল্পীৰো হাত নথকা নহয়।

শেহতীয়াভাৱে অসমীয়া আধুনিক গীতত সন্নিবিষ্ট হৈছে উচ্ছৃংখলতাৰ ব্যাপক প্ৰয়োগ। এনে ধৰণৰ উত্তেজিত শব্দ বা নৃত্যশৈলীয়ে আধুনিক গীতৰ লগতে সাংস্কৃতিক অনুষ্ঠানক বহুলভাৱে প্ৰভাৱান্বিত কৰিছে। নিজকে সাংস্কৃতিক জগতত জাহিৰ কৰিবলৈ কিছুমান শিল্পীৰ এনে আচৰণে প্ৰকৃত সংস্কৃতিক বিঘ্নিত কৰিছে।

আগতে উল্লেখ কৰি আহিছো যে সংস্কৃতি পৰিৱৰ্তনশীল। পৰিৱৰ্তনৰ প্ৰৱাহমান গতিত সংস্কৃতিৰ উত্তৰণ ঘটে। সঁচা কথা; কিন্তু সংস্কৃতি দুষ্কৃতিৰ হাতত পৰিব দিব নালাগে। সংস্কৃতিৰ পৰিৱৰ্তন হ'লেও ভেটি ধ্বংস কৰিব নালাগে। এনেদৰে বিঘ্নিত হ'লে অসমীয়া সংস্কৃতি যে এদিন ধ্বংস হ'ব, সেইটো নিশ্চিত।

*ফোন : ৯৯৫৪২৯৩৬৬৮*

## ধনী-দুখীয়াৰ মাজত বাঢ়িছে ব্যৱধান

# ধৰ্মান্ধ ৰাজনীতিয়ে মাতি আনিছে সামাজিক সংকট



**নিউজ স্কেন**

**গীতাৰ্থ পাঠক**



আমাৰ দেশত যি পৰিমাণৰ অৰ্থনৈতিক উন্নয়ন সাধন হৈছে, তাতোকৈ কে'বাগুণো অধিক নিবনুৱা সমস্যাই দেখা দিছে। এই বছৰৰ ফেব্ৰুৱাৰীত চেন্টাৰ ফ'ৰ মণিটৰিং ইণ্ডিয়ান ইক'ন'মিৰ প্ৰতিবেদন অনুসৰি নিবনুৱাৰ পৰিমাণ আছিল দেশৰ মুঠ শ্ৰমশক্তিৰ ৮.১০ শতাংশ। এই পৰিমাণ সৰ্বকালৰ ভিতৰতে উচ্চতম। এপ্ৰিলত এই শতাংশ সামান্য হ্ৰাস পাইছে যদিও ই ৭.৯৭ শতাংশ হৈয়ে আছে। আনহাতে, বিশ্ববেংকৰ পৰিসংখ্যা অনুসৰি ভাৰতত ১৫-২৪ বছৰ বয়সৰ মুঠ শ্ৰম শক্তিৰ ২৪.৯ শতাংশ নিবনুৱা (২০২০ত) বুলি কোৱা হৈছে। দেখা গৈছে যে যোৱা ছয়-সাত বছৰত দেশত নিবনুৱাৰ সংখ্যা সৰ্বাধিক বৃদ্ধি পাইছে। বছৰত এক কোটিকৈ লোকক চাকৰি দিয়াৰ নিৰ্বাচনী প্ৰতিশ্ৰুতি দিলেও সেয়া নিৰ্বাচনী ঝুমলাত পৰিণত হৈছে।

মুদ্ৰাস্ফীতি হু হুকৈ বাঢ়ি যাব ধৰিছে। মাৰ্কিন ডলাৰৰ বিপৰীতে ভাৰতীয় টকাৰ মূল্য হ্ৰাস পাবলৈ ধৰিছে। এক মাৰ্কিন ডলাৰৰ বিপৰীতে ভাৰতীয় টকাৰ পৰিমাণে প্ৰায় ৮০ৰ ঘৰ চুইছেগৈ। এক ডলাৰত প্ৰায় ৮০ টকা। দেশৰ যেতিয়া এই অৱস্থা, তেতিয়া দেশৰ কেইগৰাকীমান পুঁজিপতিৰ সা-সম্পত্তি মুনাফা পৰ্বত সমান হ'বলৈ ধৰিছে। সমাজত দৰিদ্ৰ আৰু ধনীৰ মাজৰ ব্যৱধান অধিক হ'বলৈ আৰম্ভ কৰিছে। ভাল দিনৰ সপোন দেখুৱাই শাসনত বহি লৈ এতিয়া দেশবাসীৰ ওপৰেৰে বুলড'জাৰ চলাবলৈ লৈছে। অসমতো চলিছে বুলড'জাৰ। মোদী চৰকাৰৰ বাবে বুলড'জাৰ বিজেপি শাসনৰ প্ৰতীক চিহ্নত পৰিণত হ'বলৈ ধৰিছে। চৰকাৰী প্ৰতিষ্ঠানবোৰ একে একে ব্যক্তিগত খণ্ডৰ হাতত বিক্ৰী কৰি তুলি দিছে আৰু বিগত ৬৪ বছৰত যিমান ঋণ চৰকাৰে লৈছিল, যোৱা আঠটা বছৰত হেনো তাতোকৈ অধিক ঋণ মোদী চৰকাৰে লৈ অভিলেখ সৃষ্টি কৰিছে।

ৰাজ্য চৰকাৰে বছৰি এক লাখ যুৱক-যুৱতীক চাকৰি দিয়াৰ লক্ষ্য বান্ধি লোৱাৰ সময়তেই বাতৰি ওলাইছে যে বিষয়া-কৰ্মচাৰীৰ অভাৱত বহু বিভাগত চলিছে অচলাৱস্থা। অসম বিধানসভাৰ মজিয়াত আগেয়ে এই বিষয়ে চৰ্চা হৈছে। প্ৰায় এক লাখ চৰকাৰী পদ খালী হৈ থকাৰ বিৱৰণো ওলাইছিল। এতিয়া ওলাই পৰিছে যে চৰকাৰৰ গুৰুত্বপূৰ্ণ বিভাগ যেনে— কৃষিত ২২২২টা পদ খালী হৈ আছে। ৩৬ হেজাৰৰো অধিক প্ৰাথমিক বিদ্যালয়ত হেনো এটাও প্ৰধান শিক্ষকৰ পদৰ সৃষ্টি নহ'ল। গুণোৎসৱ পাতি চৰকাৰী স্কুলসমূহত শিক্ষাৰ মান উন্নত কৰাৰ ভেঁকোভাওনা বহু বছৰ ধৰি চলি আছে, গুণাগুণ হ'লে একো পোৱা নাই। চাহ বাগিচাত আদৰ্শ বিদ্যালয় পাতিলেও আমাৰ ৰাজ্যৰ শিক্ষা ব্যৱস্থাটো দুই খলপীয়া। ধনিক শ্ৰেণীৰ বাবে ব্যক্তিগত খণ্ডৰ আটকধুনীয়া স্কুল আৰু গৰিব নিম্ন মধ্যবিত্তৰ বাবে চৰকাৰী স্কুল। কোন মন্ত্ৰীৰ সন্তানে চৰকাৰী অসমীয়া মাধ্যমৰ স্কুলত পঢ়া-শুনা কৰে আমি নাজানো। আমাৰ স্বাস্থ্য খণ্ডটোও ধনী আৰু দুখীয়াত বিভক্ত। ধনীৰ বাবে ব্যক্তিগত খণ্ডৰ ছুপাৰ স্পেচিয়েলিটী হাস্পতাল আৰু দৰিদ্ৰ মধ্যবিত্তৰ বাবে চৰকাৰী হাস্পতাল। আমাৰ দিনত ধনী-দুখীয়া সকলোৱে একে চৰকাৰী স্কুলতেই পঢ়িছিলো আৰু চৰকাৰী চিকিৎসালয়তেই ভাল চিকিৎসা তেতিয়া হৈছিল। তেতিয়া ব্যক্তিগত খণ্ডৰ স্কুল-কলেজ নাছিল, নাছিল চিকিৎসালয়ো। মধ্যবিত্ত লোকসকলে যদি ব্যক্তিগত খণ্ডৰ হাস্পতালত ভাল চিকিৎসা পাবলৈ যায়, তেনেহ'লে দেউলীয়া হৈ ঘৰলৈ উভতি আহিবলগীয়া হয়। বেজ আৰু কাণী বুঢ়ীৰ গল্পটো তেতিয়া মনলৈ আহে।

সি যি কি নহওক, একো নহ'লেও এতিয়া বিজেপি দলটোক ৰাইজে ভোট দি আহিছে। বিজেপি দলৰ এক নম্বৰ সমৰ্থক এগৰাকীয়ে এবাৰ কৈছিল যে পেট্ৰ'ল-ডিজেলৰ দাম লিটাৰত তিনিশ টকা হ'লেও, মিঠাতেলৰ দাম লিটাৰত পাঁচশ টকা হ'লেও তেওঁ বিজেপিকেই ভোট দিব। কাৰণ হিন্দুসকলৰ বাবে বিজেপিয়ে কাম কৰি আছে, মুছলমানক দবাই ৰাখিছে। বিভাজনৰ ৰাজনীতিয়ে ভোটদাতাসকলক কিমানদূৰ প্ৰভাৱান্বিত কৰে, ই তাৰেই দৃষ্টান্ত। ২০২৪ৰ সংসদীয় নিৰ্বাচনৰ দিন যিমানেই আগবাঢ়িছে, সিমানেই বিভাজনৰ ৰাজনীতি প্ৰকট হ'ব ধৰিছে। বাৰানসীৰ জ্ঞানব্যাপী মছজিদৰ পৰা কুতুবমিনাৰলৈকে সকলো মুছলমানৰ উপাসনাৰ স্থানক বাবৰি মছজিদৰ অৱস্থা কৰাৰ বাবে উঠি-পৰি লাগিছে। অসমতো মন্দিৰৰ শিৱলিংগ নলাত পেলাই দিয়া ৰাজনীতিৰে বিভাজন তীব্ৰ কৰাৰ প্ৰতিযোগিতা চলিছে। গৰুখুঁটিৰ পৰা বটদ্ৰৱালৈকে উচ্ছেদ চলিছে সংখ্যালঘুসকলৰ ওপৰত।

অসমত ৰাজ্য চৰকাৰে সত্ৰৰ মাটি বেদখলমুক্ত কৰাৰ বাবে উঠি-পৰি লাগিছে। সত্ৰৰ নামত তাহানিতে ৰজা-মহাৰজাসকলে হেজাৰ হেজাৰ বিঘা মাটি দান কৰিছিল। সত্ৰসমূহে এই মাটিবোৰত ৰায়তৰ জৰিয়তে খেতি কৰাই তাৰ আয়েৰে সত্ৰ পৰিচালনা কৰিছিল। সেই সময়ত সত্ৰসমূহ আছিল সমাজ পৰিচালনাৰ এক ব্যৱস্থা আৰু সেইবাবে যথেষ্ট খৰচো আছিল। সত্ৰসমূহৰ সেই ভূমিকা এতিয়া নাই। সত্ৰৰ মাটিবোৰত বহু লোক বসবাস কৰি আছে আৰু সত্ৰই তেনে মাটিৰ পৰা খাজনাও লৈ আছে। তদানীন্তন কামৰূপৰ দায়িত্ববাহী ৰাজনৈতিক সহ-আয়ুক্ত কেপ্টেইন ই টি ডেল্টনে ১৮৫১ খ্ৰীষ্টাব্দত লিখা প্ৰবন্ধ এটাত কৈছে যে ১৭৩৫ত স্বৰ্গদেউ শিৱসিংহই তাম্ৰফলিত বৰপেটা সত্ৰৰ ২৯৭ জন সত্ৰ নিবাসী ভকতৰ পৰিয়ালৰ মুৰব্বীৰ নামত ৩৯৭ একৰ মাটি দান কৰিছিল। ইয়াৰ পূৰ্বেও দিল্লীৰ দুজনমান বাদশ্বাহে সামান্য পৰিমাণে ভূমিদান কৰিছিল বুলিও ডেল্টনে কৈছে। ড° মহেশ্বৰ নেওগে লিখিছে যে শিৱ সিংহ, ৰাজেশ্বৰ সিংহ, লক্ষ্মী সিংহ, গৌৰীনাথ সিংহ আৰু চন্দ্ৰকান্ত সিংহই বৃহৎ পৰিমাণৰ মাটি তাম্ৰ পত্ৰেৰে দান কৰিছিল। সত্ৰসমূহৰ উপৰি বাউসীৰ শ্বাহ মজাৰ দৰগাহ, বৰনগৰৰ শ্বাহ ফকিৰ, ক্ষেত্ৰীৰ পাছ পীৰ, ভেল্লাৰ শ্বাহনুৰ দেৱান ফকিৰ দৰগাহত এশ বিঘা খেৰাজ মাটি দান কৰিছিল। গতিকে আহোম স্বৰ্গদেউসকলে ভূমিদান কৰাৰ সময়ত হিন্দু আৰু মুছলমানৰ উপাসনাৰ স্থানসমূহৰ মাজত বৈষম্য কৰা নাছিল। দিল্লীৰ বাদশ্বাহেও সত্ৰক মাটি দান কৰাৰ কথা কেপ্টেইন ডেল্টনে লিখিছে। কথাটো কিমানদূৰ সত্য আমি নাজানো। সি যি কি নহওক, যিসকলে সত্ৰৰ মাটিত বহি সত্ৰসমূহক খাজনা দি আহিছে তেওঁলোকক উচ্ছেদৰ কথা আহিব নালাগে। যিসকলে বেদখল কৰিছে সেয়া প্ৰশাসনে তদন্ত কৰি বিহিত ব্যৱস্থা ল'ব লাগে। পিছে যিকোনো কাৰণতেই উচ্ছেদ চৰকাৰৰ মন্ত্ৰ হ'ব নালাগিব। যদিহে দখলকাৰীসকল দেশখনৰ নাগৰিক হয় আৰু তেওঁৰ যদিহে সংস্থাপনৰ মাটি নাই, তেনে লোকক সংস্থাপন দিয়াটোহে চৰকাৰৰ মন্ত্ৰ হ'ব লাগে। চৰকাৰে প্ৰয়োজনত উচ্ছেদ কৰিব পাৰে; কিন্তু সংস্থাপন নিশ্চিত কৰিহে তেনে কৰিব লাগিব। উচ্ছেদৰ ক্ষেত্ৰত শাসক দলে সাম্প্ৰদায়িক বৈষম্যৰ নীতি অৱলম্বন কৰিব নালাগিব।

আমাৰ দেশত ১৯৯১তেই উপাসনাৰ স্থান (বিশেষ ব্যৱস্থা) আইন প্ৰণয়ন কৰা হৈছিল। ২০১৯ত উচ্চতম ন্যায়ালয়ে দিয়া ৰায়ত এই আইনৰ গুৰুত্বক স্বীকৃতি দি কৈছিল যে ভাৰতীয় সংবিধানত উল্লিখিত ধৰ্মনিৰপেক্ষতাৰ প্ৰতি থকা দায়বদ্ধতা নিশ্চিত কৰাৰ ক্ষেত্ৰত এই আইনে এক বাধ্যবাধকতাৰ সৃষ্টি কৰিছে। এতিয়া এই

> **যিসকলে বেদখল কৰিছে সেয়া প্ৰশাসনে তদন্ত কৰি বিহিত ব্যৱস্থা ল'ব লাগে। পিছে যিকোনো কাৰণতেই উচ্ছেদ চৰকাৰৰ মন্ত্ৰ হ'ব নালাগিব। যদিহে দখলকাৰীসকল দেশখনৰ নাগৰিক হয় আৰু তেওঁৰ যদিহে সংস্থাপনৰ মাটি নাই, তেনে লোকক সংস্থাপন দিয়াটোহে চৰকাৰৰ মন্ত্ৰ হ'ব লাগে**

আইন থকা সত্ত্বেও জ্ঞানব্যাপী মছজিদৰ পৰা আৰম্ভ কৰি কুতুবমিনাৰলৈকে সকলো বাবৰি মছজিদৰ দৰে কৰিব বিচৰা হৈছে। আমাৰ দেশত সাম্প্ৰদায়িক সংঘৰ্ষৰ ইতিহাস তথা জাতিভেদৰ ইতিহাস নতুন নহয়। দেশ বিভাজনৰ সময়ত আমাৰ দেশত হোৱা ব্যাপক সাম্প্ৰদায়িক সংঘৰ্ষই উপ-মহাদেশখন জোকাৰি গৈছে। ইয়াৰ আগেয়েও শাক্ত আৰু বৈষ্ণৱসকলৰ মাজৰ সংঘৰ্ষ, ব্ৰাহ্মণ আৰু শূদ্ৰিৰ মাজৰ দ্বন্দ্ব, দলিত আৰু উচ্চ বৰ্ণৰ মাজৰ সংঘাত আদি আছেই। আমাৰ অসমত হোৱা মোৱামৰীয়া বিদ্ৰোহো এনে এক শাক্ত আৰু বৈষ্ণৱীয় উত্থানৰ মাজৰ সংঘাতৰেই এটা ৰূপ। পিছে বৰ্তমান সময়ত এই সংঘাতৰ এক পক্ষৰ পৃষ্ঠপোষক হিচাপে হাজিৰ হৈছে স্বয়ং প্ৰশাসন বা চৰকাৰ। চৰকাৰী পৃষ্ঠপোষকতাত ঠাইবোৰ, ৰাস্তা-ঘাটৰ মুছলমান নাম সলনিৰ ধুম, ধৰ্মান্তকৰণ বিৰোধী আইন প্ৰণয়ন, গো-ৰক্ষা আইন, মুছলমানক গণপ্ৰহাৰত হত্যা, চৰকাৰৰ দ্বাৰা হিন্দুত্বৰ শ্ৰেষ্ঠতা প্ৰমাণৰ বাবে ইতিহাস পৰিৱৰ্তন, ডিজিটেল মাধ্যমত মুছলমানক হেয়কৰণ আদি কাৰ্যসূচীবোৰে আমাৰ গণতন্ত্ৰৰ অবয়বটোকেই বিধ্বস্ত কৰিবলৈ ওলাইছে।

বিভাজনৰ এই বিনাশী ৰাজনীতিয়ে প্ৰভাৱ পেলাইছে আমাৰ দেশৰ অৰ্থনীতিত। মন্ত্ৰী তথা শাসক দলৰ নেতাসকলে দিনে-নিশাই হিন্দুত্বৰ শ্ৰেষ্ঠত্ব প্ৰমাণ আৰু মুছলমান কিমান অধম, তাক প্ৰমাণ কৰাৰ বাবে সময় নষ্ট কৰিবলৈ লয়, তেনেহ'লে তেওঁলোকে দেশখনৰ অৰ্থনীতিৰ উন্নয়নৰ দিশটো কেনেদৰে লক্ষ্য কৰিব? নিবনুৱা সমস্যা, মুদ্ৰাস্ফীতি আদিৰ কথা ভাবিব কেনেদৰে? এনেহে লাগিছে যেন কেন্দ্ৰীয় চৰকাৰ ২০২৪ৰ নিৰ্বাচনী যুদ্ধৰ বাবে সাজু হৈছে।


মহামান্য উচ্চতম ন্যায়ালয়ে কথা চহকী নাগৰিকসকলক সকাহ দি ভাৰতীয় দণ্ডবিধিৰ ১২৪ (ক) ধাৰাৰ প্ৰয়োগ বন্ধ ৰাখিছে। তথাপি এতিয়াও চৰকাৰক সমালোচনা কৰাসকলক শিক্ষা দিবৰ বাবে শাসক দলে নানা ধৰণৰ আইনৰ আশ্ৰয় ল'ব ধৰিছে। আমাৰ দেশৰ গণতান্ত্ৰিক প্ৰতিষ্ঠানসমূহে সদায়েই সংবিধানখন উৰ্ধ্বত ৰাখি এক সবল ভূমিকা পালন কৰি আহিছিল। এতিয়া ন্যায়পালিকাত বাদে আন আন গণতান্ত্ৰিক প্ৰতিষ্ঠানসমূহ চৰকাৰৰ আজ্ঞাবাহী হ'বলৈ ধৰিছে। কি নিৰ্বাচন আয়োগ, এনফ'ৰ্চমেন্ট বিভাগ, চি বি আই আদি সকলোবোৰ প্ৰতিষ্ঠানৰ নিৰপেক্ষতাক লৈ প্ৰশ্ন উত্থাপিত হ'ব ধৰিছে। চৰকাৰৰ অৰ্থনৈতিক অপৰাধ বা ই ডি বিভাগে বিৰোধী দলৰ মন্ত্ৰী-বিধায়কৰ ঘৰত তালাচী চলোৱাটো দৈনন্দিন ঘটনা হৈ পৰিছে। একপক্ষীয় শ্বাসৰুদ্ধ পৰিৱেশত চৰকাৰৰ ভুল আঙুলিয়াই দিবলৈ সকলোৱে ভয় কৰা হৈছে। মানৱঃ ভ্ৰমঃসংকুলঃ বুলি সংস্কৃতত কথা এষাৰ আছে যাৰ অৰ্থ মানুহ মাত্ৰেই ভুল হয়। যদি এই আপ্ত বাক্যষাৰ সঁচা হয় তেনেহ'লে আমাক শুধৰাই দিবলৈ জনকণ্ঠ মুক্ত হ'ব লাগিব। দুৰ্ভাগ্যবশতঃ আমাৰ দেশত সেইটো হোৱা নাই।

আমি আশা কৰিম চৰকাৰ তথা শাসক দলৰ শুভবুদ্ধি উদয় হ'ব আৰু চৰকাৰৰ ভুলখিনি শুধৰাই দিবলৈ জনকণ্ঠ শক্তিশালী কৰি তুলিব।

*ফোন : ৯৪৩৫০৪৮৪৮৪*

# গুণোৎসৱৰ অনুভৱ

**এটা** নতুন উৎসৱ— গুণোৎসৱ। এই উৎসৱৰ জন্ম হয় ২০১৭ত। অৱশ্যে বিষয়টো অলপ চিন্তনীয়। ক'ভিডকালীন পৰিস্থিতিত বিদ্যালয়সমূহ প্ৰায় দুবছৰ ধৰি বন্ধ হৈ আছিল। যোৱা এপ্ৰিলৰ পৰা পাঠদান আৰম্ভ হৈছে। প্ৰথম মাহত উপস্থিতি একেবাৰে সেৰেঙা। মে' পাৰ নৌহওতেই গুণোৎসৱ আহিল। বৰ্তমানো চলি আছে। গুণোৎসৱৰ দ্বাৰা চৰকাৰী খণ্ডৰ শিক্ষা ব্যৱস্থাটোক সক্ৰিয় কৰি তুলিবলৈকে এটা সুন্দৰ ব্যৱস্থা। ২০০৯ত গুজৰাট চৰকাৰে এই ব্যৱস্থা আৰম্ভ কৰে। অসমত প্ৰথমবাৰৰ বাবে আৰম্ভ হয় ২০১৭ৰ চাৰি এপ্ৰিলত— প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়সমূহত। এই পদ্ধতিৰ দ্বাৰা এখন বিদ্যালয়ৰ প্ৰকৃততে কি গুণ আছে, শিক্ষাদানৰ ক্ষেত্ৰত কিমান সফল, ভৱিষ্যতে সফল হোৱাৰ সম্ভাৱনা আছেনে ইত্যাদি দিশ চালি-জাৰি চোৱা। ইয়াৰ বাবে কিছুমান লক্ষ্য বাছি লৈছে। শিক্ষক-শিক্ষয়িত্ৰী, শিক্ষাদানৰ প্ৰয়োজনীয় সঁজুলিৰ লগতে ছাত্ৰ-ছাত্ৰীৰ অভাৱ দূৰ কৰা; শৈক্ষিক পৰিৱেশ বিনষ্টৰ কাৰণ চিনাক্তকৰণ তথা নোহোৱা কৰা, শিক্ষক-অভিভাৱকৰ মাজত দায়বদ্ধতা বৃদ্ধি, সুস্থ পৰিৱেশৰ লগতে বিদ্যালয়সমূহত পৰিষ্কাৰ-পৰিচ্ছন্নতা অটুট ৰখা, শিক্ষাখণ্ডৰ মান উন্নত কৰা আদি। কোনো কোনো বিদ্যালয়ত তৃতীয়টো গুণোৎসৱ হৈ গ'ল। বিদ্যালয়সমূহত এটা উখল-মাখল পৰিৱেশ। প্ৰতিখন বিদ্যালয়ে নিজক শ্ৰেষ্ঠ দেখুৱাবলৈ দিনে-ৰাতিয়ে শ্ৰম কৰিছে।



মূল্যায়ন শিক্ষাৰ এটা অবিচ্ছেদ্য বিষয়। শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ মূল্যায়ন কৰোতে নিজৰো মূল্যায়ন হয়। গুণোৎসৱত যেনিবা মূল্যায়ন এজন বহিঃনিৰীক্ষকে কৰে। এই মূল্যায়ন অপৰিহাৰ্য। এফালে মহামাৰীৰ সংহাৰ ৰূপ, অন্যহাতে পেটৰ চিন্তা। 'অনলাইন' শিক্ষাগ্ৰহণৰ বাবে স্মাৰ্টফোনৰ কথা বাৰু বাদ দিলো। থকাজনৰো 'ডাটা' ক্ৰয়ৰ বাবে অৰ্থৰ অভাৱ। এই সম্পৰ্কে বাহুল্য নকৰো। ছবিখন অত্যন্ত দুখদায়ক। সামৰ্থৱানজনে বাৰু ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত সন্তানক পঢ়ুৱাব, পেটৰ জালাত থকাজনে বাৰু কি কৰিব? স্বীকাৰ কৰিবই লাগিব কেইখনমান চৰকাৰী বিদ্যালয়েহে যেন মাতৃভাষাটো জীয়াই ৰাখিছে। মাজে মাজে যে ছাত্ৰ-ছাত্ৰীবোৰ বিদ্যালয়ত অনুপস্থিত থাকে, ইয়াৰ কাৰণ নিশ্চয় ক'ব নালাগে। পেটে-ভাতে খাই থকা অভিভাৱকৰ সন্তানেহে চৰকাৰী বিদ্যালয়সমূহ জীয়াই ৰাখিছে। চৰকাৰে মধ্যাহ্ন ভোজনৰ ভাতকেইটা, দুৰ্নীতিৰ মাজেৰে দিয়া 'ইউনিফৰ্ম' দুযোৰ অথবা বিদ্যালয়ৰ বেৰবোৰ ৰঙীন কৰিলে, প্ৰধান শিক্ষকক ৩৮টাকৈ ফাইলৰ হেঁচা দিলে, বহিঃনিৰীক্ষকজনক দগৰি খুওৱাটোৰেই জানো গুণোৎসৱ? ক'ভিডকালীন পৰিস্থিতিত যিমানখিনি ক্ষতি হ'ল সেয়া পূৰণ কৰিবলৈ চৰকাৰ, শিক্ষা বিভাগ, শিক্ষক, অভিভাৱক, সমাজ, বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকলৰো আন্তৰিক প্ৰচেষ্টা লাগিব। শিক্ষাৰ মান উন্নত কৰিবলৈ অনুশীলনৰ প্ৰয়োজন। এজন শিক্ষাৰ্থীৰ শিক্ষা আহৰণ ব্যক্তিগত চিন্তা, কিন্তু এই ক্ষেত্ৰত শিক্ষকৰ ভূমিকা অপৰিহাৰ্য।

বিদ্যালয় এখনৰ মূল্যায়নৰ ফল নিৰ্ভৰ কৰে বহিঃমূল্যায়নৰ সিদ্ধান্তৰ ওপৰত। সেয়ে বহু বিদ্যালয়ত বহিঃমূল্যায়কগৰাকীক 'গেট'ৰ মুখৰ পৰা আদৰি অনাকে ধৰি মাছ-মাংসৰে সুস্বাদু আহাৰ খুৱাই সেৱা-শুশ্ৰূষা কৰে। বিদায়পৰত হাতত সঁফুৰা, ডিঙিত গামোচা পিন্ধাই সেৱা (প্ৰণাম নহয়) জনায়। বিগত গুণোৎসৱত বোলে কলপুলি পুতি গায়ন-বায়ন গায়ো আদৰিছিল। এনেবোৰ কৃত্ৰিমতাই বাৰু কি বুজায়? প্ৰথমটো গুণোৎসৱত ঘোষণা কৰা A+ গ্ৰেড প্ৰাপ্ত বিদ্যালয়ক ২৫ হেজাৰ টকা অনুদান আৰু ঠিকাভিত্তিক শিক্ষকক নিয়মীয়াকৰণৰ প্ৰতিশ্ৰুতিয়েই দেখোন পূৰণ নহ'ল। গুণোৎসৱ নিশ্চয় ফলপ্ৰসূ আৰু আশাপ্ৰদ কাৰ্যপ্ৰণালী। ভণ্ডামি বা তেল মৰা কাৰ্যত গুৰুত্ব দিয়াতকৈ নিজৰ যোগ্যতাহে প্ৰদৰ্শন কৰা উত্তম। গুণোৎসৱৰ মূল্যায়নৰ ফল নিৰ্ভৰ কৰিব বহিঃ মূল্যায়কৰ নিকা মনোভাৱ, স্বচ্ছতা, নিষ্ঠা, সততা, দক্ষতা, সাহসিকতা আৰু নিৰপেক্ষতাৰ ওপৰতহে।

গুণোৎসৱ বুলি শিক্ষক-অভিভাৱক সকলো সজাগ আৰু সচেতন হৈ পৰিছে। লগতে সজীৱ কৰি তুলিছে— প্ৰাতঃসভাকে ধৰি খেল-ধেমালি, শাৰীৰিক শিক্ষা, ছাত্ৰ-সংসদ, পুথিভঁৰাল আদি সকলো দিশ। সমাজৰ অংশগ্ৰহণ বৃদ্ধি হৈছে। অৱশ্যে স্বীকাৰ কৰিব লাগিব গুণোৎসৱ পতাৰ আগতে বিদ্যালয়সমূহত এনে পৰিৱেশ বিৰল আছিল। বিশেষকৈ গুণোৎসৱে চৰকাৰী শিক্ষাখণ্ডৰ প্ৰতি আস্থাৰ ৰেঙণি কঢ়িয়াই আনিছে। চৰকাৰী বিদ্যালয়সমূহ বৰ্তাই ৰাখিবলৈ সমাজৰ প্ৰতিজন নাগৰিক দায়বদ্ধ হ'ব লাগিব।

উল্লেখ্য যে একাংশক চৰকাৰী বিদ্যালয়ত নামভৰ্তি কৰাবলৈ হৈ যোৱা মহামাৰীটোৱে একপ্ৰকাৰ বাধ্য কৰাইছে। হ'লেও ই এক আশাৰ বাৰ্তা। শিক্ষকৰ অৰ্হতা সম্পৰ্কেও এক ইতিবাচক ধাৰণাই ঠাই লৈছে। চৰকাৰে আন্তঃগাঁথনি উন্নত কৰিবলৈ লোৱা প্ৰচেষ্টাও অন্য এক কাৰণ বুলিব পাৰি। প্ৰধান শিক্ষক প্ৰমুখ্যে অন্যান্য শিক্ষকৰ চেষ্টাত বিদ্যালয়ৰ গুণগত শিক্ষাৰ মানো উন্নত হৈছে। এনেবোৰ দিশলৈ লক্ষ্য কৰিয়েই অভিভাৱকে সন্তানক চৰকাৰী বিদ্যালয়ত নামভৰ্তি কৰাইছে।

গুণোৎসৱে চৰকাৰী শিক্ষাখণ্ডলৈ বিশ্বাস আৰু আস্থা ঘূৰাই অনাৰ লগতে এই প্ৰচেষ্টা অব্যাহত থাকক। তেতিয়াহে চৰকাৰী খণ্ডৰ প্ৰতি আদৰ বাঢ়িব। সমাজৰ প্ৰতিজনৰ লগতে নিজকো জড়িত কৰিব পাৰিলে বিদ্যালয়সমূহলৈ নিশ্চয় যোগাত্মক পৰিৱৰ্তন আহিব। তেতিয়াহে গুণোৎসৱৰ দৰে চৰকাৰী কাৰ্যপন্থা আৰু সমগ্ৰ শিক্ষা ব্যৱস্থাৰ সফলতা নিৰূপণ হ'ব।

**ৰুণু তামুলী বৰা**

ফোন : ৯৪৩৫৩৫০৮৯৮



# নাৰী নিৰ্যাতন, ধৰ্ষণ, হত্যাৰ দৰে পাশৱিক ঘটনাৰ অন্ত কেতিয়া?

**অভিমত**

**যিটো** সময়ত নাৰীয়ে পুৰুষৰ সমানে সমানে শিক্ষা-দীক্ষা, ৰাজনীতি, সাহিত্য-সংস্কৃতি তথা ব্যৱসায়-বাণিজ্য আদি সকলো দিশতে ফেৰ মাৰি আগবাঢ়ি গৈ নিজৰ স্থানত যোগ্যতা প্ৰমাণ তথা পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হৈছে, সেই সময়তো আজি পুৰুষৰ নিৰ্যাতনৰ পৰা নাৰী মুক্ত হ'ব পৰা নাই। ভাৰতীয় সংবিধানে নাৰী আৰু পুৰুষক সমান স্বাধীনতা প্ৰদান কৰিছে যদিও পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাত বহু ক্ষেত্ৰত নাৰী আজিও বঞ্চিত, লাঞ্চিত, অৱহেলিত আৰু নিষ্পেষিত হৈ থকাটো দুৰ্ভাগ্যজনক। সংবিধানত পুৰুষ আৰু নাৰীৰ সম-অধিকাৰ, লিংগ বৈষম্য আদি সাংবিধানিক ৰক্ষাকবচ থকা সত্ত্বেও কিন্তু আমাৰ দেশত তথা সমাজত নাৰীসকল সুৰক্ষিত নহয়। বৰ্তমান আমাৰ দেশত নাৰী নিৰ্যাতন, ধৰ্ষণ, হত্যাৰ দৰে পাশৱিক ঘটনা এনেদৰে বাঢ়ি গৈছে যে সংবাদ মাধ্যমত সেইবোৰ ঘটনাৰ বাতৰি সদায়ে প্ৰকাশ পাই আহিছে। সমগ্ৰ দেশতে আজি নাৰী নিৰ্যাতন, ধৰ্ষণ এক ভয়াৱহ সামাজিক ব্যাধি হৈ পৰিছে। নাৰী অকলে ৰাজপথলৈ ওলাই আহিবলৈ ভয় কৰা হৈছে। নাৰীৰ এতিয়া খোজেপ্ৰতি বিপদ। পুৰুষসকলে কিয় এগৰাকী নাৰীক নিজৰ ভগ্নী, মাতৃ বা কন্যা বুলি ভাবিব নোৱাৰে? নাৰীয়ে এতিয়া কাক বিশ্বাসত ল'ব; কোনে তেওঁলোকক সুৰক্ষা দিব? প্ৰকৃতি আৰু পুৰুষ উভয়েই এই বিশ্ব ব্ৰহ্মাণ্ডত সৃষ্টিকৰ্তাৰ অনুপম অৱদান। নাৰী আৰু পুৰুষৰ সন্মিলিত প্ৰচেষ্টা আৰু উভয়ৰে সহযোগিতাৰ ওপৰতে বৰ্তি আছে আমাৰ সমাজ, আমাৰ বংশ পৰিয়াল আৰু দেশৰ মান-মৰ্যাদা। নাৰী সমাজৰ সহযোগিতা অবিহনে এখন সুস্থ, সবল সমাজ গঢ় দিয়াৰ আশা কৰিব নোৱাৰি। স্বাধীনতা সংগ্ৰামত নাৰী সমাজৰ ত্যাগ আৰু সহযোগৰ এক শক্তিশালী ইতিহাস আছে; কিন্তু পুৰুষ শাসিত সমাজ ব্যৱস্থাত আজি ২১ শতিকাতো আমি নাৰী শক্তিক যথাযোগ্য সন্মান কৰিব নিশিকিলো, মানৱসৃষ্ট নীতি-নিয়মৰ দোহাই দি নাৰী সমাজক শোষিত আৰু অলেখ সামাজিক নীতি-নিয়মৰ মাজত আৱদ্ধ কৰি ৰখাৰ সমান্তৰালভাৱে নাৰীক সদায়ে কেৱল ভোগৰ সামগ্ৰী বুলিহে গণ্য কৰা হৈছে। বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ আশীৰ্বাদত আজি পৃথিৱীখনক মানুহৰ ওচৰ চাপি আনিছে। মানুহ জীৱনশৈলী সলনি হৈছে। সমাজ সলনি হৈছে, কাম-কাজ সহজ হৈ আহিছে; কিন্তু সলনি হোৱা নাই মানুহৰ কলুষিত মনবিকাৰ। এতিয়া মানৱতা ভূলুণ্ঠিত হৈছে, ৰাজপথত নাৰীৰ শ্লীলতা হানি কৰিবলৈ উদ্যত হৈছে। এয়াৰ আজি নিজেও উলংগ হ'বলৈ কুণ্ঠাবোধ কৰা নাই। জীৱশ্ৰেষ্ঠ মানৱৰ মানৱতাবোধ কেতিয়া আহিব?

আমাৰ ৰাজ্যখনত এতিয়া যে নাৰীৰ কোনো মান-মৰ্যাদা নাই, সেই নিদাৰুণ সত্যটো প্ৰতিদিনে ৰাজ্যখনৰ বিভিন্ন ঠাইত বিভিন্ন সময়ত ঘটি থকা ঘটনাসমূহৰ পৰা প্ৰতীয়মান হৈছে। অতীতৰে পৰা এইখন দেশত নাৰী দেৱীৰূপে, শক্তিৰূপে পূজিত হৈ আহিছে। পুৰুষ সমাজেও নাৰীক মাতৃজ্ঞান, দেৱীজ্ঞান কৰি আহিছে। অথচ সেই পুৰুষৰ হাততে মাতৃজ্ঞান, দেৱীজ্ঞান কৰি অহা নাৰীসকল যুগে যুগে নিৰ্যাতনৰ বলি হৈ আহিছে।

মুঠতে নাৰী নিৰ্যাতনৰ ঘটনা আমাৰ দেশত, আমাৰ সমাজত নিত্য-নৈমিত্তিক ঘটনাৰূপে চিহ্নিত হৈছে। শিক্ষিত সমাজৰ পৰা মানৱতা ক'ত হেৰাল! ভগৱানে জীৱশ্ৰেষ্ঠ প্ৰতিজন মানুহক ভাল-বেয়া চিন্তা-চৰ্চা কৰাৰ শক্তি প্ৰদান কৰিছে, তাৰ পাছতো মানুহৰ ইমান নিষ্ঠুৰতা। ধৰ্ষণ, বলাৎকাৰৰ দৰে পাশৱিক, জঘন্য কৰ্ম-কাণ্ডত জড়িত বিকৃত মানসিকতাৰ লোকসকলে নিজৰ ক্ষন্তেকীয়া সুখৰ কথা ভাবি হয়তো মুহূৰ্ততে পাহৰি যায় যে তেওঁলোকৰো প্ৰত্যেকৰে ঘৰত একোগৰাকী মাতৃ, বাই-ভনী, কন্যা সন্তান আছে। বৰ্তমান সময়ত নিজৰ ঘৰৰ চোতালতে অথবা পদূলিমুখতে মহিলা-যুৱতীসকলৰ নিৰাপত্তাৰ অভাৱ। স্কুল-কলেজত অধ্যয়নৰত ছোৱালী আৰু চাকৰিয়াল যুৱতী-মহিলাসকলে নিজ কৰ্তব্য আৰু দায়িত্বৰ খাতিৰত নিশা সাত-আঠ বজালৈ ঘৰৰ পৰা বাহিৰত থাকিবলগীয়া হয়। তেনে ক্ষেত্ৰত তেওঁলোক কৰ্মক্ষেত্ৰৰ পৰা নিজ ঘৰলৈ ঘূৰি নহা পৰ্যন্ত পিতৃ-মাতৃ তথা পৰিয়ালৰ সদস্যসকলে গভীৰ উদ্বিগ্নতাৰে অপেক্ষা কৰি পদূলিমুখত ৰৈ থাকিবলগীয়া অৱস্থা এটা আহি পৰিছে। এতিয়া ভাৰতৰ সকলো চহৰে-নগৰে, বাটে-পথে, অলিয়ে-গলিয়ে আনকি চলন্ত যান-বাহন আদিতো নাৰীৰ ওপৰত পাশৱিক নিৰ্যাতন চলিয়েই আছে। শিক্ষাগুৰু আৰু শিষ্যৰ মধুৰ সম্পৰ্কত ঘুণে ধৰিছে। শিক্ষকে ছাত্ৰীক ধৰ্ষণ কৰিছে, বৃদ্ধই ফুলকুমলীয়া কন্যাক ধৰ্ষণ কৰিছে। প্ৰকৃতাৰ্থত সমাজত সুস্থ চিন্তাধাৰাৰ বিকাশ নঘটিলে, পুৰুষে নাৰীক শ্ৰদ্ধাৰ দৃষ্টিৰে নাচালে নাৰীৰ নিৰাপত্তা আশা কৰিব নোৱাৰি। নিৰাপত্তাৰ খাতিৰত মহিলাৰ শিক্ষা-দীক্ষা, স্বাৱলম্বিতাও নিতান্তই প্ৰয়োজন। সাম্প্ৰতিক সময়ত নাৰী নিৰ্যাতন, ধৰ্ষণ আৰু হত্যাৰ বাঢ়োঁতে ৰাজ্যখনত মানুহে 'ডাইনী' সন্দেহত বহু মহিলাক অকথ্য তথা অমানুষিক নিৰ্যাতন কৰিছে, হত্যা কৰিছে।

অতিকৈ লজ্জনীয় কথাটো হ'ল, এতিয়া প্ৰতি বছৰে আঠ মাৰ্চত পালন কৰি অহা আন্তৰ্জাতিক নাৰী দিৱসৰ তাৎপৰ্য গুৰুত্বহীন হৈ পৰিছে। নাৰী সুৰক্ষিত নহ'ল। নাৰী যুগে যুগে পুৰুষৰ হাতত পুতলা হৈ থাকিল। পুৰুষ সমাজে নাৰীক ভোগৰ সামগ্ৰী হিচাপেহে ব্যৱহাৰ কৰা হ'ল। সমাজত নাৰী জাতিৰ ওপৰত চলি থকা এই নিৰ্মম বৰ্বৰতাৰ অন্ত কেতিয়া হ'ব আমি নাজানো; কিন্তু যদিহে অচিৰেই চৰকাৰে এই দুষ্কাৰ্য বন্ধ কৰিবলৈ আইনগতভাৱে শক্তিশালী তথা বলিষ্ঠ পদক্ষেপ নলয়, তেতিয়াহে'লে আমাৰ দেশৰ পৰা, সমাজৰ পৰা নাৰী নিৰ্যাতন, ধৰ্ষণ আৰু হত্যাৰ দৰে পাশৱিক ঘটনা ৰোধ কৰাটো সম্ভৱ নহ'ব।

**কুলেন বৰ্মন**

ফোন : ৯৪৩৫৩৩৮৪১৯

দৈনিক অগ্ৰদূত
গুৱাহাটী, ১ জুন বুধবাৰ, ২০২২ পৃষ্ঠা ৫



**শিল্প-সৃষ্টিৰ পূজাৰী ৰবীন্দ্ৰনাথ আছিল একেধাৰে প্ৰতিবাদী, নিৰ্ভীক, স্বাধীনতা কৰ্মী। তেওঁৰ স্বাধীন চেতনা আৰু দেশাত্মবোধে ভাৰতৰ স্বাধীনতা আন্দোলনক আগুৱাই যোৱাত যথেষ্টখিনি প্ৰেৰণা যোগাইছিল। অসংখ্য স্বাধীনতা সংগ্ৰামীৰ লগতে মহাত্মা গান্ধী, সুভাষচন্দ্ৰ বসুৰ দৰে ব্যক্তিসকলকো ৰবীন্দ্ৰনাথে নানাধৰণে প্ৰেৰণা যোগাইছিল।**

# বিশ্বকবিৰ জীৱন প্ৰতিভা আৰু বড়ো সাহিত্যত তাৰ প্ৰতিফলন

অলক অধিকাৰী

সত্য-শিৱ আৰু সুন্দৰৰ পূজাৰী কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰ তেওঁৰ গভীৰ মনীষা আৰু মহান সৃষ্টিকৰ্মৰ মাজেৰে বিশ্ববাসীৰ হৃদয়ত চিৰ ভাস্বৰ হৈ ৰৈছে। তেওঁৰ অলেখ মহৎ কৰ্মৰ অফুৰন্ত আৰু দীৰ্ঘস্থায়ী প্ৰেৰণা আজিও অমলিন। কবিগুৰু সম্পৰ্কে তেওঁৰ মহাপ্ৰয়াণৰ পাছত অসমৰ কিশোৰ-কিশোৰীক উদ্দেশ্য কৰি ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই লিখিছিল— 'ৰবীন্দ্ৰনাথক সদায় মনত ৰাখিবা, তেওঁৰ কিতাপ-কবিতা বিচাৰি বিচাৰি পঢ়িবা। তেওঁৰ কথা সদায় মনতে ভাবিবা আৰু প্ৰতিদিনে শুই উঠিয়েই পুৱাৰ বেলিটোলৈ চাই ৰবীন্দ্ৰনাথ ঠাকুৰলৈ এটি সেৱা জনাবা। তোমালোকৰ অকণি অকণি হিয়াত প্ৰতিভাই থিত ল'ব। ডাঙৰ হ'লে তোমালোকৰ কোনোবা এজনো ৰবীন্দ্ৰৰ দৰে জগতত উজলি উঠিবা।'

বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ ডেৰশ বছৰীয়া জন্ম-জয়ন্তী সমগ্ৰ ভাৰতজুৰি বিভিন্ন কাৰ্যসূচীৰে পালিত হৈ আছে। সেই উপলক্ষে দেশবাসীয়েও অসামান্য প্ৰতিভাধৰ এইজনা কবিৰ প্ৰতি শ্ৰদ্ধা, সন্মান জনাই সৰ্বস্তৰত তেওঁৰ বিপুল সৃষ্টিৰাজিৰ মূল্যাংকন আৰু তাৰ বহুল প্ৰচাৰ-প্ৰসাৰৰ বাবে প্ৰচেষ্টা অব্যাহত ৰাখিছে।

কবিগুৰু হিচাপে খ্যাত ৰবীন্দ্ৰনাথ ঠাকুৰ কেৱল কলা-সাহিত্য-সংস্কৃতিৰ এক উজ্জ্বল জ্যোতিষ্কই নহয়; তেওঁ সমগ্ৰ ভাৰতবৰ্ষ তথা বিশ্ববাসীৰ বাবেও এজন নমস্য ব্যক্তি। এইজনা মহান ব্যক্তিয়ে কলকাতাৰ বিখ্যাত জোৰাসাঁকো ঠাকুৰবাড়ীত ১৮৬১ৰ সাত মে' (২৫ ব'হাগ, ১২৬৮ ভাস্কৰাব্দ) তাৰিখে জন্মগ্ৰহণ কৰে। তেওঁ মহৰ্ষি দেবেন্দ্ৰনাথ ঠাকুৰ আৰু সাৰদা দেৱীৰ চতুৰ্দশ সন্তান। ককায়েক জ্যোতিৰিন্দ্ৰনাথ ঠাকুৰ আৰু নবৌৱেক কাদম্বৰী দেৱীয়েই আছিল ৰবীন্দ্ৰনাথৰ সকলো ধৰণৰ সৃষ্টিৰ সহায়ক আৰু প্ৰেৰণাস্বৰূপ। ১৮৮৩ চনত ৰবীন্দ্ৰনাথ ঠাকুৰে মৃণালিনী দেৱীৰ সৈতে বিবাহপাশত আবদ্ধ হয়। তেওঁৰ পিতামহ প্ৰিন্স দ্বাৰকানাথ ঠাকুৰৰ সময়ৰ পৰাই শিক্ষা-সংস্কৃতি আৰু আচাৰ-ব্যৱহাৰ ইত্যাদিৰে নানা ক্ষেত্ৰত ঠাকুৰবাৰীৰ নাম বিখ্যাত হৈ পৰিছিল। পৰৱৰ্তী সময়ত ৰবীন্দ্ৰনাথ ঠাকুৰৰ প্ৰতিভাৰ বিচ্ছুৰণত সমগ্ৰ দেশ আলোকিত হয়।

ৰবীন্দ্ৰনাথৰ প্ৰতিভাৰ স্বাক্ষৰ তেওঁৰ শিশু কালৰ পৰাই প্ৰমাণ পোৱা যায়। মাথোঁ সাত বছৰ বয়সতেই তেওঁৰ কবিতা 'তত্ত্ববোধিনী' 'ভাৰতী' আদি পত্ৰিকাত প্ৰকাশ পায়। ১২ বছৰ বয়সতে প্ৰথম কাব্যগ্ৰন্থ 'কবি-কাহিনী', ১৩ বছৰ বয়সত কাব্য উপন্যাস 'বনফুল', ১৭ বছৰ বয়সত 'ভানুসিংহৰ পদাৱলী' লিখি সম্পূৰ্ণ কৰে। বয়স বাঢ়ি অহাৰ লগে লগে তেওঁৰ কাব্য প্ৰতিভাই পৰিপূৰ্ণতা লাভ কৰিবলৈ ধৰে, সমগ্ৰ পৃথিৱীত তেৱেঁই একমাত্ৰ কবি আৰু গীতিকাৰ যাৰ ৰচিত গান ভাৰতবৰ্ষ আৰু বাংলাদেশ দুখন দেশৰ জাতীয় সংগীত হিচাপে স্বীকৃতি লাভ কৰে।

ৰবীন্দ্ৰনাথ ঠাকুৰে বিশ্বাস কৰিছিল— পৱিত্ৰতা, কৰ্ম, শুদ্ধতা, আদৰ্শবোধৰ দ্বাৰাই মানুহ ইপ্সিত লক্ষ্যত উপনীত হ'ব পাৰে। এই বিশ্বাসক নিৰ্ভৰ কৰিয়েই তেওঁ প্ৰায় ২০০০ গীত, ১০০খন কাব্যগ্ৰন্থ, বহুকেইখন চুটিগল্প, গীতিনাট্য ৰচনা কৰিছে; তেওঁৰ ৰচিত নৃত্য-নাট্যৰ ভিতৰত— শ্যামা, চিত্ৰাঙ্গদা, শাপমোচন, চণ্ডালিকা, বাল্মিকী প্ৰতিভা, কালমৃগয়া, তাসেৰ দেশ আদি উল্লেখযোগ্য। তেওঁৰ ৰচিত উল্লেখনীয় উপন্যাসসমূহ— ৰাজৰ্ষি, চোখেৰ বালি, ঘৰে-বাইৰে, গোৰা, নৌকাডুবি, চতুৰংগ, চাৰ অধ্যায় আদি। ইয়াৰ উপৰি চুটিগল্প ৰচয়িতা হিচাপেও ৰবীন্দ্ৰনাথে তেওঁৰ সৃষ্টিৰ চিন হিচাপে ৰাখি গৈছে— পোষ্টমাষ্টাৰ, খোকাবাবুৰ প্ৰত্যাৱৰ্তন, ছুটি, কাবুলিৱালা, ক্ষুধিত পাষাণ আদি গল্প তেওঁৰ অসামান্য সৃষ্টি।

ৰবীন্দ্ৰনাথৰ সৃষ্টিসমূহৰ ভিতৰত নাট্য ৰচনাও আন এটি উল্লেখনীয় দিশ। তেওঁ অসংখ্য নাট্য ৰচনা কৰিছে যদিও সৰ্বসাধাৰণৰ সমাদৰ লাভ কৰা নাটসমূহ, যেনে— বিসৰ্জন, ৰাজা, ডাকঘৰ, মুকুট, অচলায়তন, মুক্তধাৰা, ৰক্তকৰবী, ৰথেৰ ৰশি আদি উল্লেখযোগ্য। তাৰোপৰি গোড়ায় গলদ, বৈকুণ্ঠেৰ খ্যাতি, বিনি পয়সাৰ ভোজ আদি বহুকেইখন ব্যংগ-কৌতুক আৰু হাস্য-কৌতুক ৰচনা তেওঁৰ ৰচনাৰাজিৰ অন্যতম দিশ। ৰবীন্দ্ৰনাথৰ এইসমূহ সৃষ্টিসম্ভাৰৰ বাবে তেওঁ অকল ভাৰতৰে নহয় বিশ্ববাসীৰ হৃদয়ত অধিষ্ঠিত হৈ আছে।

তেওঁৰ সাহিত্যসম্ভাৰৰ ভিতৰত 'গীতাঞ্জলি' কাব্যগ্ৰন্থৰ ইংৰাজী অনুবাদ 'The songs of offerings'ৰ বাবে তেওঁ ১৯১৩ চনত সাহিত্যৰ ক্ষেত্ৰত অনন্য অৱদানৰ বাবে ছুইডিছ একাডেমীয়ে তেওঁক বিশ্বৰ সৰ্বশ্ৰেষ্ঠ সন্মান নোবেল বঁটাৰে সন্মানিত কৰে। বংগদেশৰ কবি ৰবীন্দ্ৰনাথে বিশ্বকবি হিচাপে বিদেশৰ সুধী সমাজৰ পৰা স্বীকৃতি লাভ কৰে। ৰবীন্দ্ৰনাথে নোবেল বঁটা পোৱাৰ সময়ত তেওঁৰ মূল প্ৰতিদ্বন্দ্বী আছিল থমাছ হাৰ্ডি। ৰবীন্দ্ৰৰ কবি মানসৰ আধ্যাত্মিক পৰ্বৰ শ্ৰেষ্ঠ ফচল হ'ল— 'গীতাঞ্জলি' কাব্য। ৰবীন্দ্ৰনাথৰ কাব্যৰ মূল বৈশিষ্ট্য— ৰোমাণ্টিক চেতনা, সৌন্দৰ্য চেতনা আৰু মানসিক অনুভূতি। এই সকলোবোৰ তেওঁৰ 'গীতাঞ্জলি' কাব্যত প্ৰকাশ পায়।

ৰবীন্দ্ৰনাথে গল্প, কবিতা, উপন্যাস, নাটক, নৃত্য-নাট্য, গীতি-নাট্য ইত্যাদি ৰচনাৰ লগতে চিত্ৰকলাৰ ক্ষেত্ৰত তেওঁৰ প্ৰতিভাৰ অনন্য চিনস্বৰূপে ৰাখি গৈছে।

৭০ বছৰ বয়সত তেওঁ ছবিৰ প্ৰতি মনোনিৱেশ কৰে; যিয়ে পৰৱৰ্তী সময়ত বিশ্বৰ শ্ৰেষ্ঠ চিত্ৰকৰসকলৰ ছবিৰ সৈতে সমানে সমাদৃত হয়। জীৱন কালৰ বিভিন্ন মুহূৰ্তত ৰবীন্দ্ৰনাথে ছবি আঁকিছিল যদিও সেইসমূহৰ কোনো সঠিক চিন্তা-চেতনা বাদ দি তেওঁৰ যেতিয়াই যি মন গৈছিল তাকে আঁকিছিল। কিন্তু তেওঁৰ শেষ জীৱনৰ ছবিৰ প্ৰতি আগ্ৰহ আৰু তাৰ ধাৰাই এক সুকীয়া মাত্ৰা প্ৰদান কৰে। যিটো অনুভৱ কথাৰে-ভাষাৰে ব্যক্ত কৰিব নোৱাৰি তাক হয়তো ছবিৰ দ্বাৰাই প্ৰতিফলিত কৰিব পাৰি। শেষ বয়সত তেওঁৰ ছবিৰ প্ৰতি গভীৰ মনোনিৱেশে তাকেই প্ৰমাণ কৰে।

শান্তিনিকেতন প্ৰতিষ্ঠাৰ পিছত গাঁৱৰ কুটীৰ শিল্পৰ উন্নয়নৰ বাবে আৰু শান্তিনিকেতনৰ লগতে তাৰ সংলগ্ন অঞ্চলৰ ল'ৰা-ছোৱালীসকলক কাৰিকৰী শিক্ষা দানৰ বাবে প্ৰতিষ্ঠা কৰিছিল শ্ৰীনিকেতন নামৰ এক শিল্পকেন্দ্ৰ। ৰবীন্দ্ৰনাথৰ কঠোৰ শ্ৰমত তেওঁৰ কৰ্মভূমি শান্তিনিকেতনত প্ৰতিষ্ঠা লাভ কৰে বিশ্বভাৰতী বিশ্ববিদ্যালয়ে। যাৰ পৰৱৰ্তী সময়ত শিক্ষা-সংস্কৃতি শিল্প চৰ্চাৰ ক্ষেত্ৰত সমগ্ৰ পৃথিৱীৰ ভিতৰতেই এক উল্লেখযোগ্য প্ৰতিষ্ঠান হিচাপে গঢ়ি উঠে। তাত দেশ-বিদেশৰ খ্যাতিসম্পন্ন শিক্ষক, অধ্যাপক, ভাষাবিদ, শিল্পীসকলে শিক্ষক হিচাপে যোগদান কৰে। পৰৱৰ্তী সময়ত এই শান্তিনিকেতনতেই সমগ্ৰ বিশ্বৰে এটি আদৰ্শ আন্তৰ্জাতিক শিল্পকলা চৰ্চা কেন্দ্ৰ হিচাপে গঢ়ি উঠাত দেশ-বিদেশৰ ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ জ্ঞান অৰ্জন আৰু শিল্পসাধনাৰ বাবে 'শান্তিনিকেতন'লৈ আহিব ধৰে। এই ধাৰা আজিও অব্যাহত আছে।

শিল্প-সৃষ্টিৰ পূজাৰী ৰবীন্দ্ৰনাথ আছিল একেধাৰে প্ৰতিবাদী, নিৰ্ভীক, স্বাধীনতা কৰ্মী। তেওঁৰ স্বাধীন চেতনা আৰু দেশাত্মবোধে ভাৰতৰ স্বাধীনতা আন্দোলনক আগুৱাই যোৱাত যথেষ্টখিনি প্ৰেৰণা যোগাইছিল। অসংখ্য স্বাধীনতা সংগ্ৰামীৰ লগতে মহাত্মা গান্ধী, সুভাষচন্দ্ৰ বসুৰ দৰে ব্যক্তিসকলকো ৰবীন্দ্ৰনাথে নানাধৰণে প্ৰেৰণা যোগাইছিল। তেওঁৰ ৰচিত দেশাত্মবোধক গান আৰু কবিতাই স্বাধীনতা সংগ্ৰামৰ সময়ছোৱাত দেশক উদ্বেলিত কৰিছিল। এই সমগ্ৰ ৰচনাৰাজিয়ে আজিও মানুহক নানাধৰণে প্ৰাণ সঞ্চাৰ কৰি আহিছে। প্ৰতিবাদী নিৰ্ভীক কবি ৰবীন্দ্ৰনাথে সেয়ে তেওঁৰ ৰচনাত প্ৰকাশ কৰে—

'চিত্ত যেথা ভয় শূন্য
উচ্চ যেথা শিৰ
জ্ঞান যেথা মুক্ত
সেথা গৃহেৰ প্ৰাচীৰ'

ৰবীন্দ্ৰনাথৰ বহুমুখী প্ৰতিভাৰ স্বীকৃতি হিচাপে ব্ৰিটিছ চৰকাৰে ১৯১৫ চনত তেওঁক 'নাইটহুড' বা 'ছাৰ' উপাধিৰে বিভূষিত কৰিছিল। কিন্তু ১৯১৯ চনত পাঞ্জাবৰ জালিয়ানৱালাবাগৰ অমানৱিক জঘন্যতম হত্যাকাণ্ডৰ প্ৰতিবাদত তেওঁ এই উপাধি প্ৰত্যাখ্যান কৰে।

বড়ো সাহিত্যত ৰবীন্দ্ৰ-প্ৰতিভাৰ প্ৰতিফলন বা তেওঁৰ চিন্তা-চেতনাৰ সম্যক প্ৰয়োগ, তেওঁৰ সৃষ্ট গীত, কবিতা, গল্প, নাটক ইত্যাদি সমূহ সাহিত্যকৰ্মৰ প্ৰভাৱ অতি সীমিত যদিও বহু পূৰ্বৰে পৰা বড়ো সাহিত্যিকসকলে তেওঁলোকৰ লেখাৰ মাজেৰে ৰবীন্দ্ৰনাথৰ লেখাসমূহৰ চৰ্চা তথা প্ৰয়োগ কৰি বড়ো সাহিত্যক চহকী কৰি আহিছে। বড়ো সাহিত্যৰ আৰম্ভণি কালৰ কবিতা, গল্প, প্ৰবন্ধ আদি অধ্যয়ন কৰিলেই ইয়াৰ সম্ভেদ পোৱা যায়।

বড়ো ভাষা-সাহিত্যৰ প্ৰকাশ আৰু প্ৰচাৰ পূৰ্ণাংগৰূপে আৰম্ভ হয় 'বিবাৰ' (১৯২৪) আলোচনীৰ মাজেৰে। সেয়ে সেই সময়ৰ সাহিত্যক বিবাৰ যুগৰ সাহিত্য বুলি কোৱা হয়। বাংলা আৰু অসমীয়া লিপিৰে প্ৰকাশিত 'বিবাৰ'ৰ বৰেণ্য লিখকসকলৰ ভিতৰত পদ্মশ্ৰী মদাৰাম ব্ৰহ্ম, সতীশ চন্দ্ৰ বসুমতাৰী, ৰূপনাথ ব্ৰহ্ম; পিছলৈ ঈশান মুছাহাৰী, প্ৰমোদ চন্দ্ৰ ব্ৰহ্ম, কালিকুমাৰ লাহাৰী আদি লেখকসকলে 'অলংবাৰ' আলোচনীৰ দ্বাৰাও আত্মপ্ৰকাশ কৰে। বিবাৰ যুগৰ পৰা আৰম্ভ কৰা বড়ো সাহিত্যৰ প্ৰায়ভাগ স্তৰতেই ৰবীন্দ্ৰ ৰচনাৰ প্ৰভাৱ প্ৰত্যক্ষ বা পৰোক্ষভাৱে প্ৰকাশ পায়। সেই সময়ৰ বড়ো সাহিত্যত ৰবীন্দ্ৰনাথৰ দৰ্শনৰ প্ৰভাৱৰ পয়োভৰ দেখা যায়। কাৰণ তেতিয়াৰ বড়ো সাহিত্যিকসকলৰ মাজত বাংলা সাহিত্য চৰ্চা অধিকতৰ আছিল বাবেই ৰবীন্দ্ৰনাথৰ সৃষ্টিৰ দ্বাৰা বাৰুকৈয়ে প্ৰভাৱান্বিত হৈছিল। পৰৱৰ্তী সময়ত বড়ো ভাষাই অসমত শিক্ষাৰ মাধ্যম হিচাপে স্বীকৃতি লাভৰ পিছতেই বড়ো পাঠ্যপুথি আদিত ৰবীন্দ্ৰনাথৰ কবিতা ইত্যাদিৰ প্ৰসংগ বা সম্পূৰ্ণভাৱে প্ৰকাশ হয়। ইয়াৰোপৰি স্নাতকোত্তৰ পৰ্যায়ৰ শিক্ষাৰ বাবে স্বীকৃতি পোৱাত ৰবীন্দ্ৰ সাহিত্যৰ ব্যৱহাৰ পাঠ্যক্ৰমত অধিক প্ৰয়োগ আৰম্ভ হয়। মূলতঃ পঞ্চাশৰ দশকৰ পৰাই বড়ো সাহিত্যৰ আধুনিক যুগ ধৰা হয় আৰু সেই সময়ৰ কবি-সাহিত্যিকসকলৰ মাজত মনোৰঞ্জন লাহাৰী, কমল কুমাৰ ব্ৰহ্ম, ব্ৰজেন্দ্ৰ কুমাৰ ব্ৰহ্ম, মোহিনী মোহন ব্ৰহ্ম, সমৰ ব্ৰহ্মচৌধুৰী, প্ৰসেনজিৎ ব্ৰহ্ম, চৰণ নাৰ্জাৰী, জগদীশ ব্ৰহ্ম, ৰামদাস বসুমতাৰী, ৰামদাস বড়ো, সুৰথ নাৰ্জাৰী আদিয়ে ৰবীন্দ্ৰনাথৰ প্ৰতি যেন আকৃষ্ট, সেয়া তেওঁলোকৰ কবিতা-লেখনি আদিত প্ৰকাশ পায় আৰু বৰ্তমানেও তাৰ প্ৰতিফলন অব্যাহত আছে।

কবি ৰামদাস বড়োৰ অন্যতম প্ৰেৰণা ৰবীন্দ্ৰনাথ। মধুৰাম বড়োৱে তেওঁৰ 'The History of Boro Literature' (2003) গ্ৰন্থত উল্লেখ কৰিছে— 'Phoiphin' (come again) is a poetry book which includes mystic poems in maximum. It is a book on lyrics bearing ideas similar to poet Rabindra Nath Tagore's 'Gitanjali'. He has some idea translation in the poems. Thopse Modoiyas (in a drop of Tear) from poet Tagore...'


বড়ো ভাষাত 'চুংদ চলো' বা চুটিগল্পই এক বিশেষ স্থান দখল কৰি আহিছে। লক্ষেশ্বৰ ব্ৰহ্ম, নীলকমল ব্ৰহ্ম, হৰেশ্বৰ বসুমতাৰী, বন্ধুৰাম বসুমতাৰী আদিৰ চুটিগল্পসমূহ ৰবীন্দ্ৰনাথৰ চুটিগল্পৰ দ্বাৰা প্ৰভাৱান্বিত। বিশেষকৈ চুটিগল্পৰ অৱয়ব আৰু চৰিত্ৰ নিৰ্মাণত তেওঁলোকে ৰবীন্দ্ৰনাথৰ দ্বাৰা অনুপ্ৰাণিত হোৱা পৰিলক্ষিত হয়।

ৰবীন্দ্ৰ জন্মৰ সাৰ্ধ-শতবৰ্ষত বড়ো সাহিত্যত উল্লেখযোগ্য সংযোজন হ'ল কবিগুৰুৰ অমৰ সৃষ্টি 'গীতাঞ্জলি'ৰ বড়ো অনুবাদ কবিগুৰুৰ প্ৰতি আকৃষ্ট কলাৰত্ন শোভা ব্ৰহ্মৰ দ্বাৰা অনূদিত 'খন্থায়গুলি' (২০১০)। ইয়াৰোপৰি স্বৰ্ণপ্ৰভা চৈনাৰীৰ অনূদিত ৰবীন্দ্ৰনাথৰ গল্প সংকলন 'একুৰি এটা চুটি গল্প' (অসমীয়া)ৰ বড়ো অনুবাদ 'নৈজিসে চুংদ' চ'লো' (২০১০) নবীন ব্ৰহ্ম অনূদিত 'বিনোদিনী' (২০১৫) (বাংলা উপন্যাস 'চোখেৰ বালি') আৰু স্নাতকোত্তৰ পাঠ্যক্ৰমৰ বাবে বড়ো ভাষালৈ অনূদিত ৰবীন্দ্ৰনাথৰ 'কৰ্তাৰ ভূত' গল্প আন এক সংযোজন। উক্ত গল্প ভিন্নভাৱে অনুবাদ কৰিছে ড° ইছমাইল হুছেইন আৰু আদাৰাম বসুমতাৰীয়ে। হৰিনাৰায়ণ খাকলাৰীয়ে কৰা ৰবীন্দ্ৰনাথৰ 'কাবুলিওয়ালা' গল্পৰ অনুবাদ স্নাতকোত্তৰ পাঠ্যক্ৰমত সন্নিৱিষ্ট হৈছে। বিৰূপাক্ষগিৰি বসুমাতাৰীয়ে ৰবীন্দ্ৰনাথ ঠাকুৰৰ কেইটিমান গল্প, কবিতা আৰু গীত অনুবাদ কৰিছে। প্ৰয়াত ৰূপনাৰায়ণ মুছাহাৰীয়েও ৰবীন্দ্ৰ সাহিত্যৰ প্ৰতি আকৃষ্ট হৈ 'গীতাঞ্জলি'ৰ উপৰিও ভালেসংখ্যক কবিতা আৰু কেইবাটাও গল্প অনুবাদ কৰি পাঠ কৰিছিল। পূৰ্বতে এই ভাষাৰ অগ্ৰজ লেখক ৰামদাস বসুমতাৰী আৰু সুৰথ নাৰ্জাৰীয়ে কবিগুৰুৰ বিভিন্ন লেখনিৰ বড়ো ভাষালৈ অনুবাদ কৰি পাঠকসকলৰ মাজত ৰবীন্দ্ৰ সাহিত্য চৰ্চাৰ পৰিমণ্ডল সৃষ্টি কৰিছে।

শেহতীয়াভাৱে সাহিত্য অকাদেমিৰ দ্বাৰা প্ৰকাশিত আৰু সুৰথ নাৰ্জাৰী অনূদিত 'গীতাঞ্জলি'ৰ একে নামেৰে বড়ো অনুবাদ গ্ৰন্থই ৰবীন্দ্ৰ প্ৰতিভাৰ প্ৰতি বড়ো পাঠকক বাৰুকৈয়ে প্ৰভাৱান্বিত কৰিছে। আনহাতে বড়ো সাহিত্যৰ অগ্ৰজ কবি-নিবন্ধকাৰ ৰবীন্দ্ৰ সাহিত্যৰ প্ৰতি আনুগত্যশীল ব্ৰজেন্দ্ৰ কুমাৰ ব্ৰহ্মালৈ তেওঁৰ 'ৰায়থায়মালা' গ্ৰন্থৰ বাবে আগবড়োৱা 'টেগৰ লিটেৰেচাৰ এৱাৰ্ড' (২০০৯ৰ), স্বৰ্ণপ্ৰভা চৈনাৰী অনূদিত 'নৈজিসে সুংদ সল' ২০১২ চনত আৰু সুৰথ নাৰ্জাৰী অনূদিত 'গীতাঞ্জলি' ২০১৪ চনত সাহিত্য অকাডেমিৰ অনুবাদ বঁটা প্ৰাপ্তিয়ে বড়ো সাহিত্যিকসকলক অনুপ্ৰাণিত কৰাই নহয় বড়ো সাহিত্য জগতত ৰবীন্দ্ৰনাথ আৰু তেওঁৰ প্ৰতিভা চিৰস্মৰণীয় কৰি তুলিছে।

ৰবীন্দ্ৰ-সাহিত্য অধ্যয়ন-চৰ্চা আৰু ৰবীন্দ্ৰ প্ৰতিভাৰ সকলো মণি-মুকুতা বড়ো ভাষা-সাহিত্য-সংস্কৃতি প্ৰয়োগৰ দ্বাৰা বড়ো পাঠক-শ্ৰোতাই সোৱাদ লভাৰ লগতে বড়ো সাহিত্য-সংস্কৃতিৰো উত্তৰোত্তৰ উন্নতি আৰু শ্ৰীবৃদ্ধি হওক।

ফোন ঃ ৬০০৩১৯৯২৫১, ৯৪৩৫০১১১৭৪



## চুটি জীৱনকালত সাফল্যৰ অভিলেখ



# শ্ৰীনিবাস ৰামানুজন

## জীৱনকাল ৪২ বছৰ মাত্ৰ

## (১৮৮৭-১৯২৯)

ড° নীলমোহন ৰায়
ফোন ঃ ৯৮৬৪০৬৪২৭৪

**আধুনিক** বিশ্বৰ গণিতজ্ঞসকলৰ ভিতৰত শ্ৰীনিবাস ৰামানুজনৰ নাম সমগ্ৰ পৃথিৱীত অতি আদৰ আৰু শ্ৰদ্ধাৰে স্মৰণ কৰা হয়। তামিলনাডুৰ কুম্ভকোণমৰ ওচৰত 'ইৰোদ' নামৰ সৰু গাঁও এখনত ৰামানুজনৰ জন্ম হৈছিল ১৮৮৭ৰ ২২ ডিচেম্বৰত। তেওঁৰ দেউতাক শ্ৰীনিবাস আয়েংগাৰ কুম্ভকোণমৰ এখন কাপোৰৰ দোকানৰ কৰ্মচাৰী আছিল। তেওঁৰ মাতৃ আছিল ধৰ্মপ্ৰাণা, ভক্তিমতী। ইৰোদৰ মুন্সিফ কোৰ্টৰ এজন আমিনৰ কন্যা আছিল ৰামানুজনৰ মাতৃ কোমলম্মাল। তেওঁৰ আইতাক তেওঁলোকৰ লগতে আছিল আৰু তেওঁ নাগগিৰি দেৱীৰ পৰম ভক্ত আছিল। আয়েংগাৰ দম্পতীয়ে বিশ্বাস কৰিছিল যে নাগগিৰি দেৱীৰ আশীৰ্বাদতহে তেওঁলোকৰ ঘৰত ৰামানুজনৰ জন্ম হৈছিল।

পাঁচ বছৰ বয়সত ৰামানুজন গাঁৱৰ কংগায়ন পাঠশালাত ভৰ্তি হৈছিল। এইখন বিদ্যালয়ৰ পৰা ১৮৯৭ত তেওঁ প্ৰাথমিক বিদ্যালয়ৰ অন্তিম পৰীক্ষাত বহে। ইংৰাজী, তামিল আৰু ভূগোল বিষয় লৈ তেওঁ শেষ প্ৰাথমিক পৰীক্ষাত তাঞ্জোৰ জিলাৰ পৰীক্ষাৰ্থীসকলৰ ভিতৰত প্ৰথম হয়। ১৮৯৮ত তেওঁ কুম্ভকোণম টাউন হাইস্কুলত ভৰ্তি হয়। কৃতিত্বৰে স'তে উত্তীৰ্ণ হোৱাৰ বাবে তেওঁ আধা বেতনত পঢ়াৰ সুযোগ লাভ কৰে। তেওঁ ছয় বছৰ ধৰি এইখন স্কুলতেই আছিল।

১৯০৩ৰ ডিচেম্বৰত ৰামানুজন মেট্ৰিক পৰীক্ষাত প্ৰথম স্থান অধিকাৰ কৰিছিল। পুৰস্কাৰস্বৰূপে তেওঁক সুব্ৰমণিয়াম ছাত্ৰবৃত্তি প্ৰদান কৰা হৈছিল। তেওঁৰ সৰ্বাত্মক ধ্যান গণিতৰ প্ৰতিহে আছিল। গণিতৰ প্ৰতি বেছি গুৰুত্ব দিয়াৰ কাৰণে অন্য বিষয়সমূহত কম নম্বৰ পাইছিল। ফলত স্বাভাৱিকভাৱেই তেওঁ বাৰ্ষিক পৰীক্ষাত ফেল কৰে আৰু তাৰ ফলত বৃত্তিটো বন্ধ হয়।

মনত দুখ লৈ ৰামানুজনে আন কোনো ঠাইত ভৰ্তি হোৱাৰ কথা ভাবিলে। অৱশেষত কুম্ভকোণমৰ চৰকাৰী কলেজ এখনত ভৰ্তি হয়। কিন্তু শ্ৰেণীত কম উপস্থিতিৰ বাবে তেওঁ ১৯০৫ৰ ডিচেম্বৰৰ চাৰ্টিফিকেট পাবলৈ সক্ষম নহ'ল।

এইবাৰ তেওঁ মাদ্ৰাজলৈ গৈ বিখ্যাত পাচাইআপ্পা কলেজৰ জুনিয়ৰ এফ এ ক্লাছত যোগ দিলে। গণিতত ৰামানুজনৰ বিশেষ ব্যুৎপত্তিৰ কথা জানিব পাৰি কলেজৰ অধ্যক্ষ জে এ ইয়েট্‌চে তেওঁৰ ফি আধা কৰি দিছিল। তাত শ্ৰেণীকক্ষৰ আটাইতকৈ ওপৰৰ গেলাৰীৰ এচুকত বহি ৰামানুজনে বহি অংক কৰিছিল। এদিন অধ্যাপক ৰামানুজাচাৰিয়া ব্লেকব'ৰ্ডত অংক কৰাৰ সময়ত ৰামানুজনক আধাখিনি কৰা অংকটোৰ শেষৰখিনি কৰিবলৈ ক'লে। ৰামানুজনে অত্যন্ত সাহসৰ স'তে অধ্যাপকক ক'লে যে মাজৰ কে'বাটাও স্তৰ অপ্ৰয়োজনীয় আৰু একেবাৰে শেষ স্তৰত গৈ তেওঁ উত্তৰটো জনাই দিলে। সমগ্ৰ শ্ৰেণীৰ ছাত্ৰসকল আৰু অধ্যাপক আচৰিত হ'ল।

দুৰ্ভাগ্যবশতঃ ৰামানুজন অসুস্থ হৈ পৰাত পাচাইআপ্পা কলেজত পঢ়াত তাতেই ছেদ পৰিল। প্ৰাইভেট পৰীক্ষাৰ্থী হিচাপে ৰামানুজনে ১৯০৭ৰ ডিচেম্বৰত আকৌ পৰীক্ষাত বহিল, কিন্তু কৃতকাৰ্য হ'ব নোৱাৰিলে।

ইয়াৰ ফলত তেওঁৰ কলেজ পঢ়া হঠাৎ বন্ধ হৈ গ'ল। কিন্তু এই বিৰল প্ৰতিভাৰ গণিতচৰ্চাত ভাটা নপৰিল। তেওঁৰ নোটবুকবিলাক ক্ৰমে বৃহৎ কলেবৰৰ হ'বলৈ ধৰিলে। কিন্তু আৰ্থিক উপাৰ্জনৰ চেষ্টা নকৰি দিনে-ৰাতি অংকৰ মাজত বুৰ গৈ থকাটো মাক-দেউতাকে ভাল পোৱা নাছিল। তেওঁলোকৰ দৃষ্টিৰ আঁতৰত থকাৰ বাবে ৰামানুজনে এখন পালেঙৰ তলত সোমাই নিৰুপদ্ৰৱে অংক কৰি গৈছিল।

গণিত বিষয়ে তেওঁৰ পাৰদৰ্শিতা, গাণিতিক সমস্যা সমাধানত তেওঁৰ দক্ষতা সকলোকে মুগ্ধ কৰিছিল। ১৩ বছৰ নৌহওঁতেই তেওঁ 'exceptional boy' হিচাপে বিবেচিত হ'বলৈ ধৰে। তেওঁতকৈ দুই শ্ৰেণীত ওপৰত পঢ়ি থকা ছাত্ৰই যি অংক কঠিন বুলি অনুভৱ কৰিছিল, সেইবোৰ ৰামানুজনৰ ওচৰত লৈ গ'লে তেওঁ প্ৰায় লগে লগেই তাৰ সমাধান কৰি দিছিল। কলেজৰ অন্যান্য ছাত্ৰয়ো প্ৰায়েই কঠিন অংকবোৰ ৰামানুজনৰ পৰা শিকি লৈছিল।

ৰামানুজনৰ গণিত প্ৰতিভাৰ প্ৰথম স্বীকৃতিৰ কথা ক'বলৈ গ'লে 'কে ৰংগনাথ ৰাও পুৰস্কাৰ'ৰ কথা উল্লেখ কৰিবলগীয়া হয়। কুম্ভকোণমৰ টাউন হাইস্কুলৰ বাৰ্ষিক পুৰস্কাৰ বিতৰণী সভাত ১৯০৩ৰ শেষ বাৰ্ষিক পৰীক্ষাত গণিতত বিশেষ কৃতিত্বৰ বাবে ৰামানুজনক এই পুৰস্কাৰ দিয়া হয়। পুৰস্কাৰ দিয়াৰ সময়ত প্ৰধান শিক্ষকৰ মন্তব্য আছিল, 'স্কুলৰ গণিত শিক্ষকসকলৰ মতে এই বিষয়ত এশৰ ভিতৰত এশ দিলেও তাৰ প্ৰতি সুবিচাৰ কৰা নহয়। সৰ্বোচ্চ নম্বৰতকৈও বহুত বেছি নম্বৰ তেওঁ পোৱাৰ যোগ্য',—কথাটো অদ্ভুত হ'লেও সঁচা। কাৰণ, ৰামানুজনৰ এজন সহপাঠীয়ে কৈছে, 'তিনি ঘণ্টাৰ অংক পৰীক্ষা ৰামানুজনে সদায় এক ঘণ্টাত শেষ কৰিছিল। অকল সেয়ে নহয়, বহুত অংক তেওঁ তিনি-চাৰিটা পদ্ধতিত সমাধা কৰিছিল।' গণিত সম্বন্ধে ৰামানুজনৰ দক্ষতাৰ কথা ক'বলৈ গৈ তেওঁৰ সহপাঠী হৰি ৰাওয়ে কৈছে—'তেওঁ (ৰামানুজন) কেতিয়াবা পাটিগণিতৰ পৰা বীজগণিতলৈ, বীজগণিতৰ পৰা ত্ৰিকোণমিতিলৈ, এনেকি উচ্চতৰ গণিতলৈ জঁপিয়াই পাৰ হৈ গৈছিল আৰু সাধাৰণ প্ৰয়োগৰ বাবে উপপাদ্য বা সূত্ৰ উদ্ভাৱন কৰিছিল।'

২২ বছৰ বয়সত ৰামানুজনৰ বিবাহ সম্পন্ন হৈছিল। তেওঁৰ পত্নীৰ নাম আছিল জানকী আৰু তেওঁৰ বয়স আছিল ন বছৰ। বিয়াৰ পাছত ৰামানুজনৰ এটা চাকৰিৰ বিশেষ প্ৰয়োজন হোৱাত তেওঁ মাদ্ৰাজৰ ইণ্ডিয়ান মেথেমেটিকেল ছ'চাইটিৰ উচ্চ অধিকাৰী শ্ৰীৰামস্বামী আয়াৰৰ স'তে দেখা কৰিলেগৈ। ৰামস্বামীয়ে প্ৰেছিডেন্সি কলেজৰ অধ্যাপক শ্ৰীশেষু আয়াৰলৈ এখন পত্ৰ লিখিলে। শেষু আয়াৰে তেওঁক মহালেখৰ কাৰ্যালয়ত গাণনিকৰ কামত নিযুক্ত কৰিলে।

কিছুদিনৰ পাছত এই কামটোও এৰিব লগা হ'ল। এইবাৰ আয়াৰে আকৌ নেল্লুৰ জিলাৰ জিলাধিকাৰী শ্ৰী আৰ ৰামচন্দ্ৰলৈ চিঠি লিখিলে, ফলত ৰামানুজনে 'পোৰ্টট্ৰাষ্ট'ত মাহে ২০ টকীয়া লিপিকাৰৰ চাকৰি পালে। চাকৰিৰ ব্যস্ততাৰ মাজতো তেওঁ গণিতৰ অধ্যয়ন অব্যাহত ৰাখিলে। এই সময়ত লণ্ডনৰ কেমব্ৰিজ বিশ্ববিদ্যালয়ৰ অংকৰ অধ্যাপক আছিল বিশিষ্ট দাৰ্শনিক আৰু গণিতজ্ঞ বাৰ্ট্ৰাণ্ড ৰাছেলৰ বন্ধু জি এইছ হাৰ্ডি। ৰামানুজনে কেমব্ৰিজত তেওঁৰ পঢ়া-শুনা কৰাৰ সুযোগ কৰি দিয়াৰ বাবে অধ্যাপক হাৰ্ডিৰ ওচৰত এখন পত্ৰ লিখিলে। ইয়াৰ লগতে তেওঁ তেওঁৰ পৰ্যালোচনাৰ বাবে নিজৰ আৱিষ্কৃত ভালেমান নতুন সূত্ৰৰ সমাধানো পঠিয়াই দিলে তেওঁৰ ওচৰলৈ। অধ্যাপক হাৰ্ডিয়ে ৰামানুজনৰ মাজত যেন প্ৰতিভাৰ সন্ধান পালে। তেওঁ অবিলম্বে ৰামানুজনক বিলাতলৈ যোৱাৰ আমন্ত্ৰণ জনালে। তেওঁৰ থকা-খোৱাৰ ব্যৱস্থা কৰিলে তেওঁ। বিলাতলৈ যোৱাৰ বাট-খৰচখিনিও চিঠিৰ স'তে তেওঁ পঠিয়াই দিলে। এই আমন্ত্ৰণ পাই ৰামানুজন ১৯১৪ৰ মাৰ্চত লণ্ডনৰ উদ্দেশ্যে ভাৰত ত্যাগ কৰিলে। লণ্ডনলৈ গৈ তেওঁ প্ৰথমতে কিছু অসুবিধাৰ সন্মুখীন হৈছিল। অংকত এমএ ডিগ্ৰীৰ কথা বাদেই, গ্ৰেজুৱেট পৰ্যায়ৰ ডিগ্ৰীও তেওঁৰ নাছিল। কিন্তু কেইমাহমানৰ ভিতৰতে অধ্যাপক হাৰ্ডিৰ তত্ত্বাৱধানত নিয়মতান্ত্ৰিক পদ্ধতিত গণিতৰ সূত্ৰসমূহ সমাধানৰ নীতিমালা শিকি পেলালে। তেওঁৰ বিলাতৰ উচ্চতম ডিগ্ৰী লাভৰ ক্ষেত্ৰত শিকিবলগীয়া বিশেষ আৰু বাকী নাথাকিল।

১৯১৪ৰ পৰা ১৯১৮ লৈ ৰামানুজন কেমব্ৰিজ বিশ্ববিদ্যালয়ৰ ট্ৰিনিটি কলেজৰ ছাত্ৰাবাসত আছিল। উক্ত সময়ছোৱাত তেওঁৰ ২৪খন গৱেষণাপত্ৰ প্ৰকাশিত হৈছিল। ১৯১৭ত তেওঁক 'ৰয়েল ছ'চাইটি'ৰ ফেলোশ্বিপ প্ৰদান কৰা হৈছিল।

ৰামানুজন নিৰামিষভোজী আছিল কাৰণে বিলাতত খোৱা-লোৱাৰ ক্ষেত্ৰত তেওঁৰ বিশেষ অসুবিধা হৈছিল। শেষলৈ তেওঁ নিজেই সামান্য ৰান্ধি-বাঢ়ি খোৱাৰ দিহা কৰিছিল। পৰিশ্ৰম অনুপাতে খাদ্যৰ ন্যূনতাই তেওঁৰ বুকুত বেমাৰে থিতাপি লোৱাৰ সুবিধা পালে। তেওঁ ১৯১৮ৰ মাজভাগত যক্ষ্মা ৰোগত আক্ৰান্ত হয়। সেই সময়ত যক্ষ্মা আছিল দূৰাৰোগ্য ব্যাধি। তেওঁৰ ব্যাধি দিনক দিনে জটিল হ'বলৈ ধৰিলে। ১৯১৯ৰ ২৭ মাৰ্চত তেওঁ ভাৰতলৈ উভতি আহিল। ১৯২০ৰ ২৬ এপ্ৰিলত মাথোঁ ৩৩ বছৰ পূৰ্ণ নৌহওঁতেই এইগৰাকী মহান গণিতজ্ঞজনে ইহলীলা সম্বৰণ কৰে।

ৰামানুজন এজন অতি তীক্ষ্ণবুদ্ধিৰ ছাত্ৰ আছিল আৰু তেওঁৰ স্মৰণশক্তি আছিল অসাধাৰণ। বীজগণিতৰ সকলো সূত্ৰ তেওঁ অনায়াসে বুজি পাইছিল আৰু সেইবোৰ সাধাৰণ ৰূপত ব্যৱহাৰ কৰিবলৈকো তেওঁৰ অদ্ভুত ক্ষমতা আছিল।

ব্যক্তিগত জীৱনত তেওঁ অতি শান্ত আৰু বিনয়ী স্বভাৱৰ আছিল। কঠিন বেমাৰৰ মাজতো তেওঁ গণিতৰ নতুন নতুন কল্পনা কৰিছিল আৰু সেইবোৰৰ লিখিত ৰূপ দিছিল। বহুতো যশস্যা লাভ কৰাৰ পাছতো তেওঁ অহংকাৰী হৈ উঠা নাছিল। তেওঁৰ ব্যৱহাৰ আছিল অতি বিনয়ী।

অকাল প্ৰয়াত শ্ৰীনিবাস ৰামানুজনে ভাৰতৰ বাবে অশেষ সন্মান কঢ়িয়াই আনিছিল বিদেশৰ পৰা। এইগৰাকী অংকৰ যাদুকৰক শ্ৰদ্ধা জনাই তেওঁৰ ছবিসহ ভাৰত চৰকাৰে এখন ডাকটিকট ছপালে। তদুপৰি মাদ্ৰাজ বিশ্ববিদ্যালয়ে প্ৰতিষ্ঠা কৰিছে ৰামানুজন ইনষ্টিটিউট।

ৰামানুজনৰ কামৰ মূল্যায়ন কৰিবলৈ গ'লে প্ৰচুৰ বিশ্লেষণৰ প্ৰয়োজন হৈ পৰে। তেওঁৰ কামৰ ' 'riches, beauty and mystry–its sheer mathematical loveliness'- এ সকলোকে বিস্মিত কৰে। অকল সেয়ে নহয়, তেওঁৰ কামে গণিতৰ ভাণ্ডাৰত নতুন সৌন্দৰ্য আৰু সম্পদ সংযোজন কৰিছে।

জি এন ওৱাটছন আৰু উইলছনে ৰামানুজনৰ নোটবুকৰ সম্পাদনাৰ কামত যুক্ত থাকি নিজকে ধন্য মানিছে। ব্ৰুছ ৱাৰ্নটে ৰামানুজনৰ নোটবুকৰ সম্পাদনা কৰি পঞ্চম খণ্ডৰ ভূমিকাত লিখিছে— 'This volumes will serve as spring boards for further investigations intrigued by Ramanujan's remarkable ideas' Paul Erdas আৰু Mark Kac য়ে ৰামানুজন আৰু হাৰ্ডিৰ যৌথ গৱেষণাপত্ৰ পঢ়ি প্ৰভাৱিত হৈ এনে গৱেষণা প্ৰবন্ধ লিখিলে যে যিয়ে 'সম্ভাৱনাময় সংখ্যাতত্ত্ব'ৰ (Probabilistic Number Theory) সূচনা কৰিলে।

ৰামানুজনৰ গণিত চৰ্চাৰ সান্নিধ্যলৈ আহি তেওঁৰ প্ৰশংসাত আৰু তেওঁৰ কামৰ বিশালতাত বহুতো মহান আৰু বিশিষ্ট ব্যক্তি প্ৰভাৱিত হৈছিল। প্ৰত্যেকেই ৰামানুজনৰ মূল্যায়ন কৰিছে ভিন ভিন দৃষ্টিকোণৰ পৰা। জীৱনীকাৰ কেনিগেলৰ মন্তব্যঃ 'ৰামানুজনৰ কাম মহান বৃক্ষসদৃশ, যাৰ শিপা গভীৰত আৰু সুদূৰলৈ প্ৰসাৰিত।' আৰু সেই কাৰণেই 'ৰামানুজনে যি কৰি গৈছে সেয়া চিৰকাল জীৱন্ত হৈ ৰ'ব।'

নৰৱেৰ বিখ্যাত সংখ্যাতত্ত্ববিদ Selberg -এ কৈছে— 'অহা কে'বা দশকৰ ভিতৰত ৰামানুজনৰ গণিতৰ পূৰ্ণ প্ৰভাৱ আমি বুজিবলৈ সক্ষম হ'ম আৰু তেওঁক জানিব পাৰিম। ..গাণিতিক সমাধানৰ ক্ষেত্ৰত ৰামানুজন আছিল ইতিহাসত অপ্ৰতিদ্বন্দ্বী।'

'Men of Mathematics' নামৰ গ্ৰন্থত E.T.Bell-এ কৈছে— 'Even expert analysts hail Ramanujan as a gift from heaven.' ন'বেলবিজয়ী সুব্ৰমণিয়াম চন্দ্ৰশেখৰে মন্তব্য কৰিছে—'যিমান দিনলৈকে মানুহে গণিত অনুশীলন কৰিব, সিমান দিনলৈকে ৰামানুজনৰ কামে প্ৰশংসা পায়ে থাকিব।'

আমেৰিকাৰ বিখ্যাত সংখ্যাতত্ত্ববিদ Robert Carmichacl-এ কৈছে— 'আমাৰ প্ৰজন্মত শ্ৰী নিবাস ৰামানুজনতকৈ আৰু বেছি কোনো ৰোমাণ্টিক চৰিত্ৰ গণিত পৰিমণ্ডলত পৰিদৃষ্ট নহয়।' অধ্যাপক এল. জে মৰডেলে ৰামানুজন সম্পৰ্কে ক'বলৈ গৈ কৈছে—'তেওঁৰ জীৱনৰ গল্প হ'ল—প্ৰচণ্ডতম বাধাৰ সন্মুখীন হৈ ভাৰতত জন্মগ্ৰহণ কৰা এজন অখ্যাত ভাৰতীয়ৰ এতিয়ালৈকে আটাইতকৈ বিখ্যাত গণিতজ্ঞৰ স্থানত উন্নীত হোৱাৰ কাহিনী।'

কম্পিউটাৰ বীজগণিতৰ প্ৰ'গ্ৰাম যদি ৰামানুজনৰ সময়ত আৱিষ্কৃত হ'লহেঁতেন আৰু ৰামানুজনে যদি ইয়াৰ সুযোগ পালেহেঁতেন, তেনেহ'লে তেওঁ আৰু যে কিমান আৱিষ্কাৰ কৰিবলৈ সক্ষম হ'লহেঁতেন বুলি মন্তব্য কৰি তাৰ পাছমুহূৰ্ততেই জৰ্জ এণ্ড্ৰুজে কৈছে—'More often I get the feeling he was such a brilliant, clever and inturitive computer himself that he really deed not need them'.

আৰ ৰিচাৰ্ডে কৈছে—'ৰামানুজনে তেওঁৰ জীৱনত শেষ বছৰত মুমূৰ্ষু অৱস্থাত যি আৱিষ্কাৰ কৰি গৈছে, তাৰ আধাখিনি আৱিষ্কাৰ কোনো গণিতজ্ঞ পণ্ডিতে যদি গোটেই জীৱনব্যাপী কৰে, তেনেহ'লে আমি তেওঁৰ প্ৰশংসাত পঞ্চমুখ হওঁ।'

অনন্য প্ৰতিভাৰ অধিকাৰী শ্ৰীনিবাস ৰামানুজন মাথোঁ বিজ্ঞান ইতিহাসৰ ৰোমাণ্টিক চৰিত্ৰই নহয়, তেওঁ তেওঁৰ অৱিস্মৰণীয় কীৰ্তিৰ দ্বাৰা বিশ্বৰ দৰবাৰত আমাক সুপ্ৰতিষ্ঠিত কৰি গৈছে। গণিতৰ পৰম বিস্ময় ৰামানুজন আমাৰ গৰ্ব, আমাৰ অহংকাৰ। তেওঁৰ অকাল বিয়োগ গণিতশাস্ত্ৰৰ ধৰাতলত অপূৰণীয় ক্ষতি।

# অসমৰ উন্নয়নৰ বাবে প্ৰধানমন্ত্ৰীৰ অৱদান উল্লেখনীয় ঃ নগাঁৱত মন্ত্ৰী মহন্ত

**বিশেষ সংবাদদাতা**

**নগাঁও, ৩১ মে' ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী চৰকাৰৰ আঠ বছৰীয়া কাৰ্যকাল পূৰ্ণ হোৱা আৰু আজাদী কা অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি আজি নগাঁৱত 'গৰিব কল্যাণ সন্মিলন' শীৰ্ষক এক অনুষ্ঠান অনুষ্ঠিত হয়। নগাঁও জিলা পুথিভঁৰালৰ সভাগৃহত অনুষ্ঠিত এই অনুষ্ঠানত অংশগ্ৰহণ কৰি অসমৰ স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই কয়, 'প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰে সফলতাৰে আঠ বছৰ পূৰ্ণ কৰিলে। প্ৰধানমন্ত্ৰী মোদীয়ে সাহসৰে দেশৰ সকলো পৰিস্থিতি মোকাবিলা কৰি ভাৰতবৰ্ষক বিশ্বৰ গুৰু ৰাষ্ট্ৰলৈ আগবঢ়াই নিছে। তেওঁৰ নেতৃত্বত দেশৰ সকলো নাগৰিকৰে নিৰাপত্তা নিশ্চিত হৈছে। দেশৰ সকলো অংশৰ উন্নয়নত গুৰুত্ব প্ৰদান কৰি দেশৰ অৰ্থনীতিৰ বিকাশত অৰিহণা যোগাইছে। দেশৰ লগতে অসমক আগুৱাই নিয়াত প্ৰধানমন্ত্ৰীৰ অৱদান উল্লেখনীয়। সেয়ে আজি আমি সমগ্ৰ অসমবাসীয়ে তেওঁক অভিনন্দন জনাইছো আৰু তেওঁৰ ওচৰত আমি কৃতজ্ঞ।' অনুষ্ঠানত নগাঁৰৰ বিধায়ক ৰূপক শৰ্মা, নগাঁও জিলা উপায়ুক্ত নিসৰ্গ হিবৰে, জিলা উন্নয়ন আয়ুক্ত উদয়াদিত্য গগৈকে ধৰি বিষয়াবৰ্গ আৰু হিতাধিকাৰীসকল উপস্থিত থাকে। প্ৰধানমন্ত্ৰীয়ে ভাৰ্চুৱেল পদ্ধতিৰে জনকল্যাণ আঁচনিৰ অধীনত উপকৃত হোৱা হিতাধিকাৰীৰ লগত মত বিনিময় কৰে। ইপিনে, সাংবাদিকে সোধা এক প্ৰশ্নৰ উত্তৰত মন্ত্ৰীগৰাকীয়ে কয়, 'হিতাধিকাৰীৰ গৃহ নিৰ্মাণৰ বিষয়টো মুখ্যমন্ত্ৰীয়ে পৰ্যালোচনা কৰি আছে। ইয়াৰ লগত জড়িত বিষয়াক বিষয়টো পৰ্যবেক্ষণ কৰি গৃহ নিৰ্মাণৰ ক্ষেত্ৰত কোনো বাধাৰ সৃষ্টি নহয় তাৰ ব্যৱস্থা ল'বলৈ নিৰ্দেশ দিছে। কিবা অজুহাত থাকিলে, আইনী ব্যৱস্থা ল'বলৈও নিৰ্দেশ দিয়া হৈছে।' বটদ্ৰৱা কাণ্ডৰ সন্দৰ্ভত এআইইউডিএফকে ধৰি বিৰোধী ৰাজনৈতিক দলসমূহে আগবঢ়োৱা ভাষ্যৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি মন্ত্ৰী মহন্তই কয়, 'বিৰোধীয়ে কথাবিলাকৰ সদায় বেলেগ ধৰণে ব্যাখ্যা দি আহিছে। মুখ্যমন্ত্ৰীৰ নেতৃত্বত প্ৰশাসনে অতি সুন্দৰভাৱে প্ৰশাসনীয় কাম পৰিচালনা কৰি আহিছে। বিৰোধীৰ মন্তব্যবোৰে তেওঁলোকে বিৰোধী পক্ষৰ ভূমিকা পালন কৰিছে। স্বাস্থ্য মন্ত্ৰীজনে ৰাজ্যখনত ধপাত বিৰোধী আইনখন কঠোৰভাৱে বলবৎ হোৱাৰ পোষকতা কৰি ৰাইজক ধপাত বৰ্জন কৰিবলৈ আহ্বান জনায়।'

## গোৱালপাৰাত বন্যহস্তীৰ সন্ত্ৰাস অব্যাহত

*তিনি পৃষ্ঠাৰ পৰা* খিৰিকী ভঙাৰ শব্দ শুনি লগে লগে ঘৰৰ ভিতৰত থকা ললিত কছাৰী আৰু তেওঁৰ পত্নীয়ে পিছ দুৱাৰেদি ওলাই পলাব বিচাৰতে হাতীটোৱে আহি ললিত কছাৰী (৭০)ক শুঁৰেৰে দাঙি আনি ঘৰৰ কাষতে ভৰিৰে গচকি-মোহাৰি হত্যা কৰে। হাতীটোৱে ইমানে হিংস্ৰভাৱে কছাৰীক গচকে যে তেওঁৰ দেহ ছিন্ন-বিচ্ছিন্ন হৈ নাড়ী-ভুৰু ওলাই যায়। কছাৰীৰ পত্নীয়ে কোনোমতে প্ৰাণ ৰক্ষা কৰিবলৈ সক্ষম হয়। কছাৰীক গচকি নিহত কৰাৰ পাছতো বন্যহস্তীটোৱে প্ৰায় ডেৰ-দুঘন্টা সময় হিংস্ৰৰূপ ধাৰণ কৰি সেই স্থানতে আছিল বাবে নিহত কছাৰীৰ মৃতদেহ দুই-আঢ়ৈ ঘন্টা ধৰি পৰি থাকে। পাছত গাঁৱৰ ৰাইজে ওলাই হাতীটোক খেদি পঠিয়াবলৈ সক্ষম হয়। তাৰ পাছতহে ৰংজুলি বনাঞ্চলিক কাৰ্যালয়ৰ বন বিষয়া শৰৎ দাসসহ বনকৰ্মীৰ দল আৰু ধূপধৰা থানাৰ আৰক্ষীৰ দল ঘটনাস্থলীত উপস্থিত হয় আৰু মৃতদেহটো উদ্ধাৰ কৰি এম্বুলেন্সেৰে ধূপধৰা থানাত লৈ যায়। এই ঘটনাই সমগ্ৰ ধনুভাঙা অঞ্চলত এক আতংকময় পৰিৱেশৰ সৃষ্টি কৰে। উল্লেখ্য যে নিশা ১২ বজাত হাতীটো পুনৰ গাঁৱৰ ফালে আহিছিল। পাছত বনকৰ্মীৰ লোকে হাতীটোক বনাঞ্চললৈ খেদি পঠিয়ায়। এই ঘটনাই অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰো সৃষ্টি কৰিছে। স্থানীয় বহু লোকে এই ঘটনাৰ মূল কাৰণ বনাঞ্চল ধ্বংস বুলি প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে বন বিভাগৰ চৰম গাফিলতি আৰু নিৰ্লিপ্ত ভূমিকাৰ বাবে ৰংজুলি বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত ধনুভাঙা অঞ্চলত বহু বনাঞ্চল ধ্বংস কৰি বৃহৎ বৃহৎ কল বাগান, চাহ বাগান আদি গঢ়ি তোলাৰ ফলত লক্ষ্যণীয়ভাৱে বনাঞ্চল সংকুচিত হৈ আহিছে। ফলত বন্যহস্তীৰ লগতে অন্যান্য বন্য প্ৰাণীৰ আশ্ৰয় স্থল নোহোৱা হৈ আহিছে।

## গোৱালপাৰাৰ টুকুৰা বজাৰত বিধ্বংসী

*তিনি পৃষ্ঠাৰ পৰা* মতে, নিশা প্ৰায় ১২ বজাত টুকুৰা বজাৰৰ আব্দুল মন্নাফৰ ভাড়াঘৰত থকা দোকান এখনৰ পৰা পোনতে সূত্ৰপাত হয় অগ্নিকাণ্ডৰ। মাজ নিশা হঠাতে দাও-দাওকৈ জ্বলি উঠা জুইৰ পোহৰ দেখি সমগ্ৰ অঞ্চলটোতে হাহাকাৰ লাগে। লগে লগে স্থানীয় ৰাইজ উধাতু খাই দৌৰি ঘটনাস্থলীলৈ আহি জুই নিৰ্বাপিত কৰাৰ চেষ্টা কৰে। তাৰ মাজতে ৰাইজে ঘটনা সন্দৰ্ভত আৰক্ষীকো খবৰ দিয়ে। ঘটনাস্থলীত আৰক্ষী-অগ্নিনিৰ্বাপক বাহিনীৰ বাহন উপস্থিত হৈ তৎপৰতাৰে জুই নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হয় যদিও ইতিমধ্যে জ্বলি ছাই হয় সাতখনকৈ দোকান। এই দোকানসমূহৰ মাজত কম্পিউটাৰ প্ৰতিষ্ঠান, ফলমূলৰ গুদাম, চাইকেল মেৰামতিৰ দোকান আছে। ইফালে, অগ্নিকাণ্ডত একেটা গৃহৰে এটা কোঠালিত থকা টুকুৰা উপ-ডাকঘৰটোৰো বিস্তৰ ক্ষতিসাধন হয়। অঞ্চলটোৰ ৰাইজে জনোৱা অনুসৰি এই অগ্নিকাণ্ডত অতিকমেও ৩০ লাখ টকা মূল্যৰ সা-সম্পত্তি ছাইত পৰিণত হৈছে।

## তেজপুৰত ড্ৰাগছৰ বিৰুদ্ধে ওলাই

*তিনি পৃষ্ঠাৰ পৰা* আপত্তিজনকভাৱে বহু সময় অতিবাহিত কৰা বুলিও অভিযোগ উঠি আহিছে। বিশেষকৈ মৰাভৰলীপাৰ নামঘৰ আৰু বৰুৱাচুবুৰী সংযোগী উপ-পথত এনে ঘটনা প্ৰায়েই সংঘটিত হোৱাৰ উপৰি এনে একাংশ অচিনাকি কিশোৰ-যুৱক নিচাসক্ত হৈ থকা বুলিও অভিযোগ উঠি আহিছে। এই অঞ্চলত নিশা চোৰৰ উপদ্ৰৱো বৃদ্ধি পাইছে। আনকি ৰত্নপুৰৰ পৰা নিশা এখন ই-ৰিক্সাত উঠি অহা তিনিজনীয়া চোৰৰ দলে লোহাৰ জপনা খুলি উধাও হোৱাৰ দৰে ঘটনাও সংঘটিত হৈছে। ইপিনে, শোণিতপুৰত যোৱা ২৭মে'ৰ পৰা শেহতীয়াকৈ চাৰি দিনত ড্ৰাগছ আৰু গাঞ্জাৰ সৰবৰাহ আৰু বেহাৰ একাধিক ঘটনা পোহৰলৈ আহিছে। এই মাৰাত্মক বেহাৰ স'তে জড়িত তথা চাৰি সৰবৰাহকাৰীক আৰক্ষীয়ে চাৰিদিনত গ্ৰেপ্তাৰ কৰিছে। উল্লেখ্য যে ২৮ মে'ৰ বিয়লি বালিপৰাত হেৰ'ইনসহ দুই সৰবৰাহকাৰীক আৰক্ষীয়ে কৰায়ত্ত কৰিবলৈ সক্ষম হোৱাৰ লগতে ইয়াৰ পূৰ্বে ঢেকিয়াজুলি আৰু তেজপুৰত জব্দ কৰা হৈছে বৃহৎ পৰিমাণৰ গাঞ্জা।

## বানপানীয়ে ছিঙি নিয়া কামপুৰ

*তিনি পৃষ্ঠাৰ পৰা* বৃহৎ অংশ খহাই নিয়াৰ ফলত আজি ২০ দিন ধৰি ৰাইজে যাতায়াতৰ ক্ষেত্ৰত যৰম যন্ত্ৰণা ভুগিবলগীয়া হৈছিল। এই গুৰুত্বপূৰ্ণ পথছোৱা ছিঙি যোৱাৰ পাছত গড়কাপ্তানী বিভাগে কেইদিনমান পূৰ্বে বাঁহৰে অস্থায়ীভাৱে এখন দলং নিৰ্মাণ কৰি সৰু গাড়ী, চাইকেল, মটৰ চাইকেল অহা-যোৱাৰ ব্যৱস্থা কৰিছিল যদিও দলংখন বিভাগটোৱে অতি দুৰ্বলকৈ নিৰ্মাণ কৰাত যিকোনো মুহূৰ্ততে ভাঙি পৰাৰ আশংকা কৰিছে স্থানীয় ৰাইজে। সেয়ে আজি কামপুৰৰ সচেতন নাগৰিক তথা যুৱকসকলে কামপুৰ কঠিয়াতলি গড়কাপ্তানী পথটোৰ বিধ্বস্ত অংশটো স্থায়ীভাৱে নিৰ্মাণ কৰাৰ দাবীত পাঁচ ঘন্টীয়া অৱস্থান ধৰ্মঘটৰ প্ৰতিবাদী কাৰ্যসূচী পালন কৰে। ক্ষুব্ধ ৰাইজে হাতে হাতে প্লে কাৰ্ড আদি লৈ পথৰ কাষত বহি 'গড়কাপ্তানী বিভাগ মুৰ্দাবাদ, কামপুৰ যোগাযোগ ব্যৱস্থা সুচল কৰক, জৰুৰীকালীন সেৱা নিয়মীয়া কৰক, কামপুৰ কঠিয়াতলি পথ নিৰ্মাণ কৰক' আদি শ্ল'গানেৰে প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদীসকলে ভগ্ন যোগাযোগ ব্যৱস্থাৰ সুযোগ লৈ কামপুৰৰ এচাম অসাধু লোকে অধিক দৰত পেট্ৰ'ল, ডিজেলকে ধৰি অত্যাৱশ্যকীয় সামগ্ৰীসমূহ দুগুণ দৰত বিক্ৰী কৰি আছে বুলি অভিযোগ কৰে। পাছত প্ৰতিবাদস্থলীত কামপুৰ ৰাজহ চক্ৰ বিষয়া আৰু গড়কাপ্তানী বিভাগৰ উচ্চ পদস্থ বিষয়া উপস্থিত হৈ প্ৰতিবাদকাৰীসকলৰ স'তে আলোচনাত মিলিত হয় আৰু অহা কালিৰ পৰা যাতায়াতৰ সুব্যৱস্থাৰ বাবে এটি উপ পথ নিৰ্মাণৰ প্ৰতিশ্ৰুতি দিয়াত ধৰ্মঘটৰ সামৰণি মৰা হয়। আজিৰ এই ধৰ্মঘট প্ৰতিবাদী আন্দোলনৰ নেতৃত্ব বহন কৰে সাংবাদিক সমৰেন্দ্ৰ নাৰায়ণ বৰা, প্ৰাক্তন ছাত্ৰ সমন্বয় সমিতিৰ প্ৰকাশ ভূঞা, জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ সত্য বৰা, তৰুণ বৰুৱা, অসীম বৰদলৈ, ৰূপজ্যোতি ভূঞা জ্যোতি প্ৰসাদ বৰা আৰু পাপু লস্কৰে।

## ধিঙত নিশা চাঞ্চল্যকৰ ডকাইতি কাণ্ড

*তিনি পৃষ্ঠাৰ পৰা* নিশা ভেণ্টিলেটৰেদি স্প্ৰে কৰি পৰিয়ালৰ সকলোকে অচেতন কৰি লয় ডকাইতৰ দলে। পাছত ভেণ্টিলেটৰ-খিৰিকীৰ গ্ৰীল ভাঙি ডকাইতৰ দল তেওঁৰ ঘৰত প্ৰৱেশ কৰি লুটি নিয়ে ১০ লক্ষাধিক নগদ ধন আৰু সোণ-ৰূপৰ আ-অলংকাৰৰ লগতে এখন গ্লেমাৰ মটৰ চাইকেল লৈ যায়। ফজলুল হকৰ লগতে পত্নী আঞ্জুমা খাতুন আৰু তেওঁলোকৰ তিনি সন্তান মাজুনী চুলতানা, আকিবুৰ ৰহমান আৰু আৰিফুল ইছলাম অচেতন অৱস্থাত নগাঁৱৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে। ইয়াৰে একেবাৰে কনিষ্ঠ সন্তান আৰিফুলৰ অৱস্থা কিছু গুৰুতৰ হোৱাত উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ প্ৰেৰণ কৰে। এই ডকাইতি কাণ্ডৰ লগত ধিঙৰ পটিয়া পথাৰৰ কুখ্যাত ডকাইতৰ মূল নায়ক জেহিৰুল ইছলাম জড়িত থকাৰ সন্দেহ কৰিছে পৰিয়ালৰ লোকে। অৱশ্যে কেইজনীয়া ডকাইতৰ দলে ঘৰত প্ৰৱেশ কৰি এই ডকাইতি ঘটনা সংঘটিত কৰিলে সেয়া ফজলুল সুস্থ হৈ উঠাৰ পাছতহে পোহৰলৈ আহিব। উল্লেখ্য যে যোৱা তিনি-চাৰি বছৰ ধৰি কুখ্যাত ডকাইতজনে জাৱামাৰী অঞ্চলৰ বহু লোকৰ ঘৰত ডকাইতি সংঘটিত কৰি একপ্ৰকাৰ ত্ৰাসৰ সৃষ্টি কৰি অহাৰ অভিযোগ উঠিছে। কিন্তু কুখ্যাত ডকাইতজনক আজি পৰ্যন্ত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম নহ'ল। অপৰাধী ধৰাৰ নামত এতিয়া শূন্যতে গদা ঘূৰাইছে ডুমডুমীয়া আৰক্ষীয়ে।

## নদুৱাৰৰ ইটাখোলা ব্যৱসায়িক কেন্দ্ৰত

*তিনি পৃষ্ঠাৰ পৰা* বুলড'জাৰ। নদুৱাৰ ৰাজহ চক্ৰ অঞ্চলৰ ইটাখোলা ব্যৱসায়িক কেন্দ্ৰৰ লগতে দৈনিক বজাৰ আৰু দিকৰাই সাপ্তাহিক বজাৰৰ চৰকাৰী ভূমি বেদখল মুক্ত কৰাৰ বাবে পুৱাই চাৰিখনকৈ এক্সকেভেটৰৰ জৰিয়তে প্ৰশাসনে অবৈধ দোকান ঘৰসমূহ ভাঙি তহিলং কৰে। ইয়াৰ উপৰি জলসিঞ্চনৰ নলাৰ দুয়োপাৰৰ ৫০ মিটাৰ পৰ্যন্ত ভূমি বেদখলমুক্ত কৰাৰ বাবে প্ৰশাসনে চলালে উচ্ছেদ অভিযান। আজি পুৱা ইটাখোলা কেন্দ্ৰত নদুৱাৰ ৰাজহ চক্ৰ বিষয়া আকাশদ্বীপ কাকতি, চক্ৰ বিষয়া (সংলগ্ন) মন্টুষ চক্ৰৱৰ্তী, বিশ্বনাথ জিলা আৰক্ষী অধীক্ষক নবীন সিং অতিৰিক্ত আৰক্ষী অধীক্ষক জয়ন্ত বৰুৱা প্ৰমুখ্যে চতিয়া আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া শ্যামল শইকীয়াকে ধৰি বৃহৎ আৰক্ষী-অৰ্ধসামৰিক বাহিনীৰ দল উপস্থিত হৈ ইটাখোলা ব্যৱসায়িক কেন্দ্ৰ আৰু বজাৰ অঞ্চলত উচ্ছেদ অভিযান আৰম্ভ কৰে। ইটাখোলা ব্যৱসায়িক কেন্দ্ৰত জধে-মধে চৰকাৰী ভূমি বেদখল কৰি পকী দোকানঘৰ সাজি ব্যৱসায়-বাণিজ্য কৰি থকা দোকানীসকলৰ দোকান ঘৰসমূহৰ ওপৰত আজি পুৱা আঠ বজাৰ পৰা চলিল বিশ্বনাথ জিলা প্ৰশাসনৰ উচ্ছেদ অভিযান। উচ্ছেদ অভিযান চলোৱাৰ উদ্দেশ্যেৰে আজি পুৱা ছয় বজাতে ইটাখোলা কেন্দ্ৰত উপস্থিত হোৱা উক্ত দলটোৱে প্ৰথমতে দোকানীসকলক অতি শীঘ্ৰে দোকানৰ সা-সামগ্ৰীসমূহ উলিয়াই নি ঘৰ খালী কৰিবলৈ নিৰ্দেশ প্ৰদান কৰে। তাৰ পাছত ঠিক আঠ বজাৰ লগে লগে প্ৰায় ৫০ শতাধিক পকী দোকানৰ ওপৰত চলিল প্ৰশাসনৰ বুলড'জাৰ আৰু এফালৰ পৰা উচ্ছেদ কৰা হ'ল চৰকাৰী ভূমি বেদখল কৰি বনোৱা পকী দোকান ঘৰসমূহ। উল্লেখ্য যে চৰকাৰী ভূমি বেদখল কৰি জধে- মধে দোকান ঘৰ নিৰ্মাণ কৰি লোৱাৰ ফলতে ইটাখোলা ব্যৱসায় কেন্দ্ৰটোৰ পথত সৃষ্টি হোৱা ভয়াৱহ যান-জঁটৰ প্ৰতি লক্ষ্য ৰাখি এই উচ্ছেদ চলোৱা হৈছে বুলি উচ্ছেদ অভিযানটোৰ নেতৃত্ব দিয়া নদুৱাৰ ৰাজহ চক্ৰ বিষয়া আকাশদ্বীপ কাকতিয়ে জানিব দিয়ে। ইয়াৰ পাছতে ৰাজহ চক্ৰ বিষয়া (সংলগ্ন) চক্ৰৱৰ্তীৰ নেতৃত্বত আন এটি আৰক্ষী অৰ্ধসামৰিক বাহিনীৰ দলে ইটাখোলাৰ সমীপৰ বালিডোঙাৰ জলসিঞ্চন নলাৰ দুয়োপাৰৰ ৫০ মিটাৰ ভিতৰত ভূমি বেদখল কৰি পুখুৰী পথ আদি নিৰ্মাণ কৰাসকলৰ বিৰুদ্ধে এক্সকেভেটৰৰ সহায়ত উচ্ছেদ অভিযান চলায়।

## মুছলপুৰত মন্ত্ৰী ব্ৰহ্মই দাঙি ধৰিলে

*তিনি পৃষ্ঠাৰ পৰা* বিজ্ঞান শাখা প্ৰৱৰ্তন আৰু আন্তঃগাঁথনি উন্নয়নৰ বাবে ৫০ লাখ টকা ধাৰ্য কৰাৰ কথা উল্লেখ কৰে। ব্ৰহ্মই লগতে উল্লেখ কৰে যে ৰাজ্য চৰকাৰ আৰু বিটিচি চৰকাৰৰ উদ্যোগত শিমলা বজাৰত আইটিআই স্থাপনৰ প্ৰস্তাৱ গ্ৰহণ কৰিছে। আঠিয়াবাৰী বিদ্যামন্দিৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ক আদৰ্শ বিদ্যালয়লৈ ৰূপান্তৰ কৰাৰ বাবে ১০ লাখ টকাৰ অনুদান আগবঢ়োৱাৰ লগতে ডুমুনী চাহ বাগিচাত আদৰ্শ বিদ্যালয় স্থাপনৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে। বিধায়কজনে ডুমুনীত এটা পুথিভঁৰাল নিৰ্মাণৰ বাবে পাঁচ লাখ টকা, শিমলা বজাৰ কে চি মহাবিদ্যালয়ৰ আন্তঃগাঁথনি আৰু শ্ৰেণীকোঠা উন্নয়নৰ বাবে ১০ লাখ টকা, বৰো বাজাৰস্থিত ইউ এন একাডেমীৰ আন্তঃগাঁথনিৰ বাবে পাঁচ লাখ টকা ধাৰ্য কৰা বুলি উল্লেখ কৰে। মুছলপুৰত জিলাভিত্তিক ক্ৰীড়া প্ৰকল্প নিৰ্মাণৰ বাবে ৫০ কোটি টকাৰ লগতে সংহত জিলা উপায়ুক্ত ভৱন নিৰ্মাণৰ বাবে ২৫ কোটি টকা ধাৰ্য কৰিছে। সেইদৰে সমষ্টিটোত ১১ টা আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ স্থাপনৰ বাবে অনুমোদন দিয়াৰ লগতে নতুন গৃহ নিৰ্মাণৰ বাবে প্ৰতিটোৰ বিপৰীতে ২৫ লাখকৈ টকাৰ অনুদান আগবঢ়োৱা হয় বুলি জনায়। অসম দৰ্শন আঁচনিৰ অধীনত সমষ্টিটোৰ ১০ টা ধৰ্মীয় অনুষ্ঠানক আঢ়ৈ লাখকৈ অনুদান আগবঢ়োৱা হয়। আৰআইডিএফ আঁচনিৰ জৰিয়তে ১০ কোটি টকা ব্যয় সাপেক্ষে তিনিখন পকী দলং নিৰ্মাণৰ কাম হাতত লয়। আৰআইডিএফ আঁচনিৰ জৰিয়তেই প্ৰায় চাৰে তিনি কোটি টকা ব্যয়ৰে আন নটা প্ৰকল্প নিৰ্মাণৰ লগতে এছঅ'পিডি আঁচনিৰ জৰিয়তে প্ৰায় ডেৰ কোটি টকা ব্যয় সাপেক্ষে ছয়টা প্ৰকল্পৰ কাম হাতত লোৱা বুলি উল্লেখ কৰে। ডিএডিপিআইৰ অধীনত পাঁচখন আঁচনিৰ বাবে সাত কোটি ৮৩ লাখ টকা ধাৰ্য কৰা হৈছে। মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ জৰিয়তে সমষ্টিটোৰ মুঠ ৭১৩ গৰাকী ছাত্ৰ-ছাত্ৰী তথা ৰুগীয়া ব্যক্তিক আৰ্থিক সাহায্য প্ৰদান কৰা হয়। আনহাতে, অনাগত দিনত বিধায়ক ব্ৰহ্মই পৰিকল্পনা অনুসৰি সমষ্টিটোৰ শিপিনীসকলক সহায় কৰাৰ অৰ্থে কোকলাবাৰীত হস্ততাঁত আদৰ্শ গাঁও স্থাপনৰ কথা উল্লেখ কৰাৰ লগতে ককিলাবাৰীৰে সমীপৰ নৱ দিহিৰাত ইতিমধ্যে মুখ্যমন্ত্ৰী ড° শৰ্মাই কৃষি-বন আৰু জৈৱ বৈচিত্ৰ্য মহাবিদ্যালয়ৰ উপৰি উলুম'ৰা চৰাইৰ সংৰক্ষণ, গৱেষণা কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰা বুলি জনায়। সমষ্টিটোত এটা উন্নতমানৰ অতিথিশালা নিৰ্মাণৰ বাবে দুই কোটি টকা ধাৰ্য কৰাৰ লগতে মুছলপুৰৰ গৌজৌনপুৰী উদ্যানৰ উন্নয়নৰ বাবে পাঁচ লাখ টকা ধাৰ্য কৰা বুলি উল্লেখ কৰে। ব্ৰহ্মই বিধায়ক স্থানীয় অঞ্চল উন্নয়ন পুঁজিৰ অধীনত এক কোটি টকা ব্যয়ৰে মুঠ ৪০ টা বিভিন্ন উন্নয়নমূলক কামৰ তালিকাও দাঙি ধৰে। ইপিনে সংবাদমেলত মন্ত্ৰী তথা বিধায়ক ব্ৰহ্মই চাপাগুৰি সমষ্টিৰ লগতে মুখ্যমন্ত্ৰী ড° শৰ্মাৰ নেতৃত্বত গঠিত বিজেপি মিত্ৰজোঁট চৰকাৰৰ বিভিন্ন উন্নয়নমূলক আঁচনিৰ খতিয়ান দাঙি ধৰে। লগতে পৰৱৰ্তী সময়ত অধিক উন্নয়নমূলক কাম কৰি যাব বুলি ভাষণ প্ৰসংগত উল্লেখ কৰে বিধায়ক তথা মন্ত্ৰী ব্ৰহ্মই। আজিৰ এই সংবাদমেলত বিধায়ক তথা মন্ত্ৰী ব্ৰহ্মৰ লগতে বিটিচিৰ অধ্যক্ষ কাতিৰাম বড়ো, ইউপিপিএলৰ কেন্দ্ৰীয় উপ-সভাপতি দীপক কুমাৰ বসুমতাৰী, বাগ্‌সা জিলা বিজেপিৰ সভাপতি শৰৎ শৰ্মা, মুছলপুৰ জিলা ইউপিপিএলৰ সাধাৰণ সম্পাদক দয়াল শৰণীয়াকে ধৰি কে'বাগৰাকীও দলীয় নেতা-কৰ্মী উপস্থিত থাকে। উল্লেখ্য যে বিধায়কজনে সংবাদমেলৰ জৰিয়তে বছৰেকীয়া খতিয়ান দাঙি ধৰাৰ পাছতে মুছলপুৰস্থিত সাংস্কৃতিক প্ৰকল্পত দলীয় কাৰ্যকৰ্তাৰেও এক মত-বিনিময় কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

## জাগীৰোডৰ আমলীঘাটত নিশা পথ দুৰ্ঘটনা

### অচিনাক্ত বাহনৰ খুন্দাত থিতাতে নিহত তিৱা ছাত্ৰ সন্থাৰ নেতা

**অগ্ৰদূত বাৰ্তা**

**জাগীৰোড, ৩১ মে' ঃ** জাগীৰোড থানাৰ অন্তৰ্গত আমলিঘাটত যোৱা নিশা সংঘটিত এটা পথ দুৰ্ঘটনাত সদৌ তিৱা ছাত্ৰ সন্থাৰ জাগীৰোড আঞ্চলিক সমিতিৰ সভাপতি চানকিং মাদাৰৰ থিতাতে মৃত্যু হয়। তিৱা জাতিৰ বাবে নিষ্ঠা আৰু সততাৰে নিজৰ দায়িত্ব পালন কৰি অহা ছাত্ৰ নেতাজনৰ বাসগৃহত আজি ৰাজ্য চৰকাৰৰ জলসম্পদ, তথ্য জনসংযোগ, লেখন আৰু মুদ্ৰণ বিভাগৰ সংসদীয় পৰিক্ৰমা মন্ত্ৰী পীযুষ হাজৰিকা উপস্থিত হৈ শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। মন্ত্ৰী হাজৰিকাই আজি ছাত্ৰ নেতাজনক শেষ শ্ৰদ্ধাঞ্জলিও জ্ঞাপন কৰে। উল্লেখ্য যে জাগীৰোডৰ আমলিঘাটত সোমবাৰে নিশা হোৱা পথ দুৰ্ঘটনাত থিতাতে নিহত হয় সদৌ তিৱা ছাত্ৰ সন্থাৰ জাগীৰোড আঞ্চলিকৰ সভাপতি চানকিং মাদাৰৰ। কোনো তীব্ৰবেগী অচিনাক্ত বাহনে খুন্দিয়াই নিশাৰ সুযোগ লৈ দুৰ্ঘটনাস্থলীৰ পৰা পলায়ন কৰে। তিৱা ছাত্ৰনেতাজন মৃত্যুৰ সন্দৰ্ভত ইতিমধ্যে সদৌ তিৱা ছাত্ৰ সন্থাই জাগীৰোড থানাত এজাহাৰ দাখিল কৰি উপযুক্ত তদন্তৰ দাবী কৰিছে। তিৱা জাতিৰ বাবে নিষ্ঠা আৰু সততাৰে নিজৰ দায়িত্ব পালন কৰি অহা ছাত্ৰ নেতাজনৰ মৃত্যুত সদৌ তিৱা ছাত্ৰ সন্থা, সদৌ তিৱা মহিলা সমাজ, সদৌ তিৱা সাংস্কৃতিক সমাজ, তিৱা ৰাজদৰবাৰ, মৰিগাঁও জিলাৰ গোৰ্খা ছাত্ৰ সন্থা, ট্ৰাইবেল সংঘ আদিয়ে গভীৰ শোক প্ৰকাশ কৰিছে। বিভিন্ন সামাজিক কাম-কাজত জড়িত ছাত্ৰনেতা চানকিং মাদাৰৰ মৃত্যুত সমগ্ৰ জাগীৰোডত শোকৰ ছাঁ পৰিছে।

## চিকিৎসকৰ কৰ্তব্যৰ অৱহেলাৰ বাবে মৃত্যুৰ অভিযোগ

### বিশ্বনাথত চিকিৎসকৰ বিৰুদ্ধে এজাহাৰ

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ৩১ মে' ঃ** বিশ্বনাথত চিকিৎসকৰ কৰ্তব্যৰ অৱহেলাৰ বাবে পিতৃৰ প্ৰাণ যোৱা বুলি অভিযোগ কৰিছে সাংবাদিক পুত্ৰই। তথ্য অনুসৰি যোৱা ২৪ মে'ৰ নিশাৰ ভাগত হিৰেন কুমাৰ বৰুৱাই তামোল খাই অচেতন হোৱাত ভৰ্তি কৰোৱা হৈছিল বিশ্বনাথ চাৰিআলি মহকুমা অসামৰিক চিকিৎসালয়ত। কিন্তু চিকিৎসালয়খনত ৰোগীৰ বাবে বিছনা উপলব্ধ নথকা বাবে সাতশ টকা জমা কৰি পেয়িং কেবিনেট ৰখাৰ বাবে হেঁচা প্ৰয়োগ কৰে বুলি অভিযোগ উত্থাপন হৈছে। ইয়াৰ পাছত ৰোগীক ভৰ্তি কৰাৰ আধা ঘণ্টাৰ পাছত উপস্থিত হয় চিকিৎসক ডাঃ ঋষিকেশ শৰ্মা। চিকিৎসকজনে উপস্থিত হৈ নাৰ্ছক চেলাইন আৰু টোপনিৰ বেজি দি পুনৰ তেওঁ নিজৰ কোঠালিত শুবলৈ ৰাওনা হয়। চিকিৎসক আৰু চিকিৎসালয় কৰ্তৃপক্ষৰ অৱহেলাৰ মাজত এনেদৰে নিশাটো পাৰ কৰে ৰোগী আৰু আত্মীয়ই। কিন্তু পুৱা প্ৰায় সাত বজাত পৰিয়ালবৰ্গই প্ৰত্যক্ষ কৰে যে ৰোগীয়ে কোনো লৰচৰ কৰা নাই। সেই সময়ত চিকিৎসক ডাঃ শৰ্মাই লক্ষ্য কৰি লগে লগে আইচিইউৰ বাবে তেজপুৰলৈ ৰেফাৰ কৰাৰ বাবে পৰামৰ্শ দিয়ে। লগে লগে ৰোগীৰ আত্মীয়ই ৰোগীক তেজপুৰ টাইমছ হাস্পতাললৈ লৈ যায় যদিও তেজপুৰ টাইমছ হাস্পতাল কৰ্তৃপক্ষই ৰোগীৰ ডেৰ ঘণ্টামান পূৰ্বেই মৃত্যু হোৱা বুলি কয়। মৃত বৰুৱাৰ সাংবাদিক পুত্ৰ অনিত প্ৰতিম বৰুৱা আৰু পৰিয়ালৰ লোকে অভিযোগ উত্থাপন কৰিছে যে চিকিৎসক ডাঃ শৰ্মা আৰু বিশ্বনাথ চাৰিআলি অসামৰিক চিকিৎসালয় কৰ্তৃপক্ষৰ কৰ্তব্যৰ প্ৰতি থকা চৰম দায়িত্বহীনতাৰ বাবেই পিতৃৰ মৃত্যু হৈছে। ইতিমধ্যে অভিযোগ উত্থাপিত হোৱা চিকিৎসকৰ বিৰুদ্ধে পৰিয়ালবৰ্গই বিশ্বনাথ চাৰিআলি সদৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে। লগতে জিলা আৰক্ষী অধীক্ষক, জিলা উপায়ুক্ত, স্থানীয় বিধায়ক আৰু সাংসদৰ ওচৰত অভিযোগ দাখিল কৰিছে।

## কঠিয়াতলিত বন্যহস্তী পোৱালিৰ

*তিনি পৃষ্ঠাৰ পৰা* বনকৰ্মীসকল দেৰিকৈ উপস্থিত হোৱাৰ অভিযোগ কৰিছে স্থানীয় ৰাইজে। স্থানীয় ৰাইজে বন্যহস্তীৰ দুটা ফৈদৰ মাজত হোৱা কাজিয়াৰ ফলত হাতী পোৱালিটোৰ মৃত্যু হৈছে বুলি সদৰী কৰিছে।

## জোৰশিমুলীত স্বামীয়ে ডিঙি

*তিনি পৃষ্ঠাৰ পৰা* পাছত বোৱাৰীৰ পৰিয়ালে জোৰশিমুলী আৰক্ষী চকীত এজাহাৰ দাখিল কৰে। এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ হত্যাকাৰী স্বামী, শহুৰ, শাহুক আটক কৰি জেৰা অব্যাহত ৰখাৰ লগতে মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰিছে।

## ড্ৰাগছ সৰবৰাহকাৰী মহানগৰীৰ

*এক পৃষ্ঠাৰ পৰা* একাংশ শিক্ষাৰ্থীৰ অভিভাৱকে ড্ৰাগছসহ কৰায়ত্ত কৰি আৰক্ষীক গতাই দিয়ে আৰু আৰক্ষীয়ে ২৪৩/২০২২ নম্বৰত এক গোচৰ ৰুজু কৰি ধৃত কলিতাক আজি আদালতত হাজিৰ কৰোৱাত আদালতে তেওঁক ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। ধৃত লোকজনৰ পৰা আৰক্ষীয়ে তিনিটা ড্ৰাগছভৰ্তি কন্টেইনাৰ, এটা চিৰিঞ্জ আৰু এটা ম'বাইল ফোন জব্দ কৰে। তেওঁ যোৱা সাতমাহ ধৰি এই ড্ৰাগছ সৰবৰাহত জড়িত হৈ আছিল বুলি আৰক্ষীয়ে সদৰী কৰাৰ লগতে পূৰ্বতে ধৃত চালকজনে চান্দমাৰি আৰক্ষীৰ বাহন চলাইছিল বুলি স্থানীয় লোকে সদৰী কৰিছে।

## ঘাইপথত ডকাইতিত লিপ্ত

*এক পৃষ্ঠাৰ পৰা* সুৰা লুট কৰাৰ অপচেষ্টা চলাওঁতে আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে দুই ডকাইতক।

ধৃত ডকাইত দুজন বিজনীৰ বাটাবাৰী নিবাসী মামদ ফুলছান আলী (৩২) আৰু মোনাকোচা নিবাসী ৰিয়াজ আহমেদ (২৬) বুলি আৰক্ষীয়ে জনাইছে। আৰক্ষী সূত্ৰই জনোৱা মতে, গুৱাহাটীৰ পৰা বঙাইগাঁও অভিমুখে বৈধ বিলাতী সুৰা কঢ়িয়াই আহি থকা ডব্লিউবি-৫১ চি-৪৯৫৬ নম্বৰৰ ট্ৰাকখনক ডকাইতৰ এটা সাতজনীয়া দলে বৰপেটাৰ পৰা অনুসৰণ কৰে। এই বিষয়ে অৱগত হৈ ট্ৰাকখনৰ চালকে ভয়তে ডাঙাইগাঁওস্থিত ভাই ভাই ধাবাত ট্ৰাকখন ৰখাই দিয়ে। তেতিয়াই পাছে পাছে অহা ডকাইতৰ দলটোৱে ট্ৰাকখনৰ কাগজ-পাতি, সামগ্ৰীৰ চালান কাঢ়ি লৈ পেলাই দিয়ে আৰু বিলাতী সুৰাসমূহ লুট কৰাৰ চেষ্টা চলায়। ইপিনে, কোনো লোকে বিজনী আৰক্ষী থানাত খবৰ দিয়াত ঘটনাস্থলীত আৰক্ষীৰ দল এটা উপস্থিত হৈ দুজন ডকাইতক কৰায়ত্ত কৰে। অৱশ্যে আন পাঁচজনে পলায়ন কৰে। আৰক্ষীয়ে লগতে ডকাইতৰ দলটোৱে ব্যৱহাৰ কৰা এএছ-০১ ইএইছ-৯৮৯৬ নম্বৰৰ এখন অল্ট' গাড়ী, নম্বৰ প্লেটবিহীন এখন টিভিএছ আপাছি মটৰ চাইকেল জব্দ কৰে। সম্প্ৰতি আৰক্ষীয়ে পলাতক ডকাইত কেইজনক বিচাৰি অভিযান অব্যাহত ৰাখিছে। উল্লেখ্য যে ধৃত ডকাইত ৰিয়াজ বিজেপিৰ থুৰিবাৰী মণ্ডল সমিতিৰ সংখ্যালঘু মৰ্চাৰ সম্পাদক। বিজেপিৰ নেতা হৈ ডকাইতি কাণ্ডত জড়িত হোৱা বিষয়টো সম্প্ৰতি বিজনীত ব্যাপক চৰ্চাৰ কেন্দ্ৰবিন্দু হৈ পৰিছে।

## তেজপুৰত গৰিব কল্যাণ সন্মিলন

### শোণিতপুৰত পাঁচহেজাৰ হিতাধিকাৰীলৈ বাসগৃহ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ৩১ মে' ঃ** আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চিমলাৰ পৰা কেন্দ্ৰীয় চৰকাৰৰ নটা বিভাগৰ দ্বাৰা ৰূপায়িত ১৬খন বিভিন্ন আঁচনিৰ সুবিধা লাভ কৰা দেশৰ বিভিন্ন স্থানৰ হিতাধিকাৰীৰ স'তে ভাৰ্চুৱেলী কৰা মত বিনিময় অনুষ্ঠানৰ লগত সংগতি ৰাখি তেজপুৰতো গৰিব কল্যাণ সন্মিলন অনুষ্ঠিত হয়। ৰাজ্য চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ উদ্যোগত আৰু শোণিতপুৰ প্ৰশাসনৰ সহযোগত আয়োজন কৰা এই অনুষ্ঠানত প্ৰধানমন্ত্ৰীৰ মত বিনিময় অনুষ্ঠান আৰু তেওঁৰ ভাষণৰ পোনপটীয়া সম্প্ৰচাৰ ব্যৱস্থা কৰা হয়। আজিৰ সভাত মুখ্য অতিথিৰূপে উপস্থিত থাকি ৰাজ্য চৰকাৰৰ জলসিঞ্চন, আৱাসিক আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী অশোক সিংঘালে কয় যে যোৱা ৭৫ বছৰে দৰিদ্ৰ লোকৰ বাবে চৰকাৰে কোনো কাম নকৰাৰ বাবে এতিয়া প্ৰধানমন্ত্ৰী মোদীয়ে দুখীয়াৰ বাবে বাসগৃহ, বিশুদ্ধ খোৱাপানী, শৌচালয় আদি নিৰ্মাণ কৰিবলগীয়া হৈছে। মহিলাসকলকো ৰন্ধন গেছ দিয়া হৈছে বুলি উল্লেখ কৰি বিভিন্ন কল্যাণকামী আঁচনিৰ দ্বাৰা ৰাইজক সকাহ দিয়াৰ লগতে ক'ভিডৰ বিনামূলীয়া প্ৰতিষেধক দিয়াৰ বিষয়েও দোহাৰি সিংঘলে কয় যে এই আঁচনিৰ সুবিধা সকলো ধৰ্মাৱলম্বী-বৰ্ণ-ভাষা নিৰ্বিশেষে লাভ কৰিছে। শোণিতপুৰৰ উপায়ুক্ত দেৱ কুমাৰ মিশ্ৰই আদৰণি ভাষণ দিয়া সন্মিলনত শোণিতপুৰৰ সাতটা উন্নয়ন খণ্ডৰ প্ৰধানমন্ত্ৰীৰ আৱাস যোজনা (গ্ৰামীণ)ৰ পাঁচ হেজাৰ হিতাধিকাৰীৰ মাজত নতুন গৃহ নিৰ্মাণৰ বাবে আবন্টনপত্ৰ বিতৰণ কৰা হয়। অনুষ্ঠানত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰা মন্ত্ৰী সিংঘালে ১০ গৰাকী হিতাধিকাৰীৰ মাজত আবন্টনপত্ৰ বিতৰণ কৰে। অনুষ্ঠানত বিধায়ক পৃথিৰাজ ৰাভা, শোণিতপুৰ জিলা পৰিষদৰ সভানেত্ৰী ডলী চুৰিন, শোণিতপুৰ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া কৰবী শইকীয়া, তেজপুৰ পৌৰসভাৰ সভাপতি প্ৰজ্ঞানু ভট্টাচাৰ্য, তেজপুৰ নগৰ উন্নয়নৰ অধ্যক্ষ বিৰাজ নাথ, শোণিতপুৰ বিজেপিৰ সভাপতি বাতাচ ওৱাং আদিয়ে অংশগ্ৰহণ কৰে।

জিলা পৰ্যায়ত আয়োজন কৰা এই অনুষ্ঠানত প্ৰথমে শিৱসাগৰত উপস্থিত থকা ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ভাষণ উপস্থিত সকলোৰে বাবে সম্প্ৰচাৰ কৰা হয় আৰু দিনৰ ১১ বজাত প্ৰধানমন্ত্ৰী মোদীয়ে চিমলাৰ পৰা দেশজুৰি বিয়পি থকা হিতাধিকাৰীসকলৰ স'তে কনফাৰেঞ্চৰ জৰিয়তে মত বিনিময় কৰা সূচীৰো প্ৰদৰ্শন কৰা হয়।

## চিৰাঙত সম্পৰ্কীয় ভ্ৰাতৃৰ ছুৰীৰ আঘাতত প্ৰাণ গ'ল এজনৰ

**অগ্ৰদূত বাৰ্তা**

**কাজলগাঁও, ৩১ মে' ঃ** এগৰাকী মহিলাৰ বাবে চিৰাঙৰ বৈখুনগাঁৱত সংঘটিত হ'ল এক হত্যাকাণ্ড। ঢালিগাঁও আৰক্ষী থানাৰ অন্তৰ্গত বৈখুনগাঁৱত আজি দিনৰ দুই বজাত ছুৰিকাঘাতত নিহত হয় লক্ষ্মীৰাম মাৰ্ডী (৩৪) নামৰ এজন যুৱক। সম্পৰ্কীয় ভ্ৰাতৃ জোছেফ মাৰ্ডী (৩২)য়ে ছুৰীৰে আঘাত কৰি লক্ষ্মীৰামক হত্যা কৰাৰ অভিযোগ উঠিছে। আৰক্ষী সূত্ৰই জনোৱা মতে, দুই সম্পৰ্কীয় ভ্ৰাতৃৰ মাজত বিগত কিছুদিনৰ কৰাই কাজিয়া চলি আছিল। ৩৫ বছৰীয়া মণিকা হাছদা নামৰ এগৰাকী মহিলাৰ বাবেই সম্পৰ্কীয় দুই ভ্ৰাতৃৰ মাজত কাজিয়া চলিছিল যদিও আজি এই কাজিয়াই চূড়ান্ত ৰূপ লয়। পাছত নিহত লক্ষ্মীৰামৰ মৃতদেহ উদ্ধাৰ কৰি ঢালিগাঁও আৰক্ষীয়ে মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰাৰ লগতে হত্যাত অভিযুক্ত জোছেফ আৰু মণিকা নামৰ মহিলা গৰাকীক গ্ৰেপ্তাৰ কৰে।

## জাগী ভকতগাঁৱত প্ৰধানমন্ত্ৰীৰ পোনপটীয়া ভাৱ-বিনিময় অনুষ্ঠানত মন্ত্ৰী পীযুষ হাজৰিকা

**অগ্ৰদূত বাৰ্তা**

**মৰিগাঁও, ৩১ মে' ঃ** মৰিগাঁও জিলা প্ৰশাসনৰ উদ্যোগত আৰু মৰিগাঁও জিলা পৰিষদৰ সহযোগত আজি মৰিগাঁও জিলাৰ জাগীভকত গাঁওস্থিত বিষ্ণু ৰাভা বিহুতলী প্ৰাংগণত, প্ৰধানমন্ত্ৰী আৱাস যোজনা আৰু অন্যান্য আঁচনিৰ হিতাধিকাৰীসকলৰ স'তে ভাৰতৰ প্ৰধানমন্ত্ৰীৰ পোনপটীয়া ভাৱ-বিনিময় অনুষ্ঠানৰ আয়োজন কৰা হয়। এই সভাত অসম চৰকাৰৰ জলসম্পদ, তথ্য আৰু জনসংযোগ, সংসদীয় পৰিক্ৰমা আদি বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই মুখ্য অতিথিৰূপে উপস্থিত থাকে। ভাষণ প্ৰসংগত মন্ত্ৰীগৰাকীয়ে মৰিগাঁও জিলাই প্ৰায় ৪০ হেজাৰ প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহ লাভ কৰাত সন্তুষ্টি প্ৰকাশ কৰে। জিলা উপায়ুক্ত প্ৰকাশ ৰঞ্জন ঘৰফলীয়াই আদৰণি ভাষণ প্ৰদান কৰা আজিৰ সভাত তিৱা স্বায়ত্ত পৰিষদ, জিলা পৰিষদ, পৌৰসভা আৰু পঞ্চায়তৰ সদস্য-সদস্যা, জিলা প্ৰশাসনৰ উচ্চ পৰ্যায়ৰ বিষয়া, বিভিন্ন বিভাগৰ মুৰব্বী বিষয়া, কৰ্মচাৰী, হিতাধিকাৰী আৰু ৰাইজ উপস্থিত থাকে।

## নগৰবেৰাত আমছুৰ ইকবাল গোটৰ সংবাদমেল

**আলোপতি, ৩১ মে' ঃ** সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন চমুকৈ আমছুৰ ইকবাল গোটৰ উদ্যোগত আজি নগৰবেৰা সাংবাদিক সন্থাৰ কাৰ্যালয় প্ৰাংগণত এখন সংবাদমেলৰ আয়োজন কৰে। বটদ্ৰৱা কাণ্ডক কেন্দ্ৰকৰি আয়োজিত সংবাদমেলত আমছুৰ কেন্দ্ৰীয় সমিতিৰ সম্পাদক মানিক আলী আহমেদে কয় যে বটদ্ৰৱা কাণ্ডটো অত্যন্ত দুৰ্ভাগ্যজনক। ঘটনাটোক আমি তীব্ৰ ভাষাৰে গৰিহণা দিছো। যদি কোনো অন্যায় হৈছে তাৰ প্ৰতিবাদ গণতান্ত্ৰিকভাৱে নকৰি আইন হাতত লৈ থানা জ্বলোৱা কাৰ্যটো অতি নিন্দনীয় হৈছে। সেয়ে এনে অপৰাধৰ স'তে জড়িত সকলৰ বিৰুদ্ধে আইনী প্ৰক্ৰিয়াৰে কঠোৰতম শাস্তি প্ৰদান কৰিবলৈ দাবী জনায়। মানিক আলী আহমেদে সংখ্যালঘু বসতি প্ৰধান অঞ্চলত চলি থকা অবৈধ আৰু অপৰাধজনিত কাম-কাজত উদ্বিগ্নতা প্ৰকাশ কৰি কয় যে এনে ধৰণৰ কাম আমি বন্ধ কৰিব নোৱাৰিলে সমাজত কেতিয়াও শান্তি প্ৰতিষ্ঠা নহ'ব। বিজেপি চৰকাৰক সমালোচনা কৰি তেওঁ আৰু কয় যে প্ৰতিটো দল- সংগঠনে সংখ্যালঘু নিৰীহ লোকক লৈ বিগত দিনত কেৱল ৰাজনীতি কৰি আহিছে। এনে বোকা ছটিওৱাৰ কাৰবাৰ ৰাজনৈতিক দল-সংগঠনে বন্ধ কৰি নিজৰ স্থিতি স্পষ্ট কৰি সমাজখনক শুদ্ধ আৰু নিকা পথলৈ আগবাঢ়ি নিবলৈ আহ্বান জনায়।

## আগমনীত শ্ৰেণী কোঠাতে পিতা-পুত্ৰৰ প্ৰহাৰত আহত শিক্ষক

### ছাত্ৰীক মাৰপিটৰ অভিযোগতে গুৰুলা-গুৰুলকৈ মাৰিলে শিক্ষকজনক


**অগ্ৰদূত বাৰ্তা**

**আগমনী, ৩১ মে' ঃ** আগমনী শিক্ষা খণ্ডৰ অন্তৰ্গত ৭৩২ নম্বৰ ঝাপুছাবাৰী প্ৰাথমিক বিদ্যালয়ৰ 'ক' শ্ৰেণীৰ এগৰাকী ছাত্ৰীক মাৰপিট কৰাৰ অভিযোগত এহাল পিতা-পুত্ৰই শ্ৰেণীকোঠাতে এজন শিক্ষকক গুৰুতৰভাৱে প্ৰহাৰ কৰে। ফলত পংকজ শৰ্মা নামৰ শিক্ষকজন গুৰুতৰভাৱে আহত হয়। এই ঘটনাই সম্প্ৰতি অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। উল্লেখ্য যে শিক্ষকজনক প্ৰহাৰ কৰা ছাত্ৰীগৰাকীৰ পিতৃও আন এখন বিদ্যালয়ৰ প্ৰধান শিক্ষক। এজন প্ৰধান শিক্ষকে অভিযোগৰ সন্দৰ্ভত কোনোধৰণৰ সোধ-পোছ নকৰাকৈ এজন শিক্ষকক মাৰপিট কৰি আহত কৰা ঘটনাই শিক্ষক সমাজকে লজ্জিত কৰাৰ অভিযোগ উঠিছে।

বিদ্যালয়খনৰ সূত্ৰই জনোৱা মতে, লখিমপুৰ জিলাৰ পৰা শিক্ষকৰূপে নিযুক্তি লাভৰ পাছৰে পৰা শৰ্মাই অতি নিষ্ঠাৰে কাম কৰি গৈছে। কালি দুপৰীয়া তৃতীয় পৰ্যায়ৰ গুণোৎসৱৰ প্ৰস্তুতি চলাই থকাৰ সময়তে এই ঘটনা সংগঠিত হয়। বিদ্যালয় সূত্ৰই জনায় যে কালি বিদ্যালয়খনত গুণোৎসৱৰ প্ৰস্তুতিৰ সময়তে বিদ্যালয়ৰ 'ক' শ্ৰেণী ছুটি দিয়াত এগৰাকী শিশু ছাত্ৰীয়ে নিজৰ জ্যেষ্ঠ ভ্ৰাতৃৰ ওপৰৰ শ্ৰেণীত গৈ বহি থাকে আৰু একেলগে যাব বুলি অপেক্ষা কৰে। যিহেতুকে গুণোৎসৱৰ প্ৰস্তুতি চলিছে, সেয়ে শিক্ষক শৰ্মাই শিশু ছাত্ৰীগৰাকীক সেই শ্ৰেণীৰ পৰা উলিয়াই আনে। এই সমগ্ৰ ঘটনাটোকে কোনোবাই অতিৰঞ্জিত কৰি ছাত্ৰীগৰাকীক মাৰপিট কৰা বুলি আন এজন জ্যেষ্ঠ ভ্ৰাতৃ ৰাজু আলীক খবৰ দিয়ে। ৰাজুৱে খবৰ পাই কোনো ধৰণৰ সোধ-পোছ নকৰাকৈ বিদ্যালয়ত উপস্থিত হৈ শ্ৰেণীকোঠাতে শিক্ষক শৰ্মাক মাৰপিট কৰি আহত কৰে। ইয়াতে ক্ষান্ত নাথাকি ৰাজুৱে নিজৰ প্ৰধান শিক্ষক পিতৃ ছাইদুল আলী সৰকাৰক খবৰ দিয়ে। সৰকাৰেও বিদ্যালয়খনত উপস্থিত হৈ পুনৰ শিক্ষক শৰ্মাক প্ৰহাৰ কৰিবলৈ লয়। তেতিয়াই বিদ্যালয়খনৰ প্ৰধান শিক্ষক হুছেইন আলী আৰু চিআৰচিচি তফাজ্জুল হকে শিক্ষক শৰ্মাক আক্ৰমণকাৰী পিতা-পুত্ৰৰ পৰা ৰক্ষা কৰে বুলি আহত শিক্ষকজনে জানিবলৈ দিয়ে। আনহাতে, শিক্ষকজনক উদ্ধাৰ কৰি প্ৰধান শিক্ষক হুছেইনে আগমনী আৰক্ষীক খবৰ দিয়ে। আৰক্ষীৰ দল এটা আহি আক্ৰমণকাৰী ৰাজুক আটক কৰে। এই ঘটনাক অঞ্চলটোৰ শিক্ষক সমাজৰ লগতে সচেতন ৰাইজেও গৰিহণা দিছে আৰু অভিযুক্ত ৰাজুৰ লগতে প্ৰধান শিক্ষক পিতৃক দৃষ্টান্তমূলক শাস্তি প্ৰদানৰ বাবে আগমনী আঞ্চলিক কৰ্মচাৰী পৰিষদ আৰু আগমনীৰ শিক্ষক সংগঠনসমূহেও দাবী জনাইছে। উল্লেখ্য যে অভিযুক্ত সৰকাৰ হৈছে ১৮৮ নম্বৰ ঝাকুৱাটাৰী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক।

## জাৰ্মানীত ৪৯ বছৰৰ সৰ্বাধিক হ'ল মুদ্ৰাস্ফীতিৰ হাৰ

**নিউজ ব্যুৰ', বাৰ্লিন, ৩১ মে' ঃ** ইন্ধন আৰু খাদ্য সামগ্ৰীৰ আকাশলংঘী মূল্যবৃদ্ধিৰ ফলত জাৰ্মানীত মুদ্ৰাস্ফীতিয়ে নতুন অভিলেখ ৰচিলে। সম্প্ৰতি জাৰ্মানীত মুদ্ৰাস্ফীতিৰ হাৰ বিগত ৪৯ বছৰৰ সৰ্বোচ্চ হৈছে। স্মৰ্তব্য যে ইয়াৰ পূৰ্বে জাৰ্মানীত তৈল সংকটৰ ফলত ১৯৭৩-৭৪ বৰ্ষত মুদ্ৰাস্ফীতিয়ে সৰ্বোচ্চ সীমাত আৰোহণ কৰিছিল। ঘেঁহুৰ যোগান হ্ৰাস আৰু গোলকীয় খাদ্য সংকটৰ আশংকাৰ মাজতে জাৰ্মানীত খাদ্য সামগ্ৰীৰ মূল্য ১১.১ শতাংশ বৃদ্ধি পাইছে। ৰাছিয়া আৰু ইউক্ৰেইনৰ যুদ্ধৰ মাজতে জাৰ্মানীত ইন্ধনৰ মূল্য ৩৮.৩ শতাংশ বৃদ্ধি পালে। উল্লেখ্য যে ক'ভিড-১৯ৰ আগমনৰ পাছৰে পৰা জাৰ্মানীত ধাৰাবাহিক মূল্যবৃদ্ধি অব্যাহত আছে। দেশখনত যোৱা এপ্ৰিলত আমদানি ব্যয় ৩১.৭ শতাংশ বৃদ্ধি পাইছিল। প্ৰাকৃতিক গেছৰ মূল্য বাৰ্ষিক আধাৰত ৩০০ শতাংশৰ অধিক হোৱাৰ লগতে খাদ্যৱা তেলৰ মূল্য ৭৭.৫ শতাংশ বৃদ্ধি পাইছে।



## জল্পনাই সত্য, দুই জুনত বিজেপিত যোগদান কৰিব হাৰ্দিক পেটেলে

**নিউজ ব্যুৰ', আহমেদাবাদ, ৩১ মে' ঃ** গুজৰাটৰ কংগ্ৰেছৰ প্ৰাক্তন নেতা তথা পাতিদাৰ নেতা হাৰ্দিক পেটেলে অচিৰে বিজেপিত যোগদান কৰিব। ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ স'তে হোৱা এক সাক্ষাৎকাৰত আজি পাতিদাৰ নেতাজনে স্পষ্টভাৱে কয় যে অহা দুই জুনত তেওঁ বিজেপিত আনুষ্ঠানিকভাৱে যোগদান কৰিব। উল্লেখ্য যে যোৱা ১৮ মে'ত হাৰ্দিকে কংগ্ৰেছ ত্যাগ কৰিছিল। গুজৰাটত বিধানসভাৰ নিৰ্বাচনৰ পূৰ্বে হাৰ্দিকৰ কংগ্ৰেছ ত্যাগ আৰু বিজেপিত যোগদান তাৎপৰ্যপূৰ্ণ বিবেচিত হৈছে। হাৰ্দিকে বিজেপিত যোগদান কৰিব বুলি জল্পনা-কল্পনা অব্যাহত আছিল যদিও পাতিদাৰ নেতাজনে



এতিয়াই বিজেপিত যোগদানৰ সিদ্ধান্ত লোৱা নাই বুলি পূৰ্বে দাবী কৰিছিল। কিন্তু আজি সংবাদ প্ৰতিষ্ঠান এ এন আইৰ আগত হাৰ্দিকে প্ৰকাশ কৰা অনুসৰি অহা দুই জুনত তেওঁ বিজেপিৰ সদস্যপদ গ্ৰহণ কৰিব।

### ৰুবলত মূল্য আদায় দিবলৈ অস্বীকাৰ কৰাত নেদাৰলেণ্ডছলৈ গেছৰ যোগান বন্ধ ৰখাৰ সিদ্ধান্ত ল'লে ৰাছিয়াই

# ৰাছিয়াৰ পৰা তেলৰ আমদানি দুই তৃতীয়াংশ কৰ্তনৰ সিদ্ধান্ত ই ইউৰ

**নিউজ ব্যুৰ' কীভ, ৩১ মে' ঃ** ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত অব্যাহত থকা যুদ্ধৰ ৯৬ দিন অতিবাহিত হ'ল। ইয়াৰ মাজতে ইউৰোপীয় সংঘ (ই ইউ)ই ৰাছিয়াৰ পৰা তেলৰ আমদানি দুই তৃতীয়াংশ কৰ্তনৰ সিদ্ধান্ত ল'লে। ই ইউৰ সভাপতি চাৰ্লছ মিছেলে এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি ই ইউৰ সদস্যৰ ৰাষ্ট্ৰসমূহে ৰাছিয়াৰ পৰা তেলৰ আমদানি দুই তৃতীয়াংশ হ্ৰাস কৰাৰ প্ৰস্তাৱক অনুমোদন জনালে। ৰাছিয়াই ইউক্ৰেইনক আক্ৰমণ কৰাৰ কাৰণত দেশখনক এসেকা দিবলৈ ই ইউৰ সদস্য ৰাষ্ট্ৰই এই সিদ্ধান্ত গ্ৰহণ কৰিছে। ই ইউৰ মতে, তেল ক্ৰয়ৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপৰ ফলত ৰাছিয়াই ইউক্ৰেইনৰ বিৰুদ্ধে অব্যাহত ৰখা যুদ্ধখন শীঘ্ৰে সমাপ্ত কৰিবলৈ বাধ্য হ'ব। ইফালে,





ৰাছিয়াই নেদাৰলেণ্ডছলৈ গেছৰ যোগান বন্ধ ৰখাৰ সিদ্ধান্ত ল'লে। নেদাৰলেণ্ডৰ গেছতেৰা নামৰ গেছ প্ৰতিষ্ঠানটোৱে ৰাছিয়াৰ পৰা ক্ৰয় কৰা গেছৰ বিনিময়ত ৰুবলত মূল্য আদায় দিবলৈ অস্বীকাৰ কৰাত মস্কোৱে দেশখনলৈ গেছৰ ৰপ্তানি বন্ধ ৰাখিবলৈ সিদ্ধান্ত ল'লে। উল্লেখ্য যে নেদাৰলেণ্ডছে ইন্ধনৰ ক্ষেত্ৰত ৪৪ শতাংশ গেছত নিৰ্ভৰ কৰি আহিছে। অৱশ্যে নেদাৰলেণ্ডছে প্ৰয়োজনতকৈ ১৫ শতাংশ অধিক গেছ ৰাছিয়াৰ পৰা আমদানি কৰি আহিছে।

## লক্ষাধিক গুণমুগ্ধৰ উপস্থিতিত অন্তিম সংকাৰ সম্পন্ন গায়ক মুছেৱালাৰ




**নিউজ ব্যুৰ', চণ্ডীগড়, ৩১ মে' ঃ** পঞ্জাৱৰ জনপ্ৰিয় সংগীতশিল্পী সিদ্ধু মুছেৱালাৰ অন্তিম সংকাৰ আজি পৈতৃক গাঁও মুছাত সম্পন্ন কৰা হ'ল। সন্ত্ৰাসবাদীৰ গুলিত প্ৰাণ বিসৰ্জন দিয়া সংগীতশিল্পীজনৰ অন্তিম যাত্ৰাত অংশ ল'লে লক্ষাধিক গুণমুগ্ধই। মুছেৱালাৰ অন্তিম সংকাৰ অনুষ্ঠানৰ বাবে আৰক্ষীয়ে বিশেষ নিৰাপত্তাৰ ব্যৱস্থা কৰিছিল। অন্তিম যাত্ৰাৰ সময়ত সংগীতশিল্পীজনৰ গুণমুগ্ধই 'মুছেৱালা অমৰ ৰহে' শ্ল'গান দিয়ে। মুছেৱালাৰ অন্তিম যাত্ৰাত অংশ লৈ তেওঁৰ পিতৃ বলকৌৰ সিঙে কান্দোনত ভাঙি পৰে আৰু মূৰৰ পাগুৰি খুলি তেওঁৰ পুত্ৰৰ হত্যাৰ সন্দৰ্ভত ন্যায় বিচাৰে। পাছত নিৰ্দিষ্ট বিধি পালনৰে পুত্ৰৰ মুখাগ্নি কৰে পিতৃ সিঙে।



## মুক্তিযুদ্ধৰ সময়ত পাকিস্তানৰ পক্ষ লোৱা তিনি জামাত নেতাক ফাঁচিৰ ৰায় বাংলাদেশত

**নিউজ ব্যুৰ' ঢাকা, ৩১ মে' ঃ** ১৯৭১ বৰ্ষত বাংলাদেশৰ মুক্তিযুদ্ধৰ সময়ত অমানৱিক নৃশংস অপৰাধৰ গোচৰত দেশৰ উত্তৰ জনপদ জিলা নওগাঁৰ তিনিজন ৰাজাকাৰক মৃত্যুদণ্ডৰ ৰায় দিলে আন্তৰ্জাতিক অপৰাধ ট্ৰাইবুনেলৰ ন্যায়াধীশে। ৰেজাউল কৰিম মন্তৰ লগতে মহম্মদ ছাহিদ মণ্ডল আৰু মহম্মদ নুৰুল ইছলামক আদালতে মুক্তিযুদ্ধৰ সময়ত পাকিস্তানৰ হৈ নিৰ্যাতন চলোৱাৰ গোচৰত দোষী সাব্যস্ত কৰি ফাঁচিৰ ৰায় দিলে।


## দিল্লীত প্ৰচণ্ড ধুমুহাত দুজন লোকৰ মৃত্যু



**নিউজ ব্যুৰ', নতুন দিল্লী, ৩১ মে' ঃ** কালি বিয়লি বেলা ৰাজধানী দিল্লীত ঘণ্টাত এশ কিলোমিটাৰ বেগী ধুমুহাই তাণ্ডৱ সৃষ্টি কৰিলে। প্ৰচণ্ড ধুমুহাৰ লগতে প্ৰবল বৃষ্টিপাতৰ ফলত ৰাজধানী চহৰখনত দুজন লোকৰ মৃত্যু হয়। দিল্লীৰ বিভিন্ন অঞ্চলত ধুমুহাৰ ফলত বৃহৎ গছ বাগৰি পৰাৰ ঘটনাত যথেষ্ট সংখ্যক মূল্যবান সা-সম্পত্তিৰ ক্ষতিসাধন হয়। এনে ঘটনাত কে'বাজনো লোক গুৰুতৰভাৱে আহত হৈছে। বৃহৎ গছ উভালি পৰাৰ ঘটনাত পথ আৰু বিমান যাতায়াত ব্যৱস্থা ব্যাহত হোৱাৰ লগতে ঐতিহাসিক জামা মছজিদসহ কে'বাটাও ভৱন আৰু যানবাহনৰ ক্ষতিসাধন হয়। প্ৰবল বৃষ্টিপাতে ৰাজধানী চহৰখনৰ বহু বাট-পথ জলবদ্ধ কৰি ৰাখে।

## মুছেৱালাৰ হত্যাৰ পাছত গায়ক মিকাৰ নিৰাপত্তা বৃদ্ধি

**নিউজ ব্যুৰ', যোধপুৰ, ৩১ মে' ঃ** জনপ্ৰিয় পাঞ্জাৱী গায়ক সিদ্ধু মুছেৱালাৰ হত্যাৰ পাছত যোধপুৰত সংগীতশিল্পী মিকা সিঙৰ নিৰাপত্তা বৃদ্ধি কৰিলে আৰক্ষীয়ে। উল্লেখ্য যে বিগত কিছুদিন ধৰি পঞ্জাৱৰ এইজন সংগীত শিল্পীয়ে ৰাজস্থানৰ যোধপুৰত ৰিয়েলিটী শ্ব'ৰ দৃশ্যগ্ৰহণত ব্যস্ত আছে। যোধপুৰৰ আৰক্ষী আয়ুক্তই মিকাৰ নিৰাপত্তাৰ বাবে আৰক্ষীক প্ৰয়োজনীয় ব্যৱস্থা ল'বলৈ নিৰ্দেশ দিছে। যোৱা নিশাৰে পৰা যোধপুৰত মিকাই বাহৰ পতা হোটেলত ৫০ জন জোৱানক নিৰাপত্তাৰ বাবে নিয়োগ কৰা হৈছে। ড্ৰ'নৰ জৰিয়তেও হোটেলৰ আশে-পাশে আৰক্ষীয়ে নিৰীক্ষণ অব্যাহত ৰাখিছে। অহা সাত জুনলৈকে মিকা যোধপুৰত থাকিব।



## এইবাৰ কাশ্মীৰত হিন্দু শিক্ষয়িত্ৰীক গুলিয়াই হত্যা সন্ত্ৰাসবাদীৰ

**নিউজ ব্যুৰ' শ্ৰীনগৰ, ৩১ মে' ঃ** আজি জম্মু-কাশ্মীৰত সন্ত্ৰাসবাদীৰ গুলিত প্ৰাণ হেৰুৱালে এগৰাকী মহিলা কাশ্মীৰী পণ্ডিতে। দক্ষিণ কাশ্মীৰৰ কুলগাঁও জিলাৰ গোপালপৰা অঞ্চলত এই ঘটনা সংঘটিত হ'ল। প্ৰকাশিত বাতৰি অনুসৰি নিহত মহিলাগৰাকী জম্মুৰ ছাম্বাৰ বাসিন্দা আছিল আৰু তেওঁ এখন বিদ্যালয়ত শিক্ষকতা কৰিছিল। ৰজনীবালা নামৰ শিক্ষয়িত্ৰীগৰাকীক আজি সন্ত্ৰাসবাদীয়ে বিদ্যালয়তে মূৰত গুলিয়াই আক্ৰমণ কৰে আৰু লগে লগে তেওঁক চিকিৎসালয়লৈ নিয়া হৈছিল যদিও চিকিৎসকে তেওঁক মৃত ঘোষণা কৰে। সন্ত্ৰাসবাদীৰ এই বৰ্বৰ আক্ৰমণ প্ৰত্যক্ষ কৰি বিদ্যালয়ৰ কে'বাগৰাকীও শিক্ষাৰ্থী সংজ্ঞাহীন হৈ পৰে। আক্ৰমণ সংঘটিত কৰিয়ে সন্ত্ৰাসবাদীয়ে ঘটনাস্থলীৰ পৰা পলায়ন কৰে।



## হঠাৎ কংগ্ৰেছক ডুবন্ত নাও আখ্যা দিলে প্ৰশান্ত কিশোৰে, কিন্তু কিয় ?

**নিউজ ব্যুৰ', হাজীপুৰ, ৩১ মে' ঃ** নিৰ্বাচন ৰণনীতিজ্ঞ প্ৰশান্ত কিশোৰে বিহাৰৰ হাজীপুৰত কংগ্ৰেছ দলক কটাক্ষ কৰি দলটো 'ডুবন্ত নাও' বুলি অভিহিত কৰিলে। কিশোৰে লগতে কয় যে এই দলটোৰ কাৰণতে তেওঁৰো লোকচান হৈছে। ইয়াৰ পাছতে হাতজোৰ কৰি কিশোৰে কয় যে ভৱিষ্যতে কেতিয়াও কংগ্ৰেছৰ স'তে কাম নকৰে বুলি তেওঁ ইতিমধ্যে সিদ্ধান্ত লৈছে। কংগ্ৰেছ দলৰ স'তে কাম কৰিবলৈ যোৱাৰ পৰিণতিত নিজৰ ভাবমূৰ্তি নষ্ট হোৱা বুলি




নিৰ্বাচন ৰণনীতিজ্ঞজনে দাবী কৰে। ভাষণ প্ৰসংগত কিশোৰে কয়, 'এই দলটো নিজে কেতিয়াও সলনি নহয় আৰু আমাক ডুবাব বিচাৰে। কংগ্ৰেছৰ প্ৰতি মোৰ সন্মান আছিল, কিন্তু বৰ্তমানৰ কংগ্ৰেছৰ অৱস্থা দেখিলে বেয়া লাগে। ২০১১ৰ পৰা ২০২১ৰ সময়ছোৱাত মই ১১ বাৰ নিৰ্বাচনৰ স'তে জড়িত হৈছিলো আৰু এবাৰহে পৰাজিত হৈছিলো। তেতিয়াই মই সিদ্ধান্ত লৈছিলো যে এনে দলৰ স'তে ভৱিষ্যতে কাম নকৰো। অৱশ্যে পৰাজয়ৰ জৰিয়তে মই বহু কথা শিকাৰ সুযোগ লাভ কৰিছিলো।'

## ১২৫ কিলো ওজনৰ দলীয় নেতাক মুখ্যমন্ত্ৰী মমতাৰ প্ৰশ্ন ঃ আপোনাৰ 'মধ্যপ্ৰদেশ' ইমান ডাঙৰ কিয় ?

**নিউজ ব্যুৰ', কলকাতা, ৩১ মে' ঃ** পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীৰ শেহতীয়া এটি ভিডিঅ' সামাজিক মাধ্যমত ভাইৰেল হৈছে। এই ভিডিঅ'ত নগৰ পালিকাৰ সদস্য সুৰেশ আগৰৱালৰ 'প্ৰকাণ্ড উদৰ'ক লৈ প্ৰশ্ন উত্থাপন কৰিলে মুখ্যমন্ত্ৰীগৰাকীয়ে। মমতাই আগৰৱালৰ পেটলৈ আঙুলিয়াই কয় যে আপোনাৰ 'মধ্যপ্ৰদেশ' ইমান ডাঙৰ কিয় ? মমতাৰ মুখত এই কথা শুনাৰ লগে লগে সকলোৱে হাঁহিবলৈ ধৰে। দৰাচলতে উক্ত অনুষ্ঠানত উপস্থিত থকা আগৰৱালে কিছু কথা ক'বলৈ থিয় হৈছিল। আগৰৱালৰ পেটৰ আকাৰ যথেষ্ট ডাঙৰ আছিল আৰু এই প্ৰকাণ্ড উদৰ প্ৰত্যক্ষ কৰি মমতাই কয়, 'আপোনাৰ 'মধ্যপ্ৰদেশ' ইমান ডাঙৰ কেনেকৈ হ'ল ? যিদৰে আপোনাৰ পেটৰ আকাৰ বৃদ্ধি পাইছে, আপুনি যিকোনো দিনতে বাগৰি পৰিব।' যিহেতু মানুহৰ পেট শৰীৰৰ মধ্যমভাগত থাকে, তেন্তে সেয়েহে মুখ্যমন্ত্ৰী মমতাই মধ্যপ্ৰদেশৰ স'তে আগৰৱালৰ পেটৰ তুলনা কৰিলে। মমতাৰ প্ৰশ্নত কিছু অস্বস্তিবোধ কৰিলেও হাঁহি হাঁহি আগৰৱালে উত্তৰ দি কয়, 'মই



সদায় ৯০ মিনিট ব্যায়াম কৰো। কিন্তু ইয়াৰ লগতে সদায় পুৰা পকড়ি খাওঁ। মই পকড়ি খাবলৈ ভাল পাওঁ।' তেতিয়া মমতাই কয়, 'সদায় পকড়ি খালে আপোনাৰ ওজন কেতিয়াও কম নহ'ব।' আগৰৱালে মুখ্যমন্ত্ৰীক লগতে কয় যে তেওঁৰ শৰীৰৰ ওজন ১২৫ কিলো যদিও আজিলৈকে উচ্চ ৰক্তচাপ আৰু মধুমেহত তেওঁ আক্ৰান্ত হোৱা নাই। তেতিয়া মমতাই পৰামৰ্শ দি কয় যে আগৰৱালে কেৱল শুদা ভাত খোৱাৰ অভ্যাস কৰা উচিত।



## কাশ্মীৰত সংঘৰ্ষত নিহত দুই সন্ত্ৰাসবাদী

**নিউজ ব্যুৰ' শ্ৰীনগৰ, ৩১ মে' ঃ** নিৰাপত্তা বাহিনীৰ স'তে হোৱা এক সংঘৰ্ষত প্ৰাণ হেৰুৱালে কাশ্মীৰৰ দুই কুখ্যাত সন্ত্ৰাসবাদীয়ে। নিহত সন্ত্ৰাসবাদীৰ মাজত এজন সন্ত্ৰাসবাদীয়ে কিছুদিন পূৰ্বে কাশ্মীৰত দুজন নিৰীহ নাগৰিকক হত্যা কৰিছিল। আজি পুৱতি নিশা জম্মু-কাশ্মীৰৰ অৱন্তিপুৰাত কাশ্মীৰ আৰক্ষী আৰু ভাৰতীয় সেনাই চলোৱা যৌথ অভিযানত দুই সন্ত্ৰাসবাদী ধৰাশায়ী হয়। নিহত সন্ত্ৰাসবাদী দুজনৰ নাম হৈছে ছাহিদ ৰাথ আৰু উমৰ ইউছুফ। সন্ত্ৰাসবাদী দুজনৰ পৰা দুটা এ কে ৪৭ ৰাইফল আৰু যথেষ্ট পৰিমাণৰ কাৰ্টুজ জব্দ কৰা হৈছে।

## সত্যেন্দ্ৰ জৈনৰ গ্ৰেপ্তাৰক লৈ প্ৰতিক্ৰিয়া কেজৰিৱালৰ, হাৱালাত অভিযুক্ত মন্ত্ৰীক নিৰ্দোষী দাবী

**নিউজ ব্যুৰ', নতুন দিল্লী, ৩১ মে' ঃ** দিল্লীৰ স্বাস্থ্যমন্ত্ৰী সত্যেন্দ্ৰ জৈনক প্ৰৱৰ্তক সঞ্চালকালয় (ই ডি)-এ হাৱালা গোচৰত গ্ৰেপ্তাৰ কৰা ঘটনাত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে দিল্লীৰ মুখ্যমন্ত্ৰী তথা আম আদমী পাৰ্টিৰ মুৰব্বী অৰবিন্দ কেজৰিৱালে। জৈনৰ গ্ৰেপ্তাৰক ৰাজনৈতিক ষড়যন্ত্ৰত অভিহিত কৰিলে দিল্লীৰ মুখ্যমন্ত্ৰীয়ে। কেজৰিৱালে আজি কয় যে মন্ত্ৰী জৈন সম্পূৰ্ণৰূপে নিৰ্দোষী আৰু আম আদমী পাৰ্টিয়ে ন্যায় পালিকাত সম্পূৰ্ণ ভৰসা কৰে। 'মই




ব্যক্তিগতভাৱে সত্যেন্দ্ৰ জৈনক ই ডিয়ে গ্ৰেপ্তাৰ কৰাৰ বিষয়টো বিশ্লেষণ কৰিছো। এয়া সম্পূৰ্ণৰূপে এক ষড়যন্ত্ৰ। আমি ভ্ৰষ্টাচাৰ নকৰো আৰু ভ্ৰষ্টাচাৰক সহ্যও নকৰো। আমাৰ চৰকাৰ সম্পূৰ্ণৰূপে নিকা। আমি ন্যায়পালিকাত বিশ্বাসী।' কেজৰিৱালে আজি এইদৰে কয়। উল্লেখ্য যে ই ডিয়ে কালি দিল্লীৰ স্বাস্থ্যমন্ত্ৰী তথা আম আদমী পাৰ্টিৰ নেতা জৈনক অবৈধ ধন সৰবৰাহৰ এক গোচৰত গ্ৰেপ্তাৰ কৰিছিল। পি এম এল এ আইনৰ ধাৰাৰ অধীনত কলকাতাৰ এটা কোম্পানীৰ স'তে হাৱালা লেনদেনৰ গোচৰত কেন্দ্ৰীয় তদন্তকাৰী সংস্থাটোৱে জৈনক কালি জিম্মাত লৈছিল।

## আৰ্থিক সংকটত জৰ্জৰিত শ্ৰীলংকাক ৭০ কোটি ডলাৰৰ সাহায্য দিব বিশ্ববেংকে

**নিউজ ব্যুৰ', কলম্বো, ৩১ মে' ঃ** ভয়াৱহ বিত্তীয় সংকটৰ সন্মুখীন হোৱা শ্ৰীলংকাত ৭০ কোটি মাৰ্কিন ডলাৰৰ বিত্তীয় সাহায্য প্ৰদানৰ সিদ্ধান্ত ল'লে বিশ্ববেংকে। স্বাধীনতাৰ পাছত সৰ্ববৃহৎ বিত্তীয় সংকটৰ সন্মুখীন হৈ কাৰ্যত দেউলীয়া হৈছে শ্ৰীলংকা। এনে পৰিস্থিতিত দেশখনত ইন্ধনৰ লগতে দৰৱ আৰু খাদ্য দ্ৰব্যৰ সংকটে দেখা দিছে। বিদেশী মুদ্ৰা ভাণ্ডাৰ অতি সীমিত হোৱাৰ ফলত শ্ৰীলংকাই বিদেশৰ পৰা অত্যাৱশ্যকীয় সামগ্ৰীৰ আমদানিত বাধাগ্ৰস্ত হৈছে। তদুপৰি দেশখনৰ ওপৰত আছে ঋণৰ এক বৃহৎ বোজা। তেনে পৰিস্থিতিতে শ্ৰীলংকাক সকাহ দিবলৈ আগবাঢ়ি আহিল বিশ্ববেংক। যোৱা সপ্তাহত শ্ৰীলংকাৰ বৈদেশিক মন্ত্ৰী জয় এল পেইৰিছৰ স'তে বিশ্ববেংকৰ কাণ্ট্ৰি প্ৰৱন্ধক চি অ' কান্দাই সাক্ষাৎ কৰি দেশখনত ৭০ কোটি মাৰ্কিন ডলাৰৰ সাহায্য প্ৰদানৰ প্ৰতিশ্ৰুতি দিছিল।




## ৰাজ্যসভাৰ প্ৰাৰ্থী তালিকাক লৈ কংগ্ৰেছত তীব্ৰ অসন্তুষ্টি, দলত থাকিব নে নবী ?



**নিউজ ব্যুৰ', নতুন দিল্লী, ৩১ মে' ঃ** অহা ১০ জুনত ৰাজ্যসভাৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। ইতিমধ্যে কংগ্ৰেছে এই নিৰ্বাচনৰ বাবে ঘোষণা কৰা প্ৰাৰ্থীৰ তালিকাক লৈ দলত তীব্ৰ অসন্তুষ্টিয়ে দেখা দিছে। কংগ্ৰেছৰ জ্যেষ্ঠ নেতা গোলাম নবী আজাদক দলে ৰাজস্থান বা চত্তিছগড়ৰ পৰা টিকট দিব বুলি আশা কৰা হৈছিল। কিন্তু টিকট লাভ নকৰিলে আজাদে। একেদৰে কংগ্ৰেছৰ আন এজন জ্যেষ্ঠ নেতা আনন্দ শৰ্মায়ো দলৰ ঘোষিত প্ৰাৰ্থীৰ তালিকাত স্থান লাভ নকৰিলে। কংগ্ৰেছত প্ৰাৰ্থিত্ব লাভৰ পৰা বঞ্চিত হোৱা এই দুই নেতাই কংগ্ৰেছ ত্যাগ কৰিব পাৰে বুলিও ৰাষ্ট্ৰীয় সংবাদ মাধ্যমত বাতৰি প্ৰকাশ পাইছে। আজাদ আৰু শৰ্মাক কংগ্ৰেছৰ সভানেত্ৰী ছোনিয়া গান্ধীয়ে দলত ধৰি ৰাখিব পাৰিব নে বুলিও প্ৰশ্ন উত্থাপিত হৈছে। কংগ্ৰেছৰ এক সূত্ৰই প্ৰকাশ কৰা অনুসৰি দলে জম্মু-কাশ্মীৰৰ বিধানসভাৰ নিৰ্বাচনত আজাদক মুখ্যমন্ত্ৰী হিচাপে প্ৰক্ষেপ কৰিব। পূৰ্বেও আজাদ কাশ্মীৰৰ মুখ্যমন্ত্ৰী আছিল। অৱশ্যে আন এক সূত্ৰই দাবী কৰা অনুসৰি গান্ধী পৰিয়ালৰ বিৰুদ্ধে আজাদৰ নেতৃত্বতে বিসম্বাদীৰ বৈঠক অনুষ্ঠিত কৰাৰ প্ৰতিশোধ ল'লে ছোনিয়াই। এই কাৰণতে আজাদ টিকটৰ পৰা বঞ্চিত হ'ল।


## দেশত ২৪ ঘণ্টাত হ্ৰাস পালে দৈনিক সংক্ৰমণ, মৃত্যুৰ সংখ্যাও কমিল

**নিউজ ব্যুৰ', নতুন দিল্লী, ৩১ মে' ঃ** একেৰাহে সাতদিন ধৰি ভাৰতত ক'ভিডত দৈনিক আক্ৰান্তৰ সংখ্যা দুহেজাৰৰ উৰ্ধ্বত আছে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত দেশত ক'ভিডত আক্ৰান্তৰ সংখ্যা ২,৩৩৮ জনলৈ হ্ৰাস পালে। সোমবাৰে এই সংখ্যা আছিল ২,৭০৬ জন। আনহাতে, যোৱা ২৪ ঘণ্টাত ভাৰতৰ বিভিন্ন ৰাজ্যৰ পুনৰ ১৯ জন ক'ভিড ৰোগীৰ মৃত্যু হ'ল। কেৰালাত দেশৰ ভিতৰতে সৰ্বাধিক ১৭ জন ক'ভিড ৰোগীয়ে বিগত এদিনত প্ৰাণ হেৰুৱালে। সোমবাৰে দেশত ক'ভিডত মৃতকৰ সংখ্যা আছিল ২৫ জন। যোৱা ২৪ ঘণ্টাত কেৰালাত ৮১৫ জন, মহাৰাষ্ট্ৰত ৪৩১ জন, দিল্লীত ২১২ জন আৰু হাৰিয়ানাত ১৭৪ জন লোক ক'ভিডত সংক্ৰমিত হ'ল।



## পুটিনৰ আয়ুস আছে মাত্ৰ তিনি বছৰ, খবৰ অস্বীকাৰ ৰুছ বৈদেশিক মন্ত্ৰীৰ


**নিউজ ব্যুৰ', মস্কো, ৩১ মে' ঃ** ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিন গুৰুতৰ অসুস্থ। দিনক দিনে শাৰীৰিক অৱস্থাৰ দ্ৰুত অৱনতি ঘটিছে ৰুছ ৰাষ্ট্ৰপতিৰ। ৰাছিয়াৰ গুপ্তচৰ সংস্থা এফ এছ বিৰ সূত্ৰত এই খবৰ অলপতে প্ৰকাশ পাইছিল। এই সূত্ৰৰ উদ্ধৃতিৰে 'দ্য মিৰৰ'ত প্ৰকাশিত বাতৰি দাবী কৰা অনুসৰি চিকিৎসকৰ মতে কৰ্কটত আক্ৰান্ত পুটিন আৰু মাত্ৰ তিনি বছৰহে জীয়াই থাকিব। পুটিনৰ দৃষ্টিশক্তি ক্ৰমশঃ হ্ৰাস পাবলৈ ধৰিছে আৰু তেওঁৰ হাত-ভৰি প্ৰায়ে কঁপে। স্বাভাৱিকতে এই খবৰ প্ৰকাশ্য হোৱাত বিশ্বজুৰি চাঞ্চল্যৰ সৃষ্টি হৈছে। কিছুদিন পূৰ্বে ৰুছ ৰাষ্ট্ৰপতি এক গুৰুতৰ কৰ্কট ৰোগত আক্ৰান্ত হোৱা বুলি বাতৰি প্ৰকাশ পাইছিল। এইবাৰ আন্তৰ্জাতিক সংবাদ মাধ্যমে দাবী কৰা অনুসৰি পুটিনৰ আয়ুস কমি আহিছে আৰু তেওঁ মাত্ৰ তিনি বছৰহে জীৱিত থকাৰ সম্ভাৱনা আছে। অৱশ্যে এই খবৰৰ সত্যতা অস্বীকাৰ কৰিলে



ৰাছিয়াৰ বৈদেশিক মন্ত্ৰী ছাৰ্গেই লাভৰ'ভে। এই বাতৰিক 'পাগলৰ প্ৰলাপ' বুলি অভিহিত কৰিলে লাভৰ'ভে। ফ্ৰান্সৰ এটা টিভি চেনেলৰ সাক্ষাৎকাৰত লাভৰ'ভে কয় যে পুটিনে প্ৰতিদিনে ৰাজহুৱা আত্মপ্ৰকাশ কৰি আহিছে আৰু ইয়াৰ পৰাই প্ৰমাণ হয় যে তেওঁৰ স্বাস্থ্যক লৈ প্ৰচাৰিত বাতৰি ভুৱা। পুটিনৰ শৰীৰত অসুস্থতাৰ কোনো লক্ষণ প্ৰত্যক্ষ হোৱা নাই বুলিও বৈদেশিক মন্ত্ৰীজনে দাবী কৰে।

## চি ইউ ই টি ঃ দিল্লী বিশ্ববিদ্যালয়ৰ বাবে সৰ্বাধিক আবেদন

**নিউজ ব্যুৰ', নতুন দিল্লী, ৩১ মে' ঃ** কমন ইউনিভাৰ্ছিটি এন্ট্ৰেন্স টেষ্ট (চি ইউ ই টি)ৰ বাবে বৰ্তমানলৈকে ৯১৯৪৫৭ জন প্ৰাৰ্থীয়ে নিজৰ নাম পঞ্জীয়ন কৰিছে। আজি স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে অনুষ্ঠিত হ'বলগীয়া চি ইউ ই টি পৰীক্ষাৰ আবেদনৰ অন্তিম দিন আছিল। উল্লেখ্য যে চি ইউ ই টি পৰীক্ষাৰ জৰিয়তে দেশৰ সকলো কেন্দ্ৰীয় বিশ্ববিদ্যালয়সহ একাংশ ৰাজ্যিক আৰু ব্যক্তিগত বিশ্ববিদ্যালয়ৰ স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে প্ৰাৰ্থী বাছনি কৰা হ'ব। স্নাতক পাঠ্যক্ৰমৰ ক্ষেত্ৰত নামভৰ্তিৰ বাবে সৰ্বাধিক সংখ্যক আবেদন লাভ কৰিলে দিল্লী বিশ্ববিদ্যালয়ে।



আনহাতে, বেনাৰস হিন্দু বিশ্ববিদ্যালয় (বি এইচ ইউ)ত নামভৰ্তিৰ বাবে ৩৯,৮২১০ প্ৰাৰ্থীয়ে আবেদন দাখিল কৰিছে। এলাহাবাদ বিশ্ববিদ্যালয়ৰ বাবে ২,৩৯,৫২৭ জন, বাবা চাহেব ভীমৰাও ইউনিভাৰ্ছিটিৰ বাবে ১,৫৮,৫৭৪ জন, আই আই এম টি ইউনিভাৰ্ছিটিৰ বাবে ১,৪৫,৫২০ জন, বি আৰ আম্বেদকাৰ ইউনিভাৰ্ছিটি দিল্লীৰ বাবে ১,৩৫,১৪৯ জন, জামিয়া মিলিয়া ইছলামিয়াৰ বাবে ১,২৬,৩৩৩ জন, ৰাজীৱ গান্ধী বিশ্ববিদ্যালয়ৰ বাবে ১,২২,৪৩৭ জন, হাৰিয়ানা কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ বাবে ৯৬,০২১, জে এন ইউৰ বাবে ৫৮,৭১৫ জন শিক্ষাৰ্থীয়ে আবেদন দাখিল কৰিছে। উত্তৰ প্ৰদেশৰ পৰা সৰ্বাধিক সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে চি ইউ ই টি পৰীক্ষাৰ বাবে আবেদন কৰিছিল। ৭৬ শতাংশ শিক্ষাৰ্থীয়ে এই পৰীক্ষাৰ বাবে ইংৰাজী মাধ্যমক নিৰ্বাচন কৰিছে। আবেদনকাৰীসকলৰ ৪৪.১৬ শতাংশ হৈছে মহিলা। জুলাইৰ দ্বিতীয় সপ্তাহত দেশৰ প্ৰায় ৫৫০ পৰীক্ষাকেন্দ্ৰত চি ইউ ই টি পৰীক্ষা অনুষ্ঠিত কৰা হ'ব।

# অসম লোকসেৱা আয়োগ
# ASSAM PUBLIC SERVICE COMMISSION
Jawaharnagar, Khanapara, Guwahati-781 022

No. 40PSC/CON/Exam-03/2020-2021 Dated Guwahati the 31st May, 2022

## RESULT

The Assam Public Service Commission hereby declares today, the 31st May, 2022, the result of the recruitment to the post of ***Junior Engineer (Civil) under Panchayat and Rural Development Department*** (Advt No. 03/2020 Dtd. 24/06/2020 and P & RD Departments Letter No. PRD-12/73/2019-PRD (B)/617 Dtd. Dispur, the 29th April, 2022), the Screening Test for which was held on 27th December, 2020. The Commission completed the process of selection and recommended the following candidates for the said post on the basis of merit:


**No. of Posts:** 328 Nos. (RPW: 97 Nos.) PWD: 14 (VI: 4, HI: 4, OH: 3, Autism: 3)

**Break-up:** OC: 133 (RPW:40), OBC/MOBC: 83 (RPW: 25), SC: 12 (RPW:4), STP: 37 (RPW:11), STH: 22 (RPW:7), EWS: 33 (RPW:10)

| Position | Roll No. | Name of the candidate | Category | Gender | PWD | Vacancy relating to reservation |
|---|---|---|---|---|---|---|
| 1 | 82073 | PARASH BORA | Male | OBC | | Open Category |
| 2 | 50933 | FIROZ AHMED | Male | GENERAL | | Open Category |
| 3 | 10338 | JAHANGIR MAHTAB CHOUDHURY | Male | GENERAL | | Open Category |
| 4 | 82413 | RITURAJ BORDOLOI | Male | GENERAL | | Open Category |
| 5 | 61084 | HIRAKJYOTI BAYAN | Male | GENERAL | | Open Category |
| 6 | 61108 | IFTIKAR HUSSAIN | Male | GENERAL | | Open Category |
| 7 | 82414 | RITURAJ SAIKIA | Male | OBC | | Open Category |
| 8 | 82941 | SALIM YUSUF HUSSAIN | Male | GENERAL | | Open Category |
| 9 | 20718 | CHANDAN JYOTI DUTTA | Male | GENERAL | | Open Category |
| 10 | 30072 | MOTIUR RAHMAN | Male | GENERAL | | Open Category |
| 11 | 10218 | HUSSAIN AHMED LASKAR | Male | GENERAL | | Open Category |
| 12 | 51288 | JUNEL DIMASONAJ | Male | GENERAL | | Open Category |
| 13 | 82935 | SAJID ZAMAL | Male | GENERAL | | Open Category |
| 14 | 50124 | AKHIL KALITA | Male | GENERAL | | Open Category |
| 15 | 51145 | JACOB RAHMAN | Male | GENERAL | | Open Category |
| 16 | 60193 | ANINNITA DEKA | Female | EWS | | Open Category |
| 17 | 60868 | DIPJYOTI KALITA | Male | GENERAL | | Open Category |
| 18 | 20578 | SHOKEEL MOHAMMAD | Male | GENERAL | | Open Category |
| 19 | 20209 | BHASKAR JYOTI SAIKIA | Male | GENERAL | | Open Category |
| 20 | 10528 | SAIDUL ALAM LASKAR | Male | GENERAL | | Open Category |
| 21 | 30193 | FAKHAR UDDIN CHOWDHURY | Male | GENERAL | | Open Category |
| 22 | 30181 | ENAM UDDIN CHOUDHURY | Male | GENERAL | | Open Category |
| 23 | 10233 | ISHTAQUE MOHAMMED CHOUDHURY | Male | GENERAL | | Open Category |
| 24 | 60294 | JAHIRUL ISLAM | Male | GENERAL | | Open Category |
| 25 | 82755 | SOURAV BANERJEE | Male | GENERAL | | Open Category |
| 26 | 62087 | PARTHA CHOUDHURY | Male | GENERAL | | Open Category |
| 27 | 60297 | ARGHYADEEP DAS | Male | OBC | | Open Category |
| 28 | 60813 | DINA MANI LAHKAR | Male | GENERAL | | Open Category |
| 29 | 20575 | DEBOJIT BORAH | Male | MOBC | | Open Category |
| 30 | 10239 | JAHANGIR PARVEZ BARLASKAR | Male | GENERAL | | Open Category |
| 31 | 82758 | SOUMYA ROY CHOUDHURY | Male | GENERAL | | Open Category |
| 32 | 10349 | JAMIL AHMED MAZUMDER | Male | GENERAL | | Open Category |
| 33 | 82882 | SHAKIL AHMED | Male | GENERAL | | Open Category |
| 34 | 61077 | HITESH DAS | Male | OBC | | Open Category |
| 35 | 30336 | MANISH ROY | Male | GENERAL | | Open Category |
| 36 | 10333 | INJAMUL HOQUE MAZUMDER | Male | GENERAL | | Open Category |
| 37 | 61074 | HIMANGSHU SAHARIAH | Male | GENERAL | | Open Category |
| 38 | 61870 | NAVA DEKA | Male | GENERAL | | Open Category |
| 39 | 20719 | MANASH PRATIM HALOI | Male | EWS | | Open Category |
| 40 | 61288 | JYOTI PRAKASH MAHANTA | Male | GENERAL | | Open Category |
| 41 | 82881 | SHAKEEL AHMED | Male | GENERAL | | Open Category |
| 42 | 60128 | ANHOURI ASHISH PRASAD | Male | GENERAL | | Open Category |
| 43 | 10228 | IBADUR RAHMAN CHOUDHURY | Male | EWS | | Open Category |
| 44 | 50883 | DURLLAV RAJBONGSHI | Male | OBC | | Open Category |
| 45 | 51044 | HIRAK JYOTI DAS | Male | GENERAL | | Open Category |
| 46 | 51458 | KUMUD DAS | Male | GENERAL | | Open Category |
| 47 | 60283 | ARIFUL ISLAM | Male | GENERAL | | Open Category |
| 48 | 50087 | MD KHALIDUL ISLAM | Male | GENERAL | | Open Category |
| 49 | 60078 | ABHISHEK KUMAR LASKAR | Male | GENERAL | | Open Category |
| 50 | 20716 | MANASH PRATIM SARMA | Male | GENERAL | | Open Category |
| 51 | 61114 | IMRAN HUSSAIN | Male | EWS | | Open Category |
| 52 | 60088 | ARINDOM JYOTI KASHYAP | Male | GENERAL | | Open Category |
| 53 | 10323 | IMDADUR RAHMAN LASKAR | Male | GENERAL | | Open Category |
| 54 | 61958 | NILEEM SHARMA | Male | EWS | | Open Category |
| 55 | 61558 | NABAJYOTI SARMA | Male | GENERAL | | Open Category |
| 56 | 21375 | SUDHAM MAZUMDER | Male | GENERAL | | Open Category |
| 57 | 60353 | DHRUBAJYOTI BARUAH | Male | OBC | | Open Category |
| 58 | 21407 | UPAKUL HAZARIKA | Male | OBC | | Open Category |
| 59 | 10327 | IMRAN HUSSAIN MAZUMDAR | Male | GENERAL | | Open Category |
| 60 | 61288 | JYOUTIRMOI SARMA | Male | EWS | | Open Category |
| 61 | 60202 | ANJALI BASUMATARY | Female | STP | | Open Category |
| 62 | 60229 | ANKURJYOTI TALUKDAR | Male | GENERAL | | Open Category |
| 63 | 60549 | BISHAL TALUKDAR | Male | GENERAL | | Open Category |
| 64 | 82649 | SAYANIKA MOCHAHARY | Female | STP | | Open Category |
| 65 | 30385 | MUSTAQUE MOHAMMED LASKAR | Male | GENERAL | | Open Category |
| 66 | 50395 | KALLOLJIT BARMAN | Male | OBC | | Open Category |
| 67 | 60675 | DEBASISH BARMAN | Male | GENERAL | | Open Category |
| 68 | 82928 | UDIPTA P GOSWAMI | Male | GENERAL | | Open Category |
| 69 | 82029 | NURUL ISLAM | Male | GENERAL | | Open Category |
| 70 | 82746 | SHASISH BORAH | Male | GENERAL | | Open Category |
| 71 | 62887 | SHARIF ULLAH MANDAL | Male | GENERAL | | Open Category |
| 72 | 10527 | SAHNAWAJ SARIF | Male | EWS | | Open Category |
| 73 | 21118 | RAJANI SONOWAL | Male | STP | | Open Category |
| 74 | 10228 | IMRAN BARBHUIYA | Male | EWS | | Open Category |
| 75 | 20888 | LATIF ALI | Male | EWS | | Open Category |
| 76 | 61399 | KAUSHIK DAS | Male | GENERAL | | Open Category |
| 77 | 50474 | PARTHA PRATIM BARUAH | Male | OBC | | Open Category |
| 78 | 60276 | APURBA KATAKI | Male | GENERAL | | Open Category |
| 79 | 82413 | RITURAJ PATIR | Male | STP | | Open Category |
| 80 | 10841 | TAHIR AHMED LASKAR | Male | GENERAL | | Open Category |
| 81 | 21120 | RAJDEEP BARUAH | Male | GENERAL | | Open Category |
| 82 | 60304 | ATIQUR RAHMAN | Male | GENERAL | | Open Category |
| 83 | 61020 | HIMANGSHU ROY | Male | OBC | | Open Category |
| 84 | 50692 | SAYED ABU AL MAMUN | Male | EWS | | Open Category |
| 85 | 60062 | ABHILASH GOSWAMI | Male | GENERAL | | Open Category |
| 86 | 62273 | RAJ ALAM AKHTAR | Male | GENERAL | | Open Category |
| 87 | 60116 | AJNUR ALI | Male | OBC | | Open Category |
| 88 | 61267 | JUBINITA DEORI | Female | STP | | Open Category |
| 89 | 60119 | AKASH MONDAL | Male | SC | | Open Category |
| 90 | 10249 | MOHIT ROY | Male | SC | | Open Category |
| 91 | 20026 | ABHINAB CHAKRAVORTY | Male | GENERAL | | Open Category |
| 92 | 60303 | ATIQUR RAHMAN | Male | GENERAL | | Open Category |
| 93 | 40364 | RATAN AICH | Male | OBC | | Open Category |
| 94 | 21288 | SANTANU GOGOI | Male | OBC | | Reserved |
| 95 | 61299 | KAILASH DAS | Male | OBC | | Reserved |
| 96 | 50175 | DHIRAJ NATH | Male | OBC | | Reserved |
| 97 | 50938 | SUNSUMAI BRAHMA | Male | STP | | Reserved |
| 98 | 40026 | ANJAN SAIKIA | Male | OBC | | Reserved |
| 99 | 30166 | DIP JYOTI SAIKIA | Male | OBC | | Reserved |
| 100 | 60752 | DHRUBA JYOTI DEKA | Male | OBC | | Reserved |
| 101 | 82282 | RAJDEEP SENGUPTA | Male | EWS | | Reserved |
| 102 | 20233 | BIDYUT BIKASH BORUAH | Male | MOBC | | Reserved |
| 103 | 10343 | JAHID ISLAM MAZUMDER | Male | EWS | | Reserved |
| 104 | 20247 | BIKASH KUMAR DAS | Male | MOBC | | Reserved |
| 105 | 61294 | JOHN DAS | Male | OBC | | Reserved |
| 106 | 62800 | SUKHEN DAS | Male | EWS | | Reserved |
| 107 | 30108 | BISHAL PAUL | Male | OBC | | Reserved |
| 108 | 40428 | SUNIL SAHU | Male | OBC | | Reserved |
| 109 | 51293 | KABITA BARUAH | Female | OBC | | Open Category |
| 110 | 61615 | MD DILOWAR HUSSAIN | Male | EWS | | Reserved |
| 111 | 51312 | KAMAL DAS | Male | OBC | | Reserved |
| 112 | 30566 | SATYA PRASAD NATH | Male | OBC | | Reserved |
| 113 | 30152 | DIBYA JYOTI DUTTA | Male | OBC | | Reserved |
| 114 | 60196 | DIPANKAR DAS | Male | EWS | | Reserved |
| 115 | 10138 | BISWADEEP NATH | Male | OBC | | Reserved |
| 116 | 40179 | HOMEN DAS | Male | SC | | Reserved |
| 117 | 60519 | BIKASH THAKURIA | Male | OBC | | Reserved |
| 118 | 21288 | SAPON JYOTI KALITA | Male | OBC | | Reserved |
| 119 | 61326 | KANGKAN SARMA | Male | EWS | | Reserved |
| 120 | 61294 | JYOTI PRAKASH BAISHYA | Male | SC | | Reserved |
| 121 | 50003 | ABHIJIT NATH | Male | OBC | | Reserved |
| 122 | 60064 | ABHILASHA DUTTA | Female | GENERAL | | Open Category |
| 123 | 50297 | KALYANI MAZUMDER BASUMATARY | Female | OBC | | Open Category |
| 124 | 50087 | ANUPAM RAY | Male | OBC | | Reserved |
| 125 | 82932 | UDIT SAIKIA | Male | OBC | | Reserved |
| 126 | 20346 | DEBAJEET BORPATRA GOHAIN | Male | OBC | | Reserved |
| 127 | 82946 | SALMAN FAROOQ | Male | OBC | | Reserved |
| 128 | 50085 | ANUP GWRA BASUMATARY | Male | STP | | Reserved |
| 129 | 21036 | PREETOM GOGOI | Male | OBC | | Reserved |
| 130 | 40349 | RAJDEEP KALITA | Male | OBC | | Reserved |
| 131 | 21200 | RITURAJ SAIKIA | Male | OBC | | Reserved |
| 132 | 60028 | RAJU KUMAR SHAW | Male | SC | | Reserved |
| 133 | 63488 | RUPJYOTI NATH | Male | OBC | | Reserved |
| 134 | 30479 | RAHUL CHAUHAN | Male | OBC | | Reserved |
| 135 | 30133 | DEBASISH BORAH | Male | OBC | | Reserved |
| 136 | 10283 | JAHID HUSSAIN | Male | EWS | | Reserved |
| 137 | 50089 | SAURAV MUKHERJEE | Male | EWS | | Reserved |
| 138 | 50369 | MEHBUB RAHMAN | Male | EWS | | Reserved |
| 139 | 30414 | PALLAB KUMAR BARUAH | Male | OBC | | Reserved |
| 140 | 20581 | JADAV NANDAN BORAH | Male | MOBC | | Reserved |
| 141 | 50444 | BHASKAR JYOTI DAS | Male | SC | | Reserved |
| 142 | 82869 | TANMOY BARMAN | Male | EWS | | Reserved |
| 143 | 60673 | DEBASHIS DAS | Male | OBC | | Reserved |
| 144 | 60557 | BISWAJIT BAISHYA | Male | SC | | Reserved |
| 145 | 50398 | KALPAJIT BARMAN | Male | OBC | | Reserved |
| 146 | 50831 | SUBHANKAR CHOUDHURY | Male | OBC | | Reserved |
| 147 | 60936 | GARGI SARKAR | Female | GENERAL | | Open Category |
| 148 | 40651 | BHARGAV LAHON | Male | OBC | | Reserved |
| 149 | 60971 | GUNJANA SAIKIA | Female | GENERAL | | Open Category |
| 150 | 10053 | ARUP DAS | Male | SC | | Reserved |
| 151 | 60766 | DIGYAJYOTI TALUKDAR | Male | EWS | | Reserved |
| 152 | 10332 | IMDADUR RAHMAN LASKAR | Male | EWS | | Reserved |
| 153 | 50627 | SOURAV BARMAN | Male | OBC | | Reserved |
| 154 | 10317 | MASUM AHMED | Male | EWS | | Reserved |
| 155 | 50686 | SARKAR WAKIL SHARIF | Male | EWS | | Reserved |
| 156 | 61469 | KUNAL KISHORE SAIKIA | Male | STP | | Reserved |
| 157 | 40411 | TULSI PAO | Male | STP | | Reserved |
| 158 | 61866 | NASIR HUSSAIN | Male | OBC | | Reserved |
| 159 | 61348 | KASHMIRI DEKA | Female | GENERAL | | Open Category |
| 160 | 30233 | HILLOL SAIKIA | Male | MOBC | | Reserved |
| 161 | 20034 | ABHINAV CHETIA | Male | OBC | | Reserved |
| 162 | 60348 | ASTHA BORKOTOKY | Female | GENERAL | | Open Category |
| 163 | 20669 | KRISHNA HANDIQUE | Male | MOBC | | Reserved |
| 164 | 30431 | NAGIRATUN MONSURA | Female | GENERAL | | Open Category |
| 165 | 20056 | DEVID KAKATI | Male | OBC | | Reserved |
| 166 | 40434 | UDDIPTA BORAH | Male | OBC | | Reserved |
| 167 | 40100 | DEBASHISH NATH | Male | OBC | | Reserved |
| 168 | 62456 | SABINA YESMIN | Female | GENERAL | | Open Category |
| 169 | 60513 | DINASH KUMAR DAS | Male | OBC | | Reserved |
| 170 | 60986 | HARSHIT KUMAR BEZ | Male | OBC | | Reserved |
| 171 | 40363 | RASHMI DEVI | Female | MOBC | | Open Category |
| 172 | 61296 | KAHINOOR BEGUM | Female | GENERAL | | Open Category |
| 173 | 30412 | PALLAB BORA | Male | OBC | | Reserved |
| 174 | 10513 | SAHIDA AKTAR BARBHUIYA | Female | GENERAL | | Open Category |
| 175 | 20983 | PARISHMITA GOGOI | Female | OBC | | Open Category |
| 176 | 60985 | PARISHMITA TALUKDAR | Female | GENERAL | | Open Category |
| 177 | 40082 | RANJU KONWAR | Male | OBC | | Reserved |
| 178 | 82686 | TASLIMA NASRIN | Female | GENERAL | | Open Category |
| 179 | 21387 | SOURAV JYOTI TAYE | Male | STP | | Reserved |
| 180 | 20815 | MRITYUNJAY BHARALI | Male | OBC | | Reserved |
| 181 | 51462 | KUNAL MONI DAS | Male | OBC | | Reserved |
| 182 | 60176 | ANDROSE GOGOI | Male | OBC | | Reserved |
| 183 | 40087 | BHASKAR JYOTI NATH | Male | OBC | | Reserved |
| 184 | 40441 | UTPAL PEGU | Male | STP | | Reserved |
| 185 | 21038 | PRAGANTY BORAH | Female | GENERAL | | Open Category |
| 186 | 82188 | PREM NARAYAN TAMULY | Male | OBC | | Reserved |
| 187 | 60849 | DARSHANA SHARMA | Female | GENERAL | | Open Category |
| 188 | 60289 | ARINDOM DAS | Male | OBC | | Reserved |
| 189 | 61936 | NETRA KAMAL GOGOI | Male | OBC | | Reserved |
| 190 | 20623 | KABERI SAIKIA | Female | MOBC | | Open Category |
| 191 | 50464 | NOMITA NARZARY | Female | STP | | Open Category |
| 192 | 21361 | SILPI SIKHA SAIKIA | Female | GENERAL | | Open Category |
| 193 | 61880 | NAYANI DEKA | Female | GENERAL | | Open Category |
| 194 | 60563 | BISHALDEEP CHANDA | Male | EWS | | Reserved |
| 195 | 21115 | RAJASHREE PHUKAN | Female | OBC | | Open Category |
| 196 | 40025 | ANIRUDHA MEDAK | Male | STP | | Reserved |
| 197 | 61800 | MUKUNDA MADHAV KALITA | Male | OBC | | Reserved |
| 198 | 60568 | CHAMPOK MEDHI | Male | OBC | | Reserved |
| 199 | 62136 | PRAGATI GOSWAMI | Female | GENERAL | | Open Category |
| 200 | 20433 | DIMPAL SAIKIA | Male | MOBC | | Reserved |
| 201 | 82366 | RAHUL RAJT | Male | OBC | | Reserved |
| 202 | 60133 | AKHIL CHANDRA DAS | Male | OBC | | Reserved |
| 203 | 30482 | RAJ JYOTI BHARALI | Male | EWS | | Reserved |
| 204 | 50084 | ASHIF AHMED | Male | EWS | | Reserved |
| 205 | 61218 | JINTU LOIR | Male | STP | | Reserved |
| 206 | 10882 | SHEHNAZ PARVEEN MAZUMDER | Female | GENERAL | | Open Category |
| 207 | 61915 | NAZRUL ISLAM | Male | EWS | | Reserved |
| 208 | 50038 | MAINA BASUMATARY | Female | STP | | Open Category |
| 209 | 62799 | SIJIT RAYONG | Male | STP | | Reserved |
| 210 | 21388 | SUDIPTA SIKHA SAIKIA | Female | GENERAL | | Open Category |
| 211 | 50029 | LAKIT MUSHAHARY | Male | STP | | Reserved |
| 212 | 61286 | JYOTISMITA KASHYAP | Female | GENERAL | | Open Category |
| 213 | 60018 | MD MAKBUL HUSSAIN | Male | GENERAL | OH | Open Category |
| 214 | 61296 | KABITA KASHYAP | Female | GENERAL | | Open Category |
| 215 | 61035 | HITESH DOLOI | Male | STP | | Reserved |
| 216 | 40375 | RUKMINI SONOWAL | Female | STP | | Open Category |
| 217 | 20722 | MANASI GOHAIN | Female | OBC | | Open Category |
| 218 | 60191 | ANINDITA DAS | Female | GENERAL | | Open Category |
| 219 | 50005 | REZUANA NAZNEEN | Female | GENERAL | OH | Open Category |
| 220 | 82851 | THANGAI LUNG DAMENSARI | Male | STH | | Reserved |
| 221 | 21216 | ROHIT MILI | Male | STP | | Reserved |
| 222 | 50084 | SANSUMA BRAHMA | Male | STP | | Reserved |
| 223 | 50263 | EZAZ AHMED | Male | EWS | | Reserved |
| 224 | 21198 | RITUPON SONOWAL | Male | STP | | Reserved |
| 225 | 10053 | AKHTAR HUSSAIN CHOUDHURY | Male | EWS | | Reserved |
| 226 | 20148 | DENNIS PHONGLO | Male | STH | | Reserved |
| 227 | 60555 | BISTEENNA MEDHI | Female | GENERAL | | Open Category |
| 228 | 62287 | RIMLI DAS | Female | GENERAL | | Open Category |
| 229 | 62623 | SURAJ BORO | Male | STP | | Reserved |
| 230 | 62545 | SALMA SULTANA | Female | GENERAL | | Open Category |
| 231 | 20668 | NEHA BORAH | Female | MOBC | | Reserved |
| 232 | 30126 | CHOTROSING TERON | Male | STH | | Reserved |
| 233 | 61334 | KAUSHIK BHATTACHARYA | Male | EWS | | Reserved |
| 234 | 62308 | RAKESH DEKA | Male | EWS | | Reserved |
| 235 | 20783 | MONIKA NAIK | Female | MOBC | | Reserved |
| 236 | 82743 | SIMANTIKA DEKA | Female | SC | | Reserved |
| 237 | 10843 | TAKIBUR RAHMAN MAZUMDER | Male | EWS | | Reserved |
| 238 | 40277 | MUNU DEORI | Male | STP | | Reserved |
| 239 | 60867 | BHASKAR SAHA | Male | EWS | | Reserved |
| 240 | 61881 | NAYAN JYOTI KONWAR | Male | STP | | Reserved |
| 241 | 10334 | MEHBOOB ALAM CHOUDHURY | Male | EWS | | Reserved |
| 242 | 40134 | ELISH PEGU | Male | STP | | Reserved |
| 243 | 60262 | ANUP BASUMATARY | Male | STP | | Reserved |
| 244 | 30484 | RAJASHRI DEKA | Female | OBC | | Reserved |
| 245 | 60218 | ANKU MEDHI | Male | EWS | | Reserved |
| 246 | 50482 | PRADIP KUMAR BASUMATARY | Male | STP | | Reserved |
| 247 | 30107 | BORNALI BORA | Female | SC | | Reserved |
| 248 | 40097 | BIDYAWATI BIJOY LAKHI DEORI | Female | STP | | Reserved |
| 249 | 61005 | HEMA CHANDINI DEVI | Female | OBC | | Reserved |
| 250 | 21415 | SUSHMITA GOGOI | Female | OBC | | Reserved |
| 251 | 20880 | LAKHI DOLEY | Male | STP | | Reserved |
| 252 | 21287 | SANTANU PAYONG | Male | STP | | Reserved |
| 253 | 60471 | BHOGIRATH BORO | Male | STP | | Reserved |
| 254 | 20776 | MOHSINA BEGUM | Female | EWS | | Reserved |
| 255 | 20166 | BHARAT MILI | Male | STP | | Reserved |
| 256 | 10476 | RASHMI BARMAN | Female | STP | | Reserved |
| 257 | 40164 | HIRAK JYOTI DOLEY | Male | STP | | Reserved |
| 258 | 21086 | PRONOB JYOTI SAIKIA | Male | STP | | Reserved |
| 259 | 20073 | BHASWATI NATH | Female | OBC | | Reserved |
| 260 | 50569 | SANANA BRAHMA | Female | STP | | Reserved |
| 261 | 40038 | ANNESHA GOGOI | Female | OBC | | Reserved |
| 262 | 50176 | DHRITI BARUAH | Female | OBC | | Reserved |
| 263 | 30087 | BHAGYASHREE BORA | Female | OBC | | Reserved |
| 264 | 10237 | JAHANARA BEGOM BORBHUIYA | Female | EWS | | Reserved |
| 265 | 60177 | DIBYA JYOTI NATH | Female | OBC | | Reserved |
| 266 | 50515 | KHATNAI BASUMATARY | Female | STP | | Reserved |
| 267 | 21380 | SILPI SIKHA BORAH | Female | OBC | | Reserved |
| 268 | 21035 | PINAKAMI GOGOI | Female | OBC | | Reserved |
| 269 | 82127 | POPPY GOHAIN | Female | OBC | | Reserved |
| 270 | 60172 | ANAMIKA DEKA | Female | OBC | | Reserved |
| 271 | 60830 | CHIMPY LALUNG | Female | STP | | Reserved |
| 272 | 21208 | RIYA DAS | Female | SC | | Reserved |
| 273 | 30036 | LOREN TERON | Male | STH | | Reserved |
| 274 | 21487 | TULIKA RAO | Female | STP | | Reserved |
| 275 | 60094 | ANJALI NATH | Female | OBC | | Reserved |

(continued to page no. 11)

# ছাটাবাৰীত নিউ গ্ল’বেল ডেভেলপমেণ্ট ফাউণ্ডেছনৰ ৰক্তদান শিবিৰ



অগ্ৰদূত বাৰ্তা

**বকো, ৩১ মে’ ঃ** নিউ গ্ল’বেল ডেভেলপমেণ্ট ফাউণ্ডেছনৰ উদ্যোগত ছাটাবাৰী ঔদ্যোগিক পাম আৰু গুৱাহাটী মেডিকেল কলেজৰ সহযোগত ৰক্তদান শিবিৰ অনুষ্ঠিত কৰা হয়। কামৰূপ জিলাৰ ছয়গাঁও ঔদ্যোগিক পামৰ সভাঘৰত অনুষ্ঠিত কৰা ৰক্তদান শিবিৰত ৩৬গৰাকী লোকে ৰক্তদান কৰে। ২৫০ এম এলকৈ একোজনে ৰক্তদান প্ৰদান কৰিছে। জিএমচিএইছৰ ব্লাড বেংকত ৰক্তদান কৰা হৈছে। ৰক্তদান মহান দান শ্লোক আগত ৰাখি বেচৰকাৰী সংস্থাটোৰ তৰফৰ পৰা প্ৰথমবাৰৰ বাবে ৰক্তদান শিবিৰ অনুষ্ঠিত কৰি সভাপতি গকুল চন্দ্ৰ ৰাভাই কয় যে চলিত বৰ্ষৰ ফেব্ৰুৱাৰীত গঠন গোৱা বেচৰকাৰী সংস্থাটোৰ কে’বাটাও উদ্দেশ্য আছে। বিভিন্ন বিষয়ত প্ৰশিক্ষণৰ জৰিয়তে নিবনুৱাসকলক স্বাৱলম্বিতাৰে আগুৱাই নিয়া, মহিলাসকলক আগুৱাই নিয়া, দৰিদ্ৰজনক সহায়-সহযোগিতা আৰু পৰিৱেশ-পৰিচ্ছন্নতাৰ ওপৰত বেচৰকাৰী সংস্থাটোৰ উদ্দেশ্য বুলি মতপোষণ কৰে সভাপতিয়ে। একেদৰে বকোৰ বিভিন্ন প্ৰান্তত গছপুলি ৰোপণ, পানীৰ ব্যৱস্থা নথকা পৱিত্ৰ স্থান (মন্দিৰ)সমূহত পানী যোগান ধৰিছে সংস্থাটোৱে।

# অসম চৰকাৰৰ শিল্পী বঁটাপ্ৰাপক নুৰুল হক হাজৰিকাৰ মৃত্যু

বিশেষ সংবাদদাতা

**ডিব্ৰুগড়, ৩১ মে’ ঃ** ডিব্ৰুগড়ৰ মিলন নগৰ ই-উপপথ নিবাসী, অসম চৰকাৰৰ শিল্পী পেঞ্চনাৰ, ৰাজ্যখনৰ আগশাৰীৰ চিত্ৰশিল্পী নুৰুল হক হাজৰিকা (৮৬)ৰ যোৱা ২৯ মে’ত বাৰ্ধক্যজনিত কাৰণত মৃত্যুত হয়। ১৯৩৬ৰ ২৬ ফেব্ৰুৱাৰীত তিতাবৰত জন্মগ্ৰহণ কৰা হাজৰিকাৰ পিতৃ কৰ্মসূত্ৰে ডিব্ৰুগড়ত থাকে আৰু বাল্যকালৰ পৰা ডিব্ৰুগড়তে পঢ়া-শুনা কৰে। ১৯৫৩ত মেট্ৰিক আৰু পাছত কানৈ কলেজৰ পৰা আইএছচি পৰীক্ষাত উত্তীৰ্ণ হয়। তেওঁ দিল্লীৰ পৰা চিত্ৰকলাৰ দুবছৰীয়া পাঠ্যক্ৰম আৰু প্ৰশিক্ষণ লৈ অসমলৈ ঘূৰি আহে আৰু ১৯৫৭ত অসম চিকিৎসা মহাবিদ্যালয়ত চিত্ৰশিল্পীৰূপে চাকৰিত যোগদান কৰি ১৯৯৪ত অৱসৰ গ্ৰহণ কৰে। বিজ্ঞানৰ লগত জড়িত অনেক চিত্ৰ অংকন কৰাৰ লগতে মুঠতে তিনিশৰো অধিক বিভিন্ন কাকত, আলোচনীত তেওঁ চিত্ৰ আঁকি বিশেষ সমাদৰ লাভ কৰিছে। ইয়াৰ উপৰি ছাত্ৰ সন্থাই নিৰ্মাণ কৰা ছহিদ বেদী, ডিব্ৰু কলেজৰ ছহিদ বেদী, মিলনজ্যোতি সংঘ, অসম সংঘ, মেডিকেল কলেজ, অসম চলচ্চিত্ৰ মহোৎসৱ, অসম সাংস্কৃতিক সন্মিলন আদিৰো তেওঁ চিত্ৰ অংকন কৰিছে। এইবোৰ অৱদানৰ স্বীকৃতি স্বৰূপে ২০১২ত অসম চৰকাৰৰ পৰা হাজৰিকাই লাভ কৰে শিল্পী পেঞ্চন। ইয়াৰ উপৰি বিভিন্ন ঠাইৰ পৰা তেওঁ অনেক বঁটা-সন্মান জীৱনকালত লাভ কৰিছে। কালি হকৰ জানাজা নামাজ অনেক গুণমুগ্ধৰ উপস্থিতিত আমোলাপট্টি কবৰ স্থানত সম্পন্ন কৰা হয়। ২০১৯ত তেওঁৰ পত্নীৰ মৃত্যু হয় আৰু মৃত্যুৰ সময়ত এজন পুত্ৰ আৰু এগৰাকী কন্যাৰ লগতে নাতি-নাতিনীসহ পৰিয়ালৰ অনেক আত্মীয়-স্বজনক ইহসংসাৰত এৰি যায়।

# শ্ৰীৰামপুৰত ধপাত ভৰ্তি ট্ৰাকসহ ধৃত দুই



অগ্ৰদূত বাৰ্তা

**শ্ৰীৰামপুৰ, ৩১ মে’ ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অসম-বংগ সীমান্তৰ শিমুলটাপু আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া সঞ্জয় কুমাৰ ৰায়ে যোৱা পৰহি নিশা শ্ৰীৰামপুৰত ৩১ নম্বৰ ‘গ’ ৰাষ্ট্ৰীয় ঘাইপথত অভিযান চলাই অসমত নিষিদ্ধ ধপাত ভৰ্তি এখন ট্ৰাক জব্দ কৰে। লগতে ধপাত কঢ়িয়াই অনা ট্ৰাকৰ চালক দুজনক আটক কৰে। ৰাজ্য চৰকাৰে বহিঃৰাজ্যৰ পৰা ধপাত সৰবৰাহ নিষিদ্ধ কৰাৰ পাছত শিমুলটাপু আৰক্ষী চকীৰ আৰক্ষীয়ে বংগৰ কোচবিহাৰ জিলাৰ দিনহাটাৰ পৰা ৭০ বস্তা ধপাত ভৰ্তি এছ-১৭ চি-২০২৪ নম্বৰৰ ছচকীয়া ট্ৰাকখন জব্দ কৰে। ট্ৰাকখনত ৩৫০০ কেজি ধপাত আছিল আৰু উক্ত ধপাতখিনি বৰপেটাৰোডত সৰবৰাহ কৰা হৈছিল। ধৃত চালক দুজন ধুবুৰী জিলাৰ বগৰীবাৰীৰ ৰাজু আলী আৰু তৌফিক আলী বুলি আৰক্ষীৰ সূত্ৰত প্ৰকাশ।

# গাঁও উন্নয়ন সমিতিৰ সংবাদমেল ঃ আদৰ্শ গাঁৱৰ আঁচনি ব্যাখ্যা

**বৰমা, ৩১ মে’ ঃ** বৰমাৰ নিকটৱৰ্তী কঠালবাৰীৰ দৌল মন্দিৰ প্ৰাংগণত কালি কঠালবাৰী গাঁৱৰ ৰাইজ আৰু গাঁও উন্নয়ন সমিতিৰ একাংশ বিষয়ববীয়াৰে এখন সভা অনুষ্ঠিত হয়। সভাত কে’বাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ হাতত লয়। সভাৰ অন্তত কঠালবাৰী গাঁও উন্নয়ন সমিতিয়ে এখন সংবাদমেল সম্বোধন কৰি কঠালবাৰী গাঁওখন ২০২০-২১ত এখন আদৰ্শ গাঁওৰূপে স্বীকৃতি লাভ কৰাত গাঁওবাসীয়ে এক আনন্দ অনুভৱ কৰিছিল বুলি কোৱাৰ উপৰি এই ক্ষেত্ৰত মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীক ধন্যবাদ জনাইছে। সংবাদমেলত একাংশ ন্যস্তস্বাৰ্থ জড়িত ব্যক্তিয়ে কঠালবাৰী গাঁওখনৰ বদনামৰ বাবে অহৰহ চেষ্টা চলাই থকাৰ কথা ব্যক্ত কৰাৰ লগতে এইসকল ব্যক্তিয়ে নাজানে যে তেওঁলোকো এই গাঁৱৰে বাসিন্দা। ইপিনে, ধাৰাসাৰ বৰষুণে সৃষ্টি কৰা কৃত্ৰিম বানপানীৰ ফলত গাঁওখনৰ নদ্যা চুবুৰিত থকা কালভাৰ্টটো পানীয়ে উটুৱাই নিয়াত যাতায়াতৰ সমস্যা হয় বুলি দোহাৰি সেয়া ইতিমধ্যে বিভাগীয় কৰ্তৃপক্ষক জনোৱা হৈছে বুলি কোৱাৰ লগতে অতি শীঘ্ৰে এই পথৰ সু-ব্যৱস্থা কৰা হ’ব বুলি কয়। ইপিনে, গাঁওখনত থকা ষ্ট্ৰীট লাইটসমূহো জ্বলি গাঁওখনক পোহৰাই তুলিছে। আদৰ্শ গাঁওখনৰ নামত অৱণ্টিত পাঁচকোটি টকাৰ ইতিমধ্যে কঠালবাৰী গাঁওখনে ইয়াৰে ৫০ লাখ টকাৰ অনুদানৰ বাবে আগবাঢ়ি থকাৰ কথা উল্লেখ কৰিছে। সংবাদমেলত কঠালবাৰী গাঁৱৰ পুৰুষ-মহিলাসকলৰ উপৰি কঠালবাৰী গাঁৱৰ জ্যেষ্ঠ সমাজকৰ্মী তথা নলবাৰী জিলা অঞ্চবিচি মৰ্চাৰ অধ্যক্ষ তথা গাঁও উন্নয়ন সমিতিৰ সভাপতি হৰিদাস ৰাজবংশী, সদস্য মনোজ ৰাজবংশী, কঠালবাৰী গাঁৱৰ গাঁওবুঢ়া ভৰেশ ৰাজবংশীকে আদি কৰি গাঁওখনৰ আগশাৰীৰ লোকসকল উপস্থিত থাকি অনগ্ৰসৰ কঠালবাৰী গাঁওখনক আদৰ্শ গাঁৱৰ আঁচনিৰ জৰিয়তে আগবঢ়াই নিয়াৰ বাবে সকলোৰে সহযোগ কামনা কৰে।

# হোজাইৰ তথ্য আৰু জনসংযোগ বিষয়া এমাহ ধৰি কাৰ্যালয়ত অনুপস্থিত

## ■ সাংবাদিক সন্থাৰ প্ৰতিক্ৰিয়া

অগ্ৰদূত বাৰ্তা

**যমুনামুখ, ৩১ মে’ ঃ** হোজাই জিলা উপায়ুক্ত কাৰ্যালয়স্থিত তথ্য আৰু জনসংযোগ বিষয়াজন এমাহ ধৰি কাৰ্যালয়ত উপস্থিত নথকাত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। তথ্য অনুসৰি, যোৱা ৩০ এপ্ৰিলত ৰাজেন্দ্ৰ বৰুৱা নামৰ বিষয়াজনে হোজাই জিলাৰ মহকুমা তথ্য আৰু জনসংযোগ বিষয়া হিচাপে নিযুক্তি লাভ কৰিছিল। মহকুমা তথ্য আৰু জনসংযোগ বিষয়াৰ কাৰ্যালয়, হোজাই হিচাপে চলি থকা এই কাৰ্যালয়টো সম্প্ৰতি মহকুমাৰ পৰা উন্নীত হৈ জিলা পৰ্যায়ৰ কাৰ্যালয় হিচাপে স্বীকৃতি লাভ কৰিছে। ইয়াৰ পূৰ্বে ২০১৪ৰ পৰা প্ৰায় ছবছৰ কাল বিষয়া অবিহনে কাৰ্যালয়টো চলি আছিল। ২০২১ৰ মাৰ্চত নীৰা ৰায় নামৰ এগৰাকী বিষয়াক শংকৰদেৱনগৰৰ জনসংযোগ বিষয়া ৰূপে নিযুক্তি দিয়া হৈছিল। ৰায়ে ন মাহ সময় শংকৰদেৱ নগৰত কাম কৰাৰ পাছত বিগত বৰ্ষৰ ডিচেম্বৰত বোকাখাতলৈ বদলি কৰাৰ পাছত হোজাই জনসংযোগ বিষয়াৰ চকীখন খালী হৈ পৰে। পাছত হোজাইৰ অতিৰিক্ত উপায়ুক্ত উৰ্মি মেধিয়ে দায়িত্ব চলাই আহিছে। তেনে সময়তে বিগত এপ্ৰিলতে ৰাজেন্দ্ৰ বৰুৱা নামৰ বিষয়া এজনক নিযুক্তি দিছিল। কিন্তু বিষয়াজনে কাৰ্যালয়ত মাত্ৰ এদিন আহি উপস্থিত হৈ নিজৰ কাৰ্যভাৰ গ্ৰহণ কৰি গুচি যায় আৰু আজি প্ৰায় এমাহ সময় উকলি যোৱাৰ পাছতো কাৰ্যালয়ত আহি উপস্থিত নহ’ল। ফলত সাংবাদিক মহলত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। যোৱা প্ৰলয়ংকৰী বানপানীৰ পৰা বৰ্তমানলৈকে জিলাখনৰ সাংবাদিকসকলে তথ্যৰ পৰা বঞ্চিত হৈ আছে। হোজাইৰ নৱনিযুক্ত তথ্য আৰু জনসংযোগ বিষয়া বৰুৱা নামৰ বিষয়াজন বৰ্তমান ৰাজ্যৰ স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তৰ স’তে সংলগ্ন তথ্য আৰু জনসংযোগ বিষয়া হিচাপে কৰ্মৰত হৈ আছে। মন্ত্ৰীৰ লগত সংলগ্ন হৈ থকা বিষয়াজনক কিয় হোজাইৰ দৰে অতি গুৰুত্বপূৰ্ণ জিলাত তথ্য আৰু জনসংযোগ বিষয়া হিচাপে নিযুক্তি দিছে চৰকাৰে। ইয়াকে লৈ প্ৰশ্ন উত্থাপন হৈছে।

# সোণৰ কণীপৰা হাঁহত পৰিণত জনস্বাস্থ্য কাৰিকৰী বিভাগ

## ■ গোগামুখত ঠিকাদাৰ-অভিযন্তাৰ অবাধ দুৰ্নীতি

**গোগামুখ, ৩১ মে’ ঃ** অসম চৰকাৰে বৰ্তমান অধিক গুৰুত্ব সহকাৰে ৰাইজৰ বাবে বিশুদ্ধ খোৱাপানী যোগান ধৰাৰ মানসেৰে কোটি টকা খৰচ কৰি জলজীৱন মিছনৰ দ্বাৰা যি প্ৰকল্প তৈয়াৰ কৰিবৰ বাবে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ হাতত অৰ্পণ কৰিলে। বৰ্তমান সেই প্ৰকল্প জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বিষয়াসকলৰ বাবে একো একোটা সোণৰ কণীপৰা হাঁহত পৰিণত কৰিছে বিভাগীয় কৰ্তৃপক্ষ আৰু ঠিকাদাৰসকলে এই দাবী কৰে যুৱ-ছাত্ৰ পৰিষদ গোগামুখ আঞ্চলিক সমিতিৰ সাধাৰণ সম্পাদক পাপুল দাসে। বৰ্তমান গোগামুখত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ গোগামুখ আঞ্চলিক সমিতিয়ে গোগামুখৰ বিভিন্ন অঞ্চলত নিৰ্মাণ কৰি থকা জলজীৱন আঁচনিৰ অন্তৰ্গত প্ৰকল্পসমূহ পৰিদৰ্শন কৰে। প্ৰকল্পসমূহত ঠিকাদাৰসমূহে কৰা দুৰ্নীতিসমূহ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বিষয়াসমূহক অৱগত কৰা সত্বেও কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা নাই বিভাগীয় কৰ্তৃপক্ষই। গতিকে কালি দ্বিতীয় দিনাও আঞ্চলিক সমিতিখনৰ এটা দ’লে জনস্বাস্থ্য কৰিকৰী বিভাগ গোগামুখ উপ-সংমণ্ডলৰ বিষয়ববীয়াক দাবী জনাই আহে যে যিসমূহ প্ৰকল্প বৰ্তমান নিৰ্মাণ কৰি থকা হৈছে সেই প্ৰকল্পসমূহ দুৰ্নীতিৰে সঙোৰ খাইছে। সেই প্ৰকল্পসমূহ পুনৰ প্ৰাক্কলনত উপস্থাপন থকা অনুসৰি নিৰ্মাণ কৰিবলৈ দাবী জনায়। অন্যথা গোগামুখৰ জনসাধাৰণৰ সহযোগত সংগঠনটোৰ জিলা সমিতিৰ যুটীয়া সম্পাদক ৰঞ্জন বৰাই গণ আন্দোলন গঢ়ি তোলাৰ ইংগিত প্ৰদান কৰে। লগতে কয় এইসমূহ দুৰ্নীতিগ্ৰস্ত ঠিকাদাৰৰ জৰিয়তে তাত নিয়াজিত চৰকাৰী অভিযন্তাসকলে বৃহৎ কমিছনৰাজ গঢ়ি তুলিছে যাৰ বাবে তেওঁলোকে ঠিকাদাৰে কৰা দুৰ্নীতিসমূহ দেখিও চকুমুদা কুলিৰ ভাও জুৰি আছে। চৰকাৰৰ উচ্চপদস্থ বিষয়াৰ দ্বাৰা এইসমূহ প্ৰকল্পত জড়িত বিষয়া ঠিকাদাৰৰ ওপৰত তদন্তৰ দাবী জনাই ধেমাজি জিলা জনস্বাস্থ্য কাৰিকৰী বিভাগক।

# হোজাই সাহিত্য সভাৰ শপত গ্ৰহণ সম্পন্ন

অগ্ৰদূত বাৰ্তা

**হোজাই, ৩১ মে’ ঃ** স্বৰ্ণজয়ন্তী বৰ্ষ পালন কৰা হোজাই শাখা সাহিত্য সভাৰ হোজাইৰ বাণীকান্ত কাকতি ক্ষেত্ৰত কালি বিয়লি শপত গ্ৰহণ অনুষ্ঠিত হয়। ২০২২/২৪ৰ বাবে নৱনিৰ্বাচিত কাৰ্যনিৰ্বাহকসকলক শপত বাক্য পাঠ কৰোৱাই বিদায়ী শাখাৰ সভাপতি ডাঃ ছামচুল ইছলামে। অনুষ্ঠানত উপস্থিত থকা আজমল ফাউণ্ডেচনৰ সঞ্চালক খচৰুল ইছলাম, নিখিল ভাৰত বংগ সাহিত্য সন্মিলনৰ হোজাই শাখাৰ সম্পাদক ড° পীয়ুষ নন্দি, হোজাই জিলা মণিপুৰী সাহিত্য সভাৰ সভাপতি টি মনিহাৰ সিংহ, ডিমাছা সাহিত্য সভাৰ শিৱনাথ বৰ্মনে শুভেচ্ছামূলক ভাষণ প্ৰদান কৰি নৱনিৰ্বাচিত সমিতিখনক সৰ্বতোপ্ৰকাৰে সহায় কৰাৰ আশ্বাস প্ৰদান কৰে। এই সমগ্ৰ অনুষ্ঠান পৰিচালনা কৰে জিলা সাহিত্য সভাৰ সম্পাদক অনুপ কুমাৰ বৰঠাকুৰে।

উল্লেখ্য যে আগন্তুক দুটা বৰ্ষৰ বাবে দয়াল ক্ৰ সভাপতি আৰু হৰগোবিন্দ কলিতা সাধাৰণ সম্পাদকৰূপে নিৰ্বাচিত হয়। শপত গ্ৰহণৰ পাছতেই প্ৰথমখন কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। সভাত আগন্তুক পৰিৱেশ দিৱসৰ দিনা পাঁচজন বিশিষ্ট ব্যক্তিৰ নামত গছপুলি ৰোপণ কৰি প্ৰতিপালন কৰা আৰু ৰাভা দিৱস উদ্‌যাপনৰ বিষয়ে আলোচনা কৰা হয়।

# নেন’ ইউৰিয়াক লৈ সজাগতা সভা চামগুৰিত

অগ্ৰদূত বাৰ্তা

**চামগুৰি, ৩১ মে’ ঃ** পৰিৱেশ অনুকূল নেন’ ইউৰিয়াক লৈ কালি চামগুৰিত এখন সজাগতা সভা অনুষ্ঠিত হয়। প্ৰথমবাৰলৈ দেশৰ কৃষিজগতলৈ অহা প্ৰদুষণমুক্ত তৰল ইউৰিয়া কৃষকক পথাৰলৈ সুকলমে যোগান ধৰি মাটিৰ উৰ্বৰতা শক্তি অক্ষুণ্ন ৰখাৰ ব্যৱস্থাৰ বাৰ্তা দিবলৈ এই সজাগতা সভা অনুষ্ঠিত হয়। এই বিষয়ে ইফক’ৰ বিষয়া পাৰ্থ শইকীয়াই কয়, ‘তৰল নেন’ ইউৰিয়া পোনপটীয়াকৈ মাটিত প্ৰয়োগ কৰা নহয়। এই সাৰ গছৰ পাতত স্প্ৰে কৰি খেতি কৰিব কৃষকে। ইয়াৰ ফলত মাটিৰ উৰ্বৰতা শক্তি ভালে থাকিব, লগতে বায়ু-পানী-মাটিত পূৰ্বৰ ইউৰিয়াৰ প্ৰদূষণ নোহোৱাকৈ ফচলৰো অধিক উৎপাদন হ’ব। তদুপৰি হাতৰ মুঠিতে যোৱা এই নেন’ ইউৰিয়াৰ আধা লিটাৰৰ এটা বটল পূৰ্বৰ ইউৰিয়া সাৰৰ ৫০ কিলো এটা বস্তাৰ সমান কাম কৰিব।’ উল্লেখ্য যে চামগুৰিৰ উপৰি সোণাৰিবালি, কাৰৈমাৰী, জুৱস্তি, কুঠৰী, বৰঘুলি, টেকেলিপোতা, সোনাজুৰি আদি অঞ্চলতো নেন’ ইউৰিয়াৰ উপকাৰিতাৰ বিষয়ে সজাগতা সভা ইফক’ৰ উদ্যোগত কৰা হৈছে।

# দৰঙতো ক’ভিডত ক্ষতিগ্ৰস্ত শিশুক সাহায্য প্ৰদান

বিশেষ সংবাদদাতা

**মঙলদৈ, ৩১ মে’ ঃ** সমগ্ৰ দেশতে কালি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভিডিঅ’ কনফাৰেন্সিঙৰ যোগেদি পিএম কেয়াৰ্ছ ফৰ চিলড্ৰেন আঁচনিৰ অধীনত ক’ভিডত পিতৃ-মাতৃক হেৰুওৱা শিশুসকলক তেওঁলোকে পাব লগা সা-সুবিধাসমূহ মুকলি কৰি দিয়ে। ইয়াৰ অংশ হিচাপে দৰং জিলাতো উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত জিলাখনৰ চাৰিগৰাকী হিতাধিকাৰী শিশুলৈ প্ৰধানমন্ত্ৰীৰ একোখন চিঠি, স্নেহপত্ৰ, পিএম কেয়াৰ্ছ ফৰ চিলড্ৰেন আঁচনিৰ পাছবুক আৰু প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ হেল্‌থ কাৰ্ড প্ৰদান কৰা হয়। শিশুসকলক এই সুবিধাসমূহ প্ৰদান কৰে ছিপাঝাৰ সমষ্টিৰ বিধায়ক ড° পদ্মানন্দ ৰাজবংশী, মঙলদৈ সমষ্টিৰ বিধায়ক বসন্ত দাস, উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মা, আৰক্ষী অধীক্ষক ৰাজ মোহন ৰয় আৰু অতিৰিক্ত উপায়ুক্তৰ উপৰি বিশিষ্ট নাগৰিকসকলে।

# বিশ্ব ঋতুস্ৰাৱ স্বচ্ছতা দিৱস উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

**মৰিয়নি, ৩১ মে’ ঃ** আন্তঃৰাষ্ট্ৰীয় সংস্থা ‘ছেভ দ্য চিলড্ৰেন’ৰ উদ্যোগত আৰু ডি এছ ডব্লিউ অ’ নামৰ অনুষ্ঠানটোৰ সহযোগত বিশ্ব ঋতুস্ৰাৱ স্বচ্ছতা দিৱসৰ লগত সংগতি ৰাখি যোৱা ৩০ মে’ত নকছাৰী অঞ্চলত এক সজাগতামূলক সভা অনুষ্ঠিত কৰা হয়। ১৬ নম্বৰ উত্তৰ-পূব নকছাৰী গাঁও পঞ্চায়তৰ প্ৰেক্ষাগৃহত ‘ছেভ দ্য চিলড্ৰেন’ৰ নকছাৰীৰ কমিউনিটি ম’বিলাইজাৰ ৰিম্পী গগৈয়ে পৰিচালনা কৰা সভাখনৰ আঁত ধৰে জিলা বিষয়ববীয়া মৃগাংকু বাহকে। ‘প্ৰহেলিকা’ নামৰ সংস্থাটোৰ সভাপতি চিনুমণি বৰাই ‘ঋতুস্ৰাৱ আৰু সমাজ ব্যৱস্থা’ বিষয়ৰ ওপৰত বক্তব্য প্ৰদান কৰা সভাত পূব যোৰহাট সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়া নাংবি শ্যাম, ডি এছ ডব্লিউ অ’ৰ সমন্বয়ক সংযুক্তা ভূঞা, পূব যোৰহাট, শিশু উন্নয়ন প্ৰকল্পৰ ছুপাৰভাইজাৰ জোনাকী দুৱৰা, চুনামতি পেগু, খণ্ড প্ৰকল্প সহায়ক পৰিস্মিতা শইকীয়া আদিয়ে মাহেকীয়াৰ যতন আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতা সম্পৰ্কে বক্তব্য ৰাখে। বিশেষকৈ ঋতুস্ৰাৱৰ সময়ত মহিলাসকলে ল’বলগীয়া সাৱধানতা আৰু সেই সময়ত গ্ৰহণ কৰিবলগীয়া পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ সম্পৰ্কে তেওঁলোকে বক্তব্যত উল্লেখ কৰে। সজাগতা সভাত পূব যোৰহাট সংহত শিশু উন্নয়ন প্ৰকল্পৰ ১৬ আৰু ১৯ নম্বৰ চাৰ্কোলৰ অংগনৱাড়ী কৰ্মী, সহায়ক, ছেভ দ্য চিলড্ৰেনৰ দেবেৰাপাৰ গ্ৰাণ্ট, নগাদেৰা গোটৰ কিশোৰীসকলৰ লগতে অঞ্চলটোৰ বহুসংখ্যক মহিলাই অংশগ্ৰহণ কৰে।




নলবাৰীত ধপাত বিৰোধী দিৱস উপলক্ষে উলিওৱা শোভাযাত্ৰা, মঙলবাৰে।

# নলবাৰীত পৃথক দুৰ্ঘটনাত নিহত এক, আহত এক

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ৩১ মে’ ঃ** নলবাৰী জিলাত কালি দুটা পৃথক পথ দুৰ্ঘটনাত এজন লোক থিতাতে নিহত হোৱাৰ উপৰি আন এজন গুৰুতৰভাৱে আহত হয়। নিহত লোকজন জিলাখনৰ খাটকটৰা গাঁৱৰ প্ৰবীণ হালৈ (৫৩) বুলি চিনাক্ত কৰা হৈছে। তথ্য অনুসৰি, নিহত শাক-পাচলিৰ ব্যৱসায়ী প্ৰবীণ হালৈয়ে আইন দিনাৰ দৰে আজিও খাটকটৰাৰ ঘৰৰ পৰা ওলাই আহিছিল ব্যৱসায় কৰিবলৈ। ঘৰৰ পৰাৰ গাঁৱৰ মাজৰ পথেৰে আহি ৩১ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ পাৰ হ’ব ধৰোতেই তীব্ৰবেগত অহা চাৰিচকীয়া বাহনে খুন্দিয়াই মহটিয়াই লৈ যায়। ইতিমধ্যে এএছ-০১ডিএন-২৫৫৭ নম্বৰ চাৰিচকীয়া বাহনখন আৰক্ষীয়ে জব্দ কৰিছে। ইফালে চহৰৰ হাজো-নলবাৰী পথৰ এলেংগীদলৰ মছজিদৰ সন্মুখত এক্সকেভেটৰৰ খুন্দাত ভুৱন মেধি নামৰ আন এজন লোক গুৰুতৰভাৱে আহত হয়। উল্লেখ্য যে জিলাখনৰ জাগাৰা নিবাসী তথা ভূমি সংৰক্ষণ বিভাগৰ কৰ্মচাৰীজনে পথটোৰে আহি থকা অৱস্থাত তীব্ৰবেগত অহা বাহনখনে খুন্দিওৱাৰ ফলত দুৰ্ঘটনাটো সংঘটিত হয়। অৱশ্যে লগে লগে আঘাৰপ্ৰাপ্ত লোকজনক স্থানীয় লোকে নলবাৰীৰ ছহিদ মুকুন্দ কাকতি অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰায়। ঘটনাৰ পাছতে দুৰ্ঘটনা সংঘটিত কৰা বাহনখনৰ চালকজনে পলায়ন কৰে যদিও গাড়ীখন আৰক্ষীয়ে জব্দ কৰে।

# বিশিষ্টা মহিলা অন্নদা শইকীয়াৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**বোকাখাত, ৩১ মে’ ঃ** বোকাখাতৰ বিষ্ণুপুৰ নিবাসী ৰাজ্যখনৰেই এগৰাকী অগ্ৰণী অন্নদা শইকীয়া (৮৯)ৰ যোৱা পৰহি নিশা গুৱাহাটীৰ এখন নাৰ্ছিংহোমত মৃত্যু হয়। বাৰ্ধক্যজনিত কাৰণত কিছুদিন পূৰ্বে অসুস্থ হৈ পৰা বাবে গুৱাহাটীলৈ নিছিল। তেওঁ তিনি পুত্ৰ-বোৱাৰী, নাতি-নীতিনী, চাৰিগৰাকী বিবাহিতা কন্যা, জোঁৱাই আদি বহুতকে এৰি গৈছে। শইকীয়া বোৱাখাতৰ জেদিএছজি মহাবিদ্যালয়ৰ অধ্যাপিকা হিচাপে অৱসৰগ্ৰহণ কৰিছিল। সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ প্ৰাক্তন সভানেত্ৰী, পুৰতি সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, গোলাঘাট জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, অসম সাহিত্য সভাৰ আজীৱন সদস্য, সাহিত্যিক পেন্সনাৰ, সদৌ চুতীয়া জাতি মহিলা সন্মিলনৰ প্ৰাক্তন সভানেত্ৰী, এসময়ৰ মহিলা কংগ্ৰেছ নেত্ৰী, বিভিন্ন বঁটাপ্ৰাপ্ত, সেৱাব্ৰতা, প্ৰেৰণাময়ী আদি উপাধিৰে বিভূষিত মহিলা আছিল। ‘অভিলাষ, বন্ধ কোঠাৰ জুই, সৌমাৰপীঠৰ আহ্বান, আত্মসন্তুষ্টি সেউজীয়া গীতৰ সুৰ’ আদি ৩৫ খন গ্ৰন্থ ৰচনা ৰি অসমীয়া সাহিত্যৰ জগতলৈ বৰঙণি আগবঢ়াই গৈছে। বোকাখাতৰ মহিলা সৱলীকৰণৰ ক্ষেত্ৰত শইকীয়াৰ অৱদান উল্লেখনীয়। প্ৰয়াত শিক্ষাবিদ, সাহিত্যিক চিদানন্দ শইকীয়াৰ পত্নী শইকীয়াৰ মৃত্যুত বোকাখাতত শোকৰ ছাঁ পৰে। অসম সাহিত্য সভ্য, গোলাঘাট জিলা সাহিত্য সভা, পুৰতি সাহিত্য সভা, লেখিকা সমাৰোহ সমিতি, প্ৰেছ ক্লাব, সাংবাদিক সন্থা, বোকাখাত নাট্য মন্দিৰ, পেঞ্চনাৰ সন্থা, জ্যেষ্ঠ নাগৰিক সন্থা, ছাত্ৰ সন্থা, জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, চুতীয়া জাতি সন্মিলন আদি প্ৰায় তিনি কুৰি সংগঠনে শ্ৰদ্ধা জনায়। তেওঁৰ শৰদেহ শোভাযাত্ৰা কৰি বোকাখাত ছোৱালী স্কুল, পুৰতি সাহিত্য সভা, লেখিকা সমাৰোহ সমিতি, নাট্য মন্দিৰ, কলেজ আদিলৈ নিয়া হয়।

# তিনিচুকীয়াৰ তিনি শিশুলৈ ‘প্ৰধানমন্ত্ৰীৰ শিশুযতন’ আঁচনিৰ দস্তাবেজ প্ৰদান উপায়ুক্তৰ



অগ্ৰদূত বাৰ্তা


**তিনিচুকীয়া, ৩১ মে’ ঃ** ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভিডিঅ’ কনফাৰেন্স যোগে ‘প্ৰধানমন্ত্ৰী শিশুযতন’ আঁচনিৰ অধীনত ক’ভিড-১৯ মহামাৰীত দুয়োগৰাকী অভিভাৱক হেৰুওৱা শিশুসকলৰ বাবে প্ৰদান কৰিবলগীয়া সেৱাৰ আজি মুকলি কৰে। আঁচনিখনৰ মূল উদ্দেশ্য হৈছে ক’ভিড-১৯ মহামাৰীত অনাথ হোৱা শিশুৰ চিকিৎসা সেৱাৰ ব্যৱস্থা কৰা। ২৩ বছৰ বয়সত উপনীত হোৱাৰ পাছত বিত্তীয় সহায়ৰ স’তে স্বাৱলম্বী হোৱাৰ পথ প্ৰশস্ত কৰা। ভিডিঅ’ কনফাৰেন্সযোগে প্ৰধানমন্ত্ৰী ভাৰতৰ বিভিন্ন ৰাজ্যৰ জিলাসমূহৰ স’তে আঁচনিখনৰ সন্দৰ্ভত বিতংকৈ আলোচনা কৰাৰ লগতে ক’ভিড-১৯ মহামাৰীত ক্ষতিগ্ৰস্ত হোৱা শিশুসকলৰ আগত নিজৰ মনৰ কথা ব্যক্ত কৰে। তেনে শিশুসকলৰ সুৰক্ষা আৰু যত্নৰ বাবে চৰকাৰৰ সংশ্লিষ্ট প্ৰতিটো বিভাগেই দায়বদ্ধ বুলিও প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে সংশ্লিষ্ট বিভাগসমূহক সংবেদনশীল মনোভাবেৰে শিশুসকলৰ সুৰক্ষা আৰু যত্ন সুনিশ্চিত কৰিবলৈ আহ্বান জনায়। আজি দেশৰ বিভিন্ন ৰাজ্যৰ জিলাসমূহত এই আঁচনিখনৰ অধীনত নিৰ্বাচিত শিশুসকলক আঁচনিৰ দস্তাবেজ প্ৰদান কৰা হয়। তিনিচুকীয়া জিলাত ক’ভিড-১৯ মহামাৰীত দুয়োগৰাকী অভিভাৱক হেৰুওৱা তিনিগৰাকী শিশুক জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত উপায়ুক্ত নৰসিং পৱাৰে আঁচনিৰ দস্তাবেজ প্ৰদান কৰে। এই দস্তাবেজত মূলতঃ প্ৰধানমন্ত্ৰী এখন চিঠি, এখন স্নেহ পত্ৰৰ এখন পাছবুক আৰু আয়ুষ্মান ভাৰত-প্ৰধানমন্ত্ৰীজন ‘আৰোগ্য যোজনা’ৰ এখন স্বাস্থ্য কাৰ্ড সন্নিবিষ্ট হৈ আছে। দস্তাবেজ লাভ কৰা শিশুকেইটি হৈছে মাইনী নায়ক (১৮)ৰ শচীন নায়ক (১৬) আৰু নয়নকৃষ্ণ বৰুৱা (১৪)ৰ আজিৰ ভিডিঅ’ কনফাৰেন্সত জিলা উপায়ুক্ত নৰসিং পৱাৰ, অতিৰিক্ত উপায়ুক্ত ছৰফ্ৰাজ হক, তিনিচুকীয়া জিলা আইনী সেৱা কৰ্তৃপক্ষৰ সচিব ফৰাহউদ্দিন চৌধুৰী, তিনিচুকীয়া কিশোৰ ন্যায় পৰিষদৰ মুখ্য দণ্ডাধীশ ত্ৰিদীপ কুমাৰ ভট্টাচাৰ্য, তিনিচুকীয়া শিশু কল্যাণ সমিতিৰ অধ্যক্ষা ভৱানন্দ গোহাঁই, স্বাস্থ্য বিভাগৰ ভাৰপ্ৰাপ্ত যুটীয়া সঞ্চালক ড° ৰমেন সোণোৱাল, বিদ্যালয়সমূহৰ পৰিদৰ্শক বিতুপন হাজৰিকা, জিলা প্ৰাথমিক শিক্ষা বিষয়া বীন্তি শৰ্মা, পূৰ্বোত্তৰ বিকাশ পৰিষদ তিনিচুকীয়াৰ অধীক্ষক সঞ্জীৱ ছেত্ৰী, কে বি এছ শিশু গৃহ তিনিচুকীয়াৰ অধীক্ষক চিমি কলিতা, জিলা শিশু সুৰক্ষা বিষয়া নিৰূপম চেতিয়া প্ৰমুখ্যে জিলা শিশু সুৰক্ষা সমিতিৰ বিষয়ববীয়াসকল, স্থানীয় বিশিষ্ট ব্যক্তি, সাংবাদিক তথা ক’ভিড-১৯ মহামাৰীত ক্ষতিগ্ৰস্ত হোৱা শিশুসকলৰ পৰিয়ালবৰ্গ উপস্থিত থাকে।

# বেজেৰা বৰবংশৰ ৰাজহুৱা প্ৰেক্ষাগৃহত ৮৫০০ হিতাধিকাৰীক চেক বিতৰণ

## ■ সময় উকলি যোৱা চেকো গ্ৰহণ কৰিব বেংকে

অগ্ৰদূত বাৰ্তা

**দুমুনিচকী, ৩১ মে’ ঃ** অসম মাইক্ৰফাইনেন্স উদ্‌গনি আৰু ৰেহাই আঁচনি ২০২১ৰ ক্ষিপ্ৰ আদায়কাৰী শিতানৰ অধীনত কালি বেজেৰা বৰবংশৰ ৰাজহুৱা প্ৰেক্ষাগৃহত হিতাধিকাৰীক চেক বিতৰণ কৰা হয়। অসম চৰকাৰৰ বিত্ত বিভাগ, কামৰূপ জিলা প্ৰশাসন আৰু বেজেৰা উন্নয়ন খণ্ডৰ উদ্যোগত আয়োজিত হিতাধিকাৰীক চেক বিতৰণ অনুষ্ঠানত উপস্থিত থাকি মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰীয়ে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নিৰ্বাচিনৰ প্ৰতিশ্ৰুতি অনুসৰি দায়িত্ব পালন কৰা বুলি উল্লেখ কৰি হিতাধিকাৰীসকলে লাভ কৰা



ধনৰাশি টিভি, ফ্ৰিজ নিকিনি ব্ৰয়লাৰ ফাৰ্ম আৰু গৰু বা গাহৰি ফাৰ্মত বিনিয়োগ কৰিবলৈ আহ্বান জনায়। অন্যথা চৰকাৰৰ উদ্দেশ্য সফল নহ’ব বুলি চৌধুৰীয়ে প্ৰকাশ কৰে। আনহাতে, কামৰূপ জিলা উন্নয়ন আয়ুক্ত নৰসিং বেই সময় উকলি যোৱা চেকো বেংকে গ্ৰহণ কৰিব বুলি উল্লেখ কৰে। সেয়ে চেক লাভ কৰা হিতাধিকাৰীৰ ভিতৰত কাৰোবাৰ চেকৰ সময়সীমা উকলি গ’লেও চিন্তা কৰিবলগীয়া নাই বুলি তেওঁ অৱগত কৰে। বেজেৰা উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া অপূৰ্ব বৰুৱাই পৰিচালনা কৰা চেক বিতৰণ অনুষ্ঠানত বেজেৰা উন্নয়ন খণ্ডৰ অন্তৰ্গত সাতটা গাঁও পঞ্চায়তৰ পৰা কালি ৫৩ গৰাকী হিতাধিকাৰীক চেক প্ৰদান কৰা হয়। উন্নয়ন খণ্ডটোৰ অন্তৰ্গত মুঠ ৮৫০০ গৰাকী হিতাধিকাৰীক চেক প্ৰদান কৰা হ’ব বুলি জানিব দি বাকী হিতাধিকাৰীসকলক আজিৰ পৰা সুশৃংখলভাৱে চেকসমূহ বেজেৰা উন্নয়ন খণ্ডৰ পৰা সংগ্ৰহ কৰিবলৈ আহ্বান জনাইছে বেজেৰা খণ্ড উন্নয়ন বিষয়া অপূৰ্ব বৰুৱাই। অনুষ্ঠানত বেজেৰা উন্নয়ন খণ্ডৰ অন্তৰ্গত সাতটাকৈ গাঁও পঞ্চায়তৰ সভাপতি, আঞ্চলিক সদস্যাকে ধৰি কামৰূপ জিলা পৰিষদৰ সদস্যসকলৰ লগতে বিজেপিৰ কে’বাগৰাকী নেতা-কৰ্মী উপস্থিত থাকে।



# অসম দাপোণ



## হাজেলাৰ বিৰুদ্ধে তদন্তৰ বাবে অনুমতি

*এক পৃষ্ঠাৰ পৰা* আৰক্ষীৰ অপৰাধ তদন্ত বিভাগত দাখিল কৰা অভিযোগ তদন্ত কৰিবলৈ ৰাজ্য চৰকাৰৰ পৰা অনুমতি বিচাৰিছে তদন্তকাৰী সংস্থাটোৱে। উল্লেখ্য যে বৰ্তমানৰ সমন্বয়ক দেৱশৰ্মাই দাখিল কৰা এজাহাৰত কোৱা হয় যে প্ৰাক্তন সমন্বয়ক হাজেলাই ন্যায়ালয়ৰ নিৰ্দেশক অমান্য কৰি ইচ্ছাকৃতভাৱে মান পৰীক্ষাৰ দিশটোক অৱজ্ঞা কৰিছিল। যাৰ ফলত অযোগ্য ব্যক্তিৰ নাম ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীত অন্তৰ্ভুক্ত হৈছিল, যিটো দেশ বিৰোধী আৰু দেশৰ সুৰক্ষাৰ প্ৰতি ভাবুকি সৃষ্টি কৰা কাৰ্য বুলি অভিযোগ পত্ৰত দেৱশৰ্মাই উল্লেখ কৰিছিল। এনে বিভিন্ন অভিযোগেৰে দেৱশৰ্মাই ভাৰতীয় দণ্ড বিধিৰ ১২০(বি)/১৬৬(এ)/১৬৭/১৮১/২১৮/৪২০/৪৬৬ আৰু ডব্লিউ ধাৰা ৩৪ অধীনত হাজেলাৰ বিৰুদ্ধে গোচৰ ৰুজু কৰি তদন্ত কৰিবলৈ চিআইডিক আহ্বান জনাইছিল। এই সমগ্ৰ দিশ তদন্তকাৰী সংস্থাটোৱে পৰীক্ষা কৰি অৱশেষত হাজেলাৰ বিৰুদ্ধে তদন্ত কৰিবলৈ ৰাজ্য চৰকাৰৰ পৰা অনুমতি বিচাৰি পত্ৰ প্ৰেৰণ কৰিছে।

এই সন্দৰ্ভত চিআইডিৰ সূত্ৰই সদৰী কৰা অনুসৰি, যিহেতু হাজেলা এজন ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়া সেয়ে তেওঁৰ বিৰুদ্ধে তদন্ত প্ৰক্ৰিয়া আৰম্ভ কৰিবলৈ ৰাজ্য চৰকাৰৰ পৰা অনুমতিৰ প্ৰয়োজন। ইয়াৰ উপৰি আন কেতবোৰ কাৰিকৰী দিশ চাই থকা হৈছে বুলি সূত্ৰটোৱে সদৰী কৰি চৰকাৰৰ অনুমোদন লাভ কৰিলেই তেওঁৰ বিৰুদ্ধে তদন্ত প্ৰক্ৰিয়া আৰম্ভ হ'ব বুলি কয়। উল্লেখ্য যে ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ প্ৰস্তুতৰ নামত ব্যাপক দুৰ্নীতি সংঘটিত কৰাৰ অভিযোগ উঠা প্ৰাক্তন সমন্বয়ক হাজেলাই অতি কৌশলেৰে অসম ত্যাগ কৰিছিল আৰু সম্প্ৰতি তেওঁ গ্ৰেপ্তাৰ হোৱাৰ পূৰ্ণ সম্ভাৱনা থকা বুলি আৰক্ষীৰ শীৰ্ষ সূত্ৰই সদৰী কৰিছে।

## নিৰ্বাচনী শাখাৰ দুটাকৈ গুদাম ভস্মীভূত

*এক পৃষ্ঠাৰ পৰা* উপস্থিত হৈ অগ্নিনিৰ্বাপক বাহিনীক খবৰ দিয়া হয়। পাছত অগ্নিনিৰ্বাপক বাহিনীৰ তিনিখনকৈ বাহন উপস্থিত হৈ জুই নিৰ্বাপন কৰিবলৈ চেষ্টা কৰে যদিও ইতিমধ্যে জুইয়ে ভয়ংকৰ ৰূপ ধাৰণ কৰাত নিৰ্বাচনী শাখাৰ গুদামৰ দুটা কোঠাৰ লগতে আবকাৰী অধীক্ষকৰ কাৰ্যালয়টো জ্বলি চাই হৈ যায়। এই অগ্নিকাণ্ডত আবকাৰী অধীক্ষকৰ কাৰ্যালয়ৰ গুৰুত্বপূৰ্ণ নথি-পত্ৰৰ লগতে আচবাব, চকী-মেজ সকলো ভস্মীভূত হৈ যায়। তদুপৰি জিলা প্ৰশাসনৰ নিৰ্বাচনী শাখাৰ হেজাৰ হেজাৰ ফাইল তথা নথিপত্ৰ জ্বলি চাই হৈ যায়। প্ৰায় সাত ঘণ্টাৰ চেষ্টাৰ অন্তত অগ্নিনিৰ্বাপক বাহিনীয়ে জুই সম্পূৰ্ণৰূপে নিৰ্বাপন কৰিবলৈ সক্ষম হোৱাত ক্ষতিসাধনৰ পৰা কথমপি ৰক্ষা পৰে জিলা সমাজ কল্যাণ বিষয়াৰ কাৰ্যালয়, বিদেশী নায়াধীকৰণৰ কাৰ্যালয় আৰু জিলা নিয়োগ বিনিময় কেন্দ্ৰ। উল্লেখ্য যে অগ্নিকাণ্ড সংঘটিত হোৱা গৃহটো পূৰ্বে উপায়ুক্তৰ কাৰ্যালয় আছিল। উপায়ুক্তৰ কাৰ্যালয় নতুন গৃহলৈ স্থানান্তৰিত কৰাত উক্ত গৃহটোত জিলা প্ৰশাসনে নিৰ্বাচনী নথি-পত্ৰ থোৱাৰ গুদামৰূপে ব্যৱহাৰ কৰাৰ লগতে কে'বাটাও চৰকাৰী বিভাগৰ কাৰ্যালয়ৰূপে ব্যৱহাৰ কৰি আহিছে। এটা গুৰুত্বপূৰ্ণ চৰকাৰী কাৰ্যালয়ত কেনেদৰে অগ্নিকাণ্ডৰ সূত্ৰপাত হ'ল তাকে লৈ বিভিন্ন প্ৰশ্ন উদয় হৈছে। অৱশ্যে এই বাতৰি যুগুতোৱা লৈকে জুইৰ সূত্ৰপাতৰ প্ৰকৃত কাৰণ পোহৰলৈ অহা নাই। ঘটনা সন্দৰ্ভত বামপন্থী নেতা ননী দাসে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে কে'বাটাও গুৰুত্বপূৰ্ণ চৰকাৰী কাৰ্যালয় থকা পুৰণি উপায়ুক্তৰ কাৰ্যালয়ত কেনেদৰে অগ্নিকাণ্ড সংঘটিত হ'বলৈ পালে, সেয়া ৰহস্যজনক ঘটনা। এই ক্ষেত্ৰত দণ্ডাধীশ পৰ্যায়ৰ তদন্ত কৰি অগ্নিকাণ্ডৰ প্ৰকৃত তথ্য পোহৰলৈ আনিবলৈ দাবী জনাইছে দাসে ।

## মনোকষ্ট দিছে! ভূপেন বৰাৰ কবিতাক

*এক পৃষ্ঠাৰ পৰা* ভূপেন বৰাই লিখা এটা কবিতাই সম্প্ৰতি প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ৰাজ্যৰ সাম্প্ৰতিক পৰিস্থিতিক লৈ প্ৰদেশ কংগ্ৰেছৰ সভাপতি বৰাই বটদ্ৰৱা আৰক্ষী থানাৰ ঘটনাক সাঙুৰি লিখা কবিতাটোৰ সম্পৰ্কত বিভিন্নজনে প্ৰতিক্ৰিয়াও প্ৰকাশ কৰিছে। বিশেষকৈ বটদ্ৰৱা আৰক্ষী থানাৰ ঘটনাক লৈ কংগ্ৰেছ সভাপতি বৰাই নিকৃষ্ট ৰাজনীতিত লিপ্ত হোৱা বুলিও অভিযোগ কৰা হৈছে। আজি বৰাৰ কবিতাক লৈ সংবাদ মাধ্যমৰ আগত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে শ্ৰীশ্ৰী বটদ্ৰৱা থান পৰিচালনা সমিতিৰ সভাপতি তথা শ্ৰীশ্ৰী নৰোৱা সত্ৰৰ সত্ৰাধিকাৰ দেৱানন্দ দেৱগোস্বামীয়ে। সত্ৰাধিকাৰে কয়, 'প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই সাহিত্য চৰ্চা কৰাত আমি আনন্দিত হৈছো। তাত আমাৰ একো ক'বলগা নাই, কিন্তু বৰাক আমি অনুৰোধ কৰিছো। আপোনাৰ শব্দৰ ভৰাঁল অতি চহকী হ'লেও শব্দ প্ৰয়োগৰ ক্ষেত্ৰত ভৱিষ্যতে অকণমান লক্ষ্য ৰাখিব। কিয়নো বৰদোৱা থানাখন এগৰাকী ইছলাম ধৰ্মাৱলম্বী মহিলাই জ্বলাইছিল, কিন্তু আপুনি আপোনাৰ কবিতাত যিদৰে প্ৰকাশ কৰিছে আমাৰ সনাতনী হিন্দু ধৰ্মত আমাক মনোকষ্ট দিছে। সনাতন ধৰ্মত অগ্নি দেৱতাক বহু লোকে ভক্তি, পূজা-অৰ্চনা কৰে। এই অগ্নি দেৱতাৰ জৰিয়তে আপুনি এগৰাকী ইছলাম ধৰ্মাৱলম্বী মহিলাই দুষ্কাৰ্য কৰা কাৰ্যক কবিতাৰ জৰিয়তে যিদৰে ব্যাখ্যা বা প্ৰকাশ কৰিছে, ইয়াত আমি যথেষ্ট মনোকষ্ট পাইছো। কাৰণ দেৱতা কাৰোবাৰ বাবে দেৱতা আৰু কাৰোবাৰ বাবে জুই। যিসকলে দেৱতাক পূজা-অৰ্চনা কৰে তেওঁলোকে এই ক্ষেত্ৰত যথেষ্ট মনোকষ্ট পাইছে।' সত্ৰাধিকাৰজনে লগতে বৰাক ভৱিষ্যতে উজুটি নাখাবলৈ সাৱধানতা অৱলম্বন কৰিবলৈ আহ্বান জনায়। এই বিষয়ে বটদ্ৰৱা থান পৰিচালনা সমিতিৰ কে'বাজনো বিষয়ববীয়াই প্ৰদেশ কংগ্ৰেছৰ সভাপতি বৰাৰ কবিতাক সমালোচনা কৰি বটদ্ৰৱা কাণ্ডক লৈ ৰাজনীতি নকৰিবলৈ সকলোকে সকীয়াই দিয়ে। ইপিনে, বটদ্ৰৱাৰ সচেতন যুৱক দুৰ্লভ বৰাই প্ৰদেশ কংগ্ৰেছৰ সভাপতিজনক তীব্ৰ সমালোচনা কৰি বটদ্ৰৱাত কবি মেলৰ বৰাক আমন্ত্ৰণ জনোৱা হ'ব বুলি মন্তব্য কৰি তেওঁক এই কবিতাৰ বাবে চৰকাৰে বঁটা দিব লাগে বুলিও কটাক্ষ কৰে।

## খাদ্যত বিষক্ৰিয়া ঘটি অসুস্থ হ'ল ১৪

*এক পৃষ্ঠাৰ পৰা* অসুস্থ হৈ পৰাত আবাসিক বিদ্যালয়খনত এক হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হয়। হঠাৎ ১৪ ছাত্ৰীসহ অধীক্ষকগৰাকী অসুস্থ হৈ পৰাত বিদ্যালয় কৰ্তৃপক্ষই ততাতৈয়াকৈ অসুস্থ আটাইকেইগৰাকীকে নাগ্ৰিজুলী আদৰ্শ চিকিৎসালয়ত ভৰ্তি কৰাৰ লগতে অভিভাৱকসকলক খবৰ দিয়ে। খাদ্যত বিষক্ৰিয়া হৈ অসুস্থ হৈ পৰা ছাত্ৰী আৰু অধীক্ষকগৰাকীক জৰুৰীকালীনভাৱে চিকিৎসালয়খনৰ জ্যেষ্ঠ চিকিৎসক মনোহৰ দাস, গিৰীধৰ ব্ৰহ্মৰ লগতে চিকিৎসা কৰ্মীসকলে তৎপৰতাৰে চিকিৎসা প্ৰদান কৰাত দিনৰ ভাগলৈ কিছু সুস্থ হৈ পৰে। ইপিনে, বিদ্যালয়খনত খাদ্যত বিষক্ৰিয়া হৈ কে'বাগৰাকী ছাত্ৰী অসুস্থ হৈ পৰা খবৰ লাভ কৰি তামুলপুৰ জিলা উপায়ুক্ত সীমান্ত কুমাৰ দাস, জিলা আৰক্ষী অধীক্ষক পংকজ যাদৱ, তামুলপুৰ মহকুমাধিপতি (স) ৰামানুজ হাজৰিকা, নাগ্ৰিজুলী আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়াজনে নাগ্ৰিজুলী আদৰ্শ চিকিৎসালয়ত উপস্থিত হৈ অসুস্থ ছাত্ৰীসকলৰ স্বাস্থ্যৰ বুজ লোৱাৰ লগতে ঘটনাৰ তদাৰক কৰে। অসুস্থ হোৱা ছাত্ৰীকেইগৰাকী আৰু আবাসিক অধীক্ষকগৰাকী সম্প্ৰতি বিপদমুক্ত যদিও জিলা উপায়ুক্তই আটাইকেইগৰাকী সম্পূৰ্ণ সুস্থ নোহোৱালৈকে চিকিৎসালয়তে চিকিৎসকৰ নিৰীক্ষণত ৰাখিবলৈ নিৰ্দেশ দিয়ে। প্ৰাপ্ত তথ্য মতে, বিদ্যালয়খনত যোৱা দেওবাৰে পতঞ্জলিৰ উদ্যোগত এক সজাগতা সভা অনুষ্ঠিত হৈছিল। সজাগতা সভাৰ অন্তত বিদ্যালয়খনৰ ছাত্ৰী তথা শিক্ষক-কৰ্মচাৰীসকলৰ মাজত মিঠাই, ফলৰ ৰসৰ লগতে নিৰামিষ ভোজভাতৰ আয়োজন কৰা হৈছিল। আনহাতে, উক্ত দিনাই বিদ্যালয়খনত অধ্যয়নৰত ছাত্ৰীসকলক অভিভাৱকসকলেও বিভিন্ন ধৰণৰ খাদ্য সামগ্ৰী দি যায়। একাংশ স্থানীয় লোকে বিদ্যালয়খনত দেওবাৰে অনুষ্ঠিত হোৱা সজাগতা সভাৰ খাদ্য গ্ৰহণৰ পৰাই ছাত্ৰী সকল অসুস্থ হৈ পৰা বুলি সন্দেহ প্ৰকাশ কৰিছে। অৱশ্যে বিদ্যালয় কৰ্তৃপক্ষ তথা নাগ্ৰিজুলী আদৰ্শ চিকিৎসালয়ৰ ডাঃ দাসে তেনে সন্দেহ সম্পূৰ্ণৰূপে নস্যাৎ কৰিছে। কিয়নো আবাসিক বিদ্যালয়খনত অধ্যয়নৰত ৭০ গৰাকী ছাত্ৰীৰ লগতে ১১ গৰাকীকৈ শিক্ষক- শিক্ষয়িত্ৰী তথা আন কৰ্মচাৰীয়েও সেইদিনা আহাৰ গ্ৰহণ কৰিছিল। তাৰ মাজত ১৪ গৰাকী ছাত্ৰীসহ অধীক্ষকগৰাকীহে শৌচ, বমি আৰু পেটৰ বিষত আক্ৰান্ত হয়। অৱশ্যে উপায়ুক্তৰ নিৰ্দেশত তামুলপুৰ জিলা স্বাস্থ্য বিভাগে বিদ্যালয়খনৰ পৰা আহাৰৰ নমুনা সংগ্ৰহ কৰি পৰীক্ষাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰিছে।

## আলফা (স্বা)ৰ শিবিৰৰ পৰা পলায়ন

*এক পৃষ্ঠাৰ পৰা* আলফা (স্বাঃ)ৰ শিবিৰৰ পৰা পলায়ন কৰিছিল। ইয়াৰ পাছতে জ্যেষ্ঠ নেতা ৰূপম অসমৰ নেতৃত্বত এটা দলক পলায়ন কৰা সদস্যদ্বয়ক গুলীয়াই হত্যা কৰিবলৈ নিৰ্দেশ দিছিল সংগঠনটোৰ মুখ্য সেনাধ্যক্ষ পৰেশ বৰুৱাই। ইফালে, সুৰজিৎ আৰু শ্যামলে পলায়ন কৰা আৰু তেওঁলোকক হত্যাৰ বাবে এটা দলে বিচাৰি ফুৰাৰ খবৰ লাভ কৰাৰ লগে লগে দুয়োটা পৰিয়ালৰ লগতে আৰক্ষী-নিৰাপত্তা বাহিনীৰ মাজত উদ্বেগ বৃদ্ধি পায়। বিশেষকৈ দুয়োৰে পৰিয়ালৰ লোকক আলফা (স্বাঃ)ৰ তৰফৰ পৰাও সুৰজিৎ আৰু শ্যামলক হত্যা কৰা হ'ব বুলি খবৰ দিয়াত হাহাকাৰ অৱস্থাৰ সৃষ্টি হয়। লগতে যিকোনো সময়তে নিষিদ্ধ সংগঠনটোৰ প্ৰেৰিত দলটোৱে দুই সতীৰ্থক গুলীয়াই হত্যা কৰাৰ নিৰ্দেশ লাভ কৰাৰ তথ্য লাভ কৰিছিল অসম আৰক্ষী আৰু চোৰাংচোৱাই। অটব্য অৰণ্যৰ মাজত পলায়ন কৰা যুৱক দুজনে সুকলমে আহি পোৱাৰ ক্ষেত্ৰত অনিশ্চয়তাই দেখা দিছিল। অৱশেষত আলফা (স্বাঃ)ৰ শিবিৰৰ পৰা পলায়ন কৰাৰ পাছত সুৰজিৎ আৰু শ্যামলক কালি দিনত ভাৰত-ম্যানমাৰ সীমান্তৰ নংলুৰ সমীপত আছাম ৰাইফলছৰ দল এটাই আটক কৰিবলৈ সক্ষম হয়। ফলত প্ৰাণ ৰক্ষা পৰে যুৱকদ্বয়ৰ। আছাম ৰাইফলছে আজি দুয়োজন আলফা (স্বাঃ)ৰ সদস্যক অৰুণাচল আৰক্ষীক গতাই দিয়ে। অৰুণাচল আৰক্ষীয়ে দুই সদস্যক চিকিৎসা প্ৰদান কৰাৰ লগতে জেৰা অব্যাহত ৰাখিছে।

ইপিনে, আলফা (স্বাঃ)ৰ পলায়নকাৰী দুই সদস্যই সংবাদ মাধ্যমৰ আগত কয় যে তেওঁলোকে স্বাধীন অসম বিচাৰিয়েই গৈছিল আলফা (স্বাঃ)লৈ। অৱশ্যে এতিয়া যথেষ্ট কষ্ট কৰিবলগীয়া হোৱাৰ বাবে তেওঁলোকে সংগঠনটো ত্যাগৰ সিদ্ধান্ত লৈছিল। সেই মৰ্মে ২৫ মে'ৰ পুৱা শিবিৰলৈ চাউল আনিবলৈ যোৱাৰ সুযোগ গ্ৰহণ কৰি দুয়ো পলাই আহে। দুয়োজন সদস্যই সদৰী কৰে যে তেওঁলোকে চন্দন অসমৰ নেতৃত্বত ডেৰ মাহ প্ৰশিক্ষণ গ্ৰহণ কৰিছিল আৰু উক্ত শিবিৰটোত তিনিগৰাকী মহিলাকে ধৰি ২৫-২৬জন সদস্য আছে। ২০২১ৰ নৱেম্বৰত আলফা (স্বাঃ)ত যোগদান কৰাৰ পাছত আজি পৰ্যন্ত ঘৰলৈ কোনো যোগাযোগ কৰিব পৰা নাছিল বুলিও দুয়ো সদৰী কৰে।

ইফালে, দুয়োজন যুৱক আৰক্ষীৰ হাতত পৰাৰ খবৰ পোৱাৰ লগে লগে দুয়োটা পৰিয়ালৰ মুখলৈ পানী আহে। আনন্দত উদ্বাউল হৈ পৰা পৰিয়ালৰ লোকে সুৰজিৎ আৰু শ্যামল উভতি অহাত আত্মসন্তুষ্টি লাভ কৰা বুলি জানিবলৈ দিয়াৰ লগতে দুয়ো ভালদৰে যাতে ঘৰ আহি পায় আৰু কোনো শাস্তি প্ৰদান নকৰে, তাকে আহ্বান জনায় নিষিদ্ধ সংগঠনটোৰ সেনাধ্যক্ষ বৰুৱাক।

## কাৰ্বি আংলঙত নিৰ্বাচনী প্ৰচাৰত কংগ্ৰেছ

*এক পৃষ্ঠাৰ পৰা* তিনিখনকৈ নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰি দলীয় প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ চলোৱাৰ বিপৰীতে কাইলৈ চাৰিখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিব। জিলাখনত মুখ্যমন্ত্ৰীয়ে মুঠ ১৮ খন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিব বুলি দলীয় সূত্ৰই সদৰী কৰিছে। প্ৰসংগক্ৰমে এইবাৰৰ পৰিষদীয় নিৰ্বাচনত কোনো ৰাজনৈতিক দলেই বৃহৎ ৰাজনৈতিক সমাৰেশৰ আয়োজন কৰা পৰিলক্ষিত হোৱা নাই। শাসকীয় দলৰো মুখ্যমন্ত্ৰীয়ে অংশ ল'বলগীয়া সভাসমূহৰ বাদে আন কোনো বৃহৎ সমাৰেশ আয়োজন কৰা হোৱা নাই। ইয়াৰ পৰিৱৰ্তে নিজ নিজ সমষ্টিত প্ৰাৰ্থীসকলে গাঁওসভা অনুষ্ঠিত কৰি নিৰ্বাচনী প্ৰচাৰ চলাইছে। প্ৰধান বিৰোধী দল কংগ্ৰেছেও সৰু সৰু গাঁও সভা অনুষ্ঠিত কৰি নিৰ্বাচনী প্ৰচাৰ অব্যাহত ৰাখিছে। অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই কালিৰে পৰা জিলাখনত বাহৰ পাতি দলীয় প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ অব্যাহত ৰাখিছে। কালি সভাপতিজনে ন-মাটি পৰিষদীয় সমষ্টিৰ কংগ্ৰেছৰ প্ৰাৰ্থী তথা কাৰ্বি আংলং জিলা কংগ্ৰেছৰ কাৰ্যকৰী সভাপতি অশোক টেৰণৰ সমৰ্থনত সমষ্টিটোৰ কে'বাটাও স্থানত উপস্থিত হৈ প্ৰচাৰ চলায়। ঠিক সেইদৰে আজিও সভাপতি বৰাই মহামায়া সমষ্টিত দলীয় প্ৰাৰ্থী বিদ্যাছিং ৰংপিৰ সমৰ্থনত নিৰ্বাচনী প্ৰচাৰ চলায়। সমষ্টিটোৰ তেনেই পিছপৰা অঞ্চলসমূহতো গাঁও সভাত সভাপতিজনে দলীয় প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ চলায়। ডকমকাৰ কাজিচৰা অঞ্চলত কে'বাখনো নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লৈ সভাপতি বৰাই কবিতা পাঠ আৰু শাসকীয় দলক ক্ষুৰধাৰ সমালোচনা কৰে। মূল্যবৃদ্ধিৰ প্ৰসংগক লৈ শাসকীয় চৰকাৰখনক সমালোচনাৰ লক্ষ্য কৰি লোৱা সভাপতিজনে কংগ্ৰেছৰ শাসনত মূল্যবৃদ্ধিৰ বিৰুদ্ধে প্ৰতিবাদ কৰি ৰাজপথলৈ অহা বিজেপিৰ শাসনত এতিয়া সাধাৰণ লোকৰ ওপৰত মূল্যবৃদ্ধিৰ মাধমাৰ পৰা বুলি অভিযোগ কৰে। বছৰি দুই কোটি নিবনুৱাক চাকৰি দিয়াৰ প্ৰতিশ্ৰুতি পালনত বিজেপি চৰকাৰে ব্যৰ্থ হোৱাৰ বাবে কৰ্ম সংস্থাপনৰ অভাৱত অসমৰ ল'ৰা জাকে জাকে আলফালৈ যোৱা বুলি অভিযোগ কৰে। সংস্থাপনৰ সুযোগ পালে নতুন প্ৰজন্মই হাতত বন্দুক নলয় বুলি প্ৰদেশ কংগ্ৰেছৰ সভাপতিজনে লগতে মন্তব্য কৰে। ধনী বণিক গোষ্ঠীৰ স্বাৰ্থত কাম কৰা বিজেপি চৰকাৰে দুখীয়াৰ বাবে চিন্তা নকৰে বুলি উল্লেখ কৰি ইয়াৰ পাছতো বাৰে বাৰে নিৰ্বাচনত জয়লাভ কৰি বিজেপি অহংকাৰী হৈ পৰা বুলিও সমালোচনা কৰে। বিজেপিয়ে জাত-পাত ধৰ্মৰ নামত সমাজক ভাগ ভাগ কৰাৰ বিপৰীতে কংগ্ৰেছে সকলোৰে স'তে সমিলমিলেৰে থকাৰ পোষকতা কৰি অহা বুলি কয়। কাৰ্বি আংলং জিলাতো বিজেপিৰ শাসনত ব্যাপক হাৰত বনজ সম্পদ ধ্বংস কৰাৰ অভিযোগ উত্থাপন কৰি দলটোৱে জিলাখনৰ উন্নয়নত ব্যৰ্থ হোৱা বুলি অভিযোগ কৰে। জিলাখনলৈ আৱণ্টিত ধনৰ সদ্ব্যৱহাৰ হ'লে জিলাখনৰ বাট-পথ, খোৱাপানী, স্বাস্থ্য সেৱাৰ এনে দুৰৱস্থা নহয় বুলি মন্তব্য কৰি ইয়াৰ পাছতো বিজেপিক ভোট দিয়াৰ অৰ্থ হাতৰ কুঠাৰ ভৰিত মৰাৰ সমৰ্থক বুলি তেওঁ কয়। আনহাতে, মহামায়া সমষ্টিৰ কংগ্ৰেছৰ প্ৰাৰ্থী বিদ্যাছিং ৰংপিয়ে ভাষণ প্ৰসংগত বিজেপি উন্নয়নত ব্যৰ্থ হোৱাৰ অভিযোগ কৰি মহামায়া সমষ্টিৰ বাট-পথকে ধৰি আন্তঃগাঁথনিমূলক উন্নয়ন কংগ্ৰেছৰ আমোলতে হোৱা বুলি দাবী কৰে।

## মাদ্ৰাছা শিক্ষানুষ্ঠান বন্ধৰ

*এক পৃষ্ঠাৰ পৰা* উচ্চ ন্যায়ালয়ে সেই আবেদন খাৰিজ কৰি চৰকাৰৰ সুৰতে কয় যে চৰকাৰী ব্যয়ত ধৰ্মীয় শিক্ষা প্ৰদান আইনসন্মত নহয়। ইয়াৰ বিপৰীতে আজি দাখিল কৰা আবেদনখনত উল্লেখ কৰা হৈছে যে চৰকাৰে যি যুক্তিৰে মাদ্ৰাছা শিক্ষানুষ্ঠান বন্ধৰ সিদ্ধান্ত লৈছে তাৰ জৰিয়তে ভাৰতীয় সংবিধানৰ মাদ্ৰাছা সংক্ৰান্তীয় দুখন আইন ভংগ কৰা হৈছে। তদুপৰি সংবিধানৰ ২৮ (১) বিধিও ইয়াৰ দ্বাৰা উলংঘা হৈছে। উচ্চতম ন্যায়ালয়ৰ অধিবক্তা ইমদাদ উদ্দিন বৰভূঞাৰ জৰিয়তে দাখিল কৰা আবেদনখনত উল্লেখ কৰা হৈছে যে ১৯৫৪তে গঠন কৰা অসম ৰাজ্যিক মাদ্ৰাছা ব'ৰ্ডখনো চৰকাৰে আইন উলংঘা কৰি ভংগ কৰিছে। প্ৰসংগক্ৰমে উল্লেখ্য যে অসমত ৰাজ্য চৰকাৰৰ অধীনত ১৮৯ খন হাইমাদ্ৰাছা আৰু উচ্চতৰ মাধ্যমিক হাইমাদ্ৰাছা আছে। সেইবোৰ অসম মাধ্যমিক শিক্ষা পৰিষদ আৰু অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ অধীনত পৰিচালিত হয়। আনহাতে, অসম ৰাজ্যিক মাদ্ৰাছা শিক্ষা ব'ৰ্ডৰ অধীনত ৫৪২ খন প্ৰি-ছিনিয়ৰ, ছিনিয়ৰ, টাইটেল মাদ্ৰাছা আৰু আৰবিক মহাবিদ্যালয় চলি আছিল।

## আলফাৰ ওচৰত ক্ষমা ভিক্ষা

*এক পৃষ্ঠাৰ পৰা* দিয়াৰ পাছতে সংগঠনটোৱে প্ৰতিক্ৰিয়া ব্যক্ত কৰি ২৪ ঘণ্টাৰ ভিতৰত মন্ত্ৰী কিষাণক ক্ষমা ভিক্ষা বিচাৰিবলৈ নিৰ্দেশ দিছিল। সেই নিৰ্দেশ পোৱাৰ পাছমুহূৰ্ততে মন্ত্ৰী হৈয়ো এটা নিষিদ্ধ সংগঠনৰ ওচৰত আঁঠু লয় কিষাণে। অৱশ্যে অসম চৰকাৰে বিষয়টোক প্ৰথমতে থাপি থুপি থোৱাৰ চেষ্টা কৰিছিল যদিও গৃহ মন্ত্ৰণালয়ৰ হস্তক্ষেপত দেৰিকৈ হ'লেও তৎপৰ হ'বলৈ বাধ্য হয়। মুখ্যমন্ত্ৰীয়ে তেওঁৰ এনে কাৰ্যৰ বাবে মন্ত্ৰীজনক কৈফিয়ৎ তলব কৰে। তাৰ পাছতে আজি মুখ্যমন্ত্ৰীয়ে সেই সন্দৰ্ভত মন্তব্য কৰে যে সঞ্জয় কিষাণে আলফাৰ ওচৰত ক্ষমা বিচাৰি এটা সাংঘাতিক দোষ কৰিছে। মুখ্যমন্ত্ৰীয়ে কয়, 'তেওঁক মই স্পষ্টভাৱে কৈছো যে ভাৰতীয় জনতা পাৰ্টিৰ দৰে এটা ৰাষ্ট্ৰীয়তাবাদী দলত এনে ধৰণৰ কাম কৰাৰ কোনো সুযোগ নাই, কোনো সুবিধা নাই। তেওঁক সতৰ্ক কৰি দিছো, ভৱিষ্যতে যাতে এনে ধৰণৰ পদক্ষেপ নলয়। ভাৰতৰ ৰাষ্ট্ৰীয় একতাৰ বাবে আৰু সন্ত্ৰাসবাদৰ বিৰুদ্ধে তেওঁক মাত মাতি যাবলৈ মই পৰামৰ্শ দিছো। তেওঁক কৈছো যে আপোনাৰ জীৱনতকৈও জনসাধাৰণৰ মূল্য অধিক।' উল্লেখ্য যে পৰেশ বৰুৱাক মিছলীয়া বুলি কোৱাৰ পাছত আলফা (স্বাঃ)ই ক্ষমা নুখুজিলে সঞ্জয় কিষাণক ডিব্ৰুগড়ৰ তিনিচুকীয়াত নিষিদ্ধ কৰা বুলি ঘোষণা কৰিছিল। আনকি তেওঁক সমৰ্থন কৰা লোকৰ কিবা ক্ষতি হ'লে আলফা দায়ী নহ'ব বুলি সকীয়নি দিছিল। চৰ্চা অনুসৰি নিজৰ ৰাজনৈতিক ভৱিষ্যৎ সুৰক্ষিত কৰিবলৈকে মন্ত্ৰী কিষাণে ভাবুকি লাভৰ কেইঘণ্টামানৰ পাছতে পৰেশ বৰুৱাক ক্ষমা ভিক্ষা মাগিছিল। তাৰ পাছতে অৱশ্যে আলফাই তেওঁৰ বিৰুদ্ধে জাৰি কৰা নিৰ্দেশনা প্ৰত্যাহাৰ কৰে।

## মুখ্যমন্ত্ৰীয়ে উদ্বোধন কৰা

*এক পৃষ্ঠাৰ পৰা* ড° হিমন্ত বিশ্ব শৰ্মাই। মুখ্যমন্ত্ৰীয়ে উদ্বোধন কৰা তেজপুৰ ঘগৰা চাহ বাগিচা আদৰ্শ বিদ্যালয়, ৰূপাজুলি চাহ বাগিচা আদৰ্শ বিদ্যালয়, সোণাজুলি চাহ বাগিচা আদৰ্শ বিদ্যালয়, নাহৰণি চাহ বাগিচা আদৰ্শ বিদ্যালয় আৰু ফুলবাৰী চাহ বাগিচা আদৰ্শ বিদ্যালয় উদ্বোধন কৰি এই বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীসকলে অনাগত সময়ত উন্নত মানৰ শিক্ষা লাভ কৰিব বুলি আশা ব্যক্ত কৰিছিল। প্ৰতিখন বিদ্যালয়তে প্ৰায় ৪৭-৫০জন ছাত্ৰ-ছাত্ৰী থকা সেই দিনটোৰ বিপৰীতে সম্প্ৰতি এই বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা তেনেই সেৰেঙা। আজি তেজপুৰ ঘগৰা চাহ বাগিচা আদৰ্শ বিদ্যালয়ত পাঠদানৰ নিৰ্দিষ্ট সময়ত আনকি এজনো ছাত্ৰ-ছাত্ৰী নাছিল। এই বিষয়টো সংবাদ মাধ্যমৰ দৃষ্টিগোচৰ হোৱাৰ পাছতে চৰকাৰীভাৱে এই বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিৰ সংখ্যা সেৰেঙা হোৱাৰ বিষয়ে এক বিবৃতি প্ৰকাশ কৰি কোৱা হৈছে যে সম্প্ৰতি বিদ্যালয়সমূহত চলি থকা গুণোৎসৱৰ পৰিপ্ৰেক্ষিতত চৰকাৰী নিৰ্দেশ অনুসৰিয়েই চাহ বাগিচা আদৰ্শ বিদ্যালয়সমূহত নামভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ পূৰ্বৰ বিদ্যালয়লৈ নিয়া হৈছে তেওঁলোকে গ্ৰহণ কৰি অহা শিক্ষাৰ মান নিৰূপণৰ বাবে। উল্লেখ্য যে আদৰ্শ বিদ্যালয়সমূহ উদ্বোধন হোৱাৰ পূৰ্বেই আন বিদ্যালয়সমূহত নামভৰ্তি সম্পূৰ্ণ হোৱাৰ লগতে পাঠদানো ইতিপূৰ্বেই আৰম্ভ হৈছিল। ইয়াৰ বিপৰীতে আদৰ্শ বিদ্যালয়সমূহ উদ্বোধনৰ প্ৰাক্‌মুহূৰ্ততহে শোণিতপুৰত আন বিদ্যালয়ৰ পৰা এজন প্ৰধান শিক্ষক আৰু আন সাতজনকৈ শিক্ষক নিয়োগ কৰা হৈছিল। তদুপৰি ৰঙাপৰাৰ এই বিদ্যালয়সমূহৰ প্ৰতিখনতে যোগান ধৰা হৈছে ৫০ যোৰকৈ ডেস্ক-বেঞ্চ। উল্লেখ্য যে এই আদৰ্শ বিদ্যালয়সমূহত উদ্বোধনৰ পূৰ্বলৈকে নামভৰ্তি অব্যাহত থকাৰ বিপৰীতে সম্প্ৰতি গুণোৎসৱৰ বাবে ছাত্ৰ-ছাত্ৰীসকল পুনৰ তেওঁলোকৰ পুৰণা বিদ্যালয়লৈ যাবলগীয়া হোৱাত তথা শিক্ষক সকলো এইক্ষেত্ৰত ব্যস্ত হৈ পৰাত সম্প্ৰতি এই চাহ বাগিচাৰ আদৰ্শ বিদ্যালয়সমূহত পাঠদান প্ৰকৃততে স্থবিৰ হৈ পৰিছে।

## মূল্যবৃদ্ধি ৰোধ, বানপীড়িতক

*এক পৃষ্ঠাৰ পৰা* সমগ্ৰ দেশ তথা ৰাজ্যত পেট্ৰ'ল-ডিজেল, খাদ্য-সামগ্ৰীকে ধৰি অত্যাৱশ্যকীয় সামগ্ৰীসমূহৰ মূল্য অভাৱনীয় হাৰত বৃদ্ধি পাইছে। যিয়ে দৰিদ্ৰ পৰিয়ালসমূহলৈ অকল্পনীয় দুৰ্যোগ নমাই আনিছে। ক্ৰমবৰ্ধমান নিবনুৱা সমস্যাৰ ফলত কোটি কোটি মানুহৰ জীৱন-জীৱিকালৈ ভয়াৱহ দুৰ্যোগ নামি আহিছে । অথচ ইয়াৰ পাছতো মূল্যবৃদ্ধি নিয়ন্ত্ৰণৰ ক্ষেত্ৰত কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই কেন্দ্ৰ তথা ৰাজ্য চৰকাৰে। ইপিনে, দেশত চলিত মে'ত পাইকাৰী মুদ্ৰাস্ফীতি ১৫.০৮ শতাংশলৈ বৃদ্ধি পোৱাৰ বিপৰীতে ৭.৮ শতাংশলৈ বৃদ্ধি পাইছে খুচুৰা মুদ্ৰাস্ফীতিৰ হাৰ। এয়া এক অভিলেখ। মুদ্ৰাস্ফীতিৰ প্ৰধান কাৰণ হ'ল ইন্ধনৰ মূল্যবৃদ্ধি। মূল্যবৃদ্ধিয়ে জনতাক অবৰ্ণনীয় দুৰ্যোগৰ মাজলৈ ঠেলি দিছে যদিও মূল্যবৃদ্ধি নিয়ন্ত্ৰণত চৰকাৰ ব্যৰ্থ হৈছে। চৰকাৰৰ এই ব্যৰ্থতাক তীব্ৰ গৰিহণা দিয়াৰ লগতে মূল্যবৃদ্ধিৰ বিৰুদ্ধে ২৫-৩১ মে'লৈ দেশৰ পাঁচটা বাম দলে সপ্তাহযোৰা আন্দোলনৰ আহ্বান জনাইছিল। এই আহ্বানৰ প্ৰতি সঁহাৰি জনাই আজি অসমৰ চাৰিটা বাঁওপন্থী দল ক্ৰমে চিপিআই (এম), চিপিআই (এমএল), চিপিআই আৰু আৰচিপিআয়ে ৰাজ্যজুৰি প্ৰতিবাদ কৰে। সেইদৰে গুৱাহাটীৰ দীঘলীপুখুৰী পাৰতো আজি দলসমূহৰ ৰাজ্যিক নেতৃত্বই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে।

দলীয় নেতা-কৰ্মীসকলে হাতে হাতে বেনাৰ, প'ষ্টাৰ, প্লেকাৰ্ড লৈ বিভিন্ন শ্ল'গানেৰে সমগ্ৰ পৰিৱেশ উত্তাল কৰে। কাৰ্যসূচীত অংশ লৈ চিপিআই নেতা মুনীন মহন্তই কয়, 'কেন্দ্ৰীয় চৰকাৰে পেট্ৰ'লজাত সামগ্ৰীত যি অত্যধিক কৰ লগাইছে, তাক শীঘ্ৰে প্ৰত্যাহাৰ কৰক। ইন্ধনৰ মূল্য হ্ৰাস নহ'লে পৰিবহণ ব্যয় বৃদ্ধি পাব। যাৰ ফলত খাদ্য সামগ্ৰীৰ মূল্য বৃদ্ধি হ'ব। ইন্ধনৰ মূল্যবৃদ্ধিয়ে দেশৰ মুদ্ৰাস্ফীতিত আঘাত হানে। সেয়ে চৰকাৰে শীঘ্ৰে ইন্ধনৰ মূল্য নিয়ন্ত্ৰণ কৰক। যদি নোৱাৰে তেন্তে ইয়াক জিএছটিৰ অধীনলৈ আনক।' আনহাতে, প্ৰতিবাদত অংশ লৈ চিপিআই (এম)ৰ নেতা সুপ্ৰকাশ তালুকদাৰে কয়, 'কেন্দ্ৰীয় চৰকাৰে পেট্ৰ'লজাত সামগ্ৰীৰ ওপৰত আৰোপ কৰা সকলো ধৰণৰ উপকৰ তথা ৰন্ধন গেছৰ বৰ্ধিত মূল্য অনতিপলমে প্ৰত্যাহাৰ কৰক। তাৰ লগতে ৰাজহুৱা বিতৰণ ব্যৱস্থাক শক্তিশালী কৰি খাদ্য সামগ্ৰীসমূহ সুলভ মূল্যৰ জৰিয়তে যোগান ধৰক। যিধৰণে কেৰালা চৰকাৰে 'মাভেলি' নামেৰে ১,৬৩০খন সুলভ মূল্যৰ দোকান খুলি ১৩বিধ খাদ্য-সামগ্ৰী কম মূল্যত বিক্ৰী কৰিছে।' মূল্যবৃদ্ধিৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে তেওঁলোকে অসমৰ বানপীড়িত ৰাইজক সকাহ দিবলৈ পৰ্যাপ্ত সাহায্য, ক্ষতিপূৰণ, পুনৰ সংস্থাপন দিবলৈ চৰকাৰক দাবী জনায়।

## গৰিয়া-মৰিয়া-দেশীসকল

*এক পৃষ্ঠাৰ পৰা* পৰিচয়পত্ৰ কোনখিনি মুছলমানক প্ৰদান কৰিবলৈ ওলাইছে সেয়া স্পষ্ট কৰক বুলি তেওঁ দাবী জনাই পুনৰ কয়, 'গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদে কোনো কাৰণতে সকলো মুছলমানক একাকাৰ কৰি ধৰ্মীয় সংখ্যালঘু বুলি কোৱা মুছলমানৰ লগত একেখন মঞ্চত কোনো দিন নাথাকে। আমি নিজকে কেতিয়াও সংখ্যালঘু বুলি ভবা নাই। সংখ্যালঘুৰ নামত অহা সকলো সা-সুবিধাৰ পৰা কেতিয়াও লাভৱান হোৱা নাই আৰু এই ধৰ্মীয় সংখ্যালঘুৰ মাজতে আমি সংখ্যালঘু হৈ বছৰ বছৰ ধৰি বঞ্চিত আৰু অৱহেলিত হৈ আহিছো। সকলোবোৰ দিশ চৰকাৰে গভীৰ আৰু সূক্ষ্মভাৱে অৱগত হোৱাৰ পাছতো শেহতীয়া কেবিনেটৰ সিদ্ধান্ত আৰু মুখ্যমন্ত্ৰীৰ বক্তব্যৰ মাজত পাৰ্থক্য দেখা গ'ল। এই বক্তব্যই খিলঞ্জীয়া জনগোষ্ঠী গৰিয়া-মৰিয়া-দেশীসকলৰ অন্তৰত আঘাত দিছে।' উল্লেখ্য যে বছৰ বছৰ ধৰি পাই অহা অপমানৰ লগতে কেতিয়াবা কেতিয়াবা বাংলাদেশী, বহিৰাগত, বিদেশী, ডি ভোটাৰ হোৱাৰ উপৰি একমাত্ৰ ধৰ্মটো একে হোৱা বাবেই এই থলুৱা জনোগোষ্ঠীৰ লোকসকলক বিদেশীৰ সন্দেহত বন্দী শিবিৰলৈ প্ৰেৰণ কৰা হৈছিল বুলি উল্লেখ কৰি তেওঁ কয় যে জনগোষ্ঠীকেইটাই দীৰ্ঘদিন সংগ্ৰাম অব্যাহত ৰাখিছে একমাত্ৰ সুকীয়া জনগোষ্ঠীৰ পৰিচয় বিচাৰি। সেয়ে সকলো ইছলামধৰ্মী লোকক সংখ্যালঘুৰ নামত একাকাৰ কৰিলে এই জনগোষ্ঠীকেইটাৰ পৰিচয় নিঃশেষ হৈ পৰিব বুলি হকে আশংকা প্ৰকাশ কৰি সংখ্যালঘুৰ পৰিচয়ৰ বিপৰীতে জনগোষ্ঠীয় পৰিচয় প্ৰদান কৰিবলৈ চৰকাৰক দাবী জনায়। চৰকাৰৰ এই সিদ্ধান্তই জনগোষ্ঠীকেইটাৰ সন্মান আৰু স্বাভিমানত আঘাত হনাৰ উপৰি দীৰ্ঘদিনীয়া দাবীক নস্যাৎ কৰা হৈছে বুলি সংগঠনটোৰ কাৰ্যকৰী সভাপতিজনে মন্তব্য কৰি আকৌ কয়, 'গৰিয়া-মৰিয়া-দেশী জনগোষ্ঠীৰ অসমত গৌৰৱোজ্জল ইতিহাস, বৰ্ণিল কৃষ্টি-সংস্কৃতি আছে। স্বকীয় জনগোষ্ঠীয় পৰিচয় থকাৰ পাছতো এই জনগোষ্ঠীকেইটাক সংখ্যালঘুসকলৰ স'তে একাকাৰ কৰি কোৱা কথা-বতৰা অত্যন্ত দুঃখজনক। ইতিহাস প্ৰসিদ্ধ জনগোষ্ঠীকেইটাক ৰাজনৈতিকভাৱে হত্যাৰ চেষ্টা এই চৰকাৰে নকৰিব বুলি এতিয়াও আস্থা আৰু বিশ্বাস আছে। জনগোষ্ঠীকেইটাক সুকীয়া জৰীপৰ জৰিয়তে জনগোষ্ঠীয় পৰিচয় প্ৰদান কৰিবলৈ আমি পুনৰবাৰ দাবী জনাইছো।'

## এইবাৰ ব্ৰহ্মা-বিষ্ণু-মহেশ্বৰ আহিলেও

*এক পৃষ্ঠাৰ পৰা* লগতে অসমীয়া মাধ্যমৰ বিদ্যালয়ত অতি শীঘ্ৰেই 'বিদ্যালয় পৰিচালনা সহায়ক পুথি' সকলো ছাত্ৰ-ছাত্ৰী, শিক্ষকৰ হাতত প্ৰদান কৰা হ'ব।' শিক্ষামন্ত্ৰীয়ে কয় যে যিবোৰ বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা তাকৰ, তেনে বিদ্যালয়ৰ পৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বেছি থকা বিদ্যালয়লৈ শিক্ষকসকলক বদলি কৰা হ'ব। তেওঁ কয়, 'এই বদলিৰ প্ৰক্ৰিয়া এটা প'ৰ্টেলৰ যোগেদি কৰা হ'ব আৰু ইয়াত ব্ৰহ্মা-বিষ্ণু-মহেশ্বৰ আহিলেও ৰখাব নোৱাৰিব।' লগতে ছাত্ৰ-ছাত্ৰীসকলক আকৰ্ষিত কৰিব পৰা কাম কৰিবলৈ শিক্ষামন্ত্ৰীয়ে শিক্ষকসকলক আহ্বান জনায়। উল্লেখ্য যে দেশৰ 'আজাদী কা অমৃত মহোৎসৱ'ৰ লগত সংগতি ৰাখি নৰেন্দ্ৰ মোদী চৰকাৰৰ আঠ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে আজি নলবাৰী নাট্য মন্দিৰত আয়োজিত গৰীৱ কল্যাণ সন্মিলনত ভাৰ্চুৱেলী প্ৰধানমন্ত্ৰী মোদী আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ কাৰ্যসূচীৰ পোনপটীয়া প্ৰচাৰৰ ব্যৱস্থা কৰা হয়। এই অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ পেগু মুখ্য অতিথিৰূপে উপস্থিত থাকে। ভাষণ প্ৰসংগত শিক্ষামন্ত্ৰীয়ে প্ৰধানমন্ত্ৰী মোদীয়ে গ্ৰহণ কৰা বিভিন্ন আঁচনিসমূহৰ সফল ৰূপায়ণ কৰাৰ ক্ষেত্ৰত সকলোকে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। তেওঁ কয়, 'দৰিদ্ৰ জনসাধাৰণৰ বাবে গ্ৰহণ কৰা আঁচনিসমূহৰ সঠিক ৰূপায়ণ নিশ্চিত হ'লেহে সমাজৰ উন্নয়ন দ্ৰুত গতিত আগবাঢ়িব।' কামৰূপ মহাবিদ্যালয়ৰ অধ্যাপক ড° সঞ্জীৱ কুমাৰ গোস্বামীয়ে আঁত ধৰা অনুষ্ঠানত নলবাৰীৰ উপায়ুক্ত গীতিমণি ফুকনে আদৰণি ভাষণ আগবঢ়ায়। অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব তথা স্থানীয় বিধায়ক জয়ন্ত মল্ল বৰুৱাই ভাষণত ভাৰতৰ প্ৰধানমন্ত্ৰীৰ অভিলাষী আঁচনিসমূহৰ সফল ৰূপায়ণৰ ক্ষেত্ৰত সকলোৰে পূৰ্ণ সহযোগিতা কামনা কৰে।

## দালালে এই চৰকাৰত আঁচনি দিব নোৱাৰে

*এক পৃষ্ঠাৰ পৰা* ড° শৰ্মাই প্ৰধানমন্ত্ৰী আবাস যোজনাৰ অধীনত অসমৰ বাবে মুঠ পাঁচ লাখ গৃহৰ প্ৰথম কিস্তি ৩২,৫০০ টকাকৈ মুকলি কৰাৰ কথা সদৰী কৰে। উল্লেখ্য যে ৰাজ্যৰ পাঁচ লাখ হিতাধিকাৰীৰ মাজৰে শিৱসাগৰ জিলাৰ ৯,৪২৪জন আৰু চৰাইদেউ জিলাৰ ৪,৫৯৮জন হিতাধিকাৰীয়ে নিজৰ বেংক একাউন্টযোগে লাভ কৰিব এই প্ৰথম কিস্তিৰ ধন। গৃহ নিৰ্মাণৰ বাবে লাভ কৰা প্ৰথম কিস্তিৰ ধনৰ অপব্যৱহাৰ নকৰিবলৈকো মুখ্যমন্ত্ৰীয়ে হিতাধিকাৰীসকলক সকীয়াই দিয়ে। তেওঁ কয় যে প্ৰথম কিস্তিৰ ধনৰ সঠিক আৰু উপযুক্ত ব্যৱহাৰ কৰিলেহে দ্বিতীয় কিস্তি আৰু তৃতীয় কিস্তিৰ ধন পাবলৈ সক্ষম হ'ব। ইয়াৰোপৰি 'এক দেশ এক কাৰ্ড'ৰ বাবে ৰেচন কাৰ্ডসমূহ অনলাইন কৰা হ'ব বুলি নিজ ভাষণত সদৰী কৰে মুখ্যমন্ত্ৰীয়ে। তেওঁ কয় যে ইয়াৰ ফলত হিতাধিকাৰীসকলে দেশৰ যিকোনো ঠাইৰ পৰা তেওঁলোকৰ প্ৰাপ্য ৰেচন লাভ কৰিবলৈ সক্ষম হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰশংসা কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ স্বাভিমানৰ প্ৰতীক গামোচাক প্ৰধানমন্ত্ৰীয়ে ১৩০ কোটি মানুহৰ ঘৰলৈ লৈ যোৱাত নেতৃত্ব ল'লে। মুখ্যমন্ত্ৰীয়ে লগতে কয়, 'প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শী নিৰ্দেশনাত ৰাজ্য চৰকাৰে বিভিন্ন জনমুখী আৰু দৰিদ্ৰ কেন্দ্ৰিক আঁচনিৰ জৰিয়তে ৰাইজৰ কাষ চাপি গৈছে। চৰকাৰে সমাজৰ সকলো শ্ৰেণীৰ লোকক পৰ্যাপ্ত সেৱা আগবঢ়াব বিচাৰে, যাতে চৰকাৰৰ কল্যাণকামী ব্যৱস্থাৰ পৰা সমাজৰ শেষৰজন লোকো বাদ পৰি নাযায়।' তেওঁ সেয়েহে ৰাজ্যখনৰ সকলো জনসাধাৰণক আগবাঢ়ি আহি চৰকাৰী আঁচনিৰ সুবিধাসমূহ গ্ৰহণ কৰিবলৈ আহ্বান জনায়। আনহাতে, প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধিৰ হিতাধিকাৰীসকলক অনুমোদন পত্ৰ বিতৰণ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই অসমৰ সকলো কৃষকক এই আঁচনিৰ সম্পূৰ্ণ সুবিধা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। তেওঁ কয় যে ধ্বজাবাহী কাৰ্যসূচীৰ পৰিসৰৰ অধীনত অধিক হিতাধিকাৰী সামৰি ল'বলৈ চৰকাৰৰ সমল আৰু সামৰ্থ দুয়োটাই আছে। তেওঁ ৰাজ্যৰ কৃষকসকলক এই আঁচনিৰ জৰিয়তে নিজৰ কল্যাণৰ বাবে আগবাঢ়ি অহা উচিত বুলি মন্তব্য কৰে।

উল্লেখ্য যে আজাদী কী অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি প্ৰধানমন্ত্ৰীয়ে ছিমলাৰ পৰা দেশৰ ভিন্ন প্ৰান্তৰ হিতাধিকাৰীৰ লগত ভাৰ্চুৱেলী মত বিনিময় কৰে। এই অনুষ্ঠানতে প্ৰধানমন্ত্ৰীয়ে শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ পাঁচজন প্ৰধানমন্ত্ৰী আবাস যোজনাৰ হিতাধিকাৰীৰ লগত ভাৰ্চুৱেলী মাধ্যমত মত-বিনিময় কৰে। ইফালে, শিৱসাগৰ জিলাত জিলা শিক্ষা বিষয়া আনোৱাৰ হুছেইনৰ নেতৃত্বত সংঘটিত শিক্ষক নিযুক্তিৰ কেলেংকাৰি সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ইতিমধ্যে যিসকলৰ বিৰুদ্ধে গোচৰ ৰুজু হৈছে সেইসকলে নিশ্চয় শাস্তি পাব। চৰকাৰীভাৱে তদন্ত কৰাৰ ইচ্ছা প্ৰকাশ নকৰা বুলি কয় ডঃ শৰ্মাই। আজিৰ অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ লগতে কেবিনেট মন্ত্ৰী যোগেন মহন, যোৰহাট লোকসভা সমষ্টিৰ সাংসদ তপন কুমাৰ গগৈ, সোণাৰি আৰু থাওৰা সমষ্টিৰ বিধায়ক ক্ৰমে ধৰ্মেশ্বৰ কোঁৱৰ আৰু সুশান্ত বৰগোহাঁই, শিৱসাগৰ জিলা পৰিষদৰ সভাপতি ধ্ৰুৱজ্যোতি মাউত, শিৱসাগৰৰ উপায়ুক্ত মেঘ নিধি দাহাল, চৰাইদেউৰ উপায়ুক্ত কুল বৰুৱা, শিৱসাগৰ জিলা বিজেপিৰ সভাপতি ময়ুৰ বৰগোহাঁই আদিয়ে অংশ লয়।

## বিদ্যুতৰ চাহিদা পূৰণৰ নিৰন্তৰ প্ৰয়াস

*এক পৃষ্ঠাৰ পৰা* 'আমগুৰি প্ৰকল্পই ৰাজ্যৰ শক্তিখণ্ডক অধিক গতিশীল কৰি তুলিব। আধুনিক অসমৰ বুৰঞ্জীত ই এক মাইলৰ খুঁটিস্বৰূপ হৈ ৰ'ব।' বহনক্ষম উন্নয়নৰ বাবে অপৰম্পৰাগত শক্তিখণ্ডৰ পৰা বিদ্যুৎ আহৰণৰ প্ৰয়োজনীয়তা আহি পৰিছে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে কয়লাৰ পৰা বিদ্যুৎ উৎপাদন কৰাৰ ফলত বায়ুমণ্ডলত প্ৰত্যক্ষ প্ৰভাৱ পৰাৰ পৰিছে। তেওঁ কয়, 'ইয়াৰ ফলত ভূ-পৃষ্ঠৰ উষ্ণতা যথেষ্ট বৃদ্ধি পাইছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সৌৰ শক্তি উৎপাদনৰ ওপৰত গুৰুত্ব আৰোপ কৰি ৰাজ্যসমূহক এই দিশত আগবাঢ়ি আহিবলৈ আহ্বান জনাইছিল। আজিৰ এই প্ৰকল্পই সেই দিশত ইতিবাচক প্ৰভাৱ পেলাব।' মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ৰাজ্যখনৰ বাবে ২২০০ মেগাৱাট বিদ্যুতৰ প্ৰয়োজন। জলবিদ্যুৎ অথবা সৌৰচালিত শক্তিৰ জৰিয়তে এই চাহিদা পূৰণৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে বুলিও তেওঁ কয়। ৰাজ্য চৰকাৰে এহেজাৰ মেগাৱাট বিদ্যুৎ উৎপাদনৰ এক ঐতিহাসিক দিশলৈ গৈ আছে বুলিও ভাষণ প্ৰসংগত তেওঁ উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে কয়, 'ৰাজ্যৰ শক্তিখণ্ডক গতিশীল কৰি তুলিবলৈ বৰ্তমানৰ ৰাজ্য চৰকাৰে আৰম্ভণিৰে পৰা প্ৰয়াস চলাই আহিছে আৰু তাৰ ফলত লোকচানৰ পৰিৱৰ্তে এতিয়া লাভৰ দিশলৈ গতি কৰিবলৈ সক্ষম হৈছে।' ৰাইজে বিদ্যুতৰ বিল নিয়মীয়াকৈ পৰিশোধ কৰাৰ বাবে শক্তিখণ্ডই আঠশ কোটি টকা লাভ কৰিবলৈ সমৰ্থ হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, 'সাধাৰণ লোকৰ জীৱনযাত্ৰা যাতে সুচল হয়, তাৰ বাবে ৰাজ্য চৰকাৰে নিৰন্তৰ প্ৰয়াস চলাই আহিছে। অৰুণোদয় আঁচনিৰ ধনৰ পৰিমাণ ১,২৫০ টকালৈ বৃদ্ধি কৰাৰ বাবে ৰাজ্য চৰকাৰে পদক্ষেপ লৈছে আৰু ইয়াৰে ২৫০ টকাৰে বৈদ্যুতিক বিল পৰিশোধ কৰিব পাৰিব বুলিও তেওঁ কয়। অসমত নতুনকৈ আৰু সাত লাখ হিতাধিকাৰীক অৰুণোদয় আঁচনিৰ জৰিয়তে সামৰি লোৱা হ'ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আমগুৰি সমষ্টিত অতিৰিক্ত সাত হেজাৰ হিতাধিকাৰীক এই আঁচনিখনৰ জৰিয়তে সামৰি লোৱা হ'ব। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে ন্যূনতম সমৰ্থিত মূল্যৰ জৰিয়তে চাৰে তিনি লাখ মেট্ৰিক টন ধান ক্ৰয় কৰিছে। উল্লেখ্য যে ২০১৯ৰ ২৭ মাৰ্চত তদানীন্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আমগুৰিত ৭৫ মেগাৱাট শক্তি সম্পন্ন সৌৰশক্তি প্ৰকল্পটোৰ আধাৰশিলা স্থাপন কৰিছিল।

আমগুৰি সমষ্টিৰ জনসাধাৰণে যাতে নিয়মিতভাৱে বিদ্যুৎ লাভ কৰে তাৰ বাবে বিতৰণ ব্যৱস্থাটো শক্তিশালী কৰা আৰু প্ৰয়োজনীয় ট্ৰেন্সফৰ্মাৰ বহুওৱাৰ বাবেও শক্তি বিভাগৰ বিষয়া-কৰ্মচাৰীসকলক মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে বৰ্তমানৰ আমগুৰি চিকিৎসালয়খনক এশখন বিছনাযুক্ত চিকিৎসালয়লৈ উন্নীত কৰা হ'ব বুলিও ঘোষণা কৰে। মুখ্যমন্ত্ৰীয়ে আমগুৰি কেন্দ্ৰীয় নাট্য মন্দিৰলৈ দুই কোটি টকাৰ আৰ্থিক অনুদান আগবঢ়োৱাৰ লগতে আমগুৰি পৰিদৰ্শন বঙলাৰ উন্নয়ন সাধনৰ বাবেও সাত কোটি টকা ৰাজ্য চৰকাৰে আগবঢ়াব বুলি ঘোষণা কৰে। মুখ্য সচিব জিষ্ণু বৰুৱাই আদৰণি ভাষণ আগবঢ়োৱা আজিৰ এই অনুষ্ঠানত শক্তিমন্ত্ৰী বিমল বৰাই ভাষণ প্ৰদান কৰে। অনুষ্ঠানত ৰাজহ মন্ত্ৰী যোগেন মহন, সাংসদ তপন কুমাৰ গগৈ আৰু কামাখ্যা প্ৰসাদ তাছা, বিধায়ক ক্ৰমে প্ৰদীপ হাজৰিকা, ধৰ্মেশ্বৰ কোঁৱৰ, সুশান্ত বৰগোহাঁই, শক্তিখণ্ডৰ শীৰ্ষ বিষয়া আদি উপস্থিত থাকে।

## বড়োভূমিৰ ১৮ অবড়ো ছহিদক পাঁচ

*এক পৃষ্ঠাৰ পৰা* বিশেষ নাছিল; কিন্তু প্ৰধানমন্ত্ৰী মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহৰ নেতৃত্বত বড়োসকলক বুজোৱা হৈছিল যে তেওঁলোকে বিচৰাৰ দৰে অসমক ভাগ কৰি লাভ নহ'ব। তাৰ পৰিৱৰ্তে নিজৰ ৰক্ষণাবেক্ষণৰ বাবে তেওঁলোকে যি বিচাৰে তাতহে সহযোগিতা কৰা উচিত। এবছুৰে এই প্ৰচেষ্টাত সঁহাৰি দিয়াৰ লগে লগে পৰিৱেশ সলনি হ'বলৈ ধৰে। তাৰ ফলতহে শান্তি চুক্তি স্বাক্ষৰিত হয়। মানৱীয় সমস্যা বড়ো ভূমিত এতিয়াও বহু আছে। অহা ১০ বছৰত আমি সেই অঞ্চলটোলৈ বিকাশৰ গংগা বোৱাই নিব লাগিব। আজিৰ দিনটো ইয়াৰ পৰিপ্ৰেক্ষিততে অতি গুৰুত্বপূৰ্ণ। আমি আজি যিসকলক সাহায্য দিবলৈ আগবাঢ়িছো তেওঁলোকেও শান্তিৰ কাৰণে আন্দোলন কৰিছিল। তেতিয়াই দুৰ্বৃত্তৰ হাতত তেওঁলোকৰ মৃত্যু হৈছিল। শান্তি প্ৰতিষ্ঠাৰ তেওঁলোকৰ সেই প্ৰচেষ্টাৰ বাবে আমি এই সিদ্ধান্ত গ্ৰহণ কৰিছো।' প্ৰসংগক্ৰমে মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ জনজাতীয় লোকসকলৰ আটায়ে খিলঞ্জীয়া। সকলোৱে ইয়াত মিলা-প্ৰীতিৰে চলিব লাগিব। একেখন বিদ্যালয়ত বড়োৰ লগতে অসমীয়া পঢ়িব লাগিব। তেওঁ আৰু কয় যে অসমৰ বিবিধতা অসমবাসীৰ শক্তি, দুৰ্বলতা নহয়। অবড়ো ছহিদক সাহায্য প্ৰদানৰ ক্ষেত্ৰত তৎপৰতা গ্ৰহণৰ বাবে মুখ্যমন্ত্ৰীয়ে অবড়ো সুৰক্ষা সমিতি তথা ব্ৰজেন মহন্ত, ললিত হেমব্ৰম, মাধৱ ৰাজবংশী প্ৰমুখ্যে নেতৃবৃন্দক ধন্যবাদ জনায়।

অবড়োসকলৰ পাছত অসম চৰকাৰে বড়ো আন্দোলনৰ সময়ত ঘৰ-বাৰী হেৰুৱাই সৰ্বস্বান্ত হোৱা আদিবাসী লোকসকলকো সাহায্য আগবঢ়োৱা বুলি আজি মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে। তেওঁ কয়, 'সৰ্বস্বান্ত হোৱা সেইসকল লোকৰ কল্যাণৰ বাবে বিশেষ পুঁজি আবণ্টন দিয়া হ'ব। ইয়াৰ সন্দৰ্ভত যথেষ্ট আলোচনা চলি আছে।'

মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব জয়ন্ত মল্ল বৰুৱাই আঁত ধৰা অনুষ্ঠানটোত বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৱে অবড়োৰ ছহিদক সাহায্য প্ৰদানৰ সিদ্ধান্তৰ বাবে মুখ্যমন্ত্ৰীক ধন্যবাদ জনায়। বড়োৱে কয়, 'সংঘাতৰ পৰিৱেশ আমি লাহে লাহে শেষ কৰাৰ দিশে আগবাঢ়িছো। চুক্তিৰ পাছত বিটিআৰত স্থায়ী শান্তি প্ৰতিষ্ঠা হৈছে। বিটিআৰত সকলো খিলঞ্জীয়া লোকে নিজৰ নিজৰ পৰিচয়, ভাষা-সংস্কৃতি লৈ জীয়াই থাকিব পাৰিব। মুখ্যমন্ত্ৰীৰ সপোনৰ এখন উন্নতি অসম গঢ়াৰ বাবে আমি বহুত সময়ত এনেদৰেও কৰিব লাগিব। আশা কৰো আমি সকলোৱে শান্তি-সম্প্ৰীতিৰে থাকিব পাৰিম।' জয়ন্ত মল্ল বৰুৱাই উল্লেখ কৰে যে প্ৰথম পৰ্যায়ত ১৯ জনৰ নাম সাহায্যৰ বাবে তালিকাভুক্ত হৈছিল যদিও এজনক ইতিমধ্যে পাঁচ লাখ টকা প্ৰদান কৰা হৈছে। সেয়েহে আজি ১৮ জনৰ নিকটাত্মীয়ক সাহায্যৰ ধন প্ৰদান কৰা হ'ব। তদুপৰি অন্য ১২ জনীয়া এখন তালিকা পৰীক্ষণ পৰ্যায়ত আছে। আজি নিকটাত্মীয়ই সাহায্য লাভ কৰা ছহিদসকল হ'ল— ছতিন্দ্ৰ ছোৰেন, বদন হাছদা, ৰুবিন বাস্কে, ছুনিৰাম মুৰ্মু, এন্দ্ৰিয়াছ মাৰান্দি, মাশ্বি বাৰা, বিনয় ছোৰেন, দিগন্ত কাকতি, জয়ৰাম কলিতা, বিপুল দাস, হেমন্ত দাস, মহেন্দ্ৰ হীৰা, বিদ্যুৎ কলিতা, সঞ্জয় দাস, খনীন ৰয়, মনোজ কুমাৰ দাস, ধীৰেন দত্ত আৰু যতীন বৈশ্য।

## অসম হৈ ভাৰতৰ বজাৰত প্ৰৱেশ কৰিছে

*এক পৃষ্ঠাৰ পৰা* বিয়পি থকা সংগঠিত বৃহৎ আন্তৰ্জাতিক চোৰাং ব্যৱসায়ী চক্ৰৰ জৰিয়তে চলি অহা এই ব্যৱসায়ৰ তথ্য অসম আৰক্ষীক দাখিল কৰিছে চেণ্ট্ৰেল ব'ৰ্ড অব ইনডাইৰেক্ট টেক্সেছ এণ্ড কাষ্টম (চি বি আই চি)এ। সংস্থাটোৰ তথ্য মতে, ডুবাইৰ পৰা চোৰাং সোণ প্ৰথমতে বাংলাদেশলৈ অনা হয়। তাৰ পাছত দেশখনৰ লগত থকা অসম তথা ত্ৰিপুৰা সীমান্তৰে সেই সোণ ভাৰতলৈ অনা হয়। অসমৰ পৰা ডুবাইৰ চোৰাং সোণ এই পৰ্যন্ত উদ্ধাৰ হোৱা তথ্য অনুসৰি প্ৰধানকৈ পশ্চিমবংগ আৰু দিল্লীলৈ নিয়া হয়।

উল্লেখ্য যে যোৱা ফেব্ৰুৱাৰীত কলকাতাত সাতশ গ্ৰাম চোৰাং সোণসহ এগৰাকী মহিলা গ্ৰেপ্তাৰ হৈছিল। মহিলাগৰাকীৰ পৰা কম পৰিমাণৰ সোণ উদ্ধাৰ হ'লেও ইয়াৰ অন্তৰালত যে নতুন পথৰ সন্ধান দিয়া এখন বিশাল চোৰাং বজাৰৰ নেটৱৰ্কৰ তথ্য আছিল তাৰ অনুমান প্ৰথমতে কোনেও কৰিব পৰা নাছিল। জেৰাৰ সময়ত মহিলাগৰাকীয়ে জনায় যে তেওঁ ডুবাইৰ পৰা আহি কলকাতাত উপস্থিত হৈছে। ডুবাইৰ পৰা তেওঁ প্ৰথমতে বাংলাদেশলৈ আহিছিল। তাৰ পাছত ত্ৰিপুৰা সীমান্তৰে ভাৰতত প্ৰৱেশ কৰি গুৱাহাটী ৰেল ষ্টেছনত উপস্থিত হৈছিল। গুৱাহাটীৰ পৰাই তেওঁ কলকাতালৈ যায়। সেইবাৰ সাতশ গ্ৰাম চোৰাং সোণ কঢ়িওৱা মহিলাগৰাকীয়ে জেৰাত সদৰী কৰে যে তেওঁ কমেও ১৫ বাৰ ডুবাইৰ পৰা বাংলাদেশ আৰু বাংলাদেশৰ পৰা গুৱাহাটী হৈ কলকাতাত উপস্থিত হৈছিল। প্ৰতিবাৰে তেওঁ কঢ়িয়াইছিল বৃহৎ পৰিমাণৰ চোৰাং সোণ। ইয়াৰ পাছত মহিলাগৰাকীৰ তথ্যৰ ভিত্তিত শুল্ক বিভাগৰ লগতে কে'বাটাও অনুসন্ধান সংস্থাই বিষয়টোৰ তদন্ত অধিক বিস্তৃতভাৱে কৰে। আনকি বাংলাদেশৰ সংস্থাৰো সহযোগিতা বিচৰা হয়। তাৰ পাছতে পোহৰলৈ আহে যে বাংলাদেশত ডুবাইৰ পৰা চোৰাংকৈ অনা সোণ সময়ে সময়ে জব্দ হৈ আহিছে। অনুসন্ধানত এইটো নিশ্চিত হয় যে ভাৰত অথবা বাংলাদেশত চোৰাং সোণ জব্দ হ'লেও চলি থকা বজাৰখনৰ তুলনাত ইয়াৰ পৰিমাণ যথেষ্ট কম। সেইকাৰণে কলকাতাত গ্ৰেপ্তাৰ হোৱা মহিলাগৰাকী ১৬ নম্বৰ বাৰতহে জালত পৰে। কেন্দ্ৰীয় সংস্থাটোৱে উল্লেখ কৰা মতে, ডুবাইৰ পৰা ভাৰতলৈ প্ৰেৰণ কৰা চোৰাং সোণ দিল্লী, মুম্বাই, কেৰালা আদিত মাজে সময়ে জব্দ হৈ আহিছে; কিন্তু অসম হৈয়ো যে এই ব্যৱসায় বৃহৎ পৰিসৰত চলি আহিছে সেই তথ্য পূৰ্বে কাৰো হাতত নাছিল। চোৰাং ব্যৱসায়ৰ কৌশল হিচাপে এই সৰবৰাহ কাৰ্যত বহু লোকক নিয়োগ কৰা নহয়। সেইকাৰণে ধৃত মহিলাগৰাকীয়েই বাংলাদেশৰ পৰা ত্ৰিপুৰা, গুৱাহাটী হৈ কলকাতালৈ থকা দীঘলীয়া পথছোৱা চোৰাং সোণ কঢ়িয়াই নিছিল। অৱশ্যে মহিলাগৰাকীয়ে অধিক পৰিমাণৰ সোণ কঢ়িওৱাৰ সন্দেহো কৰা হৈছে। ৰাস্তাত কিছু পৰিমাণৰ সোণ ব্যৱসায়ীক হস্তান্তৰ কৰাৰ পাছত কলকাতাৰ এটা চক্ৰৰ হাতত তুলি দিবলৈ শেষত তেওঁৰ হাতত সাতশ গ্ৰামহে বাকী ৰৈছিল। মহিলাগৰাকীৰ তথ্যত প্ৰকাশ যে বাংলাদেশৰ পৰা তেওঁ ত্ৰিপুৰা হৈ ভাৰতত প্ৰৱেশ কৰিলে একাংশই অসম-বাংলাদেশ সীমান্তৰে ভাৰতত প্ৰৱেশ কৰে। তেনে চক্ৰৰ অনুসন্ধান অসম আৰক্ষীৰ সহযোগত কেন্দ্ৰীয় সংস্থাটোৱে অব্যাহত ৰাখিছে।

# কেন্দ্ৰীয় পৰ্যবেক্ষকৰ দলৰ হোজাইৰ বানপীড়িত অঞ্চল পৰিদৰ্শন

**অগ্ৰদূত বাৰ্তা**

**যমুনামুখ, ৩১ মে' ঃ** জিলাখনৰ সাম্প্ৰতিক বানপানীৰ পৰিস্থিতিৰ বুজ লোৱাৰ উদ্দেশ্যে কেন্দ্ৰীয় পৰ্যবেক্ষকৰ এটি দল হোজাই জিলাত উপস্থিত হয়। যোৱা ২৮ মে'ত জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত জিলা উপায়ুক্ত অনুপম চৌধুৰীয়ে কেন্দ্ৰীয় পৰ্যবেক্ষকৰ দলৰ স'তে জিলাখনৰ বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকলৰ লগত এখন বানপানী সংক্ৰান্তীয় পৰ্যালোচনা বৈঠকত মিলিত হয়। সভাত উপস্থিত থকা কেন্দ্ৰীয় পৰ্যবেক্ষক দলৰ মুখ্য পৰ্যবেক্ষক জিন্তু কুমাৰ দাস, মুখ্য সঞ্চালক, কৃষি মন্ত্ৰালয়সহ আন দুগৰাকী বিশিষ্ট পৰ্যবেক্ষকে সাম্প্ৰতিক হোজাই জিলাখনত জৰ্জৰিত হোৱা বানাক্ৰান্ত অঞ্চসমূহৰ ক্ষয়-ক্ষতি, উদ্ধাৰ আৰু সাহায্য প্ৰদানকে ধৰি আনুষংগিক দিশসমূহ পৰ্যালোচনা কৰে। সভাত হোজাইৰ বিধায়ক ৰামকৃষ্ণ ঘোষে বানপানীত ক্ষতিগ্ৰস্ত হোৱা অঞ্চলসমূহত উদ্ধাৰ আৰু সাহায্য, খাদ্য সামগ্ৰী প্ৰদান আদিৰ বুজ লয়। সভাত সংশ্লিষ্ট বিভাগসমূহৰ তথ্যসমূহ দাঙি ধৰাৰ লগতে পাৱাৰপইণ্ট প্ৰেজেণ্টেছনৰে বান পৰিস্থিতিৰ পৰ্যালোচনাৰ বিস্তৃত তথ্য দাঙি ধৰে প্ৰশাসনৰ হৈ ৰাজহ বিভাগৰ অতিৰিক্ত উপায়ুক্ত উৰ্মি মেধিয়ে। সভাত উত্থাপিত তথ্য অনুসৰি, এইবাৰ বানৰ কবলত পৰি জিলাখনৰ ৯১খন গাঁও প্লাৱিত হৈ ক্ষতিগ্ৰস্ত হৈছিল। প্ৰায় ২৬০০ টা ঘৰ ভাঙি নষ্ট হয়। জিলাখনৰ প্ৰায় একলাখ ১৭ হেজাৰ লোক বানৰ কবলত পৰে। কৃষিভূমি নষ্ট হয় প্ৰায় ৪৬৮৭ হেক্টৰ, সম্পূৰ্ণভাৱে সাতটাকৈ ধৰি আন ৩৮টা পথৰ আংশিকভাৱে ক্ষতিসাধন হয়। ১৩২ খন বিদ্যালয় সম্পূৰ্ণভাৱে প্লাৱিত হোৱাৰ লগতে আংশিকভাৱে ৩১ খন বিদ্যালয় ক্ষতিসাধন হৈছিল। জলসিঞ্চনৰ ছটা আঁচনি পানীত বুৰ যায়। সমাজ কল্যাণ বিভাগৰ অংগনবাড়ী কেন্দ্ৰসমূহৰ সম্পূৰ্ণভাৱে ২৩টা কেন্দ্ৰ ক্ষতি হোৱাৰ লগতে আন ১৫১ টা আংশিকভাৱে ক্ষতি হয়। হস্ততাঁত বস্ত্ৰ শিল্প বিভাগৰ অধীনৰ ১১৭৫ গৰাকী শিপিনী এইটো বানত ক্ষতিগ্ৰস্ত হয়। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনৰ আঁচনিসমূহৰ প্ৰায় ৮৯ টা আঁচনিৰ অন্তৰ্গত ঘৰ, ৰাস্তা-ঘাট আদি ক্ষতিগ্ৰস্ত হয়। এইবাৰৰ বানত দুজন লোকৰ প্ৰাণ হানি হয়। তেওঁলোকৰ প্ৰত্যেকজনৰ পৰিয়াললৈ এককালীন সাহায্য হিচাপে চাৰিলাখ টকাকৈ অসম চৰকাৰৰ তৰফৰ পৰা আগবঢ়োৱা হৈছে। সাহায্য কেন্দ্ৰসমূহত থকা বানাক্ৰান্ত ৰাইজক বিভিন্ন খাদ্য সামগ্ৰী যোগান ধৰাৰ লগতে শিশুৰ বাবে শিশু খাদ্যও যোগান ধৰা হৈছিল।

# হোজাইত যুৱ মৰ্চাৰ সংবাদমেল ঃ প্ৰধানমন্ত্ৰী-মুখ্যমন্ত্ৰীক প্ৰশংসা

**অগ্ৰদূত বাৰ্তা**

**হোজাই, ৩১ মে' ঃ** হোজাই জিলা বিজেপিৰ কাৰ্যালয়ত কালি যুৱ মৰ্চাই এখন সংবাদমেল আয়োজন কৰে। সংবাদমেল সম্বোধন কৰে বিজেপিৰ জিলা যুৱ মৰ্চাৰ সভাপতি বিনয় কলিতাই। সংবাদমেলত বিজেপিৰ জিলা সভাপতি অনুপ দেৱ, সাধাৰণ সম্পাদক মনোজ দাস, ৰাজ্যিক বিজেপিৰ আমন্ত্ৰিত সদস্য সুস্মিতা বছাক উপস্থিত থাকে। সংবাদমেলত জিলা সভাপতি অনুপ দেৱে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিগত আঠবছৰে ভাৰতৰ জনসাধাৰণৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ বাবে কৰা কৰ্মৰ বাবে ধন্যবাদ জ্ঞাপন কৰি বিগত সময়ত বিৰোধীয়ে কৰা অভিযোগসমূহ খণ্ডন কৰে। তেওঁ সংবাদমেলত অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ কামক প্ৰশংসা কৰি ধন্যবাদ জনায়। সংবাদমেলত যুৱ মৰ্চাৰ সভাপতি বিনয় কলিতাই কংগ্ৰেছ, আপ, তৃণমূল কংগ্ৰেছক সমালোচনা কৰি এই দলৰ চৰকাৰ থকা অঞ্চলসমূহত পেট্ৰ'লৰ দাম কমাব নোৱাৰা কাৰ্যক সমালোচনা কৰে।

# ছয়গাঁৱৰ চিডিপিঅ' কাৰ্যালয়ত নিযুক্তিত অনিয়ম



## অংগনৱাড়ী কেন্দ্ৰৰ কৰ্মী-সহায়িকাৰ প্ৰতিবাদ

**ছয়গাঁও, ৩১ মে' ঃ** দক্ষিণ কামৰূপৰ ছয়গাঁৱত থকা শিশু উন্নয়ন প্ৰকল্প বিষয়াৰ বিৰুদ্ধে অনিয়মৰ অভিযোগ উত্থাপিত হৈছে। চিডিপিঅ' সুকন্যা দাসৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ তুলি আজি কাৰ্যালয়ৰ বাহিৰত বঞ্চিত প্ৰাৰ্থীয়ে প্ৰতিবাদ সাব্যস্ত কৰে। তথ্য মতে, ২২৪ নম্বৰ আলিকাষ অংগনৱাড়ী কেন্দ্ৰত কৰ্মী পদৰ বাবে বিজ্ঞাপন প্ৰকাশ কৰি কেৱল এগৰাকী মহিলাক (অৰ্পণা কলিতা) সাক্ষাৎকাৰৰ বাবে আমন্ত্ৰণ জনোৱাৰ অভিযোগ তোলে ভুক্তভোগী একাংশ মহিলাই। দীৰ্ঘদিনে সহায়িকাই পৰিচালনা কৰি অহা কেন্দ্ৰটোত কৰ্মীৰ বিজ্ঞাপন প্ৰকাশৰ পাছতো গৰৈমাৰী অংগনৱাড়ী কেন্দ্ৰৰ সহায়িকাক অনিয়মেৰে কৰ্মীপদত নিযুক্তি প্ৰদানৰ প্ৰক্ৰিয়াৰ বিৰুদ্ধে ক্ষুণ্ণ হৈ পৰে স্থানীয় মহিলাসকল। সেয়েহে আজি একাংশ মহিলা একত্ৰিত হৈ কাৰ্যালয়ত উপস্থিত হৈ প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদী মহিলাই জনোৱা অনুসৰি অৰ্পণা কলিতাই শিক্ষাৰ প্ৰমাণপত্ৰও জালিয়াতি কৰিছে। ইয়াৰ বিপৰীতে চিডিপিঅ' দাসে নিযুক্তিৰ নামত কোনো অনিয়ম সংঘটিত হোৱা নাই বুলি সদৰী কৰে।

# ২০২১-২২ৰ সঁফুৰা বৃত্তি পৰীক্ষাৰ ফলাফল ঘোষণা

**গুৱাহাটী, ৩১ মে' ঃ** 'শিশুৰ বিকাশ-সঁফুৰাৰ প্ৰয়াস' শ্ল'গানেৰে ছাত্ৰ-ছাত্ৰীৰ সৃজনীশক্তিৰ বিকাশ আৰু বৌদ্ধিক উত্তৰণৰ লক্ষ্য আগত ৰাখি 'দা আছাম ট্ৰিবিউন', 'অসমীয়া প্ৰতিদিন'. 'প্ৰতিদিন টাইম' আৰু 'বৈশ্য ষ্টাডি ফৰ চিভিল চাৰ্ভিচ'ৰ সহযোগত অনুষ্ঠিত সঁফুৰা বৃত্তি পৰীক্ষা-২০২১-২২ আৰু সঁফুৰা টেলেণ্ট ডিস্ক'ভাৰি এক্সামিনেচন-২০২১-২২ৰ পৰীক্ষাৰ ফলাফলসমূহ ঘোষণা কৰা হৈছে। সেই অনুসৰি সঁফুৰা অংকুৰণ বৃত্তি পৰীক্ষা আৰু গ্ৰুপ 'এ'ৰ প্ৰথম তিনিটা স্থানৰ বাবে চূড়ান্ত পৰীক্ষালৈ নিৰ্বাচিত তিনিগৰাকী হ'ল— হৃষিকেশ বৰা (ৰোল নম্বৰ- ০৭৭৬, ইংৰাজী মাধ্যমৰ- বিবেকানন্দ কেন্দ্ৰ বিদ্যালয়, ধেমাজি; মৃদুস্মিতা দাস (ৰোল নম্বৰ- ২৫০২, অসমীয়া মাধ্যমৰ আৰ্যভট্ট একাডেমী, সৰুপেটা; ৰাজদীপ পৰাশৰ (ৰোল নম্বৰ-২২৪৩, অসমীয়া মাধ্যমৰ জাতীয় বিদ্যালয়, ছিপাঝাৰ। সঁফুৰা প্ৰাথমিক বৃত্তি পৰীক্ষা আৰু গ্ৰুপ 'বি'ৰ প্ৰথম তিনিটা স্থানৰ বাবে চূড়ান্ত পৰীক্ষালৈ নিৰ্বাচিত তিনিগৰাকী হ'ল— বিৰিণা বুঢ়াগোহাঁই (ৰোল নম্বৰ ১০৯৫, অসমীয়া মাধ্যমৰ জ্যোতি বিদ্যাপীঠ, টীয়ক; নিখিল বৰকাকতি (ৰোল নম্বৰ-৩২৪৩, অসমীয়া মাধ্যমৰ শংকৰদেৱ শিশু নিকেতন, হাবিবৰঙাবাৰী, মাৰ্চি লাহন (ৰোল নম্বৰ- ৩৭৭৬, অসমীয়া মাধ্যমৰ শংকৰদেৱ শিশু নিকেতন, শিমলুগুৰি। সঁফুৰা মজলীয়া বৃত্তি পৰীক্ষা আৰু গ্ৰুপ 'চি'ৰ প্ৰথম তিনিটা স্থানৰ বাবে চূড়ান্ত পৰীক্ষালৈ নিৰ্বাচিত তিনিগৰাকী হ'ল— দীপ্তাংশু কুমাৰ ফুকন (ৰোল নম্বৰ ০২১৯, ইংৰাজী মাধ্যমৰ গুৰুকুল গ্ৰামাৰ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, গুৱাহাটী; সংযুক্তা শইকীয়া (ৰোল নম্বৰ- ১০৪০, ইংৰাজী মাধ্যমৰ চেছ পানীনী পাব্লিক স্কুল, মৰিগাঁও; গীতম নিশি শৰ্মা (ৰোল নম্বৰ- ৩৮৮৭, অসমীয়া মাধ্যমৰ পশ্চিম দৰং জাতীয় বিদ্যালয়, দিপীলা। সঁফুৰা মাধ্যমিক বৃত্তি পৰীক্ষা আৰু গ্ৰুপ 'ডি'ৰ প্ৰথম তিনিটা স্থানৰ বাবে চূড়ান্ত পৰীক্ষালৈ নিৰ্বাচিত তিনিগৰাকী হ'ল— সাৰংগনা ভূঞা (ৰোল নম্বৰ- ০৬০০, ইংৰাজী মাধ্যমৰ গহপুৰ টাউন স্কুল, গহপুৰ; অত্ৰি ওমপ্ৰিয়া কেশৱ (ৰোল নম্বৰ ০৮৬৭, অসমীয়া মাধ্যমৰ ঢকুৱাখনা জাতীয় বিদ্যালয়, ঢকুৱাখনা; জোনাক কাশ্যপ (ৰোল নম্বৰ- ২৩৬১, অসমীয়া মাধ্যমৰ লুইত জাতীয় বিদ্যালয়, চিৰাজুলী। পৰীক্ষাৰ সবিশেষ ফলাফল মাহেকীয়া শিশু আলোচনী 'সঁফুৰা'ৰ জুন মাহৰ সংখ্যাত প্ৰকাশ পাইছে। স্থানপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীৰ বাবে গুৱাহাটীত অনুষ্ঠিত হ'বলগীয়া সঁফুৰা দ্বিতীয় পৰ্যায়ৰ পৰীক্ষা আৰু বঁটা প্ৰদান অনুষ্ঠানৰ তাৰিখ পৰৱৰ্তী সময়ত ঘোষণা কৰা হ'ব বুলি পৰীক্ষা সচিব ধীৰাজ গোস্বামীয়ে জনাইছে।

# আজি মঙলদৈত সাহিত্য সূৰ্য লুম্বেৰ দাই সাহিত্য বঁটা প্ৰদান অনুষ্ঠান

**বিশেষ সংবাদদাতা**

**মঙলদৈ, ৩১ মে' ঃ** অসম সাহিত্য সভাৰ মঙলদৈ আঞ্চলিক কাৰ্যালয়ৰ উদ্যোগত মঙলদৈ প্ৰেছ ক্লাব আৰু দৰং জিলা সাহিত্য সভাৰ সহযোগত কাইলৈ স্থানীয় জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'ব সাহিত্য সূৰ্য লুম্বেৰ দাই সাহিত্য বঁটা ২০২১ প্ৰদান অনুষ্ঠান। অসম সাহিত্য সভাই ২০০৯ৰ পৰা প্ৰতি দুবছৰৰ মূৰে মূৰে প্ৰদান কৰি অহা সভাৰ অন্যতম সন্মান লুম্বেৰ দাই সাহিত্য বঁটা এইবেলি প্ৰথিতযশা সাহিত্যিক পদ্মশ্ৰী য়েচে দৰজে ঠংছিক প্ৰদান কৰিব। এই উদ্দেশ্যে কাইলৈ দিনৰ ১১ বজাত অসম সাহিত্য সভাৰ সভাপতি কুলধৰ শইকীয়াৰ সভাপতিত্বত হ'বলগীয়া বঁটা প্ৰদান অনুষ্ঠানৰ মূলসভা উদ্বোধন কৰিব দৰঙৰ উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মাই। অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে যথাক্ৰমে অসম সাহিত্য সভাৰ উপ-সভানেত্ৰী মৃণালিনী দেৱী আৰু ৰাভা সাহিত্য সভাৰ সাধাৰণ সম্পাদক ৰাজকুমাৰ ৰাভা উপস্থিত থাকিব। অসম তথা অৰুণাচল প্ৰদেশৰ কে'বাগৰাকীও বিশিষ্ট সাহিত্যিকে অংশগ্ৰহণ কৰিব লগা অনুষ্ঠানত ৰাইজৰ উপস্থিতি কামনা কৰিছে অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক যাদৱ শৰ্মা, দৰং জিলা সাহিত্য সভাৰ সম্পাদক গৌতমানন্দ গোস্বামী আৰু মঙলদৈ প্ৰেছ ক্লাবৰ সম্পাদক লক্ষ্মীনন্দন কলিতাই।

# সাধাৰণ জাতি বিকাশ পৰিষদ অসমৰ নতুন কাৰ্যকৰী সমিতিৰ দায়িত্ব গ্ৰহণ

**গুৱাহাটী, ৩১ মে' ঃ** যোৱা ২৯ মে'ত গুৱাহাটীৰ ৰূপনগৰত থকা ৰাজ্যিক মুক্তিযুঁজাৰু সন্মিলনী ভৱনত সাধাৰণ জাতি বিকাশ পৰিষদৰ এখনি সভা অনুষ্ঠিত হয়। সভাত অজিত বৰ্মনক সভাপতি, প্ৰদীপ বৰুৱাৰ কাৰ্যকৰী সভাপতি, বিদ্যুৎ বিজয় মহন্তক সম্পাদক প্ৰধান হিচাপে লৈ এখন নতুন ২৭ জনীয়া ৰাজ্যিক সমিতিয়ে কাৰ্যভাৰ গ্ৰহণ কৰি শপত গ্ৰহণ কৰে। শপত বাক্য পাঠ কৰাই বিদায়ী সভাপতি বীৰেন ভাগৱতীয়ে। সভাত ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ পৰা অহা সাধাৰণ জাতিৰ বিষয়ববীয়াসকলে চৰকাৰৰ ভুল নীতিৰ পৰিপ্ৰেক্ষিতত বিভিন্ন সমস্যাৰ জৰ্জৰিত সাধাৰণ জাতিৰ লোকসকলে ক্ষোভ প্ৰকাশ কৰে। স্বাধীনতাৰ ৭০ বছৰৰ পাছতো জাতিভিত্তিত সংৰক্ষণ ব্যৱস্থাই সাধাৰণ জাতিৰ মেধাৱী ছাত্ৰ-ছাত্ৰী, দুখীয়া শ্ৰেণীৰ লোকসকলক কিদৰে প্ৰাপ্যৰ পৰা বঞ্চিত কৰাৰ লগতে মানসিকভাৱে পংগু কৰি আহিছে, এই বিষয়ে বিস্তৃতভাৱে আলোচনা কৰে। প্ৰয়োজন হ'লে সাধাৰণ জাতিৰ লোকসকলে এলানি আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰি কেন্দ্ৰীয় আৰু ৰাজ্যিক দুয়োখন চৰকাৰৰ বিৰুদ্ধে তীব্ৰ প্ৰত্যাহ্বান গঢ়ি তুলিব বুলি প্ৰতিজ্ঞাবদ্ধ হয়। আনহাতে, কেন্দ্ৰীয় চৰকাৰে অলপতে ঘোষণা কৰা আৰ্থিকভাৱে দুৰ্বল সাধাৰণ শ্ৰেণীৰ লোকসকলৰ বাবে ১০ শতাংশ সংৰক্ষণৰ দ্বাৰা বিভিন্ন সুবিধাসমূহ প্ৰদান কৰাৰ চেষ্টা কৰিছে যদিও, সি এপাচি শাকত এটা জালুকৰ নিচিনা বুলি অভিহিত কৰে। ভুতৰ ওপৰত দানহ পৰা দি ইতিমধ্যেই সংৰক্ষণৰ আওঁতাত থাকি সকলোখিনি ভোগ কৰা সকলেও আৰ্থিকভাৱে দুৰ্বল শ্ৰেণীৰ লোকৰ প্ৰমাণপত্ৰ উলিয়াইও ওপৰঞ্চিভাৱে ইয়াৰ সুবিধা গ্ৰহণ কৰা বুলি অভিযোগ উঠিছে। সেয়ে চৰকাৰক অতি সতৰ্কতাৰে আৰু ক্ষিপ্ৰতাৰে এই ধৰণৰ অনৈতিক কাৰ্য ৰোধ ৰকাৰ বাবে সংগঠনৰ দ্বাৰা আহ্বান জনোৱা হয়।

# শোলমাৰীত চোৰাং কুৱেৰী ডাষ্ট ভৰ্তি দুখনকৈ ডাম্পাৰ জব্দ

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ৩১ মে' ঃ** গোৱালপাৰা আঞ্চলিক বন বিভাগে অভিযান চলাই যোৱা নিশা ১৭ নম্বৰ ঘাইপথৰ শোলমাৰীৰ পৰা দুখনকৈ চোৰাং ডাষ্ট ভৰ্তি ডাম্পাৰ জব্দ কৰে। ম্যাদ উকলা চালানেৰে আৰজে-০৭ জিডি ক্ৰমে ৬৭৩৭ আৰু ৬৮৩৭ নম্বৰৰ ডাম্পাৰ দুখনেৰে অতিৰিক্ত বোজাইবাহী কুৱেৰী ডাষ্ট সৰবৰাহ কৰাৰ সময়তে জব্দ কৰি বনাঞ্চলিক বিষয়া জগন্নাথ আগৰৱালাই জব্দ কৰি নিজৰ কাৰ্যালয়লৈ আনে। উল্লেখ্য যে গোৱালপাৰা জিলাত চেণ্ডেগ্ৰেভেলৰ লগতে শিল, বালি, মাটি, চীপচ, বল্ডাৰ, বালি, কাঠ আদিৰ ছিণ্ডিকেটৰাজ চলা বুলি দীৰ্ঘদিনৰ পৰাই ৰাজহুৱা অভিযোগ উত্থাপিত হৈ আহিছে। এই সন্দৰ্ভত অসম বিধানসভাৰ মজিয়াতো আলোচনা হৈছিল; কিন্তু বিভাগীয় শীৰ্ষ মহলৰ ৰহস্যজনক স্থিতিৰ বাবেই অসাধু চক্ৰই জিলাখনৰ বিভিন্ন প্ৰান্তত দিনে-নিশাই অবাধে বনজ সম্পদৰ ৰমৰমীয়া ব্যৱসায় চলাই থকা বুলি গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। এই ক্ষেত্ৰত উচ্চ পৰ্যায়ৰ তদন্তৰ জৰিয়তে বিহিত ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে সচেতন মহলে।

# পানী যোগান আঁচনিৰ কৰ্মচাৰী জিতু মেধিৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**শুৱালকুছি, ৩১ মে' ঃ** কামৰূপ জিলাৰ শ্ৰীহাটীৰ সানপাৰাৰ তথা সানপাৰা পৰ্বত পানী যোগান আঁচনিৰ অস্থায়ী কৰ্মচাৰী জিতু মেধি (৪৫)ৰ নিজ বাসগৃহত মৃত্যু ঘটে। দীৰ্ঘদিন ধৰি যকৃতৰ অসুখত ভুগি আছিল জিতু। উল্লেখ্য যে ২০১২ৰ পৰা তেওঁ বৰলাহ গোটবন্ধ পানী যোগান আঁচনিৰ অধীনত সানপাৰা পৰ্বত পানী যোগান আঁচনিত অস্থায়ীভাৱে কৰ্মৰত হৈ আছিল। চাকৰি নিয়মীয়াকৰণ হোৱাৰ আশাত তেওঁ চৰকাৰৰ জনস্বাস্থ্য কাৰিকৰী বিভাগক নিজৰ দুকঠা মাটি আঁচনিখনৰ বাবে দান কৰিছিল। বিগত ১০ বছৰে অস্থায়ীভাৱে থাকি অসুখীয়া শৰীৰেৰে পুৱা-গধূলি অঞ্চলটোক পানী যোগান ধৰি আছিল। জীৱিত কালত তেওঁ বিভিন্ন অনুষ্ঠানৰ লগত জড়িত আছিল। তেওঁৰ মৃত্যুত বৰলাহ গোটবন্ধ পানী যোগান আঁচনিৰ সহকাৰী অভিযন্তা অৰুণ ডেকা তথা কৰ্মচাৰীসকলে শোক প্ৰকাশ কৰি মৃতকক শ্ৰদ্ধা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত তেওঁ পত্নী উত্তৰা মেধিক ইহসংসাৰত এৰি যায়। তেওঁৰ মৃত্যুত অঞ্চলজুৰি শোকৰ ছাঁ পৰে।

# অভিনেতা অমৃত চৌধুৰীৰ প্ৰথম মৃত্যুবাৰ্ষিকী উদ্‌যাপন

## ■ স্মৃতিগ্ৰন্থ 'অমৃত মন্থন' উন্মোচন



**অগ্ৰদূত**

**আজাৰা, ৩১ মে' ঃ** দক্ষিণ কামৰূপৰ এসময়ৰ যাত্ৰাদলৰ জনপ্ৰিয় অভিনেতা প্ৰয়াত অমৃত চৌধুৰীৰ প্ৰথম মৃত্যুবাৰ্ষিকী কালি দিনজোৱা কাৰ্যসূচীৰে আজাৰাৰ যোগীপাৰাৰ নিজ বাসভৱনত অনুষ্ঠিত কৰা হয়। পুৱা নাম-কীৰ্তন, ভাগৱত পাঠৰ পাছতে দুপৰীয়া স্মৃতিগ্ৰন্থ 'অমৃত মন্থন' উন্মোচন কৰা হয়। স্মৃতিগ্ৰন্থ উন্মোচন কৰে শংকৰদেৱ সংঘৰ জিলাৰ শৰণ সদস্য তথা মূলৰ মণিকাঞ্চনৰ প্ৰাক্তন উপদেষ্টা জ্যোতিৰ্ময় তালুকদাৰে। স্মৃতিগ্ৰন্থ উন্মোচনী অনুষ্ঠানত নাট্যকাৰ অমূল্য কুমাৰ, কাঁহিকুছি গাঁও পঞ্চায়তৰ সভাপতি জগন্নাথ ঠাকুৰীয়া, সমাজকৰ্মী প্ৰভাত চন্দ্ৰ দলৈ, প্ৰশান্ত মহন্ত আজিকালি কে'বাগৰাকী ব্যক্তিয়ে বিশিষ্ট যাত্ৰাভিনেতা প্ৰয়াত অমৃত চৌধুৰীৰ যাত্ৰাভিনয়ৰ স্মৃতি ৰোমন্থন কৰে। অনুষ্ঠানৰ লগত সংগতি ৰাখি দিহা নাম, ঘোষা' নামৰ লগতে সন্ধিয়া প্ৰয়াত অমৃত চৌধুৰী অভিনীত নাট 'বালি চ'ৰাত এদিন এৰাতি' প্ৰদৰ্শন কৰা হয়।

# বঙাইগাঁৱত প্ৰসৱপূৰ্বক স্বাস্থ্য পৰীক্ষা অভিযান

**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ৩১ মে' ঃ** প্ৰসূতিৰ স্বাস্থ্যৰ গুণগত মানৰ প্ৰতি লক্ষ্য ৰাখি বিশেষ প্ৰসৱপূৰ্বক স্বাস্থ্য পৰীক্ষা অভিযান কালিৰে পৰা বঙাইগাঁওতো আৰম্ভ হয় আৰু এই অভিযান অহা পাঁচ জুনলৈ চলিব। ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ উদ্যোগত তথা বঙাইগাঁও জিলা স্বাস্থ্য সমিতিৰ সহযোগত জিলাখনৰ মুঠ চাৰিটা স্বাস্থ্য খণ্ডত এই অভিযান আৰম্ভ হয়। জিলাখনৰ সকলো গৰ্ভৱতী মহিলাক প্ৰসৱপূৰ্বকসকলো ধৰণৰ স্বাস্থ্য পৰীক্ষা কৰায় ডাক্তৰ, নাৰ্ছ আৰু স্বাস্থ্যকৰ্মীসকলে। পুৱাৰে পৰা বঙাইগাঁও চহৰৰ থকা বঙাইগাঁও প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰতো গৰ্ভৱতী মহিলাসকলক আহি স্বাস্থ্য পৰীক্ষা কৰায়।

# বিএমআৰ নৱোদয় বিদ্যপীঠৰ মুখপত্ৰ উন্মোচন

**অগ্ৰদূত বাৰ্তা**

**টিহু, ৩১ মে' ঃ** টিহুৰ বড়গাঁৱত অৱস্থিত উচ্চ শিক্ষাৰ অনুষ্ঠান বড়গাঁও-মথুৰাপুৰ-ৰণাকুছি নৱোদয় বিদ্যাপীঠ হাইস্কুলত আজি বিদ্যালয়খনৰ হাতে লিখা মুখপত্ৰ 'জ্ঞানজ্যোতি' আৰু 'জৈৱ-বৈচিত্ৰ পঞ্জীয়ন প্ৰ-পত্ৰ' এখন উন্মোচন কৰা হয়। এই উপলক্ষে বিদ্যালয়খনৰ প্ৰধান শিক্ষক শৰ্মাই সঞ্চালনা কৰা সভাত জৈৱ-বৈচিত্ৰ পঞ্জীয়ন মাধ্যমিক পৰ্যায়ৰ প্ৰ-পত্ৰখন উন্মোচন কৰে টিহু ছোৱালী হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ধৰণী ডেকাই। তদুপৰি ছাত্ৰ-ছাত্ৰীৰ গল্প-কবিতা আৰু শিক্ষকসকলৰ বিভিন্ন প্ৰৱন্ধৰে সমৃদ্ধ হাতেলিখা মুখপত্ৰ 'জ্ঞানজ্যোতি' উন্মোচন কৰে বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি অজিত কুমাৰ শৰ্মাই। বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ উপস্থিতিত অনুষ্ঠিত সভাত উন্মোচক ডেকা আৰু শৰ্মাই নিজ নিজ বিষয়বস্তুৰ ওপৰত প্ৰাসংগিক বক্তব্য আগবঢ়ায়।

# প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ হিতাধিকাৰীৰে মত বিনিময়

**অগ্ৰদূত বাৰ্তা**

**চিথিলা, ৩১ মে' ঃ** বিটিচিৰ সাত নম্বৰ ফকিৰাগ্ৰাম অজনজাতি সমষ্টিৰ চিথিলা ভিচিডিচিৰ অন্তৰ্গত প্ৰধানমন্ত্ৰী আৱাস যোজনা লাভ কৰা হিতাধিকাৰী সকলোৰ লগত চিথিলা সমূহীয়া ভৱনত আজি মত বিনিময় কৰে বিটিআৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাৰ ই এম অৰুপ কুমাৰ দেই। অনুষ্ঠানত ই এমজনৰ লগতে উপস্থিত থাকে চিথিলা ভিচিডিচিৰ চেয়াৰমেন কনকেশ্বৰ ৰায়, ধৰণীকান্ত বৰ্মন, সুশান্ত সূত্ৰধৰ, জি আৰ এছ চন্দন ৰায় আদিয়ে। চিথিলা ভিচিডিচিত ৩২৭ জন হিতাধিকাৰীয়ে এই আঁচনি লাভ কৰিছে। অনুষ্ঠানত ই এম দেই কয় যে ১৭ বছৰ বি পি এফৰে শাসন কৰাৰ সময়ত ৰাইজে ইমানবোৰ সুবিধা লাভ কৰা নাছিল, কিন্তু বিটিচিত ইউপিপিএল-বিজেপিৰ চৰকাৰ গঠন হোৱাৰ পাছতে উন্নয়নৰ গতি ত্বৰান্বিত হৈছে। এইবেলি ৩২৮ টা প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ ঘৰ লাভ কৰিছে। অনাগত দিনত ইয়াতকৈ অধিক সুবিধা লাভ কৰিব বুলিও তেওঁ উল্লেখ কৰে।

(continued from page No 8)

| Position | Roll No. | Name of the candidate | Category | Gender | PWD | Vacancy relating to reservation |
|---|---|---|---|---|---|---|
| 276 | 20799 | MOUSUMI MAIK | Female | MOBC | | Reserved |
| 277 | 50642 | SUBANGAMA BARUAH | Female | OBC | | Reserved |
| 278 | 20849 | NAMRATA HANDIQUE | Female | OBC | | Reserved |
| 279 | 61654 | NAMRATA TAMULY | Female | OBC | | Reserved |
| 280 | 21118 | RAJASHREE BORAH | Female | OBC | | Reserved |
| 281 | 60408 | BHASWATI DUTTA | Female | OBC | | Reserved |
| 282 | 61443 | KRITI DEKA SINGHA | Female | OBC | | Reserved |
| 283 | 60848 | GITANJALI DEKA | Female | OBC | | Reserved |
| 284 | 21694 | PRIYANKA SAIKIA | Female | STP | | Reserved |
| 285 | 30335 | MANIK TISSO | Male | STH | | Reserved |
| 286 | 62331 | RANI DEURI | Female | STP | | Reserved |
| 287 | 30477 | RADHINA LANGTHASA | Female | STH | | Reserved |
| 288 | 60262 | ANUPUPA PATHAK | Female | SC | | Reserved |
| 289 | 21269 | SANGITA SONOWAL | Female | STP | | Reserved |
| 290 | 10072 | MUMINA AKTHER CHOUDHURY | Female | EWS | | Reserved |
| 291 | 20841 | NABONITA SAIKIA | Female | STP | | Reserved |
| 292 | 30238 | JARLINSON TIMUNG | Male | STH | | Reserved |
| 293 | 60084 | ANKUSH DEKA | Male | GENERAL | VI | Open Category |
| 294 | 20776 | MIDMI TAYE | Female | STP | | Reserved |
| 295 | 30088 | BHASKAR DARPHANG | Male | STH | | Reserved |
| 296 | 30501 | KUN SING INGTI | Male | STH | | Reserved |
| 297 | 30088 | BIBOJEET HAFLONGBAR | Male | STH | | Reserved |
| 298 | 61489 | LOSIKA HOJAI | Female | STH | | Reserved |
| 299 | 30498 | RAJU TERANG | Male | STH | | Reserved |
| 300 | 30476 | RADHIKA TOKBIPI | Female | STH | | Reserved |
| 301 | 30528 | ROMON TERON | Male | STH | | Reserved |
| 302 | 30350 | MEERA BEYPI | Female | STH | | Reserved |
| 303 | 30861 | KOMKOMA SHYAM GOHAIN | Female | STH | | Reserved |
| 304 | 30825 | ANAMIKA HOJAI | Female | STH | | Reserved |
| 305 | 30895 | BINEN DAULAGUPU | Male | STH | | Reserved |
| 306 | 62315 | RAKESH TERANG | Male | STH | | Reserved |
| 307 | 30188 | BORNASHREE KHERSA | Female | STH | | Reserved |
| 308 | 30371 | MOSPING THOUSEN | Male | STH | | Reserved |
| 309 | 30281 | KIRALUNG KUAME | Male | STH | | Reserved |
| 310 | 60089 | DHARITRI DEKA | Female | GENERAL | OH | Open Category |
| 311 | 63685 | SEWALI KALITA | Female | EWS | | Reserved |
| 312 | 16537 | MEHERJAN BEGUM BARBHUIYA | Female | EWS | | Reserved |
| 313 | 60018 | LIYAKAT ALAM | Male | GENERAL | VI | Open Category |
| 314 | 19616 | SUMAIYA MORSHOM MAZUMDER | Female | EWS | | Reserved |
| 315 | 28004 | BORAKHA PRIYA BORUAH | Female | MOBC | HI | Reserved |
| 316 | 19403 | NURJAHAN BEGUM BORBHUIYA | Female | EWS | | Reserved |
| 317 | 80023 | RAJIB DAS | Male | SC | HI | Reserved |
| 318 | 30084 | SUMAN DAS | Male | SC | VI | Reserved |
| 319 | 30083 | JEB MAHAMMAD ALI | Male | GENERAL | HI | Open Category |
| 320 | 80020 | SHRESTI DAS | Female | OBC | HI | Reserved |

- There are only 7 (Seven) female candidates against required 10 candidates in EWS Female Category. The remaining 3 (Three) have been filled up from EWS Male candidates on the basis of merit.
- There were only 3 (Three) PWD (VI) category candidates against required 4 (four) candidates. Also there were no candidates of PWD (Autism) Category.

NB: The Commission will not be responsible for any typing/printing mistake.
* Results may be accessed by logging into the APSC's website www.apsc.nic.in

Principal Controller of Examinations,
Assam Public Service Commission
Khanapara, Guwahati-22

Janasanyog/D/4533/22

# গোৱালপাৰাত বামপন্থীৰ অৱস্থান ধৰ্মঘট সাতদফীয়া দাবীৰে উপায়ুক্তক স্মাৰকপত্ৰ

**অগ্ৰদূত বাৰ্তা**



**মাটিয়া, ৩১ মে' ঃ** হস্তী-মানুহৰ সংঘাত ৰোধ আৰু অত্যাৱশ্যকীয় খাদ্য সামগ্ৰীৰ লগতে পেট্ৰ'ল-ডিজেলৰ মূল্যবৃদ্ধি নিয়ন্ত্ৰণৰ দাবীত গোৱালপাৰা জিলা উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত আজি বামপন্থী দলসমূহে দুঘন্টীয়া অৱস্থান ধৰ্মঘট পালন কৰে। গোৱালপাৰা জিলা চিপিআই(এম) আৰু চিপিআইৰ প্ৰায় অৰ্ধশতাধিক সদস্যই অৱস্থান ধৰ্মঘটৰ সময়ত বিভিন্ন শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। প্ৰতিবাদী কাৰ্যসূচীৰ জৰিয়তে সংগঠন দুটাই সাতদফীয়া দাবীৰে জিলা উপায়ুক্তক এখন স্মাৰকপত্ৰ প্ৰদান কৰে। স্মাৰকপত্ৰত উল্লেখ কৰা দাবীসমূহ হ'ল পেট্ৰ'লজাত সামগ্ৰীৰ ওপৰত থকা সকলো উপ-কৰ আৰু চাব-চাৰ্জ প্ৰত্যাহাৰ কৰা, ৰাজহুৱা বিতৰণ ব্যৱস্থা শক্তিশালী কৰি চাউলৰ উপৰি দাইল, মিঠাতেল, নিমখ, আটা, চেনি আদি যোগানৰ ব্যৱস্থা কৰা, আয়কৰৰ আওতাত নপৰা পৰিয়ালক প্ৰদান কৰি থকা ধনৰ পৰিমাণ ৭৫০০ টকালৈ বৃদ্ধি কৰা। 'এম এন ৰেগাছ' বাবে আবন্টিত ধনৰ পৰিমাণ বৃদ্ধি কৰা, নিবনুৱা ভাট্টা সম্পৰ্কীয় এক কেন্দ্ৰীয় আঁচনি ৰূপায়ণৰ বাবে আইন প্ৰণয়ন কৰা, চহৰ অঞ্চলত কৰ্ম সংস্থাপনৰ নিশ্চয়তাৰ বাবে প্ৰয়োজনীয় আইন প্ৰণয়ন কৰা, সকলো খালী পদ পূৰণ কৰা, বানপানীত ক্ষতিগ্ৰস্ত সকলোকে পৰ্যাপ্ত সাহায্য আৰু ক্ষতিপূৰণ দিয়াৰ লগতে ব্ৰহ্মপুত্ৰ খহনীয়াৰ পৰা বলদমাৰী চৰ আৰু জলেশ্বৰ ৰক্ষাৰ বাবে স্থানীয় প্ৰতিৰোধৰ ব্যৱস্থা কৰাৰ উপৰি অনতিপলমে কৃষ্ণাইৰ মইনামতি বান্ধ নিৰ্মাণৰ ব্যৱস্থা কৰা আৰু গোৱালপাৰাত বনৰীয়া হাতীৰ পৰা ৰাইজক ৰক্ষা কৰাৰ ব্যৱস্থা, লগতে ক্ষতিগ্ৰস্ত লোকসকলক পৰ্যাপ্ত সাহায্য আৰু ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা কৰা আদি অন্যতম। ইপিনে, মূল্যবৃদ্ধিয়ে মানুহৰ জীৱন বিপৰ্যস্ত কৰি তোলাৰ সময়তে গোৱালপাৰাবাসী ৰাইজৰ ওচৰত ভূতৰ ওপৰত দানৰ পৰাৰ নিচিনাকৈ বনৰীয়া হাতীৰ উপদ্ৰৱ আৰু বান-খহনীয়াৰ তাণ্ডৱ অব্যাগত থকা বুলি বামপন্থী নেতা ননী দাসে মন্তব্য কৰে। বনৰীয়া হাতীৰ উপদ্ৰৱত মানুহৰ প্ৰাণ হানিৰ লগতে সা-সম্পত্তি অনিষ্ট হৈ আহিছে যদিও নিয়ন্ত্ৰণৰ ক্ষেত্ৰত বন বিভাগ তথা প্ৰশাসনে কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰা বুলি এক গুৰুতৰ অভিযোগ উত্থাপন কৰে দাসে।

# বাইহাটাত বিদ্যুৎ উপ-সংমণ্ডুলৰ বিৰুদ্ধে প্ৰতিবাদ

## ■ নিয়মিতভাৱে বিদ্যুৎ মাচুল আদায় দি অহা গ্ৰাহকৰো বিদ্যুৎ কৰ্তন



*গোৱালপাৰাত বিশ্ব ধঁপাত বিৰোধী দিৱস উপলক্ষে সজাগতা শোভাযাত্ৰা, মঙলবাৰে।*

**অগ্ৰদূত বাৰ্তা**

**দুমুনিচকী, ৩১ মে’ ঃ** কামৰূপ জিলাৰ মান্দাকাটা বাগানত আজি নীতিবহিৰ্ভূতভাৱে বিদ্যুৎ কৰ্তন কৰাৰ অভিযোগ তুলি বাইহাটা চাৰিআলি বিদ্যুৎ উপ-সংমণ্ডুলৰ বিৰুদ্ধে বাগানৰ একাংশ লোকৰ লগতে কণ কণ ছাত্ৰ-ছাত্ৰীসকলে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। বাগানৰ একাংশ গ্ৰাহকে বিদ্যুৎ বিল পৰিশোধ নকৰাৰ বাবে গোটেই চুবুৰিটোতে বিদ্যুৎ বিভাগে বিদ্যুৎ কৰ্তন কৰি দিছে। যাৰ বাবে আজি বিদ্যুৎ বিভাগৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ প্ৰকাশ কৰে মান্দাকাটা বাগানৰ প্ৰাথমিক বিদ্যালয়ৰ কণ কণ ছাত্ৰ-ছাত্ৰীৰ লগতে বাগানৰ ভুক্তভোগী ৰাইজে। অভিযোগ অনুসৰি, মাচুল নিয়মিতভাৱে আদায় দিয়াৰ পাছতো মান্দাকাটা বাগান প্ৰাথমিক বিদ্যালয়কে ধৰি একাংশ গ্ৰাহকৰ যোৱা শনিবাৰৰ পৰা বিদ্যুৎ কৰ্তন কৰি থৈছে বিদ্যুৎ বিভাগে। বিভাগটোৰে হঠকাৰী সিদ্ধান্তৰে এনেদৰে গোটেই গাঁওখনতে বিদ্যুৎ কৰ্তন কৰি থোৱাৰ ফলত মান্দাকাটা বাগান প্ৰাথমিক বিদ্যালয়ৰ কণ কণ ছাত্ৰ-ছাত্ৰীসকলে খোৱা পানীটুপিৰ পৰাও বঞ্চিত হ’বলগীয়া হৈছে। ৰাইজৰ স্পষ্ট মত যিসকলে বিদ্যুতৰ মাচুল পৰিশোধ কৰা নাই তেওঁলোকৰ বিৰুদ্ধে বাইহাটা চাৰিআলি বিদ্যুৎ উপ-সংমণ্ডুলে ব্যৱস্থা গ্ৰহণ কৰক। তাকে নকৰি সমগ্ৰ গাঁওখনতে বিদ্যুৎ কৰ্তন কৰি থোৱাত নিয়মিতভাৱে বিল পৰিশোধ কৰি অহা গ্ৰাহকো এতিয়া বিদ্যুৎ সেৱাৰ পৰা বঞ্চিত হৈ আছে। যিটো কথা কোনোমতে যুক্তিপূৰ্ণ হ’ব নোৱাৰে। যিসকলৰ বিদ্যুৎ মাচুল বাকী আছে তেওঁলোকৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰি নিয়মিতভাৱে বিদ্যুৎ মাচুল আদায় দি অহা গ্ৰাহকক শীঘ্ৰে বিদ্যুৎ সংযোগ দিবলৈ ৰাইজে দাবী জনাইছে।

## গুণোৎসৱ ২০২২ৰ প্ৰস্তুতি সম্পূৰ্ণ যোৰহাটত

### ■ আজিৰে পৰা আৰম্ভ তৃতীয় পৰ্যায় গুণোৎসৱ

**ষ্টাফ ৰিপ’ৰ্টাৰ**

**যোৰহাট, ৩১ মে’ ঃ** অসমত তিনিটা পৰ্যায়ত অনুষ্ঠিত গুণোৎসৱ ২০২২ৰ তৃতীয় পৰ্যায় আৰম্ভ হ’ব কাইলৈৰ পৰা চাৰি জুনলৈকে। গুণোৎসৱৰ তৃতীয় পৰ্যায়ত যোৰহাট জিলাখনকো সামৰি লোৱা হৈছে। যোৰহাট জিলাৰ চৰকাৰী, প্ৰাদেশিকীকৃত আৰু বাগিচা পৰিচালিত মুঠ ১৩৮০খন বিদ্যালয়ৰ প্ৰথমৰ পৰা নৱম শ্ৰেণীলৈকে মুঠ ৭৪,৫২৯জন ছাত্ৰ-ছাত্ৰীক গুণোৎসৱ ২০২২ত সামৰি লোৱা হ’ব। জিলাখনৰ বিভিন্ন মহাবিদ্যালয়, বিশ্ববিদ্যালয়ৰ আৰু প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ চৰকাৰী বিষয়াৰ স’তে মুঠ ৫৪১জন বহিঃমূল্যায়ক প্ৰশিক্ষণসহ সাজু হৈ উঠিছে। এই বহিঃমূল্যায়কসকলে দুইৰ পৰা চাৰি জুনলৈকে বিভিন্ন বিদ্যালয়ত মূল্যায়ন কাৰ্য পৰিচালনা কৰিব। পাঁচটা শিক্ষাখণ্ডৰ ১৩৪ জন সংযোগকাৰী বিষয়া বহিঃমূল্যায়কসকলক সহায় কৰিবলৈ সাজু হৈ আছে। প্ৰত্যেকখন বিদ্যালয়ৰে একোজনকৈ নডেল শিক্ষকক নিৰ্বাচিত কৰি ৰখা হৈছে। গুণোৎসৱৰ সন্দৰ্ভত জিলা উপায়ুক্ত অশোক কুমাৰ বৰ্মনে জনাইছে যে ৰাইজৰ সহায়-সহযোগিতা আৰু বিদ্যালয় প্ৰধানসকলৰ আশাশুধীয়া প্ৰচেষ্টাত ১০০ শতাংশ ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত গুণোৎসৱ ২০২২ সফলতাৰে উদ্‌যাপন কৰা হ’ব।


## কুকুৰাপহীয়াত চকু চিকিৎসা শিবিৰ সম্পন্ন



**অগ্ৰদূত বাৰ্তা**

**চিনামৰা, ৩১ মে’ ঃ** ভাৰত বিকাশ পৰিষদ আৰু স্নেহপদৰ উদ্যোগত তথা হিমন্ত বিশ্ব শৰ্মা ফেনছ ক্লাব আৰু একলব্য যুৱক সংঘ কুকুৰাপহীয়াৰ উদ্যোগত আজি এটা চকু পৰীক্ষা আৰু চশমা প্ৰদান শিবিৰ সম্পন্ন হয়। কুকুৰাপহীয়া একলব্য যুৱক সংঘৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত শিবিৰটোত অঞ্চলটোৰ শতাধিক লোকে চিকিৎসা সেৱা গ্ৰহণ কৰে। শিবিৰটোত চকু পৰীক্ষাৰ লগতে চশমাও প্ৰদান কৰে। পুৱা শিবিৰ মুকলি অনুষ্ঠানত আয়োজক অনুষ্ঠানকেইটাৰ হৈ ক্ৰমে দিপেন চেতীয়া, পিযূছ কান্তি শৰ্মা, প্ৰাঞ্জল ফুকন, অচ্যুত বাঢ়ৈৰ লগতে ৫৬ দক্ষিণ কৰঙা গাঁও পঞ্চায়তৰ উপ-সভানেত্ৰী পাৰুল চুতীয়া, প্ৰফুল্ল বৰাকে আদি কৰি বহুসংখ্যক স্থানীয় লোক উপস্থিত থাকে।

## ডাঃ নবীন বৰদলৈ মহাবিদ্যালয়-সুবৰ্ণ প্ৰভা বিদ্যালয়ৰ উদ্যোগত কেৰিয়াৰ কাউন্সিল কাৰ্যসূচী



**অগ্ৰদূত বাৰ্তা**

**চিনামৰা, ৩১ মে’ ঃ** ঢেকিয়াজুলি ডাঃ নবীন বৰদলৈ মহাবিদ্যালয়ৰ সমাজতত্ত্ব বিভাগ আৰু সুবৰ্ণপ্ৰভা উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ৰ যৌথ উদ্যোগত তথা মহাবিদ্যালয় আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সহযোগত বালিকা বিদ্যালয়ৰ প্ৰেক্ষাগৃহত ১৩ পৃষ্ঠাত চাওক

## অসমা তুংখুঙীয়া গ্ৰন্থ ‘সূৰ্যমুখী ফুলৰ দৰে’ উন্মোচন

**অগ্ৰদূত বাৰ্তা**

**নামতি, ৩১ মে’ ঃ** মৰাণৰ অভয়পুৰস্থিত ‘তপন চুতীয়া সোঁৱৰণী সভাগৃহ’ত বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰা আৰোহণ সাহিত্য চ’ৰা, অসম নামৰ ফেচবুক গোটৰ বৰ্ষপূৰ্তি অনুষ্ঠানত গোটৰ প্ৰশাসক তথা কবি অসমা তুংখুঙীয়াৰ দ্বিতীয়খন কাব্য গ্ৰন্থ ‘সূৰ্যমুখী ফুলৰ দৰে’ উন্মোচন কৰা হয়। মৰাণ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক আত্মাৰাম কুমাৰে উন্মোচন কৰি এটি কবিতা পাঠ কৰে। অনুষ্ঠানত ডিব্ৰু মহাবিদ্যালয়ৰ ইতিহাস বিভাগৰ সহযোগী অধ্যাপক বন্তি ফুকন সোণোৱাল, প্ৰাথমিক বিদ্যালয়সমূহৰ শিক্ষা পৰিদৰ্শক প্ৰণৱ গগৈ, মৰাণ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড০ ৰাজেন্দ্ৰ প্ৰসাদ বৰঠাকুৰ, মৰাণ মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক আত্মাৰাম কুমাৰকে ধৰি বহুকেইগৰাকী ব্যক্তি উপস্থিত থাকে। উল্লেখ্য যে অসমা তুংখুঙীয়াৰ প্ৰথমখন কাব্যগ্ৰন্থ ‘অস্তাচলৰ আভা’ প্ৰকাশ হৈছিল ২০২১ৰ জানুৱাৰীত।

## মৰিগাঁও পৌৰসভাক বিজ্ঞানসন্মত -আধুনিকভাৱে গঢ়াৰ পৰিকল্পনা

### ■ উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত দীৰ্ঘম্যাদী পৰিকল্পনা ৰূপায়ণৰ সন্দৰ্ভত গুৰুত্বপূৰ্ণ সভা

**অগ্ৰদূত বাৰ্তা**

**মৰিগাঁও, ৩১ মে’ ঃ** মৰিগাঁও চহৰক বিজ্ঞানসন্মত আৰু আধুনিক পৰিকল্পনাৰে কেনেদৰে গঢ় দিব পাৰি সেই পৰিকল্পনাৰ সন্দৰ্ভত কালি মৰিগাঁও পৌৰসভাৰ আহ্বানত মৰিগাঁও জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। জিলা উপায়ুক্ত প্ৰকাশ ৰঞ্জন ঘৰফলীয়াৰ সঞ্চালনাত অনুষ্ঠিত সভাত মৰিগাঁৱৰ জ্যেষ্ঠ নাগৰিক, বুদ্ধিজীৱী, শিক্ষাবিদ, সাংবাদিককে ধৰি কে’বাজনো ব্যক্তিয়ে চহৰখন উন্নয়নৰ ক্ষেত্ৰত বহুকেইটা গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়ায়। চহৰখনৰ মূল সমস্যা হিচাপে চিহ্নিত বিজ্ঞানসন্মত নলা নিৰ্মাণ, যান-জঁটৰ সমস্যা, বাট-পথৰ সমস্যা, গৃহ নিৰ্মাণৰ ক্ষেত্ৰত পৌৰসভাৰ অনুমতি অবিহনে প্ৰতিযোগিতামূলকভাৱে নিজৰ খেয়াল-খুচি মতে গৃহৰ ভেটি প্ৰয়োজনতকৈ ওখ কৰি কাষৰীয়া লোকক সমস্যাত পেলোৱা, মৰিগাঁও স্কুল খেলপথাৰ উন্নয়ন কৰা, খোৱা পানী যোগান, জাৱৰ নিষ্কাসন কৰাকে আদি কৰি বহুকেইটা বিষয়ৰ ওপৰত আলোচনা কাৰ হয়। তদুপৰি মৰিগাঁও চহৰক বিজ্ঞানসন্মতভাৱে গঢ় দিয়াৰ ক্ষেত্ৰত ২০৪২লৈ এখন খচৰাৰো প্ৰস্তুত কৰে। ইফালে, সভাত মৰিগাঁও সমষ্টিৰ বিধায়ক ৰমাকান্ত দেউৰীয়ে মৰিগাঁও চহৰক বিজ্ঞানসন্মতভাৱে গঢ় দিবলৈ ইতিমধ্যে এখন প্ৰাক্‌কলন প্ৰস্তুতি কৰি থকা বুলি উল্লেখ কৰি বিধায়ক দেউৰীয়ে কয় যে প্ৰথম অৱস্থাত ইয়াৰ পুঁজিৰ পৰিমাণ ৫০ কোটি টকা কৰা হৈছিল যদিও পাছলৈ ৬৫ কোটি টকালৈকে বৃদ্ধি পায়। কিন্তু এই পৰিকল্পনা চলাই থকাৰ সময়তে বৰ্তমানে সৃষ্টি হোৱা বানপানীয়ে কিছু চিন্তিত কৰি তুলিছে আমি প্ৰস্তুত কৰি থকা পৰিকল্পনা। বান পৰিস্থিতিৰ পৰা চহৰখনক মুক্ত কৰি তুলিবলৈ ১৩ পৃষ্ঠাত চাওক


## আজাৰাত ফাৰ্ণিছাৰ মিস্ত্ৰি নিৰুদ্দেশ



**অগ্ৰদূত বাৰ্তা**

**আজাৰা, ৩১ মে’ ঃ** আজাৰা আৰক্ষী থানাৰ ভি আই পিৰ পৰা এজন লোক যোৱা ২৭ মে’ৰ পৰা নিৰুদ্দেশ হৈছে। ঘটনাৰ সূত্ৰে জানিব পৰা মতে, কাঁহিকুছি সূতাৰপাৰাস্থিত এখন কাঠৰ ফাৰ্ণিছাৰ দোকানত কাম কৰি থকাৰ সময়তে এজন মটৰ চাইকেল আৰোহীৰ লগত লোকজন উঠি যায়। সেই সময়তে দোকানৰ আন এজন কৰ্মচাৰীয়ে ক’লৈ যোৱা বুলি সোধাত আগৰ পৰা আহি আছো বুলি কৈ যোৱাৰ দিনাৰ পৰাই আজি পৰ্যন্ত আহি নোপোৱাত চিন্তিত হৈছে পৰিয়ালৰ লোক। ইতিমধ্যে সন্ধানহীন লোক বাহাদুৰ দৰ্জী (৪৩)ৰ পত্নী সাবিত্ৰী দেৱীয়ে আজাৰা আৰক্ষী থানা আৰু বৰঝাৰ আৰক্ষী চকীত এখন এজাহাৰ দাখিল কৰে। এই সন্দৰ্ভত আৰক্ষীয়ে অনুসন্ধান অব্যাহত ৰাখিছে। পত্নী তথা পৰিয়ালৰ লোকে দৰ্জী য’তেই নাথাকক সোনকালে ঘৰলৈ উভতি আহিবলৈ আহ্বান জনাইছে।

## বঙাইগাঁও শোধনাগাৰত বিশ্ব ধপাতবিৰোধী দিৱস পালন



**অগ্ৰদূত বাৰ্তা**

**গৰুভাষা, ৩১ মে’ ঃ** বঙাইগাঁও চিকিৎসালয়ৰ উদ্যোগত আজি বিশ্ব ধপাত নিষিদ্ধ দিৱস পালন কৰা হয়। এই উপলক্ষে এই বছৰৰ বিষয়বস্তু ‘পৰিৱেশ সুৰক্ষিত কৰক’ সম্পৰ্কে দিল্লী পাব্লিক স্কুল (ঢালিগাঁও)ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে সজাগতামূলক বক্তৃতাৰ আয়োজন কৰা হয়। মহাপ্ৰবন্ধক (স্বাস্থ্য, সুৰক্ষা আৰু পৰিৱেশ-মেডিকেল) ডাঃ দিগন্ত কুমাৰ দাসৰ সঞ্চালনাত অনুষ্ঠিত অনুষ্ঠানত ডিপিএছ (ঢালিগাঁও)ৰ অধ্যক্ষ ডাঃ আৰ কে মিশ্ৰই আদৰণি ভাষণ প্ৰদান কৰি বিদ্যালয় পৰ্যায়ত এনে সজাগতামূলক কাৰ্যসূচীৰ প্ৰয়োজনৰ ওপৰত গুৰুত্ব আৰোপ কৰি ধপাত আৰু ধপাত সম্পৰ্কীয় সামগ্ৰীৰ ব্যৱহাৰৰ পৰা বিৰত থাকিবলৈ ছাত্ৰ-ছাত্ৰীক আহ্বান জনায়। অতিথি বক্তা হিচাপে উপস্থিত থাকি বিজিআৰ চিকিৎসালয়ৰ জ্যেষ্ঠ চিকিৎসা বিষয়া ডাঃ চিন্ময় দত্তই স্বাস্থ্যৰ ওপৰত বিশেষকৈ যুৱক-যুৱতীসকলৰ ওপৰত ধপাতৰ ক্ষতিকাৰক প্ৰভাৱৰ বিষয়ে ব্যাখ্যা কৰাৰ লগতে ধপাতৰ ব্যৱহাৰ নিষিদ্ধ কৰি ইয়াৰ বিৰুদ্ধে সজাগতা সৃষ্টিৰ ক্ষেত্ৰত শৈক্ষিক প্ৰতিষ্ঠানে কেনেদৰে মুখ্য ভূমিকা পালন কৰিব পাৰে সেই বিষয়ে ব্যাখ্যা কৰে। আনহাতে, মুখ্য প্ৰবন্ধক (স্বাস্থ্য, সুৰক্ষা আৰু পৰিৱেশ-মেডিকেল) ডাঃ ৰূপম তালুকদাৰে ছাত্ৰ-ছাত্ৰীসকলক ধপাত ব্যৱহাৰৰ বাবে সমনীয়াৰ হেঁচাত ১৩ পৃষ্ঠাত চাওক

## বাৰাংহাটীত উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত বৰ্ষৰ ছাত্ৰী সন্ধানহীন



**অগ্ৰদূত বাৰ্তা**

**বাহাৰঘাট, ৩১ মে’ ঃ** বিগত তিনিদিন ধৰি ঘৰৰ পৰা সন্ধানহীন কামৰূপ জিলাৰ কওঁা থানাৰ অন্তৰ্গত বাৰাংহাটীৰ মিছ আচমিনা বেগম নামৰ উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত বৰ্ষৰ এগৰাকী ছাত্ৰী। উল্লেখ্য যে দেওবাৰে মাক-দেউতাক ঘৰৰ ওচৰৰে এটা পৰিয়ালৰ ১৩ পৃষ্ঠাত চাওক

## চাৰিদুৱাৰত জব্দ অৰুণাচলী সুৰা

**ষ্টাফ ৰিপ’ৰ্টাৰ**

**তেজপুৰ, ৩১ মে’ ঃ** যোৱা ২৯ মে’ৰ নিশা চাৰিদুৱাৰ আৰক্ষীয়ে চলোৱা এক সুৰা বিৰোধী অভিযানত অৰুণাচলী চোৰাং সুৰাসহ এখন বলেৰ’ গাড়ী জব্দ কৰিবলৈ সক্ষম হয়। এক বিশেষ সূত্ৰৰ তথ্যৰ ভিত্তিত ১৮ মাইলৰ পৰা জব্দ কৰা হয় এই ২২ কাৰ্টন চোৰাং অৰুণাচলী সুৰাসহ বাহনখন। উল্লেখ্য যে এ এছ-০৭ এল-৮১৩২ নম্বৰৰ বাহনখনত চিজুচাৰ পৰা ১৮ মাইললৈ চোৰাংভাৱে অনা হৈছিল এই সুৰা। ঘটনা সন্দৰ্ভত এজনক আটক কৰাৰ লগতে জব্দকৃত সুৰাখিনিৰ মূল্য প্ৰায় ২২-২৫ হেজাৰ টকা হ’ব বুলি প্ৰকাশ কৰিছে আৰক্ষীয়ে।

## মানকাচৰৰ কাকৰীপাৰাত দুৰ্ঘটনাত পশু চিকিৎসকৰ মৃত্যু

**মানকাচৰ, ৩১ মে’ ঃ** মানকাচৰ আৰক্ষী থানাৰ অন্তৰ্গত কাকৰীপাৰাত দুখন মটৰ চাইকেলৰ মুখামুখি সংঘৰ্ষত এজন ব্যক্তিৰ থিতাতে মৃত্যু হয়। আন এজন গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈ চিকিৎসালয়ত ভৰ্তি হ’ব লগা হৈছে। তথ্য মতে, যোৱা ২৯ মে’ত মানকাচৰ আৰক্ষী থানাৰ অন্তৰ্গত কাকৰীপাৰা বেপাৰীপাৰা গাঁৱৰ ভেটেনাৰী বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী মেহেৰুল ইছলামে মটৰ চাইকেলেৰে মানকাচৰ অভিমুখে আহি থকা সময়ত বিপৰীত দিশৰ পৰা অহা তীব্ৰবেগী ভুৱা নম্বৰ এ এছ-১৭ এ-১৫৭১ নম্বৰৰ মটৰ চাইকেলখনে মেহেৰুল ইছলামৰ এ এছ-১৭ জি-৮৫৯৫ নম্বৰৰ মটৰ চাইকেলখনত ১৩ পৃষ্ঠাত চাওক

## সাউদ ভোলানাথ বৰুৱাৰ বিষয়ে আৰু অধিক গৱেষণাৰ প্ৰয়োজন

### ■ পুৰণিগুদামত ‘সাউদ ভোলানাথ বৰুৱাৰ অৱদান’ শীৰ্ষক আলোচনাচক্ৰ

**বিশেষ সংবাদদাতা**

**নগাঁও, ৩১ মে’ ঃ** ‘পুৰণিগুদা নগাঁৱৰ এখন ঐতিহাসিক ঠাই। য’ত দানবীৰ সাউদ ভোলানাথ বৰুৱাৰ দৰে লোকৰ জন্ম হৈছিল। যিগৰাকী ব্যক্তিৰ লগত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা একেলগে থাকি অসমীয়া ভাষা-সাহিত্যৰ উন্নতি হকে কাম কৰিছিল।’ এই মন্তব্য বিশিষ্ট সাহিত্যিক, সমালোচক ময়ূৰ বৰাৰ। সাউদ ভোলানাথ বৰুৱা মৃত্যু শতবাৰ্ষিকী উপলক্ষে পুৰণিগুদাম মিকিৰহাট বৰুৱাচুকস্থিত সাউদ ভোলানাথ বৰুৱা আদৰ্শ বিদ্যালয়ত ‘সাউদ ভোলানাথ বৰুৱাৰ অৱদান’ শীৰ্ষক বিষয়ৰ ওপৰত অনুষ্ঠিত আলোচনাচক্ৰত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি তেওঁ এই মন্তব্য কৰি লগতে কয়, ‘অসমীয়া মধ্যবিত্ত মানুহৰ দুৰ্বলতা বা বিসংগতি আছে বাবেই



জীৱিত কালত তেওঁলোকে বহুতক প্ৰশংসা, সম্বৰ্ধনা বা যোগ্যপ্ৰাপ্তি দিয়াৰ ক্ষেত্ৰত কৃপনালি কৰে।’ সাউদ ভোলানাথ বৰুৱা স্মৃতিৰক্ষা সমিতিৰ সদস্য ৰবীন্দ্ৰনাথ দত্তৰ সঞ্চালনাত অনুষ্ঠিত আলোচনাচক্ৰত পৰ্যালোচক হিচাপে উপস্থিত থাকি অধ্যাপক তথা সাউদ ভোলানাথ বৰুৱা স্মৃতিৰক্ষা সমিতিৰ সম্পাদক ইছমাইল হোছেইনে কয়, ‘মই ব্যক্তিগতভাৱে মাৰ্ক্সবাদী ভাবাদৰ্শৰ লোক। কৃষক, শ্ৰমিক, বনুৱা, হজুৱাৰ হকে কাম কৰি আৰু মাত মাতি ভাল পাওঁ। এটা জাতিক আৰ্থ সামাজিক দিশত আগুৱাই নিবলৈ ব্যৱসায়-বাণিজ্যৰ প্ৰয়োজন। যি কাম সাউদ ভোলানাথ বৰুৱাই কৰিছিল।’ বিশিষ্ট সাহিত্যিকজনে লগতে আৰু কয়, ‘সাউদ ভোলানাথ বৰুৱাৰ বিষয়ে আৰু গৱেষণাৰ প্ৰয়োজন আছে। এই ক্ষেত্ৰত চৰকাৰে যদি উদ্যোগ ১৩ পৃষ্ঠাত চাওক

## ‘সাপ্তাহিক কলংপাৰ’ৰ উদ্যোগত প্ৰৱন্ধ, গল্প, ৰম্য ৰচনা, কবিতা, চিত্ৰাংকন প্ৰতিযোগিতা

**বিশেষ সংবাদদাতা**

**নগাঁও, ৩১ মে’ ঃ** নগাঁৱৰ পৰা প্ৰকাশিত ‘কলংপাৰ’ কাকতখনে অহা ১৮ আগষ্টত চতুৰ্বিংশতি বৰ্ষত পদাৰ্পণ কৰিব। সেই উপলক্ষে ‘কলংপাৰ’ কাকতৰ হৈ তিলক প্ৰকাশনৰ দ্বাৰা সদৌ অসম ভিত্তিত কাকতৰ প্ৰাক্তন মুখ্য সম্পাদক ড০ আবু হানিফা সোঁৱৰণী প্ৰবন্ধ, প্ৰতিষ্ঠাপক সম্পাদক বলেন বৰা সোঁৱৰণী ৰম্য ৰচনা, প্ৰাক্তন সম্পাদক সুৰেন কুমাৰ বৰা সোঁৱৰণী গল্প, সাংবাদিক-কাৰ্টুনিষ্ট অচ্যুৎ প্ৰৱৰ শৰ্মা সোঁৱৰণী কবিতা আৰু চিত্ৰাংকন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। লেখাসমূহ অহা ১৬ জুলাইৰ ভিতৰত পোৱাকৈ প্ৰেৰণ কৰিব লাগিব। প্ৰতিটো প্ৰতিযোগিতাতে প্ৰথম, দ্বিতীয় আৰু তৃতীয় শ্ৰেষ্ঠ স্থানপ্ৰাপ্তসকলক (মুঠ ১৫টা) পুৰস্কাৰ প্ৰদান কৰা হ’ব। যিকোনো বয়সৰ প্ৰতিযোগীয়ে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব পাৰিব। প্ৰতিযোগিতাসমূহৰ কোনো নিৰ্দিষ্ট বিষয় নাই যদিও লেখাসমূহ যথাসম্ভৱ চুটি হোৱাটো বাঞ্ছনীয়। প্ৰতিযোগিতালৈ প্ৰেৰণ কৰা লেখাসমূহ পূৰ্ব প্ৰকাশিত হ’ব নালাগিব। আন কোনো প্ৰতিযোগিতাত পুৰস্কৃত লেখা-চিত্ৰ গ্ৰহণযোগ্য নহ’ব। প্ৰবন্ধ প্ৰতিযোগিতাৰ ক্ষেত্ৰত প্ৰতিযোগীসকলে প্ৰবন্ধৰ নাম আৰু বিষয় স্পষ্টকৈ উল্লেখ কৰিব লাগিব। প্ৰতিযোগিতাত স্থানপ্ৰাপ্ত বা মানসম্পন্ন লেখাসমূহ ‘কলংপাৰ’ কাকতত পৰ্যায়ক্ৰমে প্ৰকাশ কৰা হ’ব। উল্লেখ্য যে প্ৰতিযোগিতাসমূহত ‘কলংপাৰ’ কাকতৰ প্ৰকাশনৰ লগত জড়িত ব্যক্তি বা তেওঁলোকৰ পৰিয়ালৰ সদস্যই অংশগ্ৰহণ কৰিব নোৱাৰিব। বৰ্ষপূৰ্তি উপলক্ষে অনুষ্ঠিতব্য অনুষ্ঠানত স্থানপ্ৰাপ্তসকলক বঁটা প্ৰদান কৰা হ’ব। প্ৰতিযোগীসকলে তেওঁলোকৰ লেখাসমূহৰ আৰম্ভণিতে বা খামৰ ওপৰত প্ৰতিযোগিতাৰ বাবে বুলি উল্লেখ কৰি কাকতৰ কাৰ্যালয়ৰ ঠিকনা মুখ্য সম্পাদক, সাপ্তাহিক ‘কলংপাৰ’, মাৰফৎ সদৌ অসম গ্ৰাম্য পুথিভঁৰাল সন্থাৰ মুখ্য কাৰ্যালয়, শংকৰ নগৰ, চানমাৰি পথ, হয়বৰগাঁও, নগাঁও-০২, অসম লৈ প্ৰেৰণ কৰিব পাৰিব অথবা সম্পূৰ্ণ নাম, ঠিকনা, ফোন নম্বৰসহ উল্লেখ কৰি ই-মেইল আই ডি Kolongpar 1999@gmail.com লৈকে প্ৰেৰণ কৰিব পাৰিব বুলি ‘কলংপাৰ’ৰ পৰিচালনা সঞ্চালক বল্লদেৱ শৰ্মাই জনাইছে।

## উত্তৰ মঙলদৈ উচ্চ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ শোভাযাত্ৰা

### ■ কৃতী শিক্ষক কেশৱ চন্দ্ৰ চহৰীয়াক বিদায় সম্বৰ্ধনা



**অগ্ৰদূত বাৰ্তা**

**মঙলদৈ, ৩১ মে’ ঃ** দৰঙৰ এখন আগশাৰীৰ শিক্ষানুষ্ঠান উত্তৰ মঙলদৈ উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী কৃতী শিক্ষক কেশৱ চন্দ্ৰ চহৰীয়াক যোৱা ৩০ মে’ত বিদ্যালয়ৰ পৰিয়ালে বিদায় সম্বৰ্ধনা জ্ঞাপন কৰে। ১৯৯১ত উত্তৰ মঙলদৈ উচ্চ মাধ্যমিক বিদ্যালয়ত বিজ্ঞান শিক্ষকৰূপে যোগদান কৰি যোৱা ৩১ মাৰ্চত চৰকাৰী নীতি-নিয়ম মতে অৱসৰ গ্ৰহণ কৰা জনপ্ৰিয় শিক্ষক চহৰীয়াক ফুলাম গামোচা, শৰাই, মানপত্ৰ, গ্ৰন্থৰ টোপোলা, জাপি, অংগবস্ত্ৰ আদিৰে ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীয়ে সম্বৰ্ধনা জ্ঞাপন কৰে। এই উপলক্ষে বিদ্যালয় পৰিচালনা আৰু ১৩ পৃষ্ঠাত চাওক

## পাঁচ জুনত ভৱানীপুৰত ৰাজ্যিক ভিত্তিত চিত্ৰাংকন প্ৰতিযোগিতাৰ আয়োজন

**বিশেষ সংবাদদাতা**

**পাঠশালা, ৩১ মে’ ঃ** বিশ্ব পৰিৱেশ দিৱস উপলক্ষে অহা পাঁচ জুনত ভৱানীপুৰত মোলানজ্যোতি ডেকা সোঁৱৰণী সদৌ অসম ভিত্তিত চিত্ৰাংকন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। ভৱানীপুৰৰ হেপী ক্লাবৰ উদ্যোগত আৰু বজালী জিলা প্ৰশাসনৰ সহযোগত ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ত দিনৰ দুই বজাৰ পৰা অনুষ্ঠিতব্য চিত্ৰাংকন প্ৰতিযোগিতাখন দুটা শাখাত অনুষ্ঠিত হ’ব। ‘ক’ শাখাত প্ৰথমৰ পৰা অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত, ‘খ’ শাখাত নৱমৰ পৰা স্নাতকোত্তৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত প্ৰতিযোগিতা অনুষ্ঠিত হ’ব। প্ৰতিটো শাখাতে বিজয়ী তিনিগৰাকীকৈ প্ৰতিযোগীক নগদ ধন, গামোচা, বঁটা, প্ৰমাণপত্ৰ, গছপুলি, উপহাৰৰ টোপোলাৰে সন্মানীত কৰা হ’ব। তদুপৰি বিশ্ব পৰিৱেশ দিৱস উপলক্ষে পাঁচ জুনত ভৱানীপুৰৰ হেপী ক্লাবৰ উদ্যোগত আৰু বজালী জিলা প্ৰশাসনৰ সহযোগত ভৱানীপুৰত গছপুলি ৰোপণ, গছপুলি বিতৰণ, পৰিৱেশ সজাগতা সভা, মুকলি সভা আদিৰো আয়োজন কৰা হৈছে।

## ‘বিদ্যানুৰাগ অভিযানে’ৰে শিক্ষাৰ্থীৰ জীৱন সাৰ্থক কৰাৰ বাবে ব্যতিক্ৰমী প্ৰচেষ্টা

### ■ পান্টান হাইস্কুলৰ অনিয়মীয়া ছাত্ৰ-ছাত্ৰীৰ ঘৰে ঘৰে শিক্ষক-আৰছু কৰ্মী



**ছয়গাঁও, ৩১ মে’ ঃ** ছয়গাঁও সমষ্টিৰ ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ অন্তৰ্গত অন্যতম এখন আগশাৰীৰ বিদ্যালয় পান্টান উচ্চ মাধ্যমিক বিদ্যালয়ত আজি আৰম্ভ হয় এক ব্যতিক্ৰমী কাৰ্যসূচী। নৱম আৰু দশম শ্ৰেণীৰ যিসকল ছাত্ৰ-ছাত্ৰী অনিয়মীয়াভাৱে বিদ্যালয়ত উপস্থিত হয় তেওঁলোকৰ ঘৰলৈ গৈ আজি ‘বিদ্যানুৰাগ অভিযান’ৰ আয়োজন কৰে। পান্টান হাইস্কুলৰ প্ৰধান শিক্ষক গৌতম ঠাকুৰীয়া, মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক দিগন্ত শৰ্মা, কামৰূপ জিলা ৰাভা ছাত্ৰ সন্থাৰ শিক্ষা সচিব অনুপ ৰাভা, ছয়গাঁও আঞ্চলিক ৰাভা ছাত্ৰ সন্থাৰ সভাপতি জীতেন ৰাভা, উপ-সভাপতি লস্কৰ ৰাভা, শিক্ষা সচিব অনুপম ৰাভা ১৩ পৃষ্ঠাত চাওক

# নৰ্থ-ইষ্ট কেন্সাৰ ইনষ্টিটিউটৰ উদ্যোগত ছহিদ ভৱন বাকৰিত বিশ্ব ধপাত বিৰোধী দিৱস

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ৩১ মে' ঃ** আজি সমগ্ৰ দেশৰ লগতে নলবাৰীতো প্ৰান্তে প্ৰান্তে 'বিশ্ব ধপাত বিৰোধী দিৱস' পালন কৰা হয়। নলবাৰী পিএনচি ৰোডস্থিত ছহিদ ভৱন বাকৰিত নৰ্থ ইষ্ট কেন্সাৰ হাস্পতালৰ উদ্যোগত আৰু নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ সহযোগত বিশ্ব ধপাত বিৰোধী দিৱস উদ্‌যাপন কৰা হয়। নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি ৰুবুল বৰ্মনে আঁতধৰা ধপাত বিৰোধী সজাগতা সভাত নৰ্থ ইষ্ট কেন্সাৰ ইনষ্টিটিউটৰ অধ্যক্ষ গণেশ তামুলী, সদৌ অসম ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক ভৰজিৎ বেজবৰুৱা, নলবাৰী জিলা ছাত্ৰ সন্থাৰ সম্পাদক অক্ষয় ডেকা, 'আছু'ৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য ৰিয়াজ উদ্দিন আহমেদ, নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ উপদেষ্টা হৰিহৰ শৰ্মা, সম্পাদক নৱ কুমাৰ ডেকাকে ধৰি ছাত্ৰ সন্থাৰ বিষয়ববীয়াসকল, জ্যেষ্ঠ সাংবাদিক ব্ৰজেন তালুকদাৰ, নকুল তালুকদাৰ বিশিষ্ট শিল্পী কুমুদ মালাকৰৰ লগতে প্ৰায় দুই শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। সভা উদ্বোধন কৰে নলবাৰী জিলা সাহিত্য সভাৰ সভাপতি ধ্ৰুৱজ্যোতি শৰ্মাই। অনুষ্ঠানত নৰ্থ ইষ্ট হাস্পতালৰ অধ্যক্ষ গণেশ তামুলীয়ে ধপাত সেৱনৰ ফলত আমাৰ সমাজত কিমান ভয়ানকভাৱে কৰ্কট ৰোগত আক্ৰান্ত হৈ বহু পৰিয়ালৰ কি অৱস্থা হৈছে, সেই ভয়াবহতাৰ ওপৰত আলোকপাত কৰে।

# শাল গছ কাটি দহিকটাত খৰি বাগানৰ বেৰ নিৰ্মাণ

## ■ যৌথ বন সুৰক্ষা কমিটীৰ বিৰুদ্ধে দুৰ্নীতিৰ অভিযোগ

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ৩১ মে' ঃ** খৰি বাগান কৰাৰ নামত গোৱালপাৰা আঞ্চলিক বন বিভাগৰ অন্তৰ্গত দহিকটা সংৰক্ষিত বনাঞ্চলৰ পৰা যৌথ বন সুৰক্ষা কমিটিয়ে শ শ শাল গছ কাটি বেৰ দিয়া বুলি ৰাজহুৱা অভিযোগ উত্থাপিত হৈছে। উল্লেখ্য যে স্থানীয় যৌথ বন সুৰক্ষা কমিটীৰ নামত দহিকটা সংৰক্ষিত বনাঞ্চলৰ ২৫ হেক্টৰ ভূমিত খৰি বাগান কৰাৰ বাবে বন বিভাগে এপিএফ বিচিৰ ফেজ দুইৰ অধীনত ৫৩ লাখ ২০৫১ টকা আবণ্টন দিছে আৰু ইয়াৰে প্ৰথম কিস্তি হিচাপে ১৪ লাখ ৪৬৪১৩ টকা মোকলাই দিয়া হৈছে। কিন্তু যৌথ বন সুৰক্ষা কমিটিয়ে উক্ত খৰি বাগানৰ বেৰ দিয়াৰ নামত দহিকটা সংৰক্ষিত বনাঞ্চলৰ পৰা শ শ শাল গছ কাটি বেৰ দিয়াৰ কাম আৰম্ভ কৰিছে। এইদৰে ৰক্ষক হৈ ভক্ষকৰ ভূমিকা লোৱা যৌথ বন সুৰক্ষা কমিটীৰ এই বনাঞ্চল ধ্বংসযজ্ঞ চলোৱা কাৰ্যক সচেতন মহলে



সহজভাৱে মানি ল'ব পৰা নাই। যৌথ বন সুৰক্ষা কমিটীৰ সভাপতি তীৰ্থ লোচন ৰায়ে কয় যে বেৰৰ নামত প্ৰায় দুহেজাৰ কাঠৰ খুঁটি লাগিব যদিও এই বাতৰি যুগুতোৱালৈকে ১০৩৭টা খুঁটি পোতা হৈছে। যোৱা ৩০ এপ্ৰিলৰ পৰা কাম আৰম্ভ কৰিছে যদিও বিল আদায় নোপোৱা বাবেই সমস্যাৰ সন্মুখীন হোৱা বুলি ব্যক্ত কৰে ৰায়ে। অৱশ্যে এই বাতৰি যুগুতোৱা পৰলৈকে গোৱালপাৰাৰ বনাঞ্চলিক বিষয়াই যৌথ বন সুৰক্ষা কমিটীৰ একাউণ্টত খৰি বাগানৰ কাৰ বাবে এক লাখ ৩৪৪০০ টকা মোকলাই দিয়া বুলি প্ৰকাশ কৰিছে। ইপিনে, হাতী আৰু ধুমুহাত ভঙা শাল গছ কাটি খৰি বাগানৰ বেৰ দিয়া বুলিও সদৰী কৰে যৌথ বন সুৰক্ষা কমিটীৰ সভাপতিজনে। কিন্তু মাদাৰ, জিয়া আদি গছৰে বেৰৰ খুঁটি দিব লাগে যদিও ইতিমধ্যে লগোৱা খুঁটিৰ ভিতৰত ৯০ শতাংশকৈ অধিক খুঁটি সংৰক্ষিত বনাঞ্চলটোৰ কটা শাল গছ লগোৱা বুলি অভিযোগ উঠিছে। উল্লেখ্য যে ডুবাপাৰা বন খণ্ডৰ অন্তৰ্গত তিনকোণীয়াপাৰা উপ-বন খণ্ডৰ ভাৰপ্ৰাপ্ত বিষয়া তথা দহিকটা সংৰক্ষিত বনাঞ্চলৰ যৌথ বন সুৰক্ষা কমিটীৰ সদস্য সচিব হৰেন নাথে এই দুৰ্নীতিৰ ক্ষেত্ৰত চকু মুদা কুলিৰ ভাও লোৱা বুলি গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। দুৰ্নীতি সন্দৰ্ভত উচ্চ পৰ্যায়ৰ তদন্ত কৰি দোষী ব্যক্তিসকলৰ বিৰুদ্ধে দৃষ্টান্তমূলক পদক্ষেপ লোৱাৰ দাবী জনাইছে স্থানীয় সচেতন ৰাইজে।

# বাৰাংহাটীত উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত

১২ *পৃষ্ঠাৰ পৰা* ধৰ্মীয় অনুষ্ঠানত যাওতে ঘৰৰ পৰা নোহোৱা হয় ছাত্ৰীগৰাকী। পৰিয়ালৰ লোকে বিভিন্ন ঠাইত বিচাৰ-খোচাৰ কৰিছে যদিও ছাত্ৰীগৰাকীৰ কোনো ধৰণৰ সম্ভেদ লাভ কৰা নাই। আনহাতে, চিন্তনীয় বিষয় এই যে ছাত্ৰীগৰাকীৰ লগত থকা ম'বাইল ফোনটোৱো সন্ধানহীন হোৱাৰ পাছৰে পৰা ছুইচ অফ হৈ আছে। সম্প্ৰতি কন্যাক বিচাৰি নাপাই শোকত ভাগি পৰিছে পৰিয়ালটো। ইতিমধ্যে পৰিয়ালটোৱে কঞা থানাত এই সম্পৰ্কে এজাহাৰ দাখিল কৰিছে। পৰিয়ালটোৰ মনত এতিয়া বিভিন্ন প্ৰশ্নৰ উদ্ৰেক ঘটিছে। কোনো সদাশয় ব্যক্তিয়ে সম্ভেদ পালে ৬০০০১৬১৩৪১ ফোন নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে পৰিয়ালৰ লোকে।

# বঙাইগাঁও শোধনাগাৰত বিশ্ব ধপাত

১২ *পৃষ্ঠাৰ পৰা* সেও নামানিবলৈ আৰু ধপাতৰ এই মাৰাত্মক ব্যৱহাৰৰ পৰা মুক্তি পাবলৈ চিকিৎসা পেছাদাৰী বা পৰামৰ্শদাতাৰ পৰা সহায় ল'বলৈও আহ্বান জনায়। বিশ্ব ধপাত নিষিদ্ধ দিৱস পালনৰ অংশ হিচাপে ডিপিএছৰ ছাত্ৰ-ছাত্ৰীৰ বাবে 'পৰিৱেশ সুৰক্ষিত কৰক' শীৰ্ষক বিষয়বস্তুৰ ওপৰত এখন ৰচনা প্ৰতিযোগিতাও আয়োজন কৰা হয় আৰু বিজয়ীসকলৰ মাজত পুৰস্কাৰসমূহো বিতৰণ কৰা হয়। ৰচনা প্ৰতিযোগিতাত নীলময় গগৈ (দ্বাদশ শ্ৰেণী) প্ৰথম, দয়িতা দাস (দশম শ্ৰেণী) দ্বিতীয়, পিয়ুসী সৰাফ (দ্বাদশ) তৃতীয় আৰু স্মাপ্ৰিটি নেওগ (নৱম) আৰু অভিজ্ঞান দাসে (নৱম) উদগনিমূলক বঁটা লাভ কৰে।

# 'বিদ্যানুৰাগ অভিযানে'ৰে শিক্ষাৰ্থীৰ

১২ *পৃষ্ঠাৰ পৰা* প্ৰমুখ্যে ভালেমান সচেতন লোক উপস্থিত হয়। অনিয়মীয়া শিক্ষাৰ্থীসকলৰ ঘৰত। তেওঁলোকে ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকসকলক লগ ধৰি 'ঘৰৰ সকলো কাম ডাঙৰে কৰক, ল'ৰা-ছোৱালীক বিদ্যালয়লৈ পঠিয়াওক, পঢ়ি-শুনি সকলো বুজক, তেহে হ'ব জীৱন সাৰ্থক' শীৰ্ষক শ্ল'গান আওৰাই অভিভাৱক আৰু শিক্ষাৰ্থীক বহু কথা বুজনি দিয়ে। ৰাভা হাছঙৰ দৰে অঞ্চল এটাত শিক্ষক সমাজ আৰু ৰাভা ছাত্ৰ সন্থাই লোৱা পদক্ষেপক স্থানীয় ৰাইজে প্ৰশংসা কৰে। আনহাতে, অহা পাঁচ জুনত পান্টান হাইস্কুলত ৰাভা ছাত্ৰ সন্থাই কেন্দ্ৰীয়ভাৱে 'বিশ্ব পৰিৱেশ দিৱস'ৰ আয়োজন কৰিব।

# ডাঃ নবীন বৰদলৈ মহাবিদ্যালয়-সুবৰ্ণ

১২ *পৃষ্ঠাৰ পৰা* যোৱা ২৭ মে'ত নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰীসকলক মাজত এক কেৰিয়াৰ কাউন্সিল সজাগতা কাৰ্যসূচী সম্পন্ন হয়। অনুষ্ঠান আৰম্ভ কৰে মহাবিদ্যালয়ৰ সমাজতত্ত্ব বিভাগৰ জ্যেষ্ঠ অধ্যাপিকা ৰশ্মিৰেখা বৰগোহাঁয়ে। বালিকা বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক মহেশ্বৰ হাজৰিকাৰ পৌৰোহিত্যত অনুষ্ঠিত সজাগতা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে বিভাগৰ সহকাৰী অধ্যাপিকা ৰূপৰেখা দেৱীয়ে। অনুষ্ঠানত মুখ্য সমল ব্যক্তি হিচাপে মহাবিদ্যালয়ৰ সমাজতত্ত্ব বিভাগৰ সহকাৰী অধ্যাপক ড° হিমান্ত প্ৰতিম বৰগোহাঁয়ে ছাত্ৰীসকলৰ উদ্দেশি সাৱলীল বক্তব্য আগবঢ়ায় আৰু বৃত্তিগত দিশতো সমাজতত্ত্ব বিষয়টো ব্যাখ্যা কৰে। প্ৰশ্নোত্তৰ শিতানত ছাত্ৰীসকলৰ উৎসাহে অনুষ্ঠান সাফল্যমণ্ডিত কৰি তোলে। বিদ্যালয়ৰ অধ্যক্ষা ধৰিত্ৰী হাজৰিকাই শিক্ষক-শিক্ষয়িত্ৰীসকলৰ হৈ বক্তব্য প্ৰদান কৰাৰ লগতে শলাগৰ শৰাই আগবঢ়োৱাৰ লগতে মহাবিদ্যালয়ৰ এনে পদক্ষেপক শলাগ জ্ঞাপন কৰে।

# সাউদ ভোলানাথ বৰুৱাৰ বিষয়ে

১২ *পৃষ্ঠাৰ পৰা* গ্ৰহণ কৰে তেওঁ নিজে দুমাহমানৰ কাৰণে তেওঁৰ ওপৰত গৱেষণা কৰিবলৈ যাব।' ইফালে, ভাষণ প্ৰসংগত তেওঁ কয় যে সাউদ ভোলানাথ বৰুৱাৰ দৰে এজন দানবীৰৰ নামত পুৰণিগুদামত থকা একমাত্ৰ বিদ্যালয়খন যাতে ওচৰৰ কোনো বিদ্যালয়ৰ লগত চামিল নহয় তাৰ বাবে চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিব লাগে। উদ্‌যাপন সমিতিৰ সম্পাদক চিত্তৰঞ্জন বৰাই আঁত ধৰা আৰু শিক্ষাবিদ পুলিন হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত স্মৃতিচাৰণ সভাত পুৰণিগুদামৰ বিশিষ্ট সমাজকৰ্মী-শিক্ষাবিদ ফনীন্দ্ৰ নাথ গায়ন আৰু যুগল চন্দ্ৰ দেৱগোস্বামীয়ে সাউদ ভোলানাথ বৰুৱাৰ বৰ্ণাঢ্য জীৱনৰ ওপৰত আলোকপাত কৰাৰ লগতে বিশ্লেষণাত্মক ভাষণ প্ৰদান কৰে। সভাত সাউদ ভোলানাথ বৰুৱাৰ নাতি শশীকান্ত বৰুৱা, দুলাল বৰুৱা আৰু কৃষ্ণকান্ত বৰুৱা উপস্থিত থাকে। প্ৰণতি গোস্বামীয়ে বৰগীত আৰু স্থানীয় একাংশ মহিলাই দিহানাম পৰিৱেশন কৰি সভাৰ আৰম্ভণি কৰাৰ লগতে বিদ্যালয়খনৰ তৃতীয় শ্ৰেণীৰ ছাত্ৰী মূৰ্চনা নন্দিতা বৰাই চন্দ্ৰাৱলী নৃত্য প্ৰদৰ্শন কৰে। সভাত বিশিষ্ট অতিথিসকলৰ উপৰি সাউদ ভোলানাথ বৰুৱাৰ পৰিয়ালৰ সদস্যসকলক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। সভাৰ আৰম্ভণিতে পুৰা পতাকা উত্তোলন কৰে উদ্‌যাপন সমিতিৰ সভাপতি পুলিন হাজৰিকাই আৰু স্মৃতি তৰ্পণ কৰে সাউদৰ পৰিনাতি দুলাল বৰুৱাই। বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰে পুৰণিগুদামৰ সমাজকৰ্মী সত্ৰাধিকাৰ কৃষ্ণ গোস্বামীয়ে। ইয়াৰ পাছতে সাউদ ভোলানাথ বৰুৱাৰ জন্ম ভেটি পুৰণিগুদাম বৰুৱাচুকৰ ঘৰখনত সাউদৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপনৰ এক অনুষ্ঠান ৰূপায়ণ কৰা হয়। অনুষ্ঠানত সমাজকৰ্মী প্ৰফুল্ল শইকীয়াই বন্তি প্ৰজ্বলন কৰাৰ পাছতে গায়ন-বায়নসহ সভাস্থলীলৈ এক শোভাযাত্ৰা কৰা হয়। সভাৰ শেষত বিয়লি ৰচনা আৰু চিত্ৰাংকন প্ৰতিযোগিতাৰ পুৰস্কাৰ বিতৰণ কৰা কাৰ্যসূচী ৰূপায়ণ কৰে সাউদ ভোলানাথ বৰুৱা আদৰ্শ বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী কবিতা শইকীয়াই। উল্লেখ্য যে কালি দিনজোৰাকৈ অনুষ্ঠিত সাউদ ভোলানাথ বৰুৱাৰ মৃত্যু শতবাৰ্ষিকী পুৰণিগুদামবাসীয়ে বিশেষভাৱে সহযোগিতা আগবঢ়ায়। দিনজোৰা কাৰ্যসূচীত প্ৰায় তিনি শতাধিক লোক উপস্থিত থাকি পুৰণিগুদামৰ এই মহান ব্যক্তিজনক স্মৰণ কৰাত সহযোগিতা আগবঢ়ায়।

# উত্তৰ মঙলদৈ উচ্চ মাধ্যমিক বিদ্যালয়ৰ

১২ *পৃষ্ঠাৰ পৰা* উন্নয়ন সমিতিৰ সভাপতি তথা অৱসৰপ্ৰাপ্ত শিক্ষক মোহন চন্দ্ৰ ডেকাৰ সভাপতিত্বত হোৱা বিদায় সভাত অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক অনন্ত চৰণ শৰ্মা, অৱসৰপ্ৰাপ্ত সহকাৰী প্ৰধান শিক্ষক হৰেন্দ্ৰ নাথ শৰ্মা, অৱসৰপ্ৰাপ্ত শিক্ষকদ্বয় পুৰন্দৰ চমুৱা, পুলিন হাজৰিকা, প্ৰধান শিক্ষয়িত্ৰী দিপালী দেৱী, শিক্ষয়িত্ৰী মীৰা কুমাৰী, ছাত্ৰী বৰষা চহৰীয়া, জ্যেষ্ঠ সাংবাদিক গণেশ দত্তই কেশৱ চন্দ্ৰ চহৰীয়াৰ শিক্ষকতা আৰু সামাজিক জীৱনৰ কথা ব্যক্ত কৰে। সহকাৰী শিক্ষক মথুৰা প্ৰসাদ শৰ্মাই আঁত ধৰা সভাত নীতি শিখা ডেকা, লিজামণি ডেকা, টিনামণি ডেকা, অনামিকা ডেকা, কুলেন চহৰীয়াই গীত পৰিৱেশন কৰে। ইয়াৰ পাছতে ঢোল-দগৰে ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী-কৰ্মচাৰী আৰু স্থানীয় ৰাইজে শিক্ষানুষ্ঠানৰ চৌহদৰ পৰা কৃতী শিক্ষক কেশৱ চন্দ্ৰ চহৰীয়াক শোভাযাত্ৰা কৰি তেওঁৰ ঘৰলৈ আনে। তেওঁৰ বাসগৃহত দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি সূৰ্য শৰ্মাই আঁত ধৰা এক চমু অনুষ্ঠানত দৰং জিলা সাহিত্য সভাৰ সভাপতি শৈলেন্দ্ৰ কুমাৰ ৰাজবংশী, টংলা মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ঘটেশ্বৰ বৰুৱা, চপাই যুৱ কল্যাণ কেন্দ্ৰৰ সভাপতি হাছিনুৰ হুছেইন, সম্পাদক ৰমেশ চহৰীয়া, চপাই বণিক সন্থা, ভকতপাৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক লক্ষীকান্ত শৰ্মা, সাংবাদিক নৱ মহন্ত, ৰমেশ নাথ, চপাই পদুমপাহি মইনা পাৰিজাত, চপাই থিয়েটাৰ পৰিচালনা সমিতি, ৰাষ্ট্ৰীয় কৃতী শিক্ষক শশাংক হাজৰিকাকে ধৰি অৰ্ধশতাধিক ব্যক্তি আৰু সংগঠনে তেওঁক সম্বৰ্ধনা জ্ঞাপন কৰে।

# মৰিগাঁও পৌৰসভাক বিজ্ঞানসন্মত

১২ *পৃষ্ঠাৰ পৰা* হ'লে পুঁজিৰ পৰিমাণ আৰু বৃদ্ধি কৰিব লাগিব বুলি মন্তব্য কৰে। আনহাতে, মৰিগাঁও পৌৰসভাৰ পৌৰপতি যোগেশ তামুলীয়ে কয় যে মৰিগাঁও পৌৰসভাই চহৰখন উন্নয়নৰ বৃহৎৰ স্বাৰ্থত সকলোকে সহায়-সহযোগিতা কৰিবলৈ আহ্বান জনায়। অসম চৰকাৰৰ চহৰ উন্নয়ন পৰিকল্পনা বিভাগৰ সহকাৰী সঞ্চালিকা জেবিনা য়াচমিনে মৰিগাঁও চহৰৰ বাবে প্ৰস্তুত কৰা দীৰ্ঘম্যাদী পৰিকল্পনা ক্ষেত্ৰত ব্যাখ্যা আগবঢ়োৱা সভাত অতিৰিক্ত উপায়ুক্ত গৰ্গ মোহন দাস, জ্যেষ্ঠ নাগৰিক মহেন্দ্ৰনাথ হাজৰিকা, দীলিপ দাস, জিলা সাহিত্য সভাৰ সভাপতি প্ৰতাপ হাজৰিকা, জিলা সাংবাদিক সংস্থাৰ সভাপতি বিৰিঞ্চি কুমাৰ শৰ্মা, সম্পাদক জিতুমনি নাথ, জ্যেষ্ঠ সাংবাদিক ডালিম ফুকন, অজিত শৰ্মা, শিক্ষাবিদ হাহিৰাম লহকৰ, দিব্যজ্যোতি তামুলী, কেশৰাম হাজৰিকা, মিডিয়া ক্লাবৰ সভাপতি ৰাতুল ডেকা, সাংবাদিক ৰিতুমনি মহন্ত, প্ৰাঞ্জল দাস, উপ-পৌৰপতি পিংকুমনি দাস, তিৱা স্বায়ত্ত পৰিষদৰ কাৰ্যবাহী সদস্য খগেন চন্দ্ৰ বৰদলৈ, গাঁওৰক্ষী বাহিনীৰ উপ-পৰামৰ্শদাতা বিষ্ণু ভাগৱতী, চহৰ উন্নয়ন পৰিকল্পনা বিভাগৰ কনিষ্ঠ অভিযন্তা ৰুণুভা স্বৰগীয়াৰি, প্ৰাক্তন পৌৰপতি অৰ্চনা বৰদলৈ, প্ৰাক্তন উপ-পৌৰপতি ৰঞ্জিত কুমাৰ ডেকা, পৌৰসভাৰ সদস্যাসকলৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে।

# মানকাচৰৰ কাকৰীপাৰাত দুৰ্ঘটনাত পশু

১২ *পৃষ্ঠাৰ পৰা* প্ৰচণ্ড জোৰত খুন্দা মৰাত ইছলামৰ থিতাতে মৃত্যু হয়। ভুৱা নম্বৰৰ বাহনখনত তিনিগৰাকী যুৱক আছিল। কিন্তু দুৰ্ঘটনা সংঘটিত হোৱাৰ লগে লগে মটৰ চাইকেলৰ পাছত বহি থকা যুৱক দুজন পলাই পত্ৰং দিয়ে যদিও নুৰ আবদিন নামৰ যুৱকজন গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। পাছত স্থানীয় ৰাইজে মানকাচৰৰ ১০৮ এম্বুলেন্সত খবৰ কৰাত ইএমই খুৰশেদ আনোৱাৰ খানৰ নেতৃত্বত ততাতৈয়াকৈ ঘটনাস্থলীত উপস্থিত হৈ দুৰ্ঘটনাগ্ৰস্ত লোক দুজনক মানকাচৰ সমূহীয়া স্বাস্থ্যকেন্দ্ৰত ভৰ্তি কৰায়। কিন্তু চিকিৎসকে ইছলামক মৃত বুলি ঘোষণা কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে তুৰাৰ চিভিল হাস্পতাললৈ প্ৰেৰণ কৰে। আহত নুৰ আবদিনক উন্নত চিকিৎসাৰ বাবে গোৱালপাৰালৈ প্ৰেৰণ কৰে। পিছদিনা বহু লোকৰ উপস্থিতিত অমায়িক, শান্তি-শিষ্ট পশু চিকিৎসক ইছলামৰ ঘৰত জানাজা সম্পূৰ্ণ কৰি দাফন কৰা হয়। মানকাচৰত আৰক্ষীৰ সন্মুখতে ভুৱা নম্বৰৰ মটৰ চাইকেল, টেম্প', পিকআপ ভান আদি গিজগিজাই চলি আছে যদিও আৰক্ষীয়ে কোনো ধৰণৰ কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰা নাই। যাৰ ফলত ঘাতকৰ ৰূপ লৈছে ভুৱা নম্বৰধাৰী যানবাহনসমূহ। এই ক্ষেত্ৰত ঊৰ্ধ্বতন আৰক্ষী প্ৰশাসনে কি ব্যৱস্থা গ্ৰহণ কৰে এয়া পৰৱৰ্তী সময়ত লক্ষ্যণীয় হ'ব।

# প্ৰাক্তন সভানেত্ৰী অন্নদা শইকীয়াৰ মৃত্যুত লেখিকা সমাৰোহ সমিতিৰ শোক

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ৩১ মে' ঃ** সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ ২০০৬-০৮ৰ সভানেত্ৰী অন্নদা শইকীয়াই যোৱা ২৯ মে'ৰ নিশা গুৱাহাটীৰ এক্সেল কেয়াৰ হাস্পতালত চিকিৎসাধীন অৱস্থাত ইহলীলা সম্বৰণ কৰে। সমিতিৰ প্ৰাক্তন সভানেত্ৰীগৰাকীৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰি সমিতিৰ প্ৰধান সম্পাদিকা ড° থুনু কলিতাই সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক বিবৃতিত কয় যে সমিতিৰ প্ৰতিষ্ঠাপক সভানেত্ৰী পদ্মশ্ৰী ড° শীলা বৰঠাকুৰৰ পাছতে শইকীয়াই সমিতিৰ সভানেত্ৰী হিচাপে গুৰু দায়িত্ব গ্ৰহণ কৰি সমিতিক এক নতুন মান্যতা প্ৰদান কৰিলে। এইগৰাকী শিক্ষাব্ৰতী সমাজসেৱী বিশিষ্ট সাহিত্যিক প্ৰাক্তন সভানেত্ৰী তথা বৰ্তমানৰ উপদেষ্টা শইকীয়াৰ বিয়োগত সমিতিৰ সদস্যাসকল ম্ৰিয়মাণ হৈ পৰিছে আৰু গভীৰ শোক প্ৰকাশ কৰিছে বুলি বিবৃতিটোত প্ৰকাশ কৰে। লগতে মৃত্যুৰ পূৰ্বে যোৱা ১৩ মে'ত বোকাখাতৰ অগৰাগুৰিত অনুষ্ঠিত সমাজসেৱক উত্তম বৰদলৈৰ স্মৃতিচাৰণ সভাত উপস্থিত থাকি শইকীয়াই বক্তৃতা প্ৰদান কৰিছিল। প্ৰাক্তন সভানেত্ৰীগৰাকীৰ বিয়োগৰ বাতৰি পোৱাৰ পাছতেই পুৱাই লেখিকা সমাৰোহ সমিতিৰ বৰ্তমানৰ সভানেত্ৰী ড° চাৰু চহৰীয়া নাথ বোকাখাতলৈ ৰাওনা হয় আৰু কাৰ্যবাহী সভানেত্ৰী সুবৰ্ণ শইকীয়া বৰদলৈ, যুটীয়া সম্পাদিকা গিতাঞ্জলী কলিতা তথা অন্যান্য বিষয়ববীয়া আৰু সদস্যাসকল মিলিত হৈ সমিতিৰ সংবিধান অনুসৰি প্ৰয়াত প্ৰাক্তন সভানেত্ৰীগৰাকীৰ নশ্বৰদেহত সমিতিৰ পতাকা আৰু ফুলেৰে শ্ৰদ্ধাঞ্জলি জনাই বিদেহ আত্মাৰ সদগতি কামনা কৰাৰ লগতে সমিতিৰ পতাকা কেন্দ্ৰীয় কাৰ্যালয়ত এদিনৰ বাবে অৰ্ধনমিত কৰা হয়।

# লোক নিৰ্মাণ বিভাগৰ ভেঙুচালিত ক্ষোভিত ৰাইজ

**অগ্ৰদূত বাৰ্তা**

**শুৱালকুছি, ৩১ মে' ঃ** অসম চৰকাৰৰ লোক নিৰ্মাণ বিভাগৰ চূড়ান্ত গাফিলতিত ক্ষোভত ফাটি পৰিছে শিঙিমাৰী বংশৰ বৰৰদিয়া অঞ্চলৰ ৰাইজ। শিঙিমাৰী-শুৱালকুছি সংযোগী চাৰিপথ যুক্ত পথ নিৰ্মাণৰ সময়ত চৰকাৰে কৰা ভূমি অধিগ্ৰহণৰ ক্ষতিপূৰণ আজিলৈকে আদায় নকৰাত ৰাইজ ক্ষোভিত হৈ পৰিছে। উল্লেখ্য যে শিঙিমাৰীৰ পৰা শুৱালকুছিলৈ ১৩ কিলোমিটাৰ পথ চাৰিপথযুক্ত কৰাৰ সময়ত পথৰ দুয়ো কাষৰ মানুহৰ ভূমি অধিগ্ৰহণ কৰিছিল অসম চৰকাৰৰ লোক নিৰ্মাণ বিভাগে। সেই সময়তে অধিগ্ৰহণ কৰা মাটিৰ ক্ষতিপূৰণ দিয়াৰ প্ৰতিশ্ৰুতি আছিল বিভাগৰ কিন্তু পথ নিৰ্মাণৰ সম্পূৰ্ণ হোৱাৰ প্ৰায় ছমাহ উৰলি যোৱাৰ পাছতো ক্ষতিপূৰণ নিদিয়াত ক্ষোভত ফাটি পৰিছে ৰাইজ। মুখ্যমন্ত্ৰীৰ সমষ্টিতে মুখ্যমন্ত্ৰীয়ে প্ৰতিনিধিত্ব কৰা জনতাৰ এই দুৰ্দশাই চিন্তিত কৰিছে। চৰকাৰী নীতি-নিয়মক ভেঙুচালি কৰি লোক নিৰ্মাণ বিভাগে ৰাইজৰ প্ৰাপ্যৰ প্ৰতি আওকাণ কৰাতো দুখ প্ৰকাশ কৰিছে সচেতন মহলে। শীঘ্ৰে বিষয়টোত মুখ্যমন্ত্ৰীৰ হস্তক্ষেপ বিচাৰিছে ৰাইজে।

# হিৰিম্বা বড়ো হাইস্কুলৰ প্ৰাচীৰ পত্ৰিকা 'জৌংচাৰথি' উন্মোচন

**অগ্ৰদূত বাৰ্তা**

**টিহু, ৩১ মে' ঃ** টিহুৰ নাথকুছিৰ সমীপৱৰ্তী হিৰিম্বা বড়ো হাইস্কুলত আজি এখন প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰা হয়। বিদ্যালয়ৰ আলোচনী বিভাগৰ তত্ত্বাৱধায়ক শিক্ষক লক্ষী বড়োৰ তত্ত্বাৱধানত শিক্ষয়িত্ৰীদ্বয় মনোমতী বসুমতাৰী আৰু ললিতা বড়োৱে প্ৰস্তুত কৰি উলিওৱা প্ৰাচীৰ পত্ৰিকাখন উন্মোচন কৰে নমাটি এক নম্বৰ মণ্ডল সমল কেন্দ্ৰৰ সমন্বক মৃদুল বৰ্মনে। এই উপলক্ষে শিক্ষক পৰেশ বড়োৱে আঁত ধৰা উন্মোচনী অনুষ্ঠানত বিদ্যালয়ৰ প্ৰধান শিক্ষক থানেশ্বৰ বসুমতাৰীয়ে শলাগ জ্ঞাপন কৰে। আনহাতে, গুণোৎসৱ উপলক্ষে শিক্ষকদ্বয় ব্ৰজেন ৰামছিয়াৰী আৰু ভৃগু ৰামছিয়াৰীয়ে জৈৱ বৈচিত্ৰ্য সম্পৰ্কীয় বিভিন্ন সামগ্ৰী বিদ্যালয়ত সংগৃহীত কৰি সুন্দৰকৈ সজাই-পৰাই তোলে। তদুপৰি গুণোৎসৱ উপলক্ষে বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলো ব্যস্ত হৈ পৰা পৰিলক্ষিত হয়।

# ওদালগুৰিত বিশাল মেগা মাৰ্টৰ বিপণী মুকলি

**বিশেষ সংবাদদাতা**


**ওদালগুৰি, ৩১ মে' ঃ** অনলাইন বজাৰৰ সমানে বৰ্তমান জনসাধাৰণৰ মাজত জনপ্ৰিয় হৈ পৰিছে শ্বপিং মলসমূহ। আজি ওদালগুৰি চহৰত চতুৰ্থখন শ্বপিং মল মুকলি কৰা হয়। ওদালগুৰি ৰাস ময়দানৰ সমীপৱৰ্তী বাছ ষ্টেণ্ডৰ সন্মুখত 'বিশাল মেগামাৰ্ট' নামৰ মলখন উদ্বোধন কৰে ওদালগুৰি পৌৰসভাৰ পৌৰপতি ৰাকেশ বড়োৱে। সমাজকৰ্মী স্বত্বাধিকাৰী মিনন মোচাহাৰীৰ অট্টালিকাত মলখন মুকলি হোৱাৰ লগে লগে গ্ৰাহকে ভৰি পৰে। এই সন্দৰ্ভত মন্তব্য প্ৰকাশ কৰি উদ্বোধক বড়োৱে কয় যে আমি সময়ৰ স'তে আগবাঢ়িবই লাগিব। বৰ্তমান যুগত জনসাধাৰণৰ মাজত জনপ্ৰিয় হৈ পৰা এনে মলসমূহৰ দ্বাৰা অঞ্চল তথা চহৰখন যথেষ্ট পৰিৱৰ্তন হয়। আমি ওদালগুৰি চহৰখন ৱান ষ্টাৰ টাউনশ্বিপ হিচাপে আবেদন কৰিছো। এই টাউনশ্বিপ পাবলৈ হ'লে কে'বাটাও পৰ্যায়ৰ যোগ্যতাৰ প্ৰয়োজন হয়। আগন্তুক এবছৰৰ ভিতৰত এই যোগ্যতা অৰ্জন কৰিবলৈ আমি আশাবাদী। ইয়াৰ মাজতে আন তিনিটা শ্বপিং মলৰ সমান্তৰালভাৱে আজি বিশাল মেগামাৰ্ট স্থাপন হোৱা বিষয়টো ওদালগুৰিৰ বাবে এক ভাল দিন হিচাপে বিবেচিত হৈছে। মলখনৰ পৰা একাধিক স্থানীয় যুৱপ্ৰজন্ময়ো সংস্থাপন লাভ কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। অনুষ্ঠানত মিনন মোচাহাৰী আৰু তেওঁৰ পৰিয়ালবৰ্গ, শ্বপিং মলখনৰ এৰিয়া মেনেজাৰৰ লগতে বিভিন্নজন ব্যক্তি উপস্থিত থাকে।

# ছহিদ পিয়লি ফুকন মহাবিদ্যালয়ত বিশ্ব ধপাত বিৰোধী দিৱস

**অগ্ৰদূত বাৰ্তা**

**নামতি, ৩১ মে' ঃ** 'পৰিৱেশক সুৰক্ষা দিয়ক' এই বৰ্ষৰ বিশ্ব ধপাত বিৰোধী দিৱসৰ মূলমন্ত্ৰক সাৰোগত কৰি ছহিদ পিয়লি ফুকন মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোট আৰু ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীয়ে এখন সজাগতা সভা আৰু শোভাযাত্ৰাৰ আয়োজন কৰে। মহাবিদ্যালয়ৰ আলোচনা কক্ষত আয়োজন কৰা সজাগতা সভাত মহাবিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক বিজিত শেনচোৱাই অংশগ্ৰহণ কৰে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ কাৰ্যক্ৰম বিষয়া পাপু কুমাৰ ঙাটেই।

# জিলা প্ৰশাসনৰ উদ্যোগত ক্ষেত্ৰীত গৰীৱ কল্যাণ সন্মিলন



**অগ্ৰদূত বাৰ্তা**

**সোণাপুৰ, ৩১ মে' ঃ** 'আজাদী কা অমতৃ মহোৎসৱ'ৰ লগত সংগতি ৰাখি আজি কামৰূপ মহানগৰ জিলা প্ৰশাসনৰ উদ্যোগত ক্ষেত্ৰী গাঁও পঞ্চায়তৰ প্ৰেক্ষাগৃহত গৰীৱ কল্যাণ সন্মিলন' শীৰ্ষক এক অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকে সাংসদ প্ৰদান বৰুৱা আৰু প্ৰাক্তন মন্ত্ৰী তথা পূব গুৱাহাটী সমষ্টিৰ বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্যই। অনুষ্ঠানত কামৰূপ মহানগৰ জিলাৰ চি ই অ' দৰথি চুচিয়াং, কামৰূপ মহানগৰ জিলাৰ অতিৰিক্ত উপায়ুক্ত গৌৰী শংকৰ দাস প্ৰমুখ্যে বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। প্ৰায় দুই শতাধিক লোকৰ উপস্থিতিত অনুষ্ঠিত অনুষ্ঠানতেই প্ৰধানমন্ত্ৰীৰ জনকল্যাণ আঁচনিৰ অধীনত উপকৃত হোৱা হিতাধিকাৰীসকলৰ স'তে সাংসদ বৰুৱাই বাৰ্তালাপ কৰে। অনুষ্ঠানত দেশৰ প্ৰধানমন্ত্ৰী আৰু ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে সম্বোধন কৰা অনুষ্ঠানৰ দৃশ্য-শ্ৰাব্য ৰূপত প্ৰত্যক্ষ কৰে উপস্থিত ৰাইজে।

# নৈনে প্ৰাথমিক বিদ্যালয়ৰ চৌপাশৰ আকৰ্ষণীয় পৰিৱেশ



**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ/বৰভাগ, ৩১ মে' ঃ** নলবাৰী জিলাৰ পূব নলবাৰী শিক্ষা খণ্ডৰ অন্তৰ্গত ঘগ্ৰাপাৰৰ সমীপৰ বৰভাগৰ নৈনে গাঁৱত অৱস্থিত এইখন চৰকাৰী প্ৰাথমিক বিদ্যালয়। প্ৰধান শিক্ষক অমল চন্দ্ৰ ডেকা আৰু সহকাৰী শিক্ষক-শিক্ষয়িত্ৰী ক্ৰমে তপন কলিতা আৰু বন্দিতা বৈশ্যৰ তৎপৰতাত আটকধুনীয়া হৈ পৰিছে ৬৯১ নম্বৰ নৈনে প্ৰাথমিক বিদ্যালয়। পথেৰে বাটৰুৱা পাৰ হৈ গ'লেও বিদ্যালয়খনৰ পৰিৱেশ দেখি বৈ চাই নোযোৱাকৈ থাকিব নোৱাৰে। উল্লেখনীয় কথা এয়ে যিটো সময়ত চৰকাৰী শিক্ষানুষ্ঠানত প্ৰায় সংখ্যক ছাত্ৰ-ছাত্ৰীক অভিভাৱকসকলে পঠাবলৈ টান পায় শিক্ষা ব্যৱস্থা আৰু পৰিৱেশৰ ওপৰত লক্ষ্য কৰি, সেই সময়তে চৰকাৰী শিক্ষানুষ্ঠানৰ এইটো পৰিৱেশ শলাগিবলগীয়া। বিদ্যালয়খনৰ তিনিওগৰাকী শিক্ষকে দেওবাৰৰ দিনাখনো বিদ্যালয়খনত কাম কৰা পৰিলক্ষিত হয়। বিদ্যালয়খনৰ চৌহদত বাৰেবৰণীয়া ফুল, বিভিন্ন ধৰণৰ গছ-গছনি আৰু বিদ্যালয়খনৰ বেৰবোৰত এইখন বিদ্যালয়ৰে সহকাৰী শিক্ষক তপন কলিতাৰ হাতৰ পৰশত বিভিন্ন ধৰণৰ চিত্ৰ অংকন কৰি ছাত্ৰ-ছাত্ৰী তথা বাটৰুৱাৰ দৃষ্টি আকৰ্ষণ কৰিছে। বিদ্যালয়খনৰ শিক্ষা ব্যৱস্থা তথা সামগ্ৰিক পৰিৱেশ দেখি বহুতো ব্যক্তিগত বিদ্যালয়ৰ পৰা ছাত্ৰ-ছাত্ৰী ঢাপলি মেলিছে বুলিও প্ৰধান শিক্ষকজনে সদৰী কৰে। তৎসত্ত্বেও বিদ্যালয়খনত বহুতো আচবাবৰ দৰকাৰ, ছাত্ৰ-ছাত্ৰী অনুপাতে ডেস্ক-বেঞ্চৰ অভাৱ, যিখিনি আছে সেয়া পৰ্যাপ্ত নহয়। শ্ৰেণী অনুপাতে শিক্ষকৰ অভাৱ কাৰণে বিদ্যালয়খনত এগৰাকী উচ্চ শিক্ষিতা মহিলা ৰুণু কলিতাক বিদ্যালয়ৰ পৰিচালনা সমিতি তথা শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ্থে নিজ খৰচত নিয়োগ কৰে। সেয়েহে শিক্ষা বিভাগ তথা অসমৰ মুখ্যমন্ত্ৰীৰ প্ৰধান শিক্ষকজনে কিবা এটা সুব্যৱস্থা কৰি দিবলৈ আহ্বান জনাইছে, যাতে বিদ্যালয়খনত ছাত্ৰ-ছাত্ৰীক সুনাগৰিক হিচাপে গঢ় দি তুলিব পাৰে।

# আজিৰে পৰা বাগ্‌সাত গুণোৎসৱ

**অগ্ৰদূত বাৰ্তা**

**মুছলপুৰ, ৩১ মে' ঃ** কাইলৈৰ পৰা চাৰি জুনলৈ বাগ্‌সা জিলাত চলিত বৰ্ষৰ গুণোৎসৱ অনুষ্ঠিত হ'ব। তৃতীয় পৰ্যায়ত অনুষ্ঠিত হ'বলগা গুণোৎসৱক লৈ বাগ্‌সা জিলা প্ৰশাসনৰ নিৰ্দেশনাত জিলা শিক্ষা বিভাগ সম্পূৰ্ণ সাজু বুলি প্ৰকাশ কৰিছে। জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক ভবেন দেউৰীয়ে আজি সংবাদ মাধ্যমক জনোৱা মতে, কাইলৈৰ পৰা আৰম্ভ হ'ব লগা গুণোৎসৱে জিলাখনৰ ১,১১,৫৫৫ জন ছাত্ৰ-ছাত্ৰীক সামৰি ল'ব। প্ৰথমৰ পৰা নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত হ'ব লগা গুণোৎসৱ সুচাৰুৰূপে পৰিচালিত হ'ব বুলি আশা কৰিছে জিলা শিক্ষা বিষয়াজনে। তেওঁ প্ৰকাশ কৰা মতে, জিলাখনৰ ১৭৩৬খন বিদ্যালয়ত এই গুণোৎসৱ অনুষ্ঠিত হ'ব। ইয়াৰ ১৯৭ খন হাইস্কুল আৰু ১৫৩৯ খন প্ৰাথমিক আৰু মধ্য



ইংৰাজী বিদ্যালয় থাকিব। ইয়াৰ পৰিচালনাৰ বাবে ১৬৫জন লায়েছন বিষয়া নিযুক্তি দিয়া হৈছে। ৫৭৮ খন স্কুল গ্ৰুপিং কৰা হৈছে। জিলাখনৰ বাবে এক্সটাৰনেল ইভেলুৱেটৰ ৬৩৯ জন সাজু কৰাৰ লগতে ৫০ জনক অতিৰিক্তকৈ ৰিজাৰ্ভ ৰখা হৈছে। ইতিমধ্যে বিদ্যালয়ৰ শিক্ষক, লায়েচন বিষয়া আৰু এক্সটাৰনেল ইভেলুৱেটৰৰ প্ৰশিক্ষণ সম্পূৰ্ণ কৰা হৈছে। গুণোৎসৱৰ বাবে যুগুত কৰা প্ৰশ্নকাকতবোৰ আজি ব্লক আৰু বিদ্যালয় কৰ্তৃপক্ষৰ ওচৰলৈ পঠোৱা হৈছে। কাইলৈ সকলোতে অসমীয়া, বড়ো আৰু ইংৰাজী বিষয়ৰ পঠনৰ দক্ষতাৰ সমীক্ষা লোৱা হ'ব। শিক্ষা বিষয়াজনে জনোৱা মতে, প্ৰথম আৰু দ্বিতীয় বৰ্গৰ বিষয়া বাগ্‌সা জিলাৰ পৰা ২৬৭জন, বৰপেটাৰ পৰা ১৬০ জন, কামৰূপ (গ্ৰাম)ৰ পৰা ১৫৫ জন আৰু ওদালগুৰি জিলাৰ পৰা ৭০ জন বিষয়া নিয়োগ কৰা হৈছে। গুণোৎসৱৰ কেইদিনত কে'বাজনো ভি আই পি বিষয়াই বিদ্যালয় পৰ্যবেক্ষণ কৰিব।

# জখলাবন্ধাত আৰক্ষীৰ জালত ড্ৰাগছ সৰবৰাহকাৰী

**অগ্ৰদূত বাৰ্তা**

**কলিয়াবৰ, ৩১ মে' ঃ** কলিয়াবৰৰ জখলাবন্ধাত ড্ৰাগছৰ গোপন বেহা চলি থকাৰ দীৰ্ঘদিনীয়া অভিযোগৰ মাজতে কালি জখলাবন্ধা আৰক্ষীৰ জালত পৰে এজন ড্ৰাগছ সৰবৰাহকাৰী। জখলাবন্ধাৰ বাঘজানৰ পৰা আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে ড্ৰাগছ সৰবৰাহকাৰীজনক। ধৃত ড্ৰাগছ সৰবৰাহকাৰীজন ৰিকু আনছাৰী। আনছাৰীৰ ঘৰ বাঘজানত বুলি আৰক্ষীয়ে প্ৰকাশ কৰাৰ লগতে সৰবৰাহকাৰীজনৰ হাতৰ পৰা উদ্ধাৰ কৰিছে চাৰিটা সন্দেহযুক্ত ব্ৰাউন ছুগাৰৰ কণ্টেইনাৰ। ড্ৰাগছ বিক্ৰী কৰিবলৈ আহোঁতেই সৰবৰাহকাৰীজন আৰক্ষীৰ জালত পৰে। বাঘজানৰ এটা তেল ডিপ'ৰ কাষৰ পৰা আটক কৰে ড্ৰাগছ সৰবৰাহকাৰীজনক। এই ঘটনা সন্দৰ্ভত আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে।




## কবিতা

### ঠাইৰ নামবোৰৰ কেৰামতালি

● শিৱপ্ৰসাদ শৰ্মা ঠাকুৰ

গছৰ নাম মাছৰ নাম
পশু পক্ষীৰ নাম
তাকে লই ঠাইবোৰ
আজিও বিদ্যমান।
আৰু আছে কত অবিধা
ঠাইবোৰৰ লগত
সকলো মিলি সদৌ শেষত
হৈছে বিশ্ব জগত!!
গাঁৱৰ নামেৰে আৰম্ভ কৰো
মনৰ অভিপ্ৰায়
গাঁও-নগৰ অঞ্চলৰ নাম
ভাৰস্ততহে পায়!!

(গছ)

অৰ্জুনগুৰি আহতগুৰি
আউনীআটী আমবাৰী!
ইকৰাজান এজাৰগুৰি
উলুবাৰী ওদালগুৰি
ঔগুৰিত ঔ টেঙা নাই
ৰৌৰে বোলে সাৰিলো ভাই!
কচুপথাৰ গচুগাঁও
কলগছীয়া হৈ ঘৰলৈ যাওঁ
খকন্দগুৰি খাগৰীজান
গমাৰিগুৰিয়ে দিয়ে প্ৰমাণ!
চ'তিয়ান তল আমগুৰি
চেকেৰাতলী চেগুনবাৰী!
জালুকণিবাৰী জামুগুৰি
চাহ বাগানে আছে আৰৰি!
জালুক তল জালুক গাঁও
ৰিব্‌ৰিব বতাহত দেহা শতাওঁ!
টকৌবাৰী ঢেকিয়াজুলি
আমি আছো মিলিজুলি।
ঢোন্দাচাম ঠাইৰহে নাম
চাম কিন্তু গছৰহে নাম!!
তিতাবৰ তিহু ঠাইৰে নাম
তেতেলিগুৰিত তেতেলি পাম!
নাৰিকলগুৰি নাহৰজান
নাহৰকটীয়াৰ লোৱা প্ৰমাণ!!
নাহৰণিত 'মালিকৰ' ঘৰ
গল্প, উপন্যাস সুমিষ্ট বৰ
পদমণি পলাশবাৰী
পকা ঘৰৰ শাৰী শাৰী!
বকুলতল বগৰীয়নী
বনগাঁও বেঙেনাআতি
বোকাহোলাত বোকা নাই
চাহ বাগিচাই ৰিঙিয়াই!
মদাৰগুৰি মদাৰখাত
মকালনি (মকাল) এবিধ বাঁহৰ
জাত!

শালবাৰী শালনিবাৰী
শালিগছৰ শাৰী শাৰী!
শিলিখাগুৰিত চাহ বাগিচা
কথাটো মন কৰিছা?
স'ৰাগুৰি সোণাৰুতল
হালধীবাৰী গ্ৰামাঞ্চল!
আৰু আছে নাম দেধাৰ
কই থাকিলে নাই পাৰাপাৰ।

(মাছ)

এলেংমৰা এলেংমূৰীয়া
ককিলামুখ খলিহামাৰি
গৰৈমাৰি চেঙেলিজান
চিতলপথাৰ পাভজান
শ'লগুৰি শালমৰাজান!
মাছৰ নাম ইমানতে থওঁ
পশুৰ নামৰ ভূ-ভা লওঁ!

(পশু)

গৰুখুঁটি হৈ গৰুমৰালৈ যাম
ঘোঁৰামৰাতহে জিৰণি পাম!
ছাগলীহেৰাত দলং চাম
পহুমৰাত মাংস খাম!
বাঘমৰা বাঘজানত
বাঘৰ ভয় নাই মনত!
ভালুকমৰাত টিকট ল'ম
ম'হবন্ধাত ষ্টেছনলৈ যাম!
শিয়ালেখাতিৰ পৰা বাছেৰে যাম
শিয়ালদহ ষ্টেছন পাম
ইঠাইৰ পৰা সিঠাইলৈ যাম
ঘূৰি আহি নিজা ঘৰ পাম!

(পক্ষী)

কপৌচুকৰ পৰা কাউৰীচুকলৈ
যাব নোৱাৰা সণ্ঢালনিকৈ!
কুৰুৱাবাহীত সত্ৰ আছে
কুকুৰাপহীয়াত ধানে নাচে
চিলনীজানত চিলনীৰ মেলা
বাদুলীপাৰাত চাহৰ মেলা!
শগুনপৰা জয়াল ঠাই
শৰ দেখিলে ৰক্ষা নাই
শালিকীহাটত বহিছিল হাট
শেনছোৱাই বোলে 'শেনৰ এজাত'
হুদুপাৰাত হুদুৰ 'নিউ'
দুপৰ নিশা উৰে 'জীউ'
হাঁহচৰাত জাক জাক হাঁহ
ইমানতে সামৰিলো বাঃ বাঃ ।

### কল গছৰ নানান কথা

● ঝৰ্নালী শৰ্মা বৰকটকী

বাৰীৰ ঢাপত পকা কলে
আছে থোক ভৰি
পোনাটিৰ মাকে আনিলে
তাৰে একুৰি পাৰি
কল দেখি পোনাটি
দৌৰি গ'ল
কল খালে গাত বোলে
পাব বহু বল।
তাকে দেখি মাকে ক'লে
কলৰ আছে বহু গুণ
কল বোলে হয় হেনো
ফলৰ ভিতৰত সোণ।
আঠীয়া কলকে
ভীম কল বোলে
হাতীৰ সমান বল
হয় কিন্তু খালে।
জাহাজী কল দেখিবলৈ
বৰ দীঘল
মালভোগ-মনোহৰ দুয়ো
হ'ল কলৰ যুগল।
সৰু সৰু চেনিচম্পা
খাবলৈ বৰ মিঠা
টোপা-টোপে গিলি থ'লে
নালাগে একো লেঠা।
কল গছৰ দোণা সাজে
বিয়া সকামত
কলপুলি লাগে কিন্তু
সকলো কামত।
কলফুল কলপচলা
মুখৰ জুতি
ভীম কলৰ বাকলিৰ
খাৰ খোৱা অতীতৰ ৰীতি।
কল গছৰ লগত আছে
বহুতো ৰীতি-নীতি
কলপাতত ভোজভাত খায়
কৰো আমি স্ফূৰ্তি।

### চিন্তা ধাৰণা

● জোনাক জ্যোতি গগৈ

জন্মিছো আমি প্ৰতিজন বস্ত্ৰহীন
কোনো নহয় চিৰদিনৰ হ'বই বিলীন
কৰো আমি ভুল কিছু যি ক্ষমাহীন
যাৰ বাবে পৰিবৰ্তিত দেহহীন

দুদিনীয়া জীৱন আৰু দুদিনীয়া দুখ
তাৰে মাজত লুকাই আছে সৰু সৰু সুখ
বিচাৰিব পাৰো যদি সেই সুখবোৰ
ধনী হ'ব পাৰিম আমি যদিও ধাৰত বুৰ

ভিন ভিন জীৱন আমাৰ কাৰো নহয় এক
মোৰ এক হ'ব পাৰে যদি তাৰ অনেক
সৰু-ডাঙৰ ধনী-মানি চিন্তা আমাৰ ঠেক
এনে যদি ধাৰণা হয় হ'ম এদিন শেষ।





*প্ৰবাল কাকতি, শংকৰদেৱ শিশু বিদ্যা নিকেতন, টিহু, চতুৰ্থ শ্ৰেণী।*



*শ্ৰুতিধাৰ শিৰাংগী, দশম শ্ৰেণী, কেন্দ্ৰীয় বিদ্যালয় নগাঁও।*

## শিশু গল্প

# অয়ন আৰু অহনৰ সপোন ভৰা দিনটো

গায়ত্ৰী দেৱী বৰঠাকুৰ

*যোৱা সংখ্যাৰ পাছৰ পৰা*

'হ'ব ! হ'ব । তোমালোকে মন বেয়া নকৰিবা। মই লকডাউনৰ সময়তে খোজ কাঢ়িবলৈ আৰু ব্যায়াম কৰিবলৈ আৰম্ভ কৰিছো নহয়। মই ইয়ং হৈয়ে থাকিম দেই। তোমালোকৰ কাৰণে। বাৰু ব'লা। ভাতৰ লগত মই আজি পাপৰ আৰু বাদাম ভজা দিম। লগতে দিম আইতাই বনোৱা আচাৰ।'

'অ' মা। উম্মা। উম্মা' --- মাকক আকৌ চুমা দি দুয়ো হাত ধুবলৈ গ'ল। মাকে লৰালৰিকৈ দুয়োকে ভাত বাঢ়ি দি চোতালত ৰ'দাই থোৱা আচাৰ অকণ আনি দিলে । হাতখন ধুই অহনক ভাত খুৱাই দি থাকোতে মাকে ক'লে, বাৰু ! তোমালোকে যে দ্বিতীয় শ্ৰেণীত বা এলকেজিতহে স্কুললৈ যোৱাৰ কথা কৈ আছা, তোমালোকে জানানে আমাৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে ১২ বছৰ বয়সতহে প্ৰথম পঢ়াশালি মানে স্কুললৈ গৈছিলে।

'অ' মা, তেতিয়াও কৰ'না আছিল ন।' কণমানি অহনৰ প্ৰশ্নত মাকে থতমত খালে । কি যে হ'ব এই কচুগুটি দুটাৰ পৰা। তেনেতে অয়নে মাত লগালে,' নহয় পুছু, তেতিয়া কৰ'না নাছিল ন মা। মোক আইতাই কৈছিলে মহাপুৰুষ জনাৰ কথা। মই জানো মা। বৈষ্ণৱ ধৰ্মৰ কথা।'

মাকে অয়নক মৰম কৰি ক'লে, 'বাঃ আমাৰ বায়ে দেখোন বহুত কথাই জানে। জানা বা, কৰ'নাৰ দৰে সংক্ৰামক ৰোগ আজিৰ পৰা এশ বছৰৰ আগতে হৈছিলে। তাৰো এশ বছৰৰ আগতে আন এক সংক্ৰামক ৰোগে আগুৰি ধৰিছিল পৃথিৱী। এতিয়া চিকিৎসা বিজ্ঞান বহু উন্নত হ'ল বাবে সোনকালেই ভেকচিন ওলাল। তেতিয়াৰ মানুহৰ আমাতকৈও বেছি শাস্তি হৈছিল। টি ভি নাছিল। মবাইল নাছিল। মবাইলৰ গেম নাছিল। কেনেকৈ যে পাৰ কৰিছিল সময়। আমাৰ এতিয়াই আমনি লাগে। ভাবাচোন কথাটো অয়ন। গতিকে তোমালোকে দুখ নকৰিবা। আমি লকডাউনত বহুত ভাল সময়েই পাৰ কৰিলো বুলি ভাবিব পাৰা, তেতিয়াৰ মানুহৰ তুলনাত। আৰু তুমি ঠিকেই কৈছা, মহাপুৰুষ শংকৰদেৱে অসমত বৈষ্ণৱ ধৰ্ম প্ৰচাৰ আৰু প্ৰসাৰ কৰিছিল।'

'বৈষ্ণৱ ধৰ্ম মানে কি মা'--অহনৰ প্ৰশ্নৰ উত্তৰ মাকতকৈ আগতে অয়নেহে দিলে,' বিষ্ণু নমোৰ ফটো দেখিছা নহয় গোসাঁই ঘৰত।' 'অ' দেখিছো দাদামণি।'

'বিষ্ণু নমোক পূজা বা উপাসনা কৰা সকলেই বৈষ্ণৱ।' মাকে বুজাই ক'লে।

'উপাসনা বা আহিব নেকি মা?'--- কণমানি অহনে আকৌ সুধিলে। 'হে হৰি মই ক'ত উপাসনা বাৰ কথা ক'লো।' 'এইমাত্ৰ ক'লা চোন।' অ'। কি যে হ'ব আৰু দেই তোমালোকৰ পৰা। উপাসনা মানে নমো কৰা। অহন বুজিলানে এতিয়া।'

'অ' মা। মনত পৰিলে। তুমি যে কৈছিলা বিষ্ণু যজ্ঞ আছে বুলি । যাবা নে যজ্ঞলৈ ?'

'অ' যাম বা। মাঘী পূৰ্ণিমা মানে মাঘ মাহৰ পূৰ্ণিমা।'

'কিন্তু, এইটোচোন ফাগুন মাহহে। আজি ফাগুনৰ প্ৰথমটো বুধবাৰ। মিচিংসকলৰ 'আলি আয়েঃ লৃগাং' উৎসৱ। তেনেহ'লে মাঘী পূৰ্ণিমা কেনেকৈ হ'ল মা? আৰু আজি জানো বীৰ চিলাৰায়ৰ জন্ম দিৱসো নহয়। মাঘী পূৰ্ণিমাৰ দিনাইচোন তেওঁৰ জন্ম।'

'আহ! ইমানবোৰ কথা তুমি কেনেকৈ জানিলা বা?'

'দেউতাই মোক কৈছিলে মা। ঐনিতম গায়। শুনি বৰ ভাল লাগে মা। তুমি শুনিছানে মা। মই শুনিলো। দেউতাই মোক মবাইলতে শুনাই দিছিলে।'

'বাঃ । আমাৰ বাটো অলপ অলপকৈ ডাঙৰ হৈছে আৰু ন? বাৰু শুনা আমাৰ জ্যোতিষ শাস্ত্ৰৰ বিধান মতেহে আমি আমাৰ উৎসৱ উদ্‌যাপনৰ লগতে পূজা-পাতলসমূহ কৰো। পঞ্জিকাখনটো তুমি দেখিছাই। কেতিয়াবা সময়ৰ গণনাত 'মল' মাহ থাকে। 'মল' মাহ পৰিলে উৎসৱবোৰ পিছুৱাই যায়। কাৰণ মল মাহত পূজা-পাতল কৰা নহয়। মল মাহ মানে কি -- পাছত এদিন বুজাই ক'ম দেই। এতিয়া ভাত খাই অলপ জিৰণি লোৱা। জানা, দেউতা যজ্ঞত নাৰিকল আৰু ভোগৰ বস্তু দিবলৈ গৈছে। দেউতা আহি পালেই আমি যাম দেই।'

'হ'ব মা, আজি চাগে তোমালোকে ভাত নোখোৱা ন। বাৰু মা , যজ্ঞত নাৰিকল কিয় দিয়ে মা? যজ্ঞ কিয় কৰে, মা?'

'নাৰিকলৰ ধোঁৱাই পৰিৱেশ সুন্দৰ কৰে। সেয়ে নাৰিকলৰ বাকলিৰে ধূনাও দিয়ে। বিশ্ব শান্তিৰ বাবে যজ্ঞ কৰে বা। যজ্ঞৰ ধোঁৱাই পৰিৱেশ প্ৰদূষণমুক্ত কৰে বা। আৰু বিষ্ণু নমোক যজ্ঞৰ অধিষ্ঠিতা বুলি কয় । মানে যেনেকৈ তোমালোকৰ স্কুলত প্ৰিন্সিপাল ছাৰ আছে। তেওঁ যেনেকৈ স্কুলখন পৰিচালনা কৰে তেনেকৈ আমাৰ বিশ্বখন বিষ্ণু নমোয়ে পৰিচালনা কৰে বুলি আমাৰ ধৰ্মীয় বিশ্বাস মানে আমি ভাবো বা।'

'অ' বুজিলো মা। যেনেকৈ আমাৰ বিশ্বাস তোমালোকে আমাক পৰিচালনা কৰা বুলি। তোমালোকেই আমাৰ ভগৱান, মা। মই গণেশ নমোৰ কাহিনীটো শুনিছো নহয়। শিৱ নমো আৰু পাৰ্বতী নমোক যে প্ৰদক্ষিণ কৰিছিলে। দেউতা আহি ভৰি-হাত ধোৱা হ'লেই আমিও তোমালোকক প্ৰদক্ষিণ কৰিম দেই মা। হ'ব নে?'

'নালাগে বা। ভাল মানুহ হ'লেই আমাক প্ৰদক্ষিণ কৰা হ'ব বা ।'

'প্ৰদক্ষিণ মানে কি দাদা? অহনৰ কথাৰ উত্তৰ হিচাপে অয়নে মাকৰ চাৰিওফালে এপাক কৰি ঘূৰি ক'লে,' এয়াই প্ৰদক্ষিণ পুছু। মানে চাৰিওফালে ঘূৰা। যেনেকৈ আমাৰ আঠোটা গ্ৰহই সূৰ্যৰ চাৰিওফালে ঘূৰি থাকে, ন মা।'



'অ' অয়ন। তুমি ঠিক কথাই কৈছা। জানা, তোমালোকক কেন্দ্ৰ কৰিয়েই আমি ঘূৰি থাকো। তোমালোকেই আমাৰ সূৰ্য। আমাৰ আশা। ভাল মানুহ হ'বা। ভাল নাগৰিক হ'বা। দেশৰ কাৰণে ভাল ভাল কাম কৰি দেশৰ গৌৰৱ বৃদ্ধি কৰিবা ন বা। জিলিকি থাকিবা সূৰ্যৰ দৰে দেই বা।'

'আমি ভাল মানুহ হ'ম মা।'

এনেতে বাহিৰত দেউতাকৰ গাড়ীৰ শব্দ শুনিলে। দুয়ো জঁপিয়াই উঠিলে ।

'ব'লা বা ব'লা। দেউতা আহি পালেহিয়েই। আজি ভাত খাওঁতেই বহুত সময় গ'ল।'

'হ'লেও, আজি কিন্তু কথা পাতি বৰ ভাল লাগিল মা। স্কুল খুলিলেচোন কথা পাতিবলৈ সময়েই নাপাম আমি।'

'পাবা বা , পাবা । সময়ৰ সদ্‌ব্যৱহাৰ জানিলে আমাৰ সকলো কামলৈকে সময় হ'ব বাবা। নহয় জানো। এদিনৰ ২৪ ঘন্টা সকলোৰে বাবেই । আমি কেনেকৈ ব্যৱহাৰ কৰো তাৰ ওপৰতহে আচল কথা বা। বাৰু ব'লা, ব'লা । নতুন কাপোৰ পিন্ধোগৈ। যজ্ঞলৈ ধুতি পিন্ধি যাবা নেকি?'

'যাম। কিন্তু আমাৰ জোখৰ মানে সৰু ধুতি আছে জানো?'

'সৰু ধুতি কেলৈ লাগিছে। দেউতাৰখনকে পিন্ধাই দিম আৰু।'

'মা...' অয়ন-অহনে একেলগেই চিঞৰি দিলে, অলপ লাজ ভৰা মাতেৰে। 'দুয়োৰে চিঞৰ শেষ হোৱাৰ আগতেই মাকে অয়ন-অহনক দুটা পেকেট দিলে ক'লে, 'চাৰপ্ৰাইজ।'

'কি আছে মা?'

'খুলি চোৱাচোন ।' *ক্ৰমশঃ*



# ভয়েই ভূত

## জয়ন্ত, হৰেণ, গকুলহঁত আৰু ভূতৰ সন্ত্ৰাস

কৰুণিমা বৰা

প্ৰায় ডেৰ কুৰি বছৰৰ আগৰ কাঞ্চনপুৰ গাঁৱৰ কথা। শস্যে-মৎস্যে ভৰপূৰ গাঁওখনৰ যুৱকসকলৰ মাজত খুবেই মিলাপ্ৰীতি আছিল। জয়ন্ত, মাধৱ, কলিয়া, দীপক, কৃষ্ণ, হৰেণ, তিলেশ্বৰ, গকুল প্ৰমুখ্যে গাঁওখনৰ আঠ-১০জনমান চেঙেলীয়া ডেকাই একগোট হৈ মাঘ বিহুৰ উৰুকাৰ নিশাৰ খানাৰ আয়োজন কৰিছিল গাঁওখনৰ এল পি স্কুলৰ চৌহদত। হাঁহ-কোমোৰা, ৰৌমাছ আদি যোগাৰ কৰা হৈছিল। নিশাটো আনন্দ ফূৰ্তি কৰিবলৈ এটা মাইকো ভাড়া কৰি আনিছিল। এটা ভেলা ঘৰ সাজি তাতেই নিশাটো কটোৱাৰ পৰিকল্পনা কৰা হৈছিল। নিশা খানা খোৱাৰ পাছত আৰম্ভ হ'ল কথাৰ মহলা। সেই কথাৰ ভিতৰত ভূত-প্ৰেতৰ কথাই আছিল বেছি। দলটোৰ হৰেণ, কলিয়া আৰু মাধৱ বৰ ওফাইদাং মৰা স্বভাৱৰ আছিল। কথাৰ মহলাৰ মাজতে হৰেণে ওফাইদাং মাৰি ক'লে, 'মই ভূত-প্ৰেত বিশ্বাস নকৰো।' জয়ন্ত খুবেই অন্ধবিশ্বাসী আৰু ভয়াতুৰ স্বভাৱৰ আছিল। সি ক'লে, 'আমাৰ গাঁৱৰ কুঁহটোৰ পাৰত সদায় নিশা কোনোবা মাইকী মানুহে কান্দি থকা বুলি আমাৰ খুড়াই কৈছে।' দীপক আৰু কৃষ্ণই গেঙেৰী মাৰি ক'লে, 'ভূত-প্ৰেত এইবোৰ সব মিছা কথা। আচলতে ভূত বুলি একো নাই। ভয়েই ভূত। ৰাতি পথৰুৱা ৰাস্তাৰে অকলশৰে আহিলে ভয়তে। গছৰ পুলি এটাকো মানুহৰ নিচিনা দেখি। মানুহেই নহয় যি বুলি ভৱা যায় সেইটোৱেই হৈ চকুৰ আগত ধৰা দিয়ে। এইবোৰ ভ্ৰম।' উল্লেখ্য যে দীপক আৰু কৃষ্ণই কলেজত পঢ়ি আছিল। দুয়ো পঢ়াত খুবেই চোকা আৰু মুঠেই অন্ধবিশ্বাসী নাছিল। কিন্তু আনসকল কম-বেছি পৰিমাণে অন্ধবিশ্বাসী আছিল। এটা সময়ত যুৱকৰ দলটোৰ যুক্তি তৰ্কই চূড়ান্ত পৰ্যায় পালেগৈ। গকুল, মাধৱ আৰু কলিয়াই ক'লে, 'ঠিক আছে ভূতলৈ যাৰ ভয় নাই সি গাঁৱৰ মূৰত থকা ভদাই বৰদেউতাহঁতৰ বাৰীখনলৈ অক'লে যাব পাৰিবনে এতিয়া?' তেতিয়া কথাই প্ৰতি ওফাইদাং মৰা আৰু নিজকে অতি সাহসী বুলি জাহিৰ কৰি ফুৰা হৰেণে ক'লে, 'মই এতিয়াই অকলশৰে ভদাই বৰদেউতাৰ বাৰীখনলৈ যাব পাৰিম। কিন্তু তহঁতে মোক এশ টকা দিব লাগিব।' অতি ভয়াতুৰ হিচাপে পৰিচিত জয়ন্তই হৰেণক ক'লে,' 'ঐ হৰেণ। কি বাজে কথা কৈছ। নালাগে এই ৰাতিখন ভদাই বৰদেউতাহঁতৰ ভূত ওলোৱা বাৰীখনলৈ অক'লে যাব। এই মাজৰাতি বেয়া বস্তু ওলায় হেনো। স্মৰ্তব্য যে সেই বাৰীখনক লৈ ভদাই বৰদেউতাৰ বিয়োগৰ পাছত অনেক কথা মানুহৰ মুখে মুখে বাগৰিছে। অন্ধবিশ্বাসী একাংশ লোকে গাঁওখনত প্ৰচাৰ চলাইছিল যে বাৰীখনত ভদাই বৰদেউতা আৰু তেওঁৰ পত্নীৰ আত্মাই বিচৰণ কৰে। প্ৰায়েই নিশা তাত কোনোবাই কন্দা শুনা যায়। অৱশ্যে এইবোৰ কথাৰ কোনো ভিত্তি নাই। ইপিনে, দুজনমানে হৰেণক উচটাই দিলে। সিঁহতৰ উচতনিত হৰেণে পুনৰ ক'লে, 'তহঁতে যদি মোৰ চৰ্ত মানি ল'ব তেতিয়াহ'লে এতিয়াই মই ভদাই বৰদেউতাৰ কালিকা লগা বাৰীখনলৈ যাবলৈ সাজু আছো।' অতি চতুৰ গকুলে ক'লে,' ঠিক আছে, তোৰ চৰ্ত আমি মানি ল'ম। কিন্তু তয়ো আমাৰ এটা চৰ্ত মানি ল'ব লাগিব। 'তেতিয়া আটায়ে সমস্বৰে ক'লে, 'কি চৰ্ত' তেতিয়া গকুলে ক'লে, 'তই বাৰীখনলৈ গৈছ নে নাই তাক আমি কেনেকৈ জানিম। সেয়েহে তই গৈ তাত এটা বাঁহৰ খুঁটি পুঁতি থৈ আহিব লাগিব। পাছত আমি আটায়ে বাৰীখনলৈ যাম আৰু তাত যদি তই পুতি থৈ অহা বাঁহৰ খুঁটিটো দেখো তেতিয়া তোক আমি এশ টকা দিম।' হৰেণে ওফাইদাং মাৰি দুপৰ নিশাখন বাৰীখনলৈ অকলে যাম বুলি ক'লেও তাৰ কিন্তু পেটে পেটে ভয় লাগি আছিল। উপায় নাই। নিজৰ কথাৰে সি নিজেই বান্ধ খালে। ইয়াৰ পাছতো কিন্তু দীপক, কৃষ্ণ আৰু জয়ন্তই হৰেণক ক'লে, 'এইবোৰ জেদা জেদি বাদ দে। আমি ফূৰ্তি কৰিবলৈ খানা খাইছো' ফূৰ্তি কৰো। আহ গান গাওঁ, নাচো।' কিন্তু আনসকলৰ উচটনি আৰু তল নপৰা স্বভাৱৰ বাবে হৰেণে দুপৰ নিশা অকলেই গাঁৱৰ সিমূৰৰ ভদাই বৰদেউতাৰ বাৰীখনলৈ যাবলৈ সাজু হ'ল। হাতত বাঁহৰ খুঁটি এটা লৈ জোনাক ৰাতি হৰেণে খোজ ল'লে গাঁৱৰ এমূৰে থকা বাৰীখনলৈ। যাওঁতে সি ভয়তে গোটেই ৰাস্তাটো মুখৰ ভিতৰতে ঘোষা মাতি গ'ল। সি যিমানেই বাৰীখনৰ ওচৰ চাপিছে তাৰ ভয়টোও সমানেই বাঢ়িছে। ৰাস্তাত খোজকাঢ়ি যাওঁতে পিন্ধি যোৱা ধুতিখনত জোটপোট লাগি কেবাবাৰো হামখুৰি খাই পৰিছে। যিমানেই বাৰীখনৰ ওচৰ পাইছে সিমানেই তাৰ ঘোষা গোৱা কণ্ঠস্বৰো বৃদ্ধি পাইছে। এটা সময়ত সি গৈ বাৰীখনৰ ওচৰ পালেগৈ আৰু বহি লৈ হাতত লৈ যোৱা খুঁটিটো মাটিত গোঁজ পুতি খৰধৰকৈ আহিবলৈ লওতেই অঘটনটো ঘটিল। কিয়নো ভয়ৰ প্ৰকোপত অতি খৰধৰ কৰোতে হৰেণে বাঁহৰ খুঁটিটোত সি পিন্ধি যোৱা ধুতিখনতে পোতাত আহিবলৈ লওতেই ধুতিখন লাগি ধৰে। সি ভাৱিলে তাৰ ধুতিত ধৰি কোনোবা ভূতে টানিছে। লগে লগে ভয়তে বিকট চিঞৰ এটা মাৰি হৰেণ তাতেই বেহুচ হৈ পৰি গ'ল। ইপিনে, কথাৰ জেদা জেদিত হৰেণক তাৰ বন্ধুসকলে মাজনিশাখন অকলে গাঁৱৰ এমূৰে থকা নিজান বাৰীখনলৈ যাবলৈ কৈছিল যদিও তাৰ কিবা বিপদ হ'ব পাৰে বুলি দীপক, কৃষ্ণ আৰু জয়ন্তই তাৰ পাছে পাছে মনে মনে গৈ আছিল। সিহঁতে নিলগৰ পৰাই হৰেণৰ কাৰ্যকলাপ চাই আছিল। হৰেণে চিঞৰি বেহুচ হৈ ঢলি পৰাৰ লগে লগেই জয়ন্তই ক'লে, 'মই কোৱা নাছিলো ভূত আছে। এতিয়া দেখিলি হৰেণৰ কি হ'ল।' লগে লগে দীপক, কৃষ্ণ আৰু গকুল হৰেণৰ ওচৰলৈ দৌৰি যায় আৰু দেখে যে সি তাৰ ধুতিখনতেই খুঁটিটো পুতি ঢলি পৰি আছে। তাৰ চকুৱে মুখে পানী ছটিয়াই দিয়াত চেতনা ঘূৰি আহে। কিন্তু লগে লগে পুনৰ চিঞৰে, 'ঐ গকুল, ঐ কৃষ্ণ, মোক পিশাচে টানি ধৰি পেলাই দিছিল।' তেতিয়া কৃষ্ণ আৰু দীপকে তাক ক'লে,' মূৰ্খ। কিহৰ ভূত। এয়া চা, তই তোৰ ধুতিখনতে খুটিটো পোতা বাবে এনে হ'ল। কোনো ভূতে তোক টনা নাছিল। 'হৰেণে চাই দেখে কথাটো সঁচা। তেনেতে জয়ন্তই কথাৰ সুৰ সলনি কৰি ক'লে,' এই ভূত-প্ৰেত এইচব একো নাই। আমি তোক আঁতৰৰ পৰা চাই আছিলো। তেনেতে আন বন্ধুসকলো সেই স্থানলৈ আহিল। তেওঁ লোককো কৃষ্ণই সকলো কথা বিবৰি ক'লে। হাঁহিৰ ৰোল উঠিল। তেতিয়া হৰেণে লাজ লাজকৈ ক'লে, 'হয় দে। আচলতে ভূত-প্ৰেত বুলি একো নাই। ভয়েই ভূত।'

# পৰীক্ষিত ৰজাৰ কাহিনী

ড° দিলীপ কলিতা



*যোৱা সংখ্যাৰ পাছৰ পৰা*

দুৰ্যোধনক গদা যুদ্ধত কোনেও বলে নোৱাৰিছিল। ভীম আৰু দুৰ্যোধনৰ বহুপৰ গদা যুদ্ধ চলিল। কাৰো হৰা-জিকা নাই। শেষত উপায়হীন হৈ প্ৰাণ ৰক্ষা কৰিবৰ বাবে ভীমে অন্যায়ভাৱে উৰুত কোবাই দুৰ্যোধনৰ ভৰি দুখন ভাঙি পেলালে। গদাযুদ্ধৰ নীতি মতে কঁকালৰ তলছোৱাত শত্ৰুপক্ষক আক্ৰমণ কৰিব নালাগে। ভৰি দুখন অকামিলা হোৱাত মহাপৰাক্ৰমী দুৰ্যোধন মাটিত ঢলি পৰিল। বলোৰামে পঞ্চপাণ্ডৱক অন্যায় যুদ্ধৰ আশ্ৰয় লোৱা হেতু অনেক তিৰস্কাৰ কৰি যুদ্ধক্ষেত্ৰ ত্যাগ কৰিলে। পাছদিনা অশ্বত্থামা, কৃপাচাৰ্য আৰু কৃতবৰ্মা আহি দুৰ্যোধনৰ ওচৰ পালেহি। তেওঁলোকে দুৰ্যোধনৰ অৱস্থা দেখি মৰ্মান্তিক দুখ পালে। অশ্বত্থামাই দুৰ্যোধনক ক'লে, 'মহাৰাজ, আপোনাৰ অৱস্থা দেখি আমি খুব দুখ পাইছো। মই ভীষণ প্ৰতিজ্ঞা কৰিলো আজি ৰাতিয়েই মই পাণ্ডৱসকলক শেষ কৰিম।' গুৰুপুত্ৰৰ কথা শুনি মৃত্যুৰ স'তে যুঁজ দি মাটিত পৰি থকা দুৰ্যোধনে মনত খুব আনন্দ পালে আৰু তেওঁ কাষত যিকেইজন বিশ্বাসী সৈন্য আছিল তেওঁলোকক নীতি-নিয়মেৰে অশ্বত্থামাক সেনাপতি বৰণ কৰিবলৈ নিৰ্দেশ দিলে। দুৰ্যোধনৰ নিৰ্দেশ মতেই কাম হ'ল। তাৰ পাছত দুৰ্যোধনে ক'লে, 'গুৰুপুত্ৰ, মোৰ সকলো ভৰসা আপোনাৰ ওপৰত।'

পিতৃ দ্ৰোণাচাৰ্যক পাণ্ডৱসকলে অন্যায়ভাৱে বধ কৰাৰ কথা অশ্বত্থামাই একেবাৰেই পাহৰা নাছিল। পিতৃহত্যাৰ পোটক তোলাৰ লগতে মৃত্যুৰ ক্ষণ গণি থকা দুৰ্যোধনক আনন্দ দিবৰ বাবে অশ্বত্থামাই পাণ্ডৱ শিবিৰত ৰাতি মনে মনে প্ৰৱেশ কৰি শুই থকা অৱস্থাত দ্ৰৌপদীৰ পঞ্চপুত্ৰৰ উপৰি দ্ৰোপদ ৰজাৰ পুত্ৰ অৰ্থাৎ দ্ৰৌপদীৰ ককায়েক ধৃষ্টদ্যুম্ন আৰু শিখণ্ডীৰ লগতে আন আন বহু বীৰক বধ কৰিলে। এই কাৰ্যত কৃপাচাৰ্য আৰু কৃতবৰ্মাও অশ্বত্থামাৰ লগত গৈছিল। তাৰ পাছত অশ্বত্থামাই দ্ৰৌপদীৰ পঞ্চপুত্ৰৰ মূৰকেইটা কাটি আনি দুৰ্যোধনক দিলেহি। দুৰ্যোধনে প্ৰথমে পঞ্চপাণ্ডৱক অশ্বত্থামাই বধ কৰিলে বুলি ভাবি মহা আনন্দ লাভ কৰিছিল। পাছত মূৰকেইটাত ভালদৰে চকু ফুৰাই চাই সেই মূৰকেইটা যে পঞ্চ পাণ্ডৱৰ নহয় দ্ৰৌপদীৰ পঞ্চপুত্ৰৰহে, সেই কথা গম পাই দুৰ্যোধনৰ মন বিষাদেৰে ভৰি পৰিল। তেওঁ অশ্বত্থামাক ক'লে, 'এইকেইটা পঞ্চপাণ্ডৱৰ মূৰ নহয়; দ্ৰৌপদীৰ পঞ্চপুত্ৰৰহে। এই নিৰ্দোষী বালক কেইটাতো মোৰ শত্ৰু নহয়, মোৰ শত্ৰু পঞ্চপাণ্ডৱহে। তই এই বালককেইটাক কিয় হত্যা কৰিলি? খালি খালি গুৰুপুত্ৰ, তই কুৰু বংশ শেষ কৰিলি।' এই বুলি দুৰ্যোধনে কান্দিবলৈ ধৰিলে। এনেদৰে কান্দি কান্দিয়েই দুৰ্যোধনে শেষ নিশ্বাস ত্যাগ কৰিলে। ইফালে, শুই থকা অৱস্থাতে পাঁচজন পুত্ৰ আৰু দুই ভ্ৰাতৃক অশ্বত্থামাই বধ কৰা বুলি গম পাই দ্ৰৌপদী পুত্ৰশোক আৰু ভ্ৰাতৃশোকত ব্যাকুল হৈ পৰিল। দ্ৰৌপদীৰ দুখ দেখি অৰ্জুনে 'মই পুত্ৰ হত্যাকাৰীৰ মূৰ কাটি আনি তোমাক উপহাৰ দিম' বুলি শপত খাই অশ্বত্থামাক বিচাৰি গ'ল। অৰ্জুনৰ স'তে ৰথত উঠি কৃষ্ণও গ'ল। কৃষ্ণ-অৰ্জুনক দেখি অশ্বত্থামাই ব্ৰহ্মাস্ত্ৰ প্ৰয়োগ কৰিলে। কৃষ্ণৰ উপদেশ মতে অৰ্জুনেও ব্ৰহ্মাস্ত্ৰ প্ৰয়োগ কৰাত দুই ব্ৰহ্মাস্ত্ৰ মিলিত হোৱা ঠাইখিনিত জুইৰ উৎপত্তি হৈ সকলো জীৱ-জন্তু, ঘৰ-দুৱাৰ আদি পুৰি ছাইত পৰিণত হ'ল। তেতিয়া অৰ্জুনে বৰুণ বাণ প্ৰয়োগ কৰি সেই জুই নুমুৱাই পেলালে। তাৰ পাছত অৰ্জুনে অশ্বত্থামাক ধৰি হাত-ভৰি বান্ধি ৰথত তুলি পাণ্ডৱৰ শিবিৰলৈ আনি দ্ৰৌপদীৰ সন্মুখত পেলাই দিলেহি। এনেদৰে পশুৰ দৰে হাত-ভৰি বান্ধি অনাত অশ্বত্থামাই লাজতে তলমূৰ কৰিলে। অশ্বত্থামা হ'ল কৌৰৱ পাণ্ডৱৰ গুৰু দ্ৰোণাচাৰ্যৰ পুত্ৰ। পঞ্চপুত্ৰ আৰু দুই ভ্ৰাতৃৰ হত্যাকাৰী যদিও গুৰুপুত্ৰৰ অৱস্থা দেখি দ্ৰৌপদীয়ে মনত বেজাৰহে পালে। দ্ৰৌপদীয়ে অশ্বত্থামাৰ ফালে চাই ক'লে, 'এনেয়ে মই পুত্ৰশোক আৰু ভ্ৰাতৃশোকত জৰ্জৰিত হৈ আছো। তাতে গুৰুপুত্ৰৰ এনে অৱস্থা দেখি মই আৰু মনোকষ্ট পাইছো। গুৰুপুত্ৰৰ এই অৱস্থা দেখিলে গুৰুপত্নী গৌতমীয়ে আত্মহত্যা কৰিব। মই এওঁক ক্ষমা কৰিছো।'

ইফালে, দ্ৰৌপদীয়ে অশ্বত্থামাক ক্ষমা কৰা বুলি গম পাই ভীম খঙত জ্বলি পকি উঠিল। ভীমসেনে হাতত গদা লৈ অশ্বত্থামাক বধ কৰিবলৈ খেদি গ'ল। কৃষ্ণই মাজত সোমাই বাধা দি ক'লে; দাদা, দ্ৰৌপদীয়ে ক্ষমা কৰিছে যেতিয়া তেওঁক বধ কৰাটো ভাল কথা নহ'ব। তুমি বধ কৰিম বুলি কৈছা, আনহাতে দ্ৰৌপদীয়ে ক্ষমা কৰিছে আৰু সখা তুমিও অশ্বত্থামাক বধ কৰিম বুলি ভীষণ প্ৰতিজ্ঞা কৰিছিলা। এই তিনিওটা কথা কেনেকৈ ৰখা হ'ব?' তেতিয়া অৰ্জুনে অশ্বত্থামাক চুলি খুৰাই হাত ভৰিৰ বান্ধ খুলি ৰাজ্যৰ পৰা বাহিৰ কৰি দিলে। এজন বিদ্বান লোকক এনে শাস্তি দিয়াটো প্ৰাণদণ্ড বিহাৰ সমপৰ্যায়ৰ শাস্তি। ইয়াৰ দ্বাৰাই অৰ্জুন, দ্ৰৌপদী আৰু ভীম এই তিনিওৰে কথা ৰক্ষা হ'ল। সখা অৰ্জুনৰ কামত পৰমেশ্বৰ কৃষ্ণই সন্তোষ পালে। এই কামৰ দ্বাৰা চাউলো সিজিল চৰুও ৰ'ল। অশ্বত্থামাৰ প্ৰাণো ৰক্ষা হ'ল আৰু তেওঁক উপযুক্ত শাস্তিও প্ৰদান কৰাও হ'ল। *ক্ৰমশঃ*


# সূৰ্বৰ্ণময় শৈশৱৰ হিৰন্ময় বৈভৱ

ড° নমিতা ডেকা

**আজি** ক'বলৈ ওলাইছো অসমৰ এগৰাকী কাণ্ডাৰীৰ শৈশৱৰ কথা, যিয়ে নেকি অসমীয়া ভাষা-সাহিত্যক এক বিশেষ স্থান প্ৰদান কৰি গ'ল। তেওঁ হ'ল পদ্মনাথ গোহাঞি বৰুৱা। ১৯৭৯ৰ ১৫ তাৰিখ মঙলবাৰে তেওঁৰ জন্ম হয়। পিতৃ ঘিনাৰাম গোহাঞি বৰুৱা আৰু মাতৃ লম্বী দেৱীৰ সুসন্তান পদ্মনাথ গোহাঞি বৰুৱাই জন্মলাভ কৰা গাঁওখনৰ নাম উত্তৰ লখিমপুৰৰ নকাৰী। তেওঁৰ ককাকৰ (পিতৃৰ দেউতাক) ঘৰ আছিল শিৱসাগৰৰ পুৰণি ৰংপুৰ চহৰৰ জাঁজী অঞ্চলৰ শিমলুগুৰিত। শিমলুৰ ৰঙচুৱা ৰঙৰ দৰেই ৰঙীন আৰু গছজোপাৰ দৃঢ়তাৰ দৰেই আছিল তেওঁৰ হৃদয় আৰু মনোবল। সেয়া তেওঁৰ জীৱনত প্ৰতিফলিত হৈছিল শৈশৱ কালৰ পৰাই। সৰু কালৰ পৰাই তেওঁ সুস্বাস্থ্যৰ গৰাকী আছিল। পাছলৈ তেওঁ এজন ওখ-পাখ সুদৰ্শন পুৰুষ হৈ সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছিল। ইয়াৰ মূলতে আছিল নীতি-নিয়ম মানি চলা তেওঁৰ সদ্‌অভ্যাস আৰু সৰল জীৱন-যাপন পদ্ধতি। হৃদয় পৰিষ্কাৰ হ'লে জীৱনৰ বাটো পৰিচ্ছন্ন হয়। তদুপৰি পিতৃ-মাতৃৰ প্ৰতি থকা ভক্তিয়ে শিশু এটাৰ জীৱনলৈ উন্নতিৰ সোপান যেন নমাই আনে। পদ্মনাথ গোহাঞি বৰুৱাই তেনে এডাল জখলা লাভ কৰি উন্নতি আৰু সিদ্ধিৰ শিখৰত থিয় হ'বলৈ সক্ষম হৈছিল। তেওঁ যে কেৱল মাতৃৰ মৰমেই লাভ কৰিছিল বা মাতৃকে ভক্তি কৰিছিল তেনে নহয়; তেওঁৰ বায়েক মাহিন্দ্ৰী দেৱীৰ পৰা লাভ কৰা অপৰিসীম মৰমে তেওঁৰ শৈশৱকাল বুৰাই ৰাখিছিল। গোহাঞি বৰুৱায়ো বায়েকক যথেষ্ট মৰম কৰিছিল আৰু ভাল পাইছিল। আৰ্ণেষ্টি জোনছে কৈছিল, 'যি মানুহে শিশু অৱস্থাতে মাতৃস্নেহ বেছিকৈ পায়, তেনে মানুহে গোটেই জীৱন ধৰি নিজকে বিজয়ী বুলি অনুভৱ কৰি থাকে। তেওঁৰ মনলৈ এনে এটা ভাব আহি থাকে যে তেওঁ জীৱনত কৃতকাৰ্য হ'বই। এই আত্মবিশ্বাসে তেওঁক কৃতকাৰ্য হোৱাত সহায়ো কৰে।' এই আত্মবিশ্বাস গঢ় দি তুলিছিল শৈশৱ কালতে। এটা কথা মনত ৰখা উচিত যে মাতৃৰ মৰম পাবলৈ নিজেও এটা ভাল শিশু হৈ মাতৃক মৰম কৰিব লাগিব। গোহাঞি বৰুৱাই শৈশৱ কালতে যেন সেই কথা বুজি পাইছিল।

শৈশৱ কালৰ পৰাই পদ্মনাথ গোহাঞি বৰুৱাৰ পঢ়া-শুনাত অসীম ধাউতি আছিল। নিৰ্দিষ্ট সময়ত পঢ়া-শুনা কৰাৰ লগতে বিভিন্ন খেল খেলি তেওঁ আনন্দ লাভ কৰিছিল। লাটুম খেল, কড়ি খেল, ঘিলা খেল, ঢোপ খেল তেওঁৰ শৈশৱ কালৰ প্ৰিয় আছিল। আজিকালিৰ কিমান শিশুৱে এইবোৰ খেল চিনি পায়নে নাপায় সন্দেহ। খেল খেলি কেৱল আনন্দ পোৱাই নহয়, তেওঁ এইবোৰ খেলত পাৰদৰ্শিতাও প্ৰদৰ্শন কৰিছিল। তেওঁৰ শৈশৱ কালৰ আন এটা ভাল লগা কাম আছিল বৰশী বোৱা। গাঁৱৰ পুখুৰী, বিল, নৈৰ সৌন্দৰ্যই তেওঁক আকৰ্ষণ কৰাৰ লগতে তাত থকা মাছবোৰেও তেওঁক বৰশী বাবলৈ উৎসাহ যোগাইছিল। হেজলীট নামৰ এজন দাৰ্শনিকে কৈছিল, 'কিতাপ, ছবি আৰু প্ৰকৃতিৰ সুখ— এই তিনিটাই হ'ল জীৱনৰ স্থায়ী আৰু বিশুদ্ধ আনন্দৰ উৎস'। পদ্মনাথ গোহাঞি বৰুৱাই শৈশৱকালতে সেই আনন্দৰ উৎস বিচাৰি পাইছিল আৰু ভৱিষ্যৎ জীৱনলৈ সঞ্চয় কৰিছিল।

বিহু বুলিলেই প্ৰতিজন অসমীয়া বলিয়া। শিশুহঁতৰ কথাটো ক'বই নালাগে। সেই শিশুসকলৰে মাজৰ এজন আছিল শিশু পদ্মনাথ। সেই সময়ত গাঁৱৰ ওচৰে-পাঁজৰে বহু বিহুৰ খোলা হৈছিল। পদ্মনাথ গোহাঞি বৰুৱাই সেইবোৰলৈ গৈ বিভিন্ন কাৰ্যসূচীৰ আনন্দ উপভোগ কৰি মন জুৰ পেলাইছিল। গৰু বিহুৰ দিনা শিশু পদ্মনাথ গোহাঞি বৰুৱাই নিজে গৰুক গা ধুৱাইছিল, নতুন পঘা পিন্ধাই মৰম কৰিছিল, বিহুৰ পিঠা-পনা খুৱাই তৃপ্তি লাভ কৰিছিল। গ্ৰাম্য পৰিৱেশত ডাঙৰ-দীঘল হৈ, গাঁৱক ভালপাই এটা প্ৰকৃতিপ্ৰেমী আদৰ্শৰে তেওঁ ভৱিষ্যৎ জীৱনৰ বাটত আগবাঢ়ি গৈছিল।



পদ্মনাথ গোহাঞি বৰুৱাই অ-ফলা আৰু ক-ফলা ঘৰতে শিকিছিল পিতৃ আৰু পৰিয়ালৰ আন ব্যক্তিৰ পৰা। তেওঁৰ স্কুলীয়া শিক্ষা আৰম্ভ হৈছিল উত্তৰ লখিমপুৰ চহৰৰ পঢ়াশালিত। এইজন পদ্মনাথ গোহাঞি বৰুৱাই হ'ল অসম সাহিত্য সভাৰ প্ৰথমজন সন্মানীয় সভাপতি। অসমীয়া ভাষা-সাহিত্যৰ চৰ্চাৰে তেওঁ হৈ পৰিল 'সাহিত্য কাণ্ডাৰী'। তেওঁৰ পাছৰ জীৱন কাল অতিশয় গৌৰৱমণ্ডিত আৰু চিৰযুগমীয়া হৈ কালৰ গৰ্ভত অমৰ হৈ আছে।

*ফোন : ৯৭০৬০১০০৯৭*






# ভাৰতৰ মহিলা দলৰ সোণ অৰ্জন

## বিশ্বনাথৰ বিৰুদ্ধে অগ্ৰগতি লাভ শিলচৰৰ

**গুৱাহাটী, ৩১ মে'ঃ** এ চি এৰ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত চলি থকা নুৰুদ্দিন আহমেদ ট্ৰফী ছিনিয়ৰ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত প্ৰথম ইনিংছত অগ্ৰগতি লাভ কৰিছে শিলচৰ দলে। উল্লেখ্য যে এইবাৰ ছিনিয়ৰ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ খিতাপৰ যুঁজত শিলচৰ মুখামুখি হৈছে বিশ্বনাথ চাৰিআলিৰ। চাৰিদিনীয়া মেচখনৰ প্ৰথমদিনা পোনতে বেটিং কৰা বিশ্বনাথে ১২২ ৰাণতে প্ৰথম ইনিংছ সামৰে। প্ৰত্যুত্তৰত, শিলচৰে প্ৰথমদিনা প্ৰথম ইনিংছত তিনি উইকেটত ৫৭ ৰাণ কৰাত বৰষুণৰ বাবে মেচ বন্ধ হৈছিল। আজি দলে পুনৰ ইনিংছ আৰম্ভ কৰি ২২৩ ৰাণত অলআউট হয়। ইফালে, দিনান্তত বিশ্বনাথে দ্বিতীয় ইনিংছ আৰম্ভ কৰি চাৰি উইকেটত ৯০ ৰাণ কৰিছে।

## দহোটিয়া স্কুলক নিলম্বন

অগ্ৰদূত বাৰ্তা

**পশ্চিম যোৰহাট, ৩১ মে'ঃ** যোৰহাট জিলাৰ পশ্চিম যোৰহাটৰ ৭৬ বছৰীয়া পুৰণি এখন শিক্ষানুষ্ঠান দহোটিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়। ঐতিহ্যপূৰ্ণ এই বিদ্যালয়খনে শেহতীয়াকৈ কালিমা সানিলে এখন ফুটবল প্ৰতিযোগিতাত । যোৰহাট জিলা ক্ৰীড়া সন্থাই আয়োজন কৰা আন্তঃবিদ্যালয় ফুটবল প্ৰতিযোগিতাত যোৱা সপ্তাহত দহোটিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ে যোগদান কৰিছিল । কিন্তু এই খেল আৰম্ভ হোৱাৰ পূৰ্বে যোৰহাট জিলা ক্ৰীড়া সন্থাই দহোটিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ক প্ৰতিযোগিতাৰ পৰা নিলম্বন কৰে ।উল্লেখ্য যে দহোটিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ হৈ প্ৰায় চাৰিগৰাকী খেলুৱৈ বিদ্যালয়খনৰ বাহিৰৰ আছিল ।



## আই এছ এছ এফ শ্যুটিং বিশ্বকাপ

**নতুন দিল্লী, ৩১ মে'ঃ** আজাৰবাইজানৰ বাকুত চলি থকা আই এছ এছ এফ শ্যুটিং বিশ্বকাপত ভাৰতে সোণ জয় কৰি অভিযান আৰম্ভ কৰিছে। উল্লেখ্য যে ১০ মিটাৰ এয়াৰ ৰাইফল দলৰ মহিলা প্ৰতিযোগিতাত ইলাভেনিল ৱালাৰিৱান, ৰমিতা আৰু শ্ৰেয়া আগৰৱালাৰ দ্বাৰা গঠিত ভাৰতীয় মহিলা দলে দেশক প্ৰথমটো সোণৰ পদক দিয়ে। আন্না নীলছন, এমা কোচ আৰু ৰিকে মেং ইবচেনে প্ৰতিনিধিত্ব কৰা ডেনমাৰ্কক ১৭-৫ ত পৰাস্ত কৰে ভাৰতীয় মহিলা দলে। এই ইভেণ্টত পোলেণ্ডে ব্ৰঞ্জৰ পদক লাভ কৰে। উল্লেখ্য যে সোমবাৰে দুটা ৰাউণ্ডৰ যোগ্যতা অৰ্জনৰ পিছতে স্বৰ্ণ পদকৰ যুঁজত প্ৰৱেশ কৰিছিল প্ৰাক্তন বিশ্বৰ এক নম্বৰ স্থানৰ এলাভেনিল, ৰমিতা আৰু শ্ৰেয়াই। ইফালে, পুৰুষৰ এয়াৰ ৰাইফল দলৰ প্ৰতিযোগিতাত ক্ৰ'ৱেচিয়াৰ বিৰুদ্ধে ব্ৰঞ্জৰ পদকৰ মেচত ভাৰত পৰাস্ত হয়। ১২ জনীয়া ভাৰতীয় ৰাইফল দলটোৱে এতিয়া পদক হিচাপত পঞ্চম স্থান দখল কৰিছে আৰু ছাৰ্বিয়াই দুটা সোণ আৰু মুঠ চাৰিটা পদক লাভ কৰি খেলপথাৰত আগবাঢ়ি আছে।

# হাৰ্দিকৰ অধিনায়ক দক্ষতা ইমান দিনে লুকাই আছিল ঃ গাভাস্কাৰ



## ৰিয়ানকো প্ৰশংসা কৰিলে দেশৰ মহান ক্ৰিকেটাৰে

**গুৱাহাটী, ৩১ মে'ঃ** সদ্য সমাপ্ত আই পি এলত হাৰ্দিক পাণ্ডিয়াৰ নেতৃত্বৰ গুণত আপ্লুত হৈ ভাৰতীয় ক্ৰিকেটৰ বেটিং কিংবদন্তি সুনীল গাভাস্কাৰে অনুভৱ কৰিছে যে অদূৰ ভৱিষ্যতে ভাৰতীয় দলটোক নেতৃত্ব দিবলৈ টীম ইণ্ডিয়াৰ তাৰকা অলৰাউণ্ডাৰগৰাকীয়ে শক্তিশালী প্ৰতিদ্বন্দ্বী হিচাপে আত্মপ্ৰকাশ কৰিছে। উল্লেখ্য যে আজি এক অনুষ্ঠানত অংশ লোৱাৰ বাবে গুৱাহাটীলৈ অহা গাভাস্কাৰে সাংবাদিকৰ প্ৰশ্নৰ উত্তৰ দি আই পি এল খেলা অসম সন্তান ৰিয়ান পৰাগৰ প্ৰতিভা সম্পৰ্কতো মত ব্যক্ত কৰে। 'ৰিয়ান প্ৰতিভাবান ক্ৰিকেটাৰ। কিন্তু নিজক আগুৱাই নিবলৈ অধিক কষ্ট আৰু সাধনা কৰিব লাগিব।'-গাভাস্কাৰে ব্যক্ত কৰে। ইফালে, টীম ইণ্ডিয়াৰ বৰ্তমানৰ প্ৰদৰ্শন চাই টি-২০ বিশ্বকাপত ভাৰতীয় ক্ৰিকেট দলৰ প্ৰদৰ্শন নিৰূপন কৰাটো ভুল হ'ব বুলি কয় গাভাস্কাৰে। ইফালে, হাৰ্দিকৰ সম্পৰ্কত গাভাস্কাৰে কয়-'এয়া কেৱল মোৰ অনুমান নহয়, সকলোৰে অনুমান অধিনায়ক হিচাপে হাৰ্দিকৰ সুনাম বৃদ্ধি পাইছে। এইটো তেওঁৰ খেলৰ এটা দিশ আছিল যাৰ বিষয়ে কাৰো হাতত বেছি তথ্য নাছিল। কিন্তু এই আই পি এলে সেয়া চমকিত কৰিলে। যেতিয়া ক্ৰিকেটাৰৰ নেতৃত্বৰ গুণ থাকে, তেতিয়া ই স্বয়ংক্ৰিয়ভাৱে ৰাষ্ট্ৰীয় পৰ্যায়ত সন্মানৰ দুৱাৰ মুকলি কৰি দিয়ে যাতে অদূৰ ভৱিষ্যতে ভাৰতীয় জাতীয় দলৰ অধিনায়ক হ'ব পাৰে।'

## ছেমিফাইনেল লীগৰ অন্তিম মেচত ৪-৪ ত দক্ষিণ কোৰিয়াৰ বিৰুদ্ধে ড্ৰ

# এছিয়া কাপ হকীৰ ফাইনেলত প্ৰৱেশত ব্যৰ্থ হ'ল ভাৰতীয় পুৰুষ দল

**জাকাৰ্টা, ৩১ মে'ঃ** বিগত বৰ্ষৰ চেম্পিয়ন ভাৰতে চলিত এছিয়া কাপ হকী প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰাত ব্যৰ্থ হৈছে। উল্লেখ্য যে আজি দক্ষিণ কোৰিয়াৰ বিৰুদ্ধে খেলা ছেমিফাইনেল লীগৰ অন্তিম মেচখন দলৰ বাবে গুৰুত্বপূৰ্ণ আছিল খিতাপৰ যুঁজত স্থান নিশ্চিতৰ বাবে। কিন্তু ভাৰতে ৪-৪ গ'লত ড্ৰ' খেলি নিজৰ অভিযান সামৰে। দক্ষিণ কোৰিয়াই ফাইনেলত প্ৰৱেশ কৰাৰ বিপৰীতে আজিৰ আনএখন মেচত মালয়েছিয়াই ৫-০ গ'লৰ ব্যৱধানত জাপানক হৰুৱাই খিতাপৰ যুঁজলৈ অগ্ৰসৰ হয়। উল্লেখ্য যে ছুপাৰ ৪ ৰ দ্বিতীয়খন ভাৰতে ৩-৩ গ'লত ড্ৰ' খেলিছিল মালয়েছিয়াৰ বিৰুদ্ধে। মেচখনত ৰাজি ৰহিমে মালয়েছিয়াৰ হৈ স্কু১২, ২১, ৫৬ৰ তিনিটা পেনাল্টি কৰ্ণাৰ ৰূপান্তৰিত কৰি হেট্ৰিক কৰাৰ বিপৰীতে ভাৰতৰ হৈ বিযুওকান্ত সিং ছস্ক৩২ৰ, এছ ভি সুনীল ছস্ক৫৩ৰগ্ন আৰু নীলাম সঞ্জীপে (৫৫ৰ জৰিয়তে গ'ল দিয়ে। ইয়াৰপূৰ্বে ছুপাৰ ৪ ৰ প্ৰথমখন খেলত ভাৰতে জাপানক ২-১ গ'লত পৰাস্ত কৰিছিল। ভাৰতৰ এই বিজয়ত তাৰকা হিচাপে পৰিগণিত হয় মনজিত সিং আৰু পৱন ৰাজভৰ। উল্লেখ্য যে এছিয়া কাপ হকী প্ৰতিযোগিতাৰ গ্ৰুপৰ প্ৰথমখন মেচত পাকিস্তানেৰে ড্ৰ খেলাৰ পিছত দ্বিতীয়খন মেচত ২-৫ গ'লৰ ব্যৱধানত জাপানৰ বিৰুদ্ধে পৰাস্ত হৈছিল ভাৰতীয় পুৰুষ দলটো। কিন্তু গ্ৰুপৰ অন্তিমখন মেচত ভাৰতীয় পুৰুষ হকী দলে ইণ্ডোনেছিয়াৰ বিৰুদ্ধে ১৬-০ গ'লত জয়ী হৈ চমক সৃষ্টিৰে ছেমিফাইনেলত প্ৰৱেশ কৰিছিল।



# ৰাষ্ট্ৰীয় পাঞ্জা প্ৰতিযোগিতাত মাইনা গগৈৰ সোণৰ পদক

অগ্ৰদূত বাৰ্তা

**মৰাণ, ৩১ মে'ঃ** গোৱাত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় পৰ্যায়ৰ পাঞ্জা প্ৰতিযোগিতাত চৰাইদেউ জিলাৰ মৰাণৰ মাইনা গগৈয়ে মহিলাৰ ৭৮ কেজি ছিনিয়ৰ শাখাত সোণৰ পদক লাভ কৰি অসমৰ লগতে মৰাণ অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে ।উল্লেখ্য যে মাইনা গগৈ মৰাণৰ মাউত গাৱঁৰ নিবাসী ৰাজু গগৈ আৰু প্ৰতিমা গগৈৰ কন্যা । খেলুৱৈ গৰাকীয়ে মৰাণৰ পলাশ বডি প্লেনেট কেন্দ্ৰত পলাশ শেনচোৱাৰ ওচৰত প্ৰশিক্ষণ লৈছিল । ইফালে, পদকজয়ী মাইনা গগৈক ৰাজহুৱা ভাৱে সম্বৰ্ধনা জনোৱা হয় । অনুষ্ঠানত মৰাণ আঞ্চলিক ছাত্ৰ সন্থা , পলাশ বডি প্লেনেট , মৰাণ শাখা সাহিত্য সভা , আহোম জাতীয় মঞ্চকে ধৰি বহু কেইটা অনুষ্ঠানে ফুলাম গামোচা , চেলেং , জাপি আদিৰে সম্বৰ্ধনা জনায় । অনুষ্ঠানটো আঁত ধৰে আহোম জাতীয় মঞ্চৰ অকণ ভূএগই । উল্লেখ্য যে উক্ত ৰাষ্ট্ৰীয় প্ৰতিযোগিতাৰ পাচত মাইনা গগৈয়ে মালয়েচিয়াত অনুষ্ঠিত হ'ব লগীয়া এছিয়ান আৰ্মৰেচলিং চেম্পিয়নশ্বিপ আৰু ফান্সত অনুষ্ঠিত হ'ব লগীয়া বিশ্ব চেম্পিয়নশ্বিপত অংশ গ্ৰহনৰ যোগ্যতা অৰ্জন কৰিছে।



# নেপালত অসমৰ তিনি উশ্বু খেলুৱৈৰ স্বৰ্ণ পদক অৰ্জন

**ছয়গাঁও,৩১ মে'ঃ** নেপালৰ কাঠমাণ্ডুৰ চোখডোল কাৰাটে একাডেমী ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত ইণ্ডো-নেপাল আন্তঃৰাষ্ট্ৰীয় সমৰকলা প্ৰতিযোগিতাৰ বিভিন্ন ইভেন্টত ভাৰতৰ হৈ প্ৰতিনিধিত্ব কৰে বিভিন্ন ৰাজ্যৰ প্ৰায় ৭০ গৰাকী সমৰকলা খেলুৱৈয়ে ।ইয়াৰে উশ্বু ইভেন্টত ভাৰতৰ হৈ অংশ গ্ৰহণ কৰি অসমৰ তিনি সমৰকলা খেলুৱৈয়ে আঁজুৰি আনিলে পদক । উল্লেখ্য যে অসমৰ তিনি উশ্বু খেলুৱৈয়ে লাভ কৰিছে তিনিটাকৈ স্বৰ্ণ পদক । উশ্বুৰ ছিনিয়ৰ ৬২ কেজি শাখাত দক্ষিণ কামৰূপ ছয়গাঁৱৰ বামুণীগাঁৱৰ ধৰ্মেন্দ্ৰ বড়োৱে লাভ কৰিছে সোণৰ পদক । সেইদৰে ৪২ কেজি জুনিয়ৰ শাখাত স্বৰ্ণ জিনিলে বকো বাকৰাপাৰাৰ জিনা হুছেইনে । আনহাতে, জুনিয়ৰ শাখাত সোণৰ পদক লাভ কৰে ডিব্ৰুগড় জিলাৰ গ্ল'ৰী ভৰালীয়ে । উল্লেখ্য যে, প্ৰতিযোগিতাত নেপাল, ভাৰত আৰু শ্ৰীলংকাৰ খেলুৱৈয়ে অংশগ্ৰহণ কৰে । প্ৰতিযোগিতাত সমৰকলাৰ উপৰি এথলেটিকছ, কাবাদী আদি ইভেন্টসমূহ অনুষ্ঠিত হয় । ভাৰতীয় দলটোৰ টীম মেনেজাৰৰ দায়িত্বত আছিল জ্যেষ্ঠ সমৰকলা প্ৰশিক্ষক গোমে থাপা । উশ্বুৰ প্ৰশিক্ষক হিচাপে আছিল নিজামুদ্দিন আহমেদ আৰু আন্তঃৰাষ্ট্ৰীয় সমৰ কলা খেলুৱৈ মনোজ কুমাৰ দাস ।প্ৰতিযোগিতাৰ শেষৰ দিনা তিনিখন দেশৰ ৰাষ্ট্ৰীয় সংগীতেৰে মুখৰিত হ'ল সামৰণি অনুষ্ঠান। পদকপ্ৰাপ্ত খেলুৱৈসকল অহা দুই জুনত গুৱাহাটীত উপস্থিত হ'ব।



## গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অপেন

# মহিলাৰ একক শাখাৰ ছেমিত কোকো-মাৰ্টিনা

**পেৰিছ, ৩১ মে'ঃ** কানাডাৰ লেইলা ফাৰ্নাণ্ডেজৰ বিৰুদ্ধে পোনপটিয়া ছেট জয় কৰি কেৰিয়াৰত প্ৰথমবাৰৰ বাবে গ্ৰেণ্ড শ্লেম টেনিছৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে ইটালীৰ মাৰ্টিনা ট্ৰেভিছানে। উল্লেখ্য যে বিশ্বৰ ৫৯ নম্বৰ খেলুৱৈ ট্ৰেভিছানে ১৭ নং বাচনিৰ কানাডিয়ান খেলুৱৈগৰাকীক ৬-২, ৬-৩ ব্যৱধানত পৰাস্ত কৰে। এতিয়া ২৮ বছৰীয়া ৰিয়ানে ফাইনেলত স্থান লাভৰ বাবে মুখামুখি হ'ব কোকো গাউফৰ। আজি হোৱা আন এখন কোৱাৰ্টাৰ ফাইনেলত আমেৰিকাৰ কোকোই সতীৰ্থ স্লোৱেন ষ্টিফেন্সৰ বিৰুদ্ধে ৭-৫, ৬-২ ত জয়ী হয়। উল্লেখ্য যে ইয়াৰপূৰ্বে ইটালীৰ নৱাগত তাৰকা মাৰ্টিনা ট্ৰেভিছানে হেলাৰঙে চলিত গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অ'পেনৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছিল। আলিয়াক্সান্দ্ৰা ছাছনোভিচৰ বিৰুদ্ধে ৭-৬, ৭-৫ ত জয়ী হৈ ফ্ৰেন্স অ'পেনৰ কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰিছিল মাৰ্টিনাই। উল্লেখ্য যে ২০১৯ ৰ পেৰিছত কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰা ট্ৰেভিছানে বেলাৰুছিয়ান তৰকা গৰাকীক পৰাস্ত কৰি নিজৰ বিজয়ী দৌৰ নখন মেচলৈ বৃদ্ধি কৰিবলৈ সক্ষম হৈছে। বিপৰীতে ইউ এছ অ'পেনৰ ফাইনেলিষ্ট লেইলা ফাৰ্নাণ্ডেজে আমেৰিকাৰ আমাণ্ডা এনিছিমোভাৰ বিৰুদ্ধে ৬-৩, ৪-৬, ৬-৩ ৰ ব্যৱধানত জয়লাভ কৰি প্ৰথমবাৰৰ বাবে ফ্ৰেন্স অ'পেনৰ কোৱাৰ্টাৰ ফাইনেলত স্থান লাভ কৰিছিল। উল্লেখ্য যে কানাডাৰ বাওঁহাতৰ খেলুৱৈগৰাকীয়ে গ্ৰেণ্ড শ্লেম ইউ এছ অ'পেনৰ ফাইনেলত ২০২১ ত সতীৰ্থ কিশোৰী এমা ৰাডুকানুৰ হাতত পৰাস্ত হৈছিল। ইফালে, আজি চলিত গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অ'পেনৰ কোৱাৰ্টাৰ ফাইনেলতে যাত্ৰা সামৰিলে।



# কটহগুৰিত যোগ কৰ্মশালা আৰম্ভ



অগ্ৰদূত বাৰ্তা,

**বেৰেজীয়া, ৩১ মে'ঃ** নগাঁও আৰু মৰিগাঁও জিলাৰ সীমামূৰীয়া টুকটুকীত অৱস্থিত কটহগুৰি মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি (এন এছ এছ) গোটৰ উদ্যোগত আৰু আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সহযোগত কটহগুৰি মহাবিদ্যালয়ত দহদিনীয়া এক যোগ ক্ৰীড়াৰ কৰ্মশালা আৰম্ভ হৈছে। মহাবিদ্যালয়খনৰ অধ্যক্ষ খাইৰুল ইছলামে আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা এই যোগ কৰ্মশালাৰ আৰম্ভণিতে উদ্দেশ্য বাখ্যা কৰে মহাবিদ্যালয়খনৰ এন এছ এছ গোটৰ আঁচনি বিষয়া তথা সহকাৰী অধ্যাপক মোজামিল হুছেইন খন্দকাৰে। সহকাৰী অধ্যাপক ইকবাল বাহাৰ চৌধৰী, ৰেকিব আহমেদ ফকীৰকে ধৰি মহাবিদ্যালয়খনৰ অধ্যাপক-অধ্যাপিকা,কৰ্মচাৰীসকলে ভাগলোৱা কৰ্মশালাৰ শুভাৰম্ভণি অনুষ্ঠানত অসম যোগ সংস্থাৰ যুটীয়া সম্পাদক সমীৰ হাজৰিকা,ৰাষ্ট্ৰীয় যোগ ৰেফাৰী তথা নগাঁও জিলা খো খো সন্থাৰ সহকাৰী সম্পাদক হিৰণ্য গোহাঁই সন্মানীয় অতিথিৰূপে উপস্থিত থাকে।শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণৰে অহা ন জুনলৈকে চলিবলগীয়া এই কৰ্মশালাত ৰাষ্ট্ৰীয় যোগ খেলুৱৈ তথা বিচাৰক জয়াৰাণী ডেকা মুখ্য প্ৰশিক্ষক, ৰাষ্ট্ৰীয় খেলুৱৈ তথা বিচাৰক বিচিত্ৰৰঞ্জন বৰা আৰু সুপ্ৰতিভ দাস প্ৰশিক্ষকৰূপে আছে। মনকৰিবলগীয়া যে,মহাবিদ্যালয়খনত পোনপ্ৰথমবাৰৰ বাবে আয়োজন কৰা এই শিবিৰত শতাধিক ছাত্ৰ-ছাত্ৰীৰ যোগদানৰে যথেষ্ট সঁহাৰি লাভ কৰাৰ বাবে আয়োজকসকলৰ লগতে অসম যোগ সংস্থাই প্ৰশিক্ষক আগবঢ়োৱাৰ বাবে স্থানীয় যোগপ্ৰেমীসকলে তেওঁলোকক প্ৰশংসা কৰিছে।

## আন্তঃৰাষ্ট্ৰীয় ফিডে ৰেটিং দবা

**গুৱাহাটী, ৩১ মে'ঃ** গুৱাহাটীৰ অসম ডাউন টাউন বিশ্ববিদ্যালয়ৰ প্ৰেক্ষাগৃহত অহা তিনি জুলাইৰ পৰা আঠ জুলাইলৈ দবা খেলুৱৈ অভিভাৱক সন্থাই এখন আন্তৰাষ্ট্ৰীয় ফিডে ৰেটিং দবা প্ৰতিযোগিতা আয়োজন কৰিছে। মুঠ দুই লাখ টকা প্ৰাইজমানি সম্বলিত প্ৰতিযোগিতাখনত প্ৰথম ৪২ টা স্থান অধিকাৰ কৰা খেলুৱৈ সকলক নগদ ধন আৰু ট্ৰফী প্ৰদান কৰা হ'ব। ইয়াৰ উপৰিও শ্ৰেষ্ঠ মহিলা, ভেটাৰেণ খেলুৱৈ আৰু বয়স ভিত্তিক বিভিন্ন শাখাৰ খেলুৱৈসকলক পুৰস্কাৰ প্ৰদান কৰা হ'ব। অসম আৰু গুৱাহাটীৰ খেলুৱৈৰ বাবে থাকিব বিশেষ পুৰস্কাৰ। প্ৰতিযোগিতাখন ইতিমধ্যে ভাৰতীয় দবা মহাসংঘ আৰু বিশ্ব দবা মহাসংঘই স্বীকৃতি প্ৰদান কৰিছে। প্ৰতিযোগিতা খনত যোগদান কৰিবলৈ আৰু সবিশেষ জানিবলৈ ছুজা উল ইছলাম হাজৰিকা ৯৪৩৫০৪১৭৭৬গ্ন আৰু প্ৰণৱ কুমাৰ নাথৰ ৯৮৬৪৯১১৯৩৭গ্ন লগত যোগাযোগ কৰিব পাৰিব।

# আজিৰে পৰা সৰুসজাইত প্ৰথম ৰাজ্যিক মুকলি মাষ্টাৰ্ছ এথলেটিকছ

**গুৱাহাটী, ৩১ মে'ঃ** অসম এথলেটিকছ সন্থাৰ উদ্যোগত অহা কাইলৈৰ পৰা দুদিনীয়াকৈ গুৱাহাটীৰ সৰুসজাই ক্ৰীড়া প্ৰকল্পত অনুষ্ঠিত হ'ব প্ৰথম সংখ্যক ৰাজ্যিক মুকলি মাষ্টাৰ্ছ এথলেটিকচ প্ৰতিযোগিতা। পুৰুষ আৰু মহিলা উভয়ৰে ৩৫ বছৰ উৰ্দ্ধৰ পৰা ১০০ বছৰ উৰ্দ্ধৰ ১৪ টা শাখাত খেলুৱৈসকলৰ বাবে মুকলি থকা প্ৰতিযোগিতাখনত প্ৰায় তিনি শতাধীক খেলুৱৈয়ে ইতিমধ্যে অংশগ্ৰহন নিশ্চিত কৰা বুলি উদ্যোক্তাসকলে জনাইছে। এই ৰাজ্যিক প্ৰতিযোগিতাৰ পৰা বাছনি হোৱা খেলুৱৈসকলে অহা ১৬-১৯ জুনত গুজৰাটৰ বদোদ্ৰাত ভাৰতীয় এথলেটিকচ ফেডাৰচনৰ উদ্যোগত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হ'বলগীয়া ৰাষ্ট্ৰীয় মাষ্টাৰ্ছ এথলেটিকচ প্ৰতিযোগিতাত অংশগ্ৰহনৰ সুবিধা লাভ কৰিব। প্ৰতিযোগিতাত অংশগ্ৰহনকাৰী প্ৰতিযোগীসকলে বয়সৰ প্ৰমাণপত্ৰ হিচাপে হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ এডমিট কাৰ্ড, জন্মৰ প্ৰমাণপত্ৰ, আধাৰ কাৰ্ড, পেন কাৰ্ড লগত আনিব লাগিব। লগতে এথলীটসকলে কভিড প্ৰতিৰোধী ভেকচিন গ্ৰহনৰ প্ৰমানপত্ৰও অংশগ্ৰহনৰ পূৰ্বে জমা দিব লাগিব। এগৰাকী প্ৰতিযোগিতায়ে ব্যক্তিগত শাখাৰ দুটাকৈ ইভেন্টত যোগদান কৰিব পৰা এই প্ৰতিযোগিতাত প্ৰায় ৪০০ তকৈও অধিক ইভেন্ট অনুষ্ঠিত হ'ব।



## অসমৰ ৮১ খেলুৱৈৰ অংশগ্ৰহণ

# এদিনীয়া ৰেপিড দবা সম্পন্ন



**বিশেষ সংবাদদাতা, নগাবাট, ৩১ মে'ঃ** বৰহোলা দবা একাডেমীৰ উদ্যোগত প্ৰাগজ্যোতিকা ছিনিয়ৰ চেকেণ্ডেৰী স্কুল আৰু যোৰহাট জিলা দবা সন্থাৰ সহযোগত বৰহোলাত দেওবাৰে অনুষ্ঠিত হয় এদিনীয়া ৰেপিড দবা প্ৰতিযোগিতা। প্ৰতিযোগিতাখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে সমাজকৰ্মী বিবুল হাজৰিকাই। উদ্বোধনী অনুষ্ঠানটোৰ আঁত ধৰে বৰহোলা মহাবিদ্যালয়ৰ প্ৰৱক্তা অমল সোণোৱালে। ৰাজ্যৰ বিভিন্ন জিলাৰ ৮১ গৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাখন মুঠ সাতটা ৰাউণ্ডত সম্পন্ন হয়। প্ৰতিযোগিতাত বিশিষ্ট অতিথি হিচাপে প্ৰাগজ্যোতিকা চিনিয়ৰ চেকেণ্ডেৰী স্কুলৰ সঞ্চালকদ্বয় অচ্যুত দীপ শইকীয়া আৰু অপূৰ্ব ডেকা, সদৌ অসম দবা সন্থাৰ মণ্ডলিক সম্পাদক পল্লৱ গোহাঁই, যোৰহাট জিলা দবা সন্থাৰ সভাপতি প্ৰতুল গগৈ, সম্পাদক মাধুৰ্য ভৰালী আদি উপস্থিত থাকি খেলুৱৈ সকলক উৎসাহিত কৰে। প্ৰতিযোগিতাখনত অৰবিটাৰ হিচাপে আছিল মানিক দত্ত আৰু অপূৰ্ব সোণোৱাল। প্ৰতিযোগিতাত মুকলি শাখাত চেম্পিয়ন হয় ডিব্ৰুগড়ৰ চেনিৰাম পেগু, দ্বিতীয় বোকাজানৰ ৰিণ্টু ব্ৰহ্ম, তৃতীয় তিনিচুকীয়াৰ যুৱান দাস, চতুৰ্থ অভিজ্ঞান গোস্বামী, পঞ্চম মণিমোহন সিং, ষষ্ঠ পাৰ্থ প্ৰতীম গগৈ। আঠ বছৰৰ অনুৰ্ধত প্ৰথম চায়েদ শ্বাবাজ ফাৰহান, দ্বিতীয় দিম্পল শইকীয়া। ১০ অনুৰ্ধত প্ৰথম অভিশেষ বৰদলৈ, দ্বিতীয় আস্থাজিতা দাস। ১২ ৰ অনুৰ্ধত প্ৰথম আৰন দত্ত, দ্বিতীয় অনাংগ হৰ্ষ বৰঠাকুৰ, ১৪ ৰ অনুৰ্ধত প্ৰথম ময়ুৰ কৃষ্ণ হাজৰিকা, দ্বিতীয় আশ্ৰিক শিৰম, ১৬ৰ অনুৰ্ধত প্ৰথম ৰাইনী ঠেঙাল, দ্বিতীয় সৰস্বত ৰাজ ৰিথম।



# গুচ্ছে দিন

**দিল্লীৰ** দৰবাৰত বাদশ্বাহহঁতৰ আঠ বছৰ হ'ল। আঠ বছৰত আজিকালিৰ ল'ৰা-ছোৱালীয়ে এল পি এৰি হাইস্কুললৈ যায়। বহু নতুন নতুন ডাঙৰ ডাঙৰ কথা জনা হয়। যিবোৰৰ বেছি টেলেণ্ট থাকে, সিহঁতবোৰেতো বহু কিবাকিবি কৰি পেলায়। এই আঠ বছৰত দিল্লীৰ বাদশ্বাহহঁতে কি কি নতুন আৰু ডাঙৰ কাম কৰিলে, তাৰ যদি সমীক্ষা কৰিবলৈ যোৱা যায়, তেতিয়া প্ৰথমেই ক'ব লাগিব চৰ্দাৰৰ মূৰ্তিটো! আটাইতকৈ ডাঙৰ মূৰ্তি! আৰু কি ডাঙৰ কাম বুলিলে ক'ব পাৰি মন্দিৰ মুকলিৰ প্ৰগ্ৰেমবোৰ ডাঙৰকৈ পতা হৈছে। নতুন কামৰ ভিতৰত ক'ব পাৰি শতাধিক কেমেৰাৰ আগত গংগাস্নান কৰা হৈছে, চিনেমা চাবলৈ আধা ছুটী দিয়া হৈছে। এই আঠ বছৰত বাদশ্বাহহঁতে কি ভয়ানক কাম কৰিছে বুলি সুধিলে ক'ব পাৰি নোটবন্দী, লকডাউন বা খেতিয়কৰ গাৰ ওপৰেদি গাড়ী চলাই দিয়া। তথ্য প্ৰযুক্তিত বাদশ্বাহহঁতে কি নতুন প্ৰযুক্তি সংযোগ কৰিছে বুলি সুধিলে ক'ব পাৰি বুলডেজাৰ। আৰু যদি সোধা যায় যে এনে কি কাম কৰিছে যাৰ দ্বাৰা বাদশ্বাহহঁতৰ দেছপ্ৰেম আখৈ ফুটাদি ফুটি উঠিছে, তেতিয়া ক'ব পাৰি যে যিমানবোৰ দেছদ্ৰোহী আছে সৱকে জেইলত ভৰাই থোৱা হৈছে। যদি সোধা যায় যে বাদশ্বাহঁতৰ জামানাত দেছৰ প্ৰগতি কিমান বাঢ়িছে, তেতিয়া একাষাৰতে কৈ দিব পাৰি—বহু বাঢ়িছে। প্ৰমাণ হিচাপে বজাৰৰ বস্তুৰ দামৰ লিষ্টখন দেখুৱাই দিলেই হ'ল।

বাদশ্বাহহঁত আকৌ ৰাজসভাত বহিল আঠ বছৰ পূৰ্ণ হোৱা উপলক্ষে। বেলেগে কিবা ক'ব তাৰ আগেয়ে বাদশ্বাহে ক'বলৈ আৰম্ভ কৰিলে— 'আমাৰ আঠ বছৰ হৈ গ'ল।'

ঃ হয় জাহাপনা।

ঃ আঠ বছৰত ল'ৰা-ছোৱালীয়ে কি কৰে?

ঃ সৱ কৰে জাহাপনা। দৌৰে, জঁপিয়ায়।

ঃ আমিও যথেষ্ট দৌৰি ফুৰিছো। আজি যদি ইউৰোপ গৈছো, কাইলৈ আমেৰিকা গৈছো। জাপানো গৈছো। হঠাতে পাকিস্তানলৈ গৈ বিৰিয়ানিও খাই আহিছো।

ঃ হয় জাহাপনা।

ঃ আৰু এই আঠ বছৰত আমি কম জঁপিয়াই ফুৰা নাই।

ঃ হয় জাহাপনা।

ঃ বিপদত পেলাব পৰা কিবা ইছ্যু ওলালেই আমি লগালগ বেলেগ কিবা ইছ্যুলৈ কম জঁপিয়াব লগা হয় নেকি?

ঃ হয় জাহাপনা!

ঃ আঠ বছৰত ল'ৰা-ছোৱালীবোৰে বহু নতুন নতুন কথা শিকেও।

ঃ আমি কিন্তু নিজে শিকা নাই, দেছবাচীক বহু নতুন কথা শিকাইছোহে!



ঃ কি শিকাইছে জাহাপনা?

ঃ এই নোটবন্দী, লকডাউন....।

ঃ হয় জাহাপনা। আঠ বছৰত বহু ল'ৰা-ছোৱালী দুষ্টও হয়। স্কুলৰ ক্লাছ নকৰি পলাবলৈ শিকে।

ঃ আমাৰ জামানাতো লোন নিদি পলাইছে।

তাৰ পাছত কথাৰ সুৰ সলাই বাদশ্বাহে ক'লে— 'আমি অহাৰ আগেয়ে কচ্ছে দিন চলি আছিল বুজিছা!'

ঃ কচ্ছে দিন মানে?

ঃ সৱ কাম কেঁচা আছিল। আনকি টকাও খাইছিল কেঁচা বুদ্ধিৰে। গতিকে ধৰাও পৰি মৰিছিল।

ঃ হয় জাহাপনা।

ঃ আমি আচ্ছে দিন লৈ আহিলো।

ঃ হয় জাহাপনা।

ঃ আচ্ছে দিনক স্বপ্নে দিনলৈ সলনি কৰিলো। স্মাৰ্টচিটী হ'ব, বুলেট ট্ৰেইন চলিব জাতীয় স্বপ্নবোৰ দেখুৱাব ধৰিলো।

ঃ হয় জাহাপনা।

ঃ ২০২৪ অহালৈকে আমি আৰু এটা নতুন দিন মাৰ্কেটত উলিয়াই দিম।

ঃ কি দিন?

ঃ সস্তে দিন। সৱ বস্তু সস্তা হ'ব।

ঃ সঁচাই হ'ব জানো?

ঃ নহয়।

ঃ তেতিয়া কি হ'ব?

ঃ তেতিয়া ৰাইজে খং কৰিব আৰু আমি পালন কৰিম গুচ্ছে দিন!

কোনোবাই মাতৃক হেৰুৱাইছে, আন কোনোবাই হেৰুৱাইছে পিতৃক। আকৌ একাংশৰ পিতৃ-মাতৃ উভয়েই অতিমাৰীৰ বলি হৈছে। ক'ভিডৰ সময়ত পিতৃ-মাতৃক হেৰুওৱা শিক্ষাৰ্থীসকলৰ কাষত থকাৰ বাৰ্তা দিবলৈকে এইবাৰ নিজহাতে পত্ৰ লিখিলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। যোগ্য অভিভাৱকৰ দৰেই প্ৰধানমন্ত্ৰীয়ে শিক্ষাৰ্থীসকলক ক'লে, 'জানো, তোমালোকৰ জীৱনৰ শূন্যতা কোনোকালেই পূৰণ নহ'ব।




# তোমালোক অকলশৰীয়া নহয়, সমগ্ৰ দেশ লগত আছে ঃ মোদী

## ক'ভিডত অভিভাৱক হেৰুওৱা চাৰি হেজাৰ শিশুলৈ পত্ৰ প্ৰেৰণ প্ৰধানমন্ত্ৰীৰ

**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ৩১ মে' ঃ** কোনোবাই মাতৃক হেৰুৱাইছে, আন কোনোবাই হেৰুৱাইছে পিতৃক। আকৌ একাংশৰ পিতৃ-মাতৃ উভয়েই অতিমাৰীৰ বলি হৈছে। ক'ভিডৰ সময়ত পিতৃ-মাতৃক হেৰুওৱা শিক্ষাৰ্থীসকলৰ কাষত থকাৰ বাৰ্তা দিবলৈকে এইবাৰ নিজহাতে পত্ৰ লিখিলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। যোগ্য অভিভাৱকৰ দৰেই প্ৰধানমন্ত্ৰীয়ে শিক্ষাৰ্থীসকলক ক'লে, 'জানো, তোমালোকৰ জীৱনৰ শূন্যতা কোনোকালেই পূৰণ নহ'ব। যদিও মনত ৰাখিব যে এই সংগ্ৰামত তোমালোক অকলশৰীয়া নহয়। সমগ্ৰ দেশ তোমালোকৰ লগত আছে। উল্লেখ্য যে প্ৰধানমন্ত্ৰী মোদীয়ে ক'ভিডকালত পিতৃ-মাতৃক হেৰুওৱা শিক্ষাৰ্থীসকলৰ কাষত থিয় দিয়াৰ বাবে পূৰ্বেই 'পিএম-কেয়াৰ্ছ' পুঁজিৰ পৰা আৰ্থিক সাহায্য ঘোষণা কৰিছিল। এইবাৰ প্ৰধানমন্ত্ৰীয়ে ঘোষণা কৰিলে যে শিশুসকলৰ বাবে পিএম কেয়াৰ্ছ পুঁজিৰ পৰা যি ধন আবণ্টন দিয়া হৈছে, সেই ধনে আমাৰ আগন্তুক প্ৰজন্মৰ সোণালী ভৱিষ্যৎ সুনিশ্চিত কৰিব। ইতিমধ্যে প্ৰধানমন্ত্ৰীয়ে নিজ হাতে লিখা পত্ৰ লাভ কৰিছে চাৰি হেজাৰ শিশু-কিশোৰে। পত্ৰত মোদীয়ে লিখিছে, 'এই প্ৰকল্পই তোমালোকক মুক্ত মনেৰে সপোন দেখাত সাহায্য কৰিব। তোমালোকৰ স্বপ্নপূৰণত সাহায্যৰ কোনো অভাৱ নঘটিব।'

শিক্ষাৰ্থীসকললৈ একাত্মতাৰ বাৰ্তা দিবলৈ গৈ প্ৰধানমন্ত্ৰীয়ে নিজৰ পৰিয়ালৰ সংঘটিত এক মৰ্মান্তিক ঘটনাৰ কথাও পত্ৰত উল্লেখ কৰিছে। তেওঁ লিখিছে, 'প্ৰায় এটা শতাব্দীৰ পূৰ্বেও একেদৰেই এক মহামাৰীৰ কবলত পৰিছিল সমগ্ৰ বিশ্ব। তেতিয়াই মাতৃহাৰা হৈছিল মোৰ মা। মানে মোৰ আইতাক হেৰুৱাইছিল মোৰ মাই। মোৰ মা তেতিয়া ইমানেই সৰু আছিল যে আইতাৰ মুখখনো তেওঁৰ মনত নাছিল। মোৰ মাই নিজৰ মাতৃৰ অবিহনেই সমগ্ৰ জীৱন অতিবাহিত কৰিলে। ভাবি চোৱাচোঁন মোৰ মাই কিদৰে জীৱন কটাইছিল। সেয়ে ময়ো বুজিব পাৰো তোমালোকৰ কিমান উৎকণ্ঠা হৈছে। তোমালোকৰ হৃদয়ত কিমান যন্ত্ৰণা লুকাই আছে।' ইয়াৰ পাছতে প্ৰধানমন্ত্ৰীয়ে লিখিছে, 'যিমান দিন মা-দেউতা আছিল তেওঁলোকেই তোমালোকক কৈছিল কোনটো ভাল, কোনটো বেয়া। এতিয়া তোমালোকৰ দায়িত্ব বহুখিনি বাঢ়িল। এই শূন্যতা আৰু কোনেও পূৰণ কৰিব নোৱাৰে, কিন্তু তোমালোকৰ পৰিয়াল হিচাপেমই আশ্বস্ত কৰিব খোজো যে এই সংগ্ৰামত তোমালোক অকলশৰীয়া নহয়। সমগ্ৰ দেশ তোমালোকৰ লগত আছে।' উল্লেখ্য যে পিএম-কেয়াৰ্ছ পুঁজিৰ পৰা ক'ভিডত অনাথ হোৱা শিশুসকলক বছৰী ২০ হেজাৰকৈ বৃত্তি দিয়া হৈছে। ২৩ বছৰ সম্পূৰ্ণ হোৱাৰ পাছত তেওঁলোকক এককালীন ১০ লাখ টকাও দিয়া হ'ব। উচ্চশিক্ষাৰ বাবে বছৰী আঢ়ৈ লাখ টকা পৰ্যন্ত অতিৰিক্ত সাহায্যও কৰা হ'ব।

# এটকীয়া-দুটকীয়া খুচুৰা পইচাৰে ক্ৰয় কৰিলে চাৰিচকীয়া বাহন

**গোগামুখ, ৩১ মে' ঃ** সপোন সকলোৰে থাকে। নিজৰ সপোনত উপনিত হ'বলৈ সামৰ্থ অনুযায়ী চলাই যায় নিজৰ সংগ্ৰাম। ঠিক একেদৰে নিজৰ সপোনক বাস্তৱৰূপ দিবৰ বাবে গোগামুখ মহৰিকেম্প মাজগাঁৱৰ নিবাসী অঞ্জয় চাহু নামৰ লোকজনে এটকা-দুটকীয়া পইচা জমা কৰি ক্ৰয় কৰিলে এখন চাৰিচকীয়া বাহন। উল্লেখনীয় যে অঞ্জয় চাহু নামৰ লোকজনে বিগত দিনবোৰত এখন ঘোঁৰাগাড়ী চলাইছিল। লাহে লাহে তেওঁ সাপ্তাহিক বজাৰত ভূজিয়া বিক্ৰী কৰি গেলামালৰ দোকান দিবলৈ লয়। তেওঁৰ সপোন আছিল এখন বিলাসী বাহন কিনাৰ। সেয়েহে এটকীয়া-দুটকীয়া পইচা তেওঁ সাঁচি গৈছিল। তিনি বছৰৰ অন্তত খুচুৰা পইচা দুই লাখ টকা ডাউনপেমেণ্ট দি লখিমপুৰৰ হোণ্ডাই ডিলাৰৰ পৰা এখনি হোণ্ডাই আই-১০ গাড়ী ক্ৰয় কৰে চাহুৱে। তেওঁ কয় যে খুচুৰা পইচাৰে তেওঁৰ এটা দীঘলীয়া সপোন পূৰণ হ'ল।

PHYSIOTHERAPY CENTRE
H.No-51, Basisthapur Bye lane 4, Survey, Beltola

Contact for all kinds of pain, Spine problem, movement problem, joint stiffness etc. for best treatment by our experienced Physiotherapists.

Contact No- 70021-60730, 7002316720

# লখিমপুৰৰ সোৱণশিৰি চাপৰিত ভূ-মাফিয়াৰ দপ্‌দপনি

## সোৱণশিৰি ভেটি আৰক্ষীৰ বেটেলিয়ন শিবিৰ নিৰ্মাণ কৰিব



**অগ্ৰদূত বাৰ্তা**
**লখিমপুৰ, ৩১ মে' ঃ** লখিমপুৰ জিলাৰ সোৱণশিৰি নদীৰ চাপৰিত ভূ-মাফিয়া, শিল-বালিৰ মাফিয়া, ৰাজনৈতিক নেতা আৰু কোটিপতি ব্যৱসায়ীৰ দপ্‌দপনিয়ে স্থানীয় ৰাইজৰ নিদ্ৰাহৰণ কৰিছে। এই মাফিয়াৰ অসৎ ব্যৱসায়ীক সুৰক্ষা প্ৰদানৰ উদ্দেশ্যে সোৱণশিৰিৰ পূৰ্বে জৰীপ কৰা ভূমিত আৰক্ষী বেটেলিয়ন শিবিৰ নিৰ্মাণ নকৰি সোৱণশিৰি নদীৰ এটা সুঁতি ভেটি এই শিবিৰ নিৰ্মাণৰ আজব কাণ্ড চলাইছে অসম চৰকাৰে। অভিযোগ অনুসৰি, লখিমপুৰ জিলাৰ কদম ৰাজহ চক্ৰৰ ভীমপৰা পঞ্চায়তৰ অন্তৰ্গত সোৱণশিৰি নদীৰ নিচেই কাষৰীয়া কৰকনি চাপৰিত এটা বৃহৎ আৰক্ষীৰ বেটেলিয়ন শিবিৰ নিৰ্মাণৰ বাবে ২০২১ত তিনিশ বিঘা ভূমিৰ জৰীপ কৰিছিল। স্থানীয় ৰাইজে এই কথাত সহযোগিতাও কৰিছিল; কিন্তু উক্ত ভূমিভাগ বেদখল কৰি থকা ভূ-মাফিয়াও ৰাজনৈতিক নেতা, কোটিপতি ব্যৱসায়ীৰ ভূমি সুৰক্ষা দিবৰ বাবে উক্ত ভূমি এৰি সোৱণশিৰি নদীত এটা সুঁতি ভেটি চৰকাৰে বেটেলিয়ন শিবিৰ নিৰ্মাণৰ প্ৰস্তুতি চলোৱা কাৰ্যই স্থানীয় ৰাইজক ক্ষুব্ধ কৰি তোলে। উল্লেখ্য যে ২০২১ত বেটেলিয়ন শিবিৰৰ বাবে ড্ৰোণ কেমেৰাৰে চৰকাৰে যি মাটি জৰীপ কৰিছিল উক্ত ভূমি সোৱণশিৰি নদীয়ে সৃষ্টি কৰা এটি ওখ চাপৰি আছিল। কিন্তু কদম ৰাজহ চক্ৰই বৰ্তমান পুনৰ জৰীপ কৰা ভূমি সোৱণশিৰি নদীৰ অবিৰাম বৈ থকা এটা সুঁতিহে। কদম ৰাজহ চক্ৰত চলি থকা এনে আত্মঘাতী কাৰ্যৰ উচিত তদন্তৰ দাবী কৰিছে বিভিন্ন দল-সংগঠনে। এই সন্দৰ্ভত আজি কৰকনি আঞ্চলিক ভূমি তদাৰক কমিটীয়ে কৰকনি সাপ্তাহিক বজাৰত এখন ৰাজহুৱা সভা অনুষ্ঠিত কৰে। উক্ত সভাৰ সিদ্ধান্ত মৰ্মে কাইলৈ চৰকাৰী হঠকাৰী সিদ্ধান্তৰ প্ৰতিবাদত কদম ৰাজহ চক্ৰ কাৰ্যালয়ত বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব।

# ক্ষেত্ৰীত পথ দুৰ্ঘটনাত এজনৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**সোণাপুৰ, ৩১ মে' ঃ** কালি বিয়লি ক্ষেত্ৰী তিনিআলিত সংঘটিত হোৱা পথ দুৰ্ঘটনাত এজন লোক নিহত হয়। চলন্ত ট্ৰেক্টৰৰ পৰা পৰিয়ে লোকজনে কৰুণভাৱে মৃত্যুক সাৱটি লয়। নিহত লোকজন ক্ষেত্ৰীৰ দেউলগুৰিৰ বিজন্ত বড়ো (৪৫)। ঘটনাৰ সন্দৰ্ভত প্ৰত্যক্ষদৰ্শীয়ে জানিবলৈ দিয়া মতে, ট্ৰেক্টৰৰ মাজভাগত উঠি আহি থকা লোকজনে হঠাতে চলন্ত ট্ৰেক্টৰৰ পৰা পৰি যায়। যাৰ ফলত ট্ৰেক্টৰৰ পাছফালৰ এটা চকা লোকজনৰ দেহৰ ওপৰেৰে উঠি যায় গুৰুতৰভাৱে আহত হয়। ক্ষেত্ৰী আৰক্ষীয়ে স্থানীয় ৰাইজৰ সহযোগত গুৰুতৰভাৱে আহত লোকজনক ততাতৈয়াকৈ ক্ষেত্ৰীৰ ৩০ বিছনাযুক্ত চিকিৎসালয়লৈ লৈ যায় যদিও চিকিৎসকে মৃত বুলি ঘোষণা কৰে।




# পাগলাহাটগাঁও পঞ্চায়তৰ উপ-নিৰ্বাচনৰ ফলাফল ঘোষণা

## ৭২৯ টা ভোটত জয়ী বিজেপি প্ৰাৰ্থী




**তামাৰহাট, ৩১ মে' ঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ বিধানসভা সমষ্টিৰ অন্তৰ্গত ৭০ নম্বৰ পাগলাহাট গাঁও পঞ্চায়তৰ সভাপতিৰ তিনি সন্তানৰ বাবে পঞ্চায়ত আইন অনুসৰি পদ খাৰিজ হোৱাত উপ-নিৰ্বাচন অনুষ্ঠিত হয়। ধুবুৰী জিলা প্ৰশাসনে যোৱা ২৯ মে'ত নিবাচন অনুষ্ঠিত কৰাৰ পাছত আজি ফলাফল ঘোষণা কৰে। পাগলাহাট গাঁও পঞ্চায়তৰ সভাপতি পদৰ উপ-নিৰ্বাচনত বিজেপিৰ প্ৰাৰ্থী ৰমেশ চন্দ্ৰ ৰায়ে কংগ্ৰেছ প্ৰাৰ্থী এনামূল হকক ৭২৯টা ভোটৰ ব্যৱধানত পৰাজিত কৰি বিজয়ৰ মালা পিন্ধে। বিজেপিয়ে ৩৬৭০ টা, কংগ্ৰেছে ২৯৪১টা আৰু এইউডিএফৰ প্ৰাৰ্থী গোলাম মোস্তাফা বেপাৰীয়ে ৫৬৯টা ভোট লাভ কৰে।

পূৰ্বতে পাগলাহাট গাঁও পঞ্চায়তৰ সভাপতি পদটো কংগ্ৰেছ প্ৰাৰ্থী জয়ী হৈ কাম-কাজ কৰি আহিছিল। শেহতীয়াকৈ কেন্দ্ৰ আৰু ৰাজ্যত বিজেপি চৰকাৰ থকা বাবে অতিকৈ পিছপৰা আৰু উন্নত অঞ্চলসমূহ আগুৱাই নিয়াৰ স্বাৰ্থত ৰাইজে বিজেপি প্ৰাৰ্থীজনক ভোটদান কৰে বুলি চৰ্চিত হৈছে।

# ঘগ্ৰাপাৰৰ বড়িগোগ-বনভাগ শিক্ষা খণ্ডৰ ২০১খন বিদ্যালয়ত গুণোৎসৱ

## উপস্থিত থাকিব অসম চৰকাৰৰ তিনি মন্ত্ৰী

**অগ্ৰদূত বাৰ্তা**
**ঘগ্ৰাপাৰ, ৩১ মে' ঃ** নলবাৰীৰ ঘগ্ৰাপাৰস্থিত বড়িগোগ-বনভাগ শিক্ষা খণ্ডৰ অন্তৰ্ভুক্ত ২০১খন বিদ্যালয়ত কাইলৈৰ পৰা অনুষ্ঠিত হ'ব গুণোৎসৱ-২০২২। বড়িগোগ বনভাগ প্ৰাথমিক শিক্ষা খণ্ডৰ বিষয়া ৰাজেন্দ্ৰ কলিতাই সংবাদ মাধ্যমক জানিব দিয়া মতে, নিম্ন প্ৰাথমিকৰ ১৪৫, উচ্চ প্ৰাথমিকৰ ২৮ আৰু উচ্চ-উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ ২৮খন বিদ্যালয়ৰ প্ৰতিখনতে পহিলা জুনত স্বমূল্যায়ন হোৱাৰ বিপৰীতে পৰ্যায়ক্ৰমে দুই, তিনি আৰু চাৰি জুনত বহিঃমূল্যায়কৰ উপস্থিতিত গুণোৎসৱ অনুষ্ঠিত হ'ব। শিক্ষা বিভাগে প্ৰকাশ কৰা তালিকা অনুযায়ী ধমধমা ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়ত দুই জুনত, বৰখালাস্থিত ধীৰদত্ত উচ্চতৰ মাধ্যমিক বিদ্যালয়ত তিনি জুনত আৰু বনভাগ-খাতা দিহজাৰী হাইস্কুলত চাৰি জুনত অসম চৰকাৰৰ এগৰাকীকৈ মন্ত্ৰী উপস্থিত থাকিব। কাৰ্যক্ৰম সুচাৰুৰূপে পৰিচালনা কৰিবলৈ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া কলিতাৰ নেতৃত্বত সহকাৰী পৰিদৰ্শক জ্যোতিষ দাস, সমল ব্যক্তি সুভাষ বৰ্মন, নৱ কুমাৰ দাস, প্ৰাঞ্জল ৰাজবংশী, ব্লক এমআইএছ সমন্বয়ক সুশান্ত মল্ল বৰুৱা, ইডিপি ইলা দত্ত, চিআৰচিচি, খণ্ড গাণনিক, প্ৰাথমিক শিক্ষা বিভাগৰ কাৰ্যালয় সহায়কসকলক সদস্য হিচাপে লৈ কে'বাখনো উপ-



সমিতি গঠন কৰিছে। মন্ত্ৰী পৰিষদৰ সদস্য উপস্থিত থাকিবলগীয়া স্কুলবোৰত সমল ব্যক্তি সুভাষ বৰ্মন আৰু নৱ কুমাৰ দাসৰ উদ্যোগত যোৱা শিক্ষা বিভাগৰ দল এটা উপস্থিত হৈ অধ্যক্ষ, প্ৰধান শিক্ষক আৰু সহকাৰী শিক্ষকসকলৰ উপৰি বিদ্যালয় পৰিচালনা সমিতিৰ বিষয়ববীয়াৰ স'তে বেলেগে বেলেগে আলোচনা চলাই বিভিন্ন দিশ পৰ্যালোচনা কৰি প্ৰস্তুতিৰ বুজ লয়। তেওঁলোকে আজি পুৱা বনভাগ-খাতা দিহজাৰী হাইস্কুলত উপস্থিত হৈ গুণোৎসৱত অনুষ্ঠিত হ'ব লগা কাৰ্যক্ৰমণিকাৰ সবিশেষ আলোচনা কৰে। জ্যেষ্ঠ চিআৰচিচি কালীন্দ্ৰ কলিতা, বিপুল দাস, মহেশ কলিতা আৰু কংকন বেজবৰুৱাই গুণোৎসৱ সন্দৰ্ভত অনুষ্ঠিত যোজনা বৈঠকত ভাগ লয়।

# কলগাছিয়াৰ সালেকুৰাত অবৈধ ইটাৰ ভাটা বন্ধ প্ৰশাসনৰ

**কলগাছিয়া, ৩১ মে' ঃ** বৰপেটা জিলাৰ জনীয়া সমষ্টিৰ অন্তৰ্গত সালেকুৰাত বহুদিন ধৰি চলি থকা এআইবি ইটাৰ ভাটা আজি বৰপেটা জিলা প্ৰশাসনে বন্ধ কৰি দিয়ে। তথ্য মতে, জনীয়াৰ সালেকুৰাত চলি থকা অবৈধ ইটাৰ ভাটাটো ৰাজহুৱা আৰু মাটিৰ মালিকৰ অভিযোগৰ ভিত্তিত বন্ধ কৰে প্ৰশাসনে। বৃহত্তৰ জনীয়া কৃষি প্ৰধান অঞ্চলৰ খেতিয়কসকলৰ ইৰি ধানৰ লগতে বিভিন্ন খেতি নষ্ট হোৱাৰ অভিযোগ উত্থাপন কৰি এই ইটাৰ ভাটাটো বন্ধ কৰিবলৈ আবেদন কৰিছিল ৰাইজৰ লগতে মাটিৰ মালিকে। ৰাইজ আৰু মাটিৰ মালিকৰ অভিযোগৰ ভিত্তিত আজি বৰপেটা প্ৰশাসনে বন্ধ কৰি দিয়ে অবৈধ ইটাভাটাটো।




অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com